# মঙ্গলদৈ মহাবিদ্যালয়

# আলোচনী



সম্পাদক / দুলাল বৰুৱা

# মঙ্গলদৈ মহাবিদ্যালয় আলোচনী

Mangaldai College Library
Estd-1951
Date
Mangaldai

## মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বাৰ্ষিক প্ৰকাশ

## ১৯৮৩-১৯৮৪ চন

সম্পাদক ঃ
দুলাল বৰুৱা

তত্বাৱধায়ক ঃ
অধ্যাপক ভাৰত চন্দ্ৰ শৰ্মা

# সম্পাদনা সমিতি ঃ ১৯৮৩—৮৪

অধ্যক্ষ ড° পূৰ্ণ চন্দ্ৰ বৰা—সভাপতি, উপাধ্যক্ষ গোপী শৰ্মা– উপ-সভাপতি, অধ্যাপক ভাৰত চন্দ্ৰ শৰ্মা—তত্বাৱধায়ক, অধ্যাপক প্ৰবীণ বৰুৱা, দুলাল বৰুৱা—সম্পাদক, ধৰ্মকান্ত শৰ্মা, হীৰেন দাস, হৰনাথ শৰ্মা বৰুৱা, দিগন্ত নয়ন শৰ্মা, চিনুপ্ৰভা হুজুৰি, মিনতি ডেকা আৰু যোগেশ্বৰ নাথ।

## কৃতজ্ঞতা স্বীকাৰ


মহাবিদ্যালয়ৰ একমাত্ৰ মুখপত্ৰ পত্ৰিকাখনি প্ৰকাশৰ প্ৰতিটো মুহূৰ্ত্তত বিভিন্নজনৰ পৰা পোৱা সহায়-সহযোগ কোনো দিনেই পাহৰিব নোৱাৰো।

ড° পূৰ্ণ চন্দ্ৰ বৰা (অধ্যক্ষ), অধ্যাপক ভাৰত চন্দ্ৰ শৰ্মা (তত্বাৱধায়ক), ধৰ্মকান্ত শৰ্মা, মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাবৃন্দ, ছাত্ৰ একতা সভা, ছাত্ৰ-বন্ধু—শিৱাজী, অচ্যুত, দিগন্ত, কন্দৰ্প, অনিল, হেৰম্ব, কুলেশ্বৰ, অশ্বিনী, অমল, ডিম্বেশ্বৰ, ভবেশ, চন্দন, নৰ, প্ৰেমধৰ, ধুলি, বিনু, মুনু আৰু বহুতো; স্নাতকোত্তৰ মহলাৰ মহেন্দ্ৰ মোহন চৌধুৰী, প্ৰবীণ চমুৱা, চিৰাজ, ইব্ৰাহিম, মেঘালী, চন্দ্ৰমা, বিনু ডেকা, মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী আৰু নৱযুগৰ সমূহ কৰ্মচাৰীলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

বেটুপাত ঃ মন্টু কুমাৰ দাস ; অলঙ্কৰণ ঃ মন্টু কুমাৰ দাস আৰু দুলাল বৰুৱা।


## শুধৰণি

যোৱা সংখ্যা আলোচনীৰ (১৯৮২-৮৩) "অশ্ৰু-অঞ্জলি, আমাৰ মহাবিদ্যালয়ৰ শ্বহীদ. বন্ধুলৈ" শিতানত ছপা হোৱা কবিতাটোৰ ৰচয়িতা তিলক প্ৰসাদ বৰুৱা।



আমাৰ মহাবিদ্যালয়ৰ শ্বহীদ বেদী

( ফটো ঃ আশীষ কুমাৰ ৰয়, প্ৰাক্ বিশ্ববিত্তালয়, ২য় বাৰ্ষিক-কলা )

# শ্ৰদ্ধাৰে স্মৰঁৰিছো.........................



জন্ম ঃ ১৯ এপ্ৰিল, ১৯৩৬ চন

মৃত্যু ঃ ২৫ নবেম্বৰ, ১৯৮৪ চন

স্বৰ্গীয় সুৰেন্দ্ৰ নাথ ডেকা, এম-এছচি

আমাৰ মহাবিদ্যালয়ৰ উদ্ভিদবিদ্যা বিভাগৰ প্ৰতিষ্ঠাতা অধ্যাপক।

# অসমীয়া বিভাগ

Mangaldai College Library
Estd-1951
Date
Mangaldai

সপোন দেখি ছবি আঁকি থকা শিল্পীৰ দ্বাৰা আজি আমাৰ কাম নহয়। আজি নিজৰ তেজেৰে পুৱাৰ ৰঙা বেলিৰ ছবি আঁকিব পৰা শিল্পীহে আমাক লাগে।

—জ্যোতিপ্ৰসাদ।

# সূচীপত্ৰ


সম্পাদকীয়/১

কৃষ্ণকান্ত সন্দিকৈদেৱ আৰু অসমীয়া ভাষা সাহিত্য/প্ৰবন্ধ/শশীপ্ৰভা দেৱী/৪

জ্যোতিপ্ৰসাদ আগৰৱালাৰ অসমীয়া সমাজলৈ সাংস্কৃতিক অৱদান/প্ৰবন্ধ/বিনয় কুমাৰ শৰ্মা বৰুৱা/৮

অঙ্কীয়া নাট আৰু ভাৰতীয় লোক নাটক/প্ৰবন্ধ/পৰেশ চন্দ্ৰ বৰুৱা/১৪

মই সুভাষে কৈছো/কবিতা/মুনুমণি হাজৰিকা/১৭

"আপোচ বিহীন বন্দুক"/কবিতা/খৰ্গেশ্বৰ নাথ/১৮

বিগত বিৰাশী/কবিতা/চিনুপ্ৰভা হুজুৰী/১৯

সংগ্ৰামী/কবিতা/শশীপ্ৰভা দেৱী/২০

নবাগত/কবিতা/ঘন হাজৰিকা/২১

য'ত সিহঁত আছে…/কবিতা/ধনেশ্বৰ বৰুৱা/২২

ৰক্ত বিহীন শীৰা/কবিতা/ভবেশ শৰ্মা/২৪

জীৱন মৰু/কবিতা/প্ৰেমধৰ বৰুৱা/২৫

শিথিল/কবিতা/খনিন্দ্ৰ কুমাৰ বৰুৱা/২৫

মই মূলতঃ মানুহ যিহেতু/কবিতা/উপেন্দ্ৰ বৰুৱা/২৬

বিহুৱান বহাগৰ ৰং/কবিতা/জ্যোতিষ গোস্বামী/২৬

প্ৰতীক্ষাত অভিভূত/কবিতা/দীনেশ ডেকা/২৭

দিঠকৰ সপোন/কবিতা/অধ্যাপক বিজয় গোস্বামী/২৮

ডাৱৰ আতৰিল/ৰহস্য গল্প/ভূপেন কুমাৰ নাথ/২৯

বেটুপাতৰ শিল্পী/গল্প/মিনুৰাণী নাথ/৩৯

অবাঞ্চিত আলহী/গল্প/জন্টিৰাম হাজৰিকা/৪৬

ক'লা বগা ধূসৰ/গল্প/যোগেশ্বৰ নাথ/৫৩

ভগা বীণাৰ সুৰ/গল্প/হৰনাথ শৰ্মা বৰুৱা/৬০

সহযাত্ৰী/গল্প/মহেন্দ্ৰ মোহন চৌধুৰী/৬৪

মধুৰ মিলন/গল্প/নাৰায়ণ চন্দ্ৰ নাথ/৭০

অব্যক্ত বেদনা/গল্প/যমুনা দেৱী/৭৪

মোমাইদেউৰ স্মৃতিত/স্মৃতিচাৰণ/জয়শ্ৰী ডেকা/৮০

বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন/৮৩

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ১৯৮৩-৮৪ চনৰ বিষয়ববীয়া আৰু ভাৰপ্ৰাপ্ত অধ্যাপকসকলৰ নাম/১০৫



ডঃ পূর্ণ চন্দ্ৰ বৰা

াামাৰ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীপূৰ্ণ চন্দ্ৰ বৰাদেৱক ১৯৮৪ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে তাখেতৰ "শঙ্কৰদেৱৰ দৰ্শন আৰু ধৰ্ম" নামৰ গৱেষণা গ্ৰন্থৰ বাবে ডক্টৰেট উপাধি প্ৰদান কৰিছে। ডব্ৰুগড় বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা উৰিষ্যাৰ পণ্ডিত ডঃ জে টি মিশ্ৰ আৰু বোম্বেৰ বিদগ্ধ ণ্ডিত ডঃ এচ এ ডাঁঙ্গে প্ৰমুখ্যে পণ্ডিতসকলে শ্ৰীবৰাদেৱৰ গৱেষণা গ্ৰন্থখন অতি উচ্চ মানৰ লি ভূয়সী প্ৰশংসা কৰে।




মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ-অভিযোগত ছাত্ৰ-একতা সভাই
কৰা প্ৰতীক অনশন।

# সম্পাদকীয়

সাহিত্য ভাষাৰ জন্ম পত্রিকা। ই জাতিৰ দাপোণ স্বৰূপ। গুণী-জ্ঞানী পুৰুষৰ কাপে সৰ্বসাধাৰণক নায়কত্ব দি যায়। বিপথে চালিত হোৱা ব্যক্তিৰ জীৱনৰ গতিপথ পৰিৱৰ্ত্তন কৰাই দিয়ে আৰু প্ৰকৃত পথেৰে ধাৱমান হোৱাত সহায়তা কৰে। আনহাতে দোষযুক্ত সাহিত্যই জাতীয় চৰিত্ৰ হননতহে প্ৰধান ভাগ লয়। দোষযুক্ত সাহিত্য জাতিৰ কলঙ্ক। ৫৫৪ খৃঃৰ পৰাই অসমীয়া ভাষা শিলালিপি, তাম্ৰপত্ৰ আদিত খোদিত হৈ আহিছে। বিভিন্ন পণ্ডিতৰ কাপত ভাষাটি ভুল-ক্ৰটীৰ মাজেৰে এক শীৰ্ষস্থানত উপনীত হৈছেহি। ই অতি গৌৰৱৰ কথা। কিন্তু বৰ্ত্তমানলৈ বাস্তৱধৰ্মী পুথিসমূহৰ অভাৱ আছেই। ই অতি পৰিতাপৰ কথা। পুণ্যভূমি অসম। যি প্ৰাগ্‌জ্যোতিষপুৰত জ্যোতিষ-বিজ্ঞানৰ প্ৰাৰম্ভিক চৰ্চা হৈছিল, সেই ঠাই আজিও হাবিতলীয়া কিয়? পৃথিবীৰ ভিতৰত প্ৰথমে জুইৰে ভাত ৰান্ধিব জনা ভাৰতবৰ্ষ আজিও ক্ৰমোন্নত নহয় কিয়? সংকীৰ্ণ জাতিভেদৰ চক্ৰবেহুত সোমাই থকা ভাৰতীয় জাতিক উন্নত কৰাবলৈ এই জঘন্য গোড়ামি ধুই নিকা কৰিব লাগিব। মন্ত্ৰীতন্ত্ৰী সকলৰ সংহতিৰ ৰচনাই প্ৰকৃততে

জাতিটোৰ অন্তৰায়ৰহে সৃষ্টি কৰিছে। সংহত জাতিক কোনো ক্ষেত্ৰতে পৰাভূত কৰিব পৰা নাযায়। সেয়ে সেইসকলে ধৰ্মৰ বেপাৰ কৰি জাতিৰ বৰ্ধৰ্জন ধৰি, আদৰ্শৰ মূৰত কামোৰ মাৰি সৰ্বসাধাৰণৰ মনত বিদ্বেষৰ ভাব বেছি তিক্তহে কৰি তুলিছে। ভগবান বা খোদা-আল্লাৰ মাজত কোনো পাৰ্থক্য নাই। ধৰ্মপ্ৰাণসকলে কৰ্মৰ মাজেৰেই ধৰ্মৰ অনুশীলন কৰি আছে।

বিভিন্ন নামাঙ্কিত ধৰ্মবোৰ যে উপাসনাৰ পদ্ধতিহে এই মনোভাৱ সকলোৱে গ্ৰহণ কৰিব পৰা নাই। প্ৰকৃততে উচিত কৰ্মই ধৰ্ম। এজনৰ ছাঁটো গচকিলে আনজনে গা-ধুবলগীয়া হোৱাটো ভণ্ডামি আৰু বহুবাৰম্ভে লঘুক্ৰিয়াৰ নিচিনা। বৰ্ত্তমানৰ ধৰ্মৰ নামত বহুত চিঞৰ-বাখৰ কৰি সমাজৰ সচেতনসকলক বিৰক্ত কৰিছে। এনেবোৰ পৃথকীকৰণ মনৰ পৰা আঁতৰি নগলে জাতিটোৰ প্ৰগতি নাই। বিজ্ঞানৰ জ্ঞান পোৱা কিছুমান ছাত্ৰকো বৰ্ত্তমান সময়ত ধৰ্মৰ নামত ঢেটু ফালি চিঞৰি থকা দেখা গৈছে। ই প্ৰকৃততে নিৰৰ্থক। সকলো ডেকা-গাভৰু একত্ৰ হৈ প্ৰগতিৰ কামত আগবাঢ়িব লাগিব। সংকীৰ্ণ জাতিভেদ পাহৰি বাস্তৱধৰ্মী আৰু বিজ্ঞানসন্মত কাৰ্যসূচী হাতত লৈ অগ্ৰসৰ হব পাৰিলেই উদ্দেশ্যত উপনীত হব পৰা যাব। পুৰণিক বাদ দিব নোৱাৰি আৰু নতুনকো সম্পূৰ্ণকৈ গ্ৰহণ কৰিব নোৱাৰি। নতুন-পুৰণি উভয়কে মিহলাই এক কথাসন্মত নতুনৰ সৃষ্টি কৰিব লাগিব। বয়োজ্যেষ্ঠ সকলক উলঙ্ঘা কৰিব নোৱাৰি, তেওঁসকলৰ ৰক্ষণশীল মনোভাৱ নিকা কৰি প্ৰগতিশীলতাৰ সঞ্চাৰ কৰিব লাগিব। মহা-বিদ্যালয়ৰ শিক্ষা সাং হলেই চাকৰি চাকৰি কৰি ভালে সংখ্যক ডেকা ল'ৰাই মানসিকভাৱে ভাৰাক্ৰান্ত হৈ পৰে। নিজৰ বুদ্ধি-কৌশলক প্ৰাধান্য দিবলৈ পাহৰি যায়। সৌ তাহানিৰ পৰা হেম বৰুৱা, সত্যনাথ বৰা, লম্বোদৰ বৰা আদিয়ে বাৰম্বাৰ কৈ গৈছে যে, ডেকা শক্তি বেহা-বেপাৰত প্ৰবৃত্ত হব লাগে। পিছে, "অসম মৰিলে আমিও মৰিম" বোলা সকলৰ দৰে তেওঁলোকে চিঞৰি চিঞৰি মৰিল; আজিলৈকে তাৰ কোনো সুফল নহ'ল। নিবনুৱা বুলি প্ৰকৃততে কামৰ প্ৰতি অৱহেলা থকা সকলকহে বুজিব পৰা হৈছে। কিয়নো আমাৰ মনত জাতি, ধৰ্ম-সংকীৰ্ণতা আছেই। এই আটাইবোৰ আঁতৰাই জাতিটোক এটি উন্নত জাতি বুলি বিশ্বৰ দৰবাৰত পৰিচয় কৰাই দিব লাগিব। ধৰ্মৰ বৰ্ধৰ্জনধাৰী ৰাজনীতিৰ বেপাৰীসকল অকৃত-কাৰ্য্য হৈছে। জাতিটো এতিয়া প্ৰকৃততে মৃত্যুমুখী। এই জাতিটোক উদ্ধাৰ কৰিবলৈ সক্ষম একমাত্ৰ ডেকা শক্তি। ইয়াৰ বাবে প্ৰয়োজন বাস্তৱধৰ্মী আৰু বিজ্ঞানসন্মত কাৰ্যসূচী।

সৌ তাহানি মোগল সেনাপতি মানসিংহই কৈছিল: "পাহাৰৰ ওপৰত গড় কৰিছে, আগত মৈদানো, অলপ ভালেতো আচামৰ যুদ্ধে নোৱাৰে। চক্ৰাকৃতি বেহু, একো ঠাইলৈ তিনি আনি, মহিবে নাপায়। তীৰ ৰামায়ণ, ঘোড়া যুদ্ধ নাই। ধৈন্য মন্ত্ৰী, ধৈন্য সেনাপতি,

ধৈন্য পদাতি। একে পৰ্বত, তাতে এনে দুৰ্গম বেহু কৰিছে। ধৈন্য মন্ত্ৰী, ধৈন্য সেনাপতি, ধন্য পদাতি!" (অসম বুৰঞ্জী, পৃঃ ১১৫)।

এনেবোৰ জল্‌জল্ পট্‌পট্ উদাহৰণে আমাক সাহস যোগায়: জয় আমাৰ অনিবাৰ্য্য। হাতিয়াৰ হ'ল সংহতি।

**কবহই লাগিব ঃ**

আলোচনীৰ সম্পাদক হিচাবে নিৰ্বাচিত হৈ আশা কৰিছিলো বছৰৰ ঠিক শেষ ভাগত উলিয়াব পাৰিম এখন সুন্দৰ আলোচনী। কিন্তু............

**বিদায় পৰত ঃ**

আলোচনীখন আপোনালোকে বিচৰা মতে হ'ল নে নাই তাক মই নাজানো। কিন্তু চেষ্টাৰ ত্ৰুটী মই কোনো দিনেই কৰা নাই। শেষত মোৰ কাৰ্য্যকালত অজানিতে কৰা ভুল-ত্ৰুটীৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষাৰে—

—*দুলাল বৰুৱা*

সম্পাদক

মঙলদৈ মহাবিদ্যালয় আলোচনী

# কৃষ্ণকান্ত সন্দিকৈ দেৱ আৰু অসমীয়া ভাষা সাহিত্য

শ্ৰীশশীপ্ৰভা দেৱী
স্নাতক মহলা
১ম বাৰ্ষিক ( কলা )

"জ্ঞান সাধনাৰ মূলতে জ্ঞান প্ৰেম আৰু জ্ঞান স্পৃহা"—এই কথাষাৰ যিজন পুৰুষে কৈ গৈছে আৰু যিজনেই "পাৰ্থিব খ্যাতি বতাহৰ নিশ্বাস প্ৰশ্বাসৰ বাহিৰে একো নহয়"—ডান্টেৰ এই উক্তিত গুৰুত্ব দিয়ে, সেইজন অমায়িক, শিশুৰ দৰে সৰল, প্ৰচাৰ বিমুখ, জ্ঞান সাধনাত ব্ৰতী, বিদগ্ধ পণ্ডিত, অভিমান শূন্য, ব্যক্তিত্ব সম্পন্ন কৃষ্ণকান্ত সন্দিকৈ বৰ্ত্তমান শতিকাৰ এজন মহান ব্যক্তি। সন্দিকৈদেৱৰ শাৰীৰ ভাষাবিদ পণ্ডিত, নিবন্ধকাৰী, প্ৰাচ্যবিদ, মানবিকি লোক অদূৰ ভৱিষ্যতে ওলাব বুলি আশা কৰিব নোৱাৰি।

ক্ষত্ৰিয় নৃপতি বিশ্বামিত্ৰই যেনেকৈ তপস্যাৰ বলত ব্ৰাহ্মণত্ব লাভ কৰি মহৰ্ষি বিশ্বামিত্ৰ হ'ব পাৰিছিল, আহোম কুল প্ৰদীপ কৃষ্ণকান্ত সন্দিকৈয়েও তেনেকৈ তপস্যাৰ বলত ব্ৰাহ্মণত্ব লাভ কৰি জ্ঞানৰ্ষি কৃষ্ণকান্ত হৈছিল বুলি কলে অতিৰঞ্জিত কৰা নহয়।

এই জ্ঞানৰ্ষি ব্যক্তি গৰাকীৰ জন্ম হয় যোৰহাটত ইং ১৮৯৮ চনৰ ২০ জুলাই তাৰিখে। তেখেতৰ পিতৃ দানবীৰ ৰাধাকান্ত সন্দিকৈ আৰু মাতৃ আছিল নাৰায়ণী সন্দিকৈ।

সৰু কালিৰ পৰাই তেখেত আছিল অধ্যয়নশীল। ১৯১৩ চনত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা আৰু গুৱাহাটী কটন কলেজৰ পৰা আই এ পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতালৈ পঢ়িব যায়। ১৯১৭ চনত সংস্কৃত কলেজৰ পৰা অনাৰ্চ সহ বি এ পৰীক্ষা আৰু ১৯১৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ সংস্কৃতৰ বেদৰ গ্ৰুপত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ এম এ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯২০ চনত তেওঁ বিলাতলৈ যায় আৰু

অক্সফোর্ড বিশ্বালয়ত মডার্ন হিষ্ট্ৰীত অনার্চ লৈ অধ্যয়ন কৰে আৰু ১৯২৩ চনত এম এ পৰীক্ষাত উত্তীর্ণ হয়। ১৯২৩ চনৰ পৰা ১৯২৭ চনলৈকে ইউৰোপীয় ভাষা সাহিত্য অধ্যয়নত তেওঁ কাল কটায়। সন্দিকৈদেৱে পেৰিচত ৰুছ আৰু ইটা-লীয়ান ভাষা আৰু বাৰ্লিনত গ্ৰীক্ আৰু লেটিন ভাষা আয়ত্ব কৰে। গভীৰ জ্ঞানৰ অধিকাৰী হৈ তেওঁ ১৯২৭ চনত স্বদেশলৈ ঘুৰি আহে।

১৯২৮ চনত নগাওঁৰ উমাচৰণ গোহাঁইৰ কন্যা হেমলতা গোহাঁইক তেওঁ বিয়া কৰায়। তেওঁলোকৰ এটি মাত্র পুত্র শ্ৰীবিজয় কুমাৰ সন্দিকৈ (এম পি) আৰু কন্যা দুগৰাকী শ্ৰীমতী প্ৰমিলা সন্দিকৈ আৰু শ্ৰীমতী অহল্যা সন্দিকৈ। পত্নী হেমলতা সন্দিকৈৰ ১৯৬১ চনৰ মৃত্যুৱে সন্দিকৈদেৱৰ জীৱনত গভীৰ ৰেখাপাত কৰে। এই মহান ব্যক্তি গৰাকীও ১৯৮২ চনৰ ২ জুন তাৰিখে দিনৰ ১০-২০ বজাত ডিব্ৰুগড় মেডিকেল কলেজত অক্সিজেনৰ সহায়ত উশাহ-নিশাহ দি থকা অৱস্থাত সেই প্ৰক্ৰিয়া বন্ধ হৈ যায় আৰু গভীৰ টোপনিত নিমগ্ন হৈ পৰে। বিশ্ববৰেণ্য পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ তিৰোভাৱত বিশ্বৰ যি ক্ষতি হ'ল সেই বেদনাদায়ক ক্ষতি অপূৰণীয়।

অসমৰ শিক্ষা আৰু সাহিত্যৰ ক্ষেত্ৰত সন্দিকৈদেৱৰ বৰঙণি অতুলনীয়। ১৯৩০ চনত স্থাপিত জগন্নাথ বৰুৱা কলেজৰ (তেতিয়াৰ যোৰহাট কলেজৰ) সুদীৰ্ঘ সোতৰ বছৰ (১৯৪৭) অধ্যক্ষ আৰু ১৯৪৮ চনৰ পৰা ১৯৫৭ চনলৈকে উপা-চাৰ্য্যৰ দায়িত্ব গ্ৰহণ কৰি তেওঁ অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত বৰঙণি যোগাইছিল। এই পণ্ডিত গৰাকী যে পালি, প্ৰাকৃত আৰু সংস্কৃতৰ বিদগ্ধ পণ্ডিত আছিল এনে নহয়; তেওঁ আছিল পৃথি-বীৰ ১২-১৩ টা ভাষা জনা এজন ব্যক্তি। ইংৰাজী আৰু অসমীয়াত ভালে কেইটা মৌলিক প্ৰবন্ধৰ ৰচয়িতা হ'ল কৃষ্ণকান্ত সন্দিকৈ। এই জন ব্যক্তিকেই ১৯৫৫ চনত ভাৰত চৰকাৰে "পদ্মশ্ৰী" আৰু "পদ্মভূষণ" সন্মান প্ৰদান কৰে।

পুস্তকপ্ৰেমী সন্দিকৈদেৱ জীৱনৰ আগ-ছোৱাত থিয়েটাৰ আৰু কলাপ্ৰেমীও আছিল। ছাত্ৰ জীৱনতে অসম ৰঙ্গমঞ্চৰ লগত যোৰহাটত পৰোক্ষভাৱে জড়িত হৈ পৰিছিল। অসমত তেওঁৰ প্ৰিয় অভিনেতা আছিল তেজপুৰৰ বোধনাথ পটংগীয়া, নগাওঁৰ জগৎ বেজবৰুৱা আৰু গুৱা-হাটীৰ ৰাধিকা প্ৰসাদ বৰুৱা!

সন্দিকৈদেৱৰ তিনিখন (১। নৈষধ চৰিত ২। অশস্তিমূলক ৩। সেতুবন্ধন) বহুমূলীয়া গ্ৰন্থৰ উপৰিও বিভিন্ন কাকত পত্ৰত সিচৰিত হৈ থকা প্ৰবন্ধাৱলী দুই ভাগত সংকলন কৰি প্ৰকাশ কৰিলে এখন ইংৰাজী আৰু এখন অসমীয়া মূল্যবান গ্ৰন্থ পোৱা যাব। তেখেতৰ অসমীয়া প্ৰবন্ধাৱলী হ'ল —

১। সৰস্বতীৰ বৰ (অকন), ২। জাপানৰ বীৰ যোগী, ৩। আত্মবিচাৰ, ৪। মোগল ৰাজকন্যাৰ কবিত্ব প্ৰতিভা (আওৰঙ্গজেৱৰ জীয়েক জেবুন্নিচাৰ সম্বন্ধে শিক্ষা প্ৰবন্ধ), ৫। অমৰ প্ৰকাশ (বাঁহী), ৬। ইউৰোপৰ ভাষা আৰু সাহিত্য (চেতনা), ৭। গ্ৰীক ভাষা (বাঁহী), ৮। জাৰ্মানিৰ জ্ঞান সাধনা

(মিলন), ৯। কচ্ছ অভিনয়, ১০। ভাৰতীয় চিন্তা, ১১। প্ৰাচীন বেবিলনৰ বেদ, ১২। সংখ্যা দৰ্শন, ১৩। গ্ৰীক নাটকৰ গান, ১৪। জাৰ্মানৰ সাহিত্যৰ সপোন নাটক (আৱাহন), ১৫। স্পেনিচ সাহিত্যৰ ৰুমি অ' জুলিয়েট (আৱাহন), ১৬। সাগৰৰ মাজৰ দুৰ্গ (আমাৰ দেশ), ১৭। প্ৰাচীন মিচৰৰ উপন্যাস (আমাৰ দেশ), ১৮। চক্ৰে ত্ৰিছৰ মতে কবিৰ প্ৰকৃতি (অসম সাহিত্য সভা পত্ৰিকা) ইত্যাদি।

এই প্ৰবন্ধবোৰ একত্ৰ গোটাই এখন অসমীয়া গ্ৰন্থ প্ৰকাশ কৰিবৰ নিমিত্তে যোৰহাটৰ শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীয়ে ইচ্ছা প্ৰকাশ কৰাত সন্দিকৈ দেৱে তেতিয়া বাধা দি কৈছিল যে, তেওঁ আৰু কেইটামান নতুন প্ৰবন্ধ লিখিবলৈ স্থিৰ কৰিছে। জ্ঞান সম্পন্ন নোহোৱা পৰ্য্যন্ত সেই কেইটা প্ৰকাশ কৰিব নোৱাৰি। পাণ্ডুলিপি সাজু কৰি ৰখা সন্দিকৈদেৱৰ অসমীয়া গ্ৰন্থখন শ্ৰীগোস্বামীদেৱে উলিয়ালে ভৱিষ্যতৰ অসমীয়া ভাষা সাহিত্যলৈ ভালেখিনি অৱদান যোগোৱা হ'ব। সন্দিকৈদেৱে ছাত্ৰ কালৰ পৰাই প্ৰবন্ধ লিখিছিল। ডিব্ৰুগড়ৰ পৰা ওলোৱা "আলোচনী" নামৰ কাকতখনত তেখেতে ধাৰাবাহিক প্ৰবন্ধ লিখিছিল। তেখেতৰ এখনি প্ৰবন্ধ আছিল সংখ্যা দৰ্শন। অসমীয়া ভাষা তেখেতে প্ৰাণ ভৰি ভাল পাইছিল।

পঢ়ি থকা অৱস্থাত অসমীয়া কিতাপ ওলালেই সন্দিকৈদেৱে কিনি লয়। আৰু পঢ়া শেষ হ'লে বাকচত ভৰাই থৈ দিছিল। আনে পঢ়িব খুজিলে পঢ়িবলৈ ধাৰে দিয়া স্বভাৱ হেনো তেওঁৰ নাছিল। তাৰ প্ৰশ্নোত্তৰত তেখেতে হেনো কৈছিল বোলে—"এজনে কিনিব দহজনে পঢ়িব" এই নিয়ম ভাল নহয়। এনেয়ে অসমীয়া কিতাপৰ বিক্ৰী নিচেই কম, তাতে যদি এজনৰ কিতাপ দহজনে পঢ়ে তেনেহলে অসমীয়া কিতাপ বিক্ৰী হব কেনেকৈ? এই কথাই অসমীয়া সাহিত্যৰ উন্নতিৰ অৰ্থে তেখেতৰ স্বকীয় চিন্তা ধাৰা এটাৰ আভাস দিয়ে। অসমীয়া বিভাগটোৰ প্ৰতি তেখেতৰ সস্নেহ দৃষ্টি আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ত সন্দিকৈদেৱৰ নেতৃত্বতেই অসমীয়া এম এ শ্ৰেণী আৰম্ভ কৰিলে। সময়ৰ নাটনি বুলি পিছ হেঁহোকা নামাৰি কোনো অসমীয়া গ্ৰন্থৰ পাতনিও সানন্দে লিখি দিছিল। অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত দিয়া তেখেতৰ পৰামৰ্শবোৰে এতিয়াও তাৰ কাৰ্য্যকাৰীতা হেৰুওৱা নাই। সন্দিকৈদেৱে ৩০ টা আপুৰুগীয়া প্ৰবন্ধ অসমীয়া মাধ্যমত লিখি থৈ গৈছে। ইবিলাকৰ প্ৰতিটোৱেই একোচপৰা সোণৰ মূল্যৰ সৃষ্টি।

তেখেতে লেখক জীৱন আৰম্ভ কৰিছিল বিলাতৰ পৰা উভতি আহি বিলাতী সাজ-পোছাক এৰি অসমীয়া সাজ—বগা ধুতী, চোলা আৰু আগী সূতাৰ গুণাফুলীয়া চেলেং কাপোৰ পৰিধান কৰি।

পিতা-পুত্ৰৰ দানবীৰ সন্দিকৈ আৰু জ্ঞানবীৰ সন্দিকৈৰ দানেৰে কেনেকৈ অসম আৰু অসমীয়া জাতি সহজ সমৃদ্ধ হৈছে সেই কথা সকলোৱে জানে। প্ৰতিজন অসমীয়া সাহিত্যিককে তেওঁ বৰ ভাল পাইছিল আৰু অযাচিত ভাৱে পৰা খিনি সহায় কৰিছিল। সন্দিকৈ যেতিয়া অসম ছাত্ৰ সন্মিলনৰ লগত নিবিড়ভাৱে জড়িত হৈ আছিল, সেই সময়ৰ এটি প্ৰবন্ধ আছিল

"প্ৰাচীন বেবিলনৰ বেদ"। সন্মিলন প্ৰবন্ধাৱলী অন্তৰ্ভুক্ত ৭৩ পৃষ্ঠাজোৰা এই প্ৰবন্ধটো পুথিখনৰ দুই তৃতীয়াংশ। প্ৰবন্ধটো এতিয়া লুপ্ত হৈ যোৱাৰ পথত অথচ অসমীয়া ভাষাত আজিলৈকে ওলোৱা আটাইবোৰৰ ভিতৰত এইটোৱেই শ্ৰেষ্ঠতম বুলি প্ৰাবন্ধিকসকলে কয়। সকলোবোৰ ভাষা-তেই সন্দিকৈদেৱৰ জ্ঞানৰ গভীৰতা কিমান আছিল যথামতে আমাৰ যুগৰ মানুহৰ জুখিবলৈ মাপকাঠিৰেই অভাৱ। বহুতে ভাবে, সন্দিকৈ ডাঙৰীয়াই মাথোন ভাষা সাহিত্যৰ অহৈতুকী আগ্ৰহৰ ফল স্বৰূপেই (দেশী-বিদেশী অসংখ্য) ভাষা শিকিছিল। কিছুমান প্ৰবন্ধই ফৰিংফুটাকৈ জনাই দিয়ে যে ইমানবোৰ ভাষাৰ শিক্ষন সন্দিকৈ দেৱৰ কাৰণে এক বিলাসী মনৰ অবৈধ পৰিচয় নাছিল। বিভিন্ন ভাষাৰ অধ্যয়ন সন্দিকৈদেৱৰ কাৰণে আছিল তুলনামূলক সাহিত্যৰ এক নিষ্ঠ-ছাত্ৰৰ জ্ঞান অন্বেষণৰ প্ৰয়োজনীয় উপকৰণ। সন্দিকৈদেৱৰ প্ৰবন্ধ একোটাৰ আটাইতকৈ মনোজ্ঞ দিশ হ'ল প্ৰাচীন বেবিলনীয় বেদৰ মন্ত্ৰ, স্তোত্ৰ আৰু গাথা সমূহৰ অসমীয়া অনুবাদ আৰু প্ৰতিটো অনূদিত অংশৰ ওপৰা ওপৰিকৈ থাপি যোৱা ভাৰতীয় বেদৰ নাইবা অন্য ভাষাৰ সাহিত্য— বস্তুৰ উৎকলন সমূহেৰে মূলৰ কাব্যিক সৌন্দৰ্য্য উজলাই তোলাৰ পদ্ধতিটোও সমানে মনোজ্ঞ। অসমীয়া ভাষা সাহিত্যৰ প্ৰতি তেখেতৰ আছিল অকৃত্ৰিম শ্ৰদ্ধা আৰু প্ৰেম।

তেখেতে কবিতা, সাধুকথা, গীত আদিও ৰচনা কৰে। "আয় ভূৱন .... মোহিনী" ইত্যাদি ৰবীন্দ্ৰ নাথ ঠাকুৰৰ গীত এটাৰ সুৰত গাবলৈ লেখা।

নিভৃত কোণত বহি জ্ঞান সাধনাত অবিৰাম ব্যস্ত থাকিও অসম সাহিত্য সভা আৰু অসমীয়া সাহিত্যৰ ডাঁৱৰ বাতৰি ডাঁৱে লৈ আছিল। বাহিৰত ফুৰা ব্যক্তি বিশেষে যি কথাৰ সম্ভেদ নাপায় তেনে কথাও তেখেতৰ নখ দৰ্পণত আছিল —ইও এটা সন্দিকৈৰ ব্যক্তিত্বৰ বিশেষত্ব।

সন্দিকৈদেৱৰ বিশেষত্বৰ দিক্ হৈছে ন্যায়-নিষ্ঠা। যিটো ন্যায় বুলি ভাবিছিল নিজৰ ল'ৰা-ছোৱালীৰ সম্বন্ধে কিবাকিবি কৰিবলগীয়া হলেও তাৰ পৰা বিন্দুমাত্ৰ বিচলিত নহৈছিল। সন্দিকৈদেৱে নিয়মিত পঢ়া-শুনা কৰাৰ লগতে খাতি দৃঢ় জ্ঞান লাভ কৰিবলৈ যত্ন কৰিছিল; সেইবাবে অক্সফোৰ্ডত অধ্যাপক ইলিপ্‌চনে তেওঁক "Thorough and sound worker" বুলি গণ্য কৰিছিল।

ৱৰেণ্য পণ্ডিত কৃষ্ণকান্ত সন্দিকৈদেৱে প্ৰবন্ধ তথা ভাষা সাহিত্যৰ শ্ৰীবৃদ্ধি সাধন কৰিয়েই নেৰিলে—কুসংস্কাৰ ভৰা এলেহুৱা অসমীয়া সমাজ-খনত সু-সংস্কাৰৰ বীজ ৰোপণ কৰি থৈ গ'ল। তেখেতৰ সাহিত্য সাধনাৰ আদৰ্শৰাজিয়ে অসমীয়া জাতিৰ প্ৰতি, অসমীয়াৰ প্ৰাণে প্ৰাণে পাতালী গঙ্গাৰ দৰে সাহিত্যৰ সোঁত বোৱায়ে থাকিব। জনতাৰ প্ৰাণৰো প্ৰাণত মনৰো মনত লুকাই লুকাই থাকি সন্দিকৈদেৱ আজিও অসমীয়া তথা বিশ্বৰ নবাগত পুৰুষক প্ৰেৰণা যোগাই আহিছে। সেই চিৰ সুন্দৰ আদৰ্শৰ পথেদি গৈ বিশ্বৰ হাজাৰ জনতাই অযুত হাঁহিৰে কম্পন তুলিব। সন্দিকৈ অমৰ—বিশ্বৰ সাহিত্যই চন্দ্ৰ সূৰ্য্য থকালৈকে অমৰ কৰি ৰাখিব।

# জ্যোতি প্ৰসাদ আগৰৱালাৰ অসমীয়া সমাজলৈ সাংস্কৃতিক অৱদান

শ্ৰীবিনয় কুমাৰ শৰ্ম্মা বৰুৱা
প্ৰাক্ বিশ্ববিদ্যালয়
( বিজ্ঞান শাখা )

ঈশ্বৰৰ অৱিনশ্বৰ সৃষ্টিৰ লগত কেৱমাৰি যি সকল লোকে নিজৰ সৃষ্টি ক্ষমতাৰে স্বকীয়া সংসাৰ এখন গঢ়ি তুলিছে বা গৈছে, সেইসকলৰ ভিতৰত চিৰজ্যোতিষ্মান জ্যোতিৰ গৰাকী জ্যোতি প্ৰসাদ আগৰৱালাদেৱো অন্যতম। কলা-সংস্কৃতিৰ অক্লান্ত সাধক জাতাৰ প্ৰাণৰ শিল্পী জ্যোতি প্ৰসাদে তেওঁৰ ক্ষন্তেকীয়া কৰ্মময় জীৱনত অসমৰ ভাষা-সাহিত্য তথা সাংস্কৃতিক দিশত যি বিৰল স্বাক্ষৰ দি গ'ল, সেয়া অসমৰ জাতীয় জীৱনৰ কাৰণে অবিস্মৰণীয় সম্পদ হৈ ৰব। জ্যোতিৰ প্ৰতিভা আছিল বৰ্ণাঢ্য আৰু উন্মেষশালিনী। স্থায়ীভাৱে সকলো বস্তু পাবলৈ বা ৰূপ দিবলৈ তেওঁৰ প্ৰতিভা নিয়োজিত কৰিছিল। কি কবিতা, কি নাট, কি ৰচনা, কি গল্প, কি সংগীত সকলোতে তেওঁৰ হাত আছিল দক্ষ। সকলো ক্ষেত্ৰতে সমানে সাফল্য লাভ কৰিব পৰা নাছিল যদিও সীমাবদ্ধ সুযোগ সুবিধাৰ সদা ব্যৱহাৰ কৰি অসমৰ সাংস্কৃতিক জগতলৈ যি অৱদান আগবঢ়াই গ'ল তাৰ তুলনা নাই।

সাধাৰণ ভাৱে জনসমষ্টি বা জনসমাজৰ জীৱন নিৰ্বাহৰ পদ্ধতিয়েই সংস্কৃতি। জীয়াই থাকিবলৈ খোৱা-বোৱাৰ দিহা, ঘৰ-দুৱাৰ বন্ধাৰ আদব-কায়দা, গাৰ আৱৰণ তথা পিন্ধা-উৰা, সাংসাৰিক জীৱন, ভয় বিশ্বাস, ধৰ্ম বিশ্বাস,

আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, মৃতকৰ সংকাৰ পদ্ধতি আদি সকলোৱেই সমাজ এখনৰ সংস্কৃতিৰ উপাদান বুলি গণ্য কৰা হয়। চিন্তা শক্তিৰ অধিকাৰী হোৱা তথা চিন্তা অনুভূতি প্ৰকাশৰ ক্ষমতা থকা হেতু জীৱন নিৰ্বাহৰ ক্ৰমত মানুহৰ দুখ-বেজাৰ, আনন্দ উৎসৱ আদি বিবিধ অৱস্থাৰ বাহক ৰূপে গীত-মাত, নাট-নৃত্য আদিৰ উৎপত্তি হয়। সেয়েহে কোনো এখন সমাজৰ সাংস্কৃতিক দিশ বা বক্তি এজনৰ সাংস্কৃতিক দিশটি আলোচনা কৰোতে সমাজখনৰ গীত-মাত, নাট-নৃত্য বা ব্যক্তিজনৰ দ্বাৰা ৰচিত গীত-মাত, নাট-নৃত্য আদিক সাধাৰণতে প্ৰতিপাদ্য বিষয় কৰি লোৱা হয়। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদৰ অসমীয়া সমাজলৈ সাংস্কৃতিক অৱদানৰ বিষয়ে আলোচনা কৰিবলৈ গৈ তেওঁৰ দ্বাৰা ৰচিত গীত-নাট-কবিতা আদিকেই প্ৰধান বিষয়-বস্তু কৰি লোৱা হৈছে।

অসমৰ সাংস্কৃতিক জগতৰ এটি প্ৰধান হোতা জ্যোতি প্ৰসাদৰ জন্ম হয় ১৯০৩ চনৰ ১৭ জুন তাৰিখে তামোলবাৰী চাহ-বাগিছাত, বিখ্যাত আগৰৱালা পৰিয়ালত। পিতৃ ৺পৰমানন্দ আগৰৱালা আৰু মাতৃ কিৰণময়ী। জেঠৰ গেৰুৱা বৈৰাগ্য আৰু আহাৰৰ শ্যামলী সুধাৰ সংমিশ্ৰণত, দুটি ঋতু, দুটি যুগৰ (শতাব্দীৰ) সন্ধিক্ষণত জন্মি অসমীয়া ভাষা সাহিত্য তথা সাংস্কৃতিক দিশত যি উৎকৰ্ষ সাধি গল তাক অসমৰ সাংস্কৃতিক বুৰঞ্জীয়ে গৌৰৱেৰে সুৱঁৰিব। জ্যোতি প্ৰসাদ উপজিছিল এখন সংগীতপ্ৰিয় পৰিয়ালত। দেউতাক পৰমানন্দ আগৰৱালা, বৰ দেউতাক বিষ্ণু প্ৰসাদ, চন্দ্ৰ কুমাৰৰ সাহিত্য আৰু কাব্য চৰ্চ্চাৰ আদৰ্শয়ে তেখেতক সাহিত্য তথা সুকুমাৰ কলা চৰ্চাত উৎসাহ যোগাইছিল। জ্যোতি প্ৰসাদৰ সপোন আছিল অসমৰ সাংস্কৃতিক ঐশ্বৰ্য্যৰে ভাৰতবৰ্ষক সেৱা কৰা আৰু ভাৰতবৰ্ষৰ ঐতিহ্যমণ্ডিত সম্পদখিনি লৈ বিশ্বমানৱতাবাদৰ ওপৰত প্ৰতিষ্ঠিত এটি বিশ্ব সংস্কৃতি গঢ়ি তোলা।

জ্যোতি মূলতঃ আছিল কবি ; নাট্যকাৰ ৰূপটোও কবিৰেই এটি প্ৰসাৰিত ৰূপ মাত্ৰ। নাট তথা তেওঁৰ ৰচনাৰাজিত ফুটাই তুলিছিল অসমৰ সংস্কৃতি তথা ভাষাৰ লালিত্য আৰু ইয়াৰ মাধুৰিমা। বিলাতলৈ যোৱাৰ আগতে তেওঁ কিছু গীত, কবিতা, গল্প আৰু নাট ৰচনা কৰিছিল। সেইবোৰৰ ভিতৰত অতি উল্লেখযোগ্য হ'ল 'শোণিত কুঁৱৰী' নাট। মাত্ৰ চৈধ্য বছৰ বয়সতে তেওঁ এই নাট ৰচনা কৰিছিল। চেঙেলীয়া বয়সত ৰূপ-লাৱণ্য আৰু কল্পনা উচ্ছাসত উদ্বুদ্ধ হোৱাই স্বাভাৱিক। কিন্তু জ্যোতি প্ৰসাদৰ এই নাটত অসমীয়া সংস্কৃতিলৈ থকা ধাউতি পোনপটীয়াকৈ প্ৰকাশ পাইছে। তেওঁ সম্পূৰ্ণ ভাৱে কৃতকাৰ্য্য হৈছে অসমীয়া গীতত, নিভাঁজ অসমীয়া গীতৰ সুৰ সংযোজনাত আৰু অসমীয়া ঠাঁচত অসমীয়া নাট অৱতাৰণা কৰাত। সেই সময়ত শিক্ষিত অসমীয়া ডেকা সমাজৰ মাজলৈ গীতত সোমাই আহিছিল এটি বঙলুৱা (পশ্চিমীয়া) ঢং। কিন্তু 'শোণিত কুঁৱৰী'ৰ যোগেদি শিক্ষিত অসমীয়া সমাজলৈ সোমাই আহিল বিয়ানাম, বিহুগীত, আইগীত, দেহ বিচাৰৰ গীত, টোকাৰি গীত, বনগীত আদিৰ এক সুৰদি সুৰ।

অসমীয়া সুৰ আৰু গীতসমূহে (নাটখনত থকা) অসমৰ সংগীত জগতলৈ লৈ আহিল এটি নতুন যুগ। নাটখনত থকা কেউটা গীতৰে সুৰ নিভাঁজ অসমীয়া ঠাঁচৰ। অনিৰুদ্ধৰ বিদায়ৰ আগত "বাৰীৰ পিছফালে তগৰ" গীতটি অসমীয়া ছোৱালী বিয়াৰ পিছত ঘৰ উলিয়াই দিবৰ পৰত গোৱা বিয়া নামটিয়েই। 'সখীইঁত' গোৱা 'নূপুৰে মাতে ৰুণজুন' গীতটিও অসমীয়া ঠাঁচৰ। 'আমাৰে সখীয়া আকুল-ব্যাকুল', 'অ' সখী আহিবি প্ৰিয়া,' 'বোৱা বোৱা দখিন মলয়া', 'ৰূপহ-কোঁৱৰৰ চুমা পৰশতে' আদি গীত সমূহো অসমীয়া ঠাঁচৰ। মাত্ৰ গতি অকাই-পকাই দ্ৰুততৰ কৰি তোলোতে পশ্চিমীয়া ঢং আমদানি হৈছিল যদিও সুৰৰ আৰোহণ-আহৰণ গতি থলুৱা লয়ত সংযোজন কৰা হৈছে। "শোণিত কুঁৱৰী"ত অনিৰুদ্ধই কোৱা কথাখিনি কবিৰেই স্বকীয়া উপলব্ধি বুলি ধাৰণা হয়—"সৌৱা মই নাই দেখা যদিও নাই শুনা যদিও কি অপূৰ্ব্ব কণ্ঠস্বৰ মই শুনিব লাগিছোঁ। কি তীব্ৰ কটাক্ষই মোক বলিয়া কৰিছে—কি মোহিনীয়ে মোক বিভোৰ কৰিছেহি। সৌৱা সৌৱা মই দেখিছো কিন্তু ইমান অস্পষ্ট, বিৰিঙি উঠা নাই। আন্ধাৰৰ ধোৱা বৰণীয়া আৱৰণ ভেদ কৰি ওলাই অহা নাই। ফুলি উঠা ফুলি উঠা মোৰ শুইন জীৱন উজ্জ্বল কৰি পুঁৱতিৰ হাঁহিমুৱা সেন্দুৰীয়া সুৰুযৰ দৰে তুমি আন্ধাৰৰ পৰা লাহে লাহে ওলাই আহা—আহা," —উক্তিটো লিখকৰ অক্ষম অথচ অস্পষ্ট সংবেদনৰ শিহৰণ বুলিব পাৰি। "শোণিত কুঁৱৰী" নাট অসমৰ পটভূমিত চেঙেলীয়া নাট্যকাৰৰ কবি শিল্পী প্ৰাণৰ জৰিয়তে প্ৰকাশ পোৱা অপূৰ্ব সুন্দৰ অৱতাৰণা। ভাৱভাবা সকলোতে ঘটনাৰ লগত ৰজিতা খাই পৰা মনোমোহা প্ৰকাশ। নুকুলো নুফলো কৈ প্ৰতি পলে ফুলি অহা, নেদেখা নেদেখাকৈ বাৰে বাৰে দেখি থকা শত-জনমৰ মোৰ চিনাকি সুন্দৰী" বোলা অনিৰুদ্ধৰ বচন ফাঁকি ৰূপকোঁৱৰৰ ৰূপসাধনাৰ অফুৰন্ত প্ৰকাশ। ডক্টৰ কুমাৰ স্বামীৰ মতে 'শোণিত কুঁৱৰীত' বৰ্ণিত 'চিত্ৰলেখা পৃথিবীৰ শিল্পী।'

জ্যোতি প্ৰসাদৰ আন এখন অতি উল্লেখ-যোগ্য নাট 'কাৰেঙৰ লিগিৰী'ত বুৰঞ্জীমূলক পৰিবেশৰ যোগেদি কাল্পনিক ঘটনা এটিৰ সুন্দৰ অৱতাৰণা কৰিছে। ইয়াতো 'সোণৰে পালেঙত অ' মনে তৰা', 'পৰ্বততে ফুলিলে' এই গীত দুটি নিভাঁজ অসমীয়া জটুৱা গঢ়ৰ। নাটৰ বচন ভংগী অসমীয়া ফকৰা যোজনা লগাই সৰস কৰি তোলা হৈছে। কোনো কোনোবাই 'কাৰেঙৰ লিগিৰী'ৰ 'সুন্দৰ কোঁৱৰ'ক জ্যোতি প্ৰসাদৰ নিজৰ চৰিত্ৰটি বুলিয়েই কব বিচাৰিছে। কিন্তু জ্যোতি প্ৰসাদে 'ৰূপালীম' নাটৰ পাতনিত লিখিছে 'সুন্দৰৰ চৰিত্ৰটোৰ বিষয়ে বহুতকে ভ্ৰম ধাৰণা কৰা দেখা পাইছোঁ। সুন্দৰৰ চৰিত্ৰ আদৰ্শ হিচাবে তাত দাঙি ধৰাতকৈ চৰিত্ৰৰ বৈচিত্ৰ্য এটা চিৰবিপ্লৱী দুৰ্নিবাৰ গতিৰ সৈতে সমাজৰ সংঘৰ্ষ আৰু সংঘাত আৰু তাৰ পৰিণতি দেখুৱা-বলৈহে প্ৰয়াস পোৱা হৈছিল।' এই নাটৰ জৰিয়তে অসমীয়া নাট্য সাহিত্য তথা অসমৰ সংস্কৃতি

ক্ষেত্ৰলৈ দিয়া অভিনৱ অৱদান হ'ল বিস্তৃত মঞ্চ নির্দেশ। এই নির্দেশ এনে ব্যাপক যে বুৰঞ্জী-মূলক পৰিৱেশ গঢ়ি তুলিবলৈ ৰাজ আলিবাট এটাৰ তুলনা দিবলৈ দাবোৱান লৈ দোলাত উঠি যোৱা ডাঙৰীয়া এজনক দেখুৱা হৈছে। জ্যোতি প্ৰসাদ আগৰৱালাই ইউৰোপলৈ গৈ তাত নাট্য কলা, বোলছবি, সংগীত আদিৰ বিষয়ে অধ্যয়ন কৰি যিখিনি জ্ঞান অর্জন কৰিলে সেইখিনি অসমীয় নাট্য সাহিত্যত খটুৱাই এক নতুন ৰচনা শৈলীৰ উদ্ভাৱন কৰিলে। অসমীয়া সংগী-তৰ ক্ষেত্ৰত অসমীয়া সুৰৰ ওপৰত ভৰ দি পশ্চি-মীয়া সংগীতৰ সুৰ সমন্বয়কো পুৰামাত্ৰাই প্ৰয়োগ নকৰি অথচ অসমীয়া সুৰ অকাই পকাই, খৰ-ধৰ কৰি একেটা সুৰকে লুটিয়াই-বগৰাই, এক অভূতপূর্ব, এক সুমধুৰ সুৰ লহৰীৰ অৱতাৰণা কৰিলে।

অসমীয়া সমাজৰ সংস্কৃতি জগতলৈ জ্যোতি প্ৰসাদৰ আন এক মানবদ্য অৱদান হ'ল কথা-ছবি নির্মাণ। তেৱেঁই প্ৰথম অসমীয় কথাছবি 'জয়মতী' নির্মাণ কৰে। ভাৰতৰ প্ৰথম সাধক চিত্ৰ (কথাছবি) 'আলম আৰা'ৰ পিছত ভাৰতীয় প্ৰাদেশিক ভাষা সমূহৰ ভিতৰত 'জয়মতী' পঞ্চম ছবি। 'আলম আৰাই' মুক্তি পায় ১৯৩১ চনত। আনহাতে 'জয়মতীয়ে মুক্তি পায় ১৯৩৫ চনত। জ্যোতি প্ৰসাদে জৰ্মানীৰ বাৰ্লিন চহৰলৈ গৈ তাত সংগীত আৰু বোলছবি পৰিচালনা আৰু কাৰি-কৰী বিষয়ত খৰচি মাৰি অধ্যয়ন কৰি আহি ১৯৩৩ চনত ডেৰকুৰি বছৰীয়া জ্যোতি প্ৰসাদে দুৰ্বাৰ সাহস তথা অদম্য উৎসাহেৰে ভোলাগুৰি চাহ বাগিছাত অস্থায়ী ষ্টুডিঅ' 'চিত্ৰবন' প্ৰতিষ্ঠা কৰি এখন ঐতিহাসিক ছবি নির্মাণ কৰিবলৈ আগবাঢ়িল। এই সাহস তথা মহৎ প্ৰচেষ্টাৰ বাবেই অসম তথা ভাৰতৰ চলচিত্ৰ জগতত তেওঁ চিৰস্মৰণীয় হৈ আছে। অসমত অসমীয়া ভাষাৰে প্ৰথম বোলছবি কৰাৰ লগতে তেওঁ আধুনিক বিজ্ঞান সন্মত প্ৰচাৰ মাধ্যমেৰে থলুৱা সাহিত্য-সংস্কৃতিকো ৰূপ দিয়াৰ চেষ্টা কৰিছিল। জ্যোতি প্ৰসাদে ১ম খন কথাছবিত এনে এটা বিষয়-বস্তু আৰু পট-ভূমি ইমান সুক্ষ্মভাৱে নিবেদন কৰিলে—যি অসমৰ সাহিত্য, ইতিহাস, সমাজৰ ৰীতি-নীতি আৰু জীৱন যাত্ৰাৰ ধাৰাৰ সুন্দৰ আভাস দাঙি ধৰিলে। কথাছবি কৰি টকা ঘটা তেওঁৰ উদ্দেশ্য নাছিল—আছিল অসমৰ সামগ্ৰিক সংস্কৃতি-পৰ-ম্পৰাক চিত্ৰায়িত কৰাটো।

১৯৩৫ চনৰ ১০ মার্চত কলিকতাৰ ছবি-ঘৰত 'জয়মতী'য়ে মুক্তি পায়। অসমৰ ভাস্কৰ থিয়েটাৰত মুক্তি পায় ২০ মার্চত। লাহোৰৰ ষ্টুডিঅ'ত বহি বহি অকলেই তেওঁ ছবিখন সম্পা-দনা কৰিছিল। বহুজনৰ স্বৰ দি অকলেই তেওঁ নানান আর্থিক দূৰাৱস্থাৰ সমুখীন হৈয়ো তেওঁৰ প্ৰচেষ্টাৰ সফলতা ৰাইজৰ আগত দাঙি ধৰিছিল। মহৎ প্ৰচেষ্টা এটিৰ গৌৰৱ অসফলতা, সফলতা, আংশিক সফলতা যি কোনো ক্ষেত্ৰতে অনস্বী-কাৰ্য। সেই দৃষ্টিৰে অসমীয়া জাতীয় জীৱনৰ হুবহু চিত্ৰ ৰূপায়িত কৰা জ্যোতি প্ৰসাদৰ 'জয়-মতী' কথাছবি অসমৰ যিকোনো সাহিত্যপ্ৰেমীৰ

বাবে গৌৰৱৰ স্মৃতি হৈ ৰ'ব। কলা সৃষ্টিৰ খ্যাতি দিলেও 'জয়মতী'য়ে জ্যোতি প্ৰসাদক আৰ্থিকভাৱে জুৰুলা কৰিছিল। তেওঁৰ ত্ৰিশ হাজাৰমান টকা 'জয়মতী' কৰি লোকচান হৈছিল। সেয়ে কিছু আৰ্থিক উন্নতি লভাৰ উদ্দেশ্যে অসমৰ দ্বিতীয় কথাছবি 'ইন্দ্ৰমালতী' ১৯৩৯ চনত কলিকতাৰ ষ্টুডিঅ'ৰ পৰা মাত্ৰ দুদিনৰ ছুটিতেৰে নিৰ্মাণ কৰি উলিয়ায়। ইয়াৰ পিছত তেওঁ 'আমাৰ গাওঁ' নামৰ গাৱলীয়া পটভূমিত এখন কথাছবি কৰাৰ আঁচনি কৰিছিল। অসমবাসীৰ দুৰ্ভাগ্য, তেওঁৰ অকাল মৃত্যুৱে তেওঁৰ সেই আশাকে মৃত্যু ঘটালে। সেই সময়ত অসমত ৰঙ্গমঞ্চৰ অভাৱ আছিল; নাছিল কোনো সংগীত বা নাট চৰ্চাৰ কোনো অনুষ্ঠান। জ্যোতি প্ৰসাদে তেজপুৰত 'জোনাকি' চিনেমা হল আৰু এখন সংগীত বিদ্যালয় স্থাপন কৰে ১৯৩৭ চনত।

অসমৰ ঐতিহ্য, অসমৰ সংস্কৃতি জগতবাসীৰ আগত বিলাই দিবলৈ জ্যোতি প্ৰসাদে উদাত্ত কণ্ঠেৰে অসমৰ ডেকা-গাভৰুসকলক আহ্বান জনাইছে, গাইছে—

"জননীৰ সন্তান জাগা জাগা শক্তিমান
জাগা মুক্তিপ্ৰাণ
মৃত্যু গছকি আনা জয় জিনি
কৰি দুৰ্জয় অভিযান।"

তেওঁ বিচাৰিছিল অসমৰ পৰ্বতে-ভৈয়ামে মিলি গঢ়ি উঠা এক নতুন সংস্কৃতি আৰু সেই হেতু বিভিন্ন জাতিগোষ্ঠীৰ মাজত সমন্বয়ৰ আশা কৰি ৰচিছিল :

"মযে অসমীয়া প্ৰাগ্‌জ্যোতিষৰ
মযে অসমীয়া শোণিতপুৰৰ
.... .... .... .... .... ....
মই
লালুং-চুতীয়া-লুচাই-মিৰি-গাৰো
মিচিমি-খামিটি-নগা-অঙ্গামী বীৰ
.... .... .... .... .... ....
বৈ আহি আহি বৰ লুইতৰ
বুকুত হৈ যাওঁ একাকাৰ॥"

এই গীতি কবিতাসমূহৰ পৰাও আগৰৱালাদেৱৰ উদাৰ মনৰ পৰিচয় পোৱা যায়। পৰ্বত ভৈয়ামৰ বিভিন্ন জাতি, উপ-জাতিৰ মাজৰ সমন্বয়ৰ এনাজৰীডাল টনকিয়াল হলেহে যে অসমৰ সংস্কৃতিয়ে বিশ্ব-দৰবাৰত নিজৰ আসন গজগজীয়া কৰি লব পাৰিব সেইটো বুজি পাইছিল। অসমীয়া সংস্কৃতিৰ উৎকৰ্ষ সাধিবলৈ গৈ ভাৰতীয়ে আন প্ৰাদেশিক সংস্কৃতিক ধ্বংস কৰিব বিচৰা নাছিল; বিচাৰিছিল বিভিন্ন প্ৰদেশৰ সংস্কৃতি গঢ়ি তোলা। সংস্কৃতিক ৰাজনীতিৰ পৰা দূৰত ৰাখিব বিচৰা নাছিল। তেওঁ বুজিছিল যে কোনো জাতিৰ পৰাধীন অৱস্থাত সাংস্কৃতিক বিকাশ হব নোৱাৰে। সেয়েহে চিৰ চেনেহী নিজ মাতৃক দাসত্বৰ বন্ধনৰ পৰা মুক্ত কৰিবলৈ তেওঁ মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত গঢ়ি উঠা স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ৰাজনৈতিক নেতাসকলৰ ভণ্ডামিবোৰ তেওঁৰ অজ্ঞাত নাছিল। তীক্ষ্ণ বাক্যবাণেৰে তেওঁ সেই সকলক থকা-সৰকা কৰিছিল—

"ৰাষ্ট্ৰনীতিৰ, সমাজনীতিৰ, ৰাজনীতিৰ তোৰ
থৈ দে ফোপোলা জ্ঞান
.... .... .... .... .... ....
জনতাই তোৰ ৰূপ চিনিছে
সাৱধান সাৱধান।"

সমাজৰ সাংস্কৃতিক দিশটো উন্নত কৰিবলৈ যে উপযুক্ত শাসকৰ দৰকাৰ তেওঁ তাকো লিখি থৈ গৈছেঃ "ৰাষ্ট্ৰ শাসনতন্ত্ৰই হৈছে জনতাক সমূহীয়াকৈ উচ্চতৰ সাংস্কৃতিক অৱস্থালৈ তুলি নিবলৈ প্ৰধান উপায়। সেই কাৰণে আজি আমাৰ শাসনৰ গুৰি ধৰোতা সকল হব লাগিব মহাসংস্কৃতিসম্পন্ন লোক। সংস্কৃতিৰ আদৰ্শবোধ নথকা অকল বিশেষজ্ঞ সকলেই ক্ষমতাৰ গুৰি ধৰোতা হলে তেওঁলোকৰ মনলৈ ক্ষমতাৰ অন্ধতা আহে।" (পোহৰলৈ, পৃঃ ১২-১৩)।

প্ৰকৃত শিল্পী সদায় বিপ্লৱী। কাৰণ, নতুন ৰচনা কৰিবলৈ, নতুন পথেদি যাবলৈ আৰু আনে ভুবৰি বন মাৰি যোৱা পথেৰে নগৈ নতুন পথেৰে যাবলৈ বিপ্লৱী মনোভাৱৰ প্ৰয়োজন। জ্যোতিপ্ৰসাদো সেই সুৰতে বিপ্লৱী; অসমৰ সাংস্কৃতিক জগতলৈ নতুনত্ব আনোতা। চিৰ সুন্দৰৰ পূজাৰি, ৰূপৰ সেৱকক অসমে মৰমতে 'ৰূপকোঁৱৰ' উপাধি দিলে। তেওঁৰ অসমীয়া সমাজলৈ সাংস্কৃতিক অৱদান অসমে কেতিয়াও পাহৰিব নোৱাৰে। এইজনা মহান শিল্পীৰ মহা-প্ৰয়াণ ঘটে ১৯৫১ চনৰ ১৭ জানুৱাৰীত। যাৰ গীতৰ মৰ্ম শিল্পী সুৰে আমাক আপ্লুত কৰে, সেই প্ৰাণোচ্ছল কৰা গীতৰ স্ৰষ্টা জ্যোতিপ্ৰসাদৰ অসমৰ সাংস্কৃতিক ক্ষেত্ৰত আগবঢ়োৱা অৱদান অবিস্মৰণীয় হৈ ৰ'ব।●

যি দেশবাসীক ভাল পায় তাক মৃত্যু-বিভীষিকাই আতঙ্কিত কৰিব নোৱাৰে।
—স্পিনোজা

# খৃষ্টীয় নাট আৰু ভাৰতীয় লোকনাটক

শ্ৰীপৰেশ চন্দ্ৰ বৰুৱা
প্ৰাক্ বিশ্ববিদ্যালয়
প্ৰথম বাৰ্ষিক ( কলা )

খৃষ্টীয় দ্বিতীয় শতিকাৰ প্ৰাৰম্ভৰ পৰা সংস্কৃত নাটকৰ প্ৰচলন আৰম্ভ হয় বুলি কব পাৰি। সেই সূত্ৰে কালিদাস, ভৱভূতি, ভাস, শুদ্ৰক আদি নাট্যকাৰসকলে জনপ্ৰিয়তা অৰ্জন কৰে। দ্বিতীয় শতিকাৰ আগা-পিছাকৈ ভৰত মুনিয়ে নাট্য-শাস্ত্ৰৰ প্ৰসঙ্গ উল্লেখ কৰাৰ সৰহ উদাহৰণ নাই। পুৰণি তত্ত্বজ্ঞ পণ্ডিতসকলে নাটকক বিভিন্ন শ্ৰেণীত ভাগ কৰিছে। এই সকলো শ্ৰেণীৰ কিছুমানৰ বিষয়ে আমি অজ্ঞ হৈ থাকিব লগা হৈছে। সংস্কৃতৰ দৰেই অধমাগধি বা পালি ভাষাত নিশ্চয় নাটক লিখা হৈছিল। কিন্তু নাটকবোৰ প্ৰচলিত হোৱা নাই। সংস্কৃত নাটকে পণ্ডিত, সম্ৰাট, সদাগৰ আদি লোকৰ মানসিক চাহিদা পূৰণত ইন্ধন যোগাইছিল যদিও সাধাৰণ জনতাৰ মাজত ইয়াৰ প্ৰচলন আৰু জনপ্ৰিয়তা সন্দেহজনক আছিল। ভাৰতৰ বিভিন্ন প্ৰান্তত বাস কৰা বিভিন্ন ভাষা-ভাষীৰ মাজত নিজা ভাষাত নিশ্চয় নাটক প্ৰচলন আছিল। কিন্তু পঞ্চদশ শতিকাৰ আগলৈকে প্ৰচলিত এনে নাটকৰ নমুনা পণ্ডিতসকলৰ হাতত পৰা নাই বুলি জনা যায়। পঞ্চদশ শতিকাৰ শেষ আৰু ষোড়শ শতিকাৰ আৰম্ভণিৰ পৰা আঞ্চলিক ভাষাৰ নাটকৰ ইতিহাস ফট্‌ফটীয়া। এনেধৰণে হলেও এই নাটকবোৰ এতিয়াও জনসমাজত চলি আছে। স্থানীয় ভাষাত সৰ্বসাধাৰণে বুজিব পৰাকৈ লিখা এই নাট আৰু নাটৰ অভিনয়ক লোক কলা হিচাবে ধৰিলেও

ইয়াৰ লগত জড়িত সঙ্গীত, নৃত্য, পোচাক পৰিচ্ছদৰ ক্ষেত্ৰত লগা শ্ৰম, অধ্যয়ন আৰু চিন্তালৈ লক্ষ্য ৰাখি উচ্চাংগৰ শাৰীত পেলাব পাৰি। লোক সমাজত জনপ্ৰিয় হোৱা কাৰণেহে এইবিলাকক লোক কলা তথা লোক নাটক বুলি কোৱা হৈছে।

আঞ্চলিক ভাষাত এনে লোক নাটকৰ বাটকটীয়া হিচাপে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱেই নিশ্চয় প্ৰথম হব। ১৫ শতিকাৰ মাজভাগত কম বয়সতে তেখেতে "চিহ্নযাত্ৰা" নাটক লিখে। ইয়াৰ আগতেও কুশানগান, ওজাপালিৰ দৰে লোক গান বা লোক নাটক প্ৰচলন আছিল যদিও সুপ্ৰণালীবদ্ধ ভাৱে লিখা প্ৰথম লোক নাটক সমূহেই হ'ল অঙ্কীয়া নাট। ভাৰতবৰ্ষত অধুনা প্ৰচলিত বঙ্গদেশৰ যাত্ৰা, মহাৰাষ্ট্ৰৰ তামসা, অন্ধ্ৰৰ কুটি-পুৰি, কৰ্ণাটকৰ যক্ষগান, উৰিষ্যাৰ চাউ, তামিলনাডুৰ টেৰুকুন্টু, কেৰালাৰ কথাকলি আদিয়েই প্ৰধান। বৃন্দাৱন আৰু পুৰীত পঞ্চদশ শতকাত নৱবৈষ্ণৱ ধৰ্মৰ যি অভ্যুদয় হৈছিল তাত অংশ গ্ৰহণ কৰা ভাৰতৰ বিভিন্ন প্ৰান্তৰ পণ্ডিত সকলে এই লোক নাটক সমূহকে ধৰ্ম প্ৰচাৰৰ মাধ্যম হিচাবে গ্ৰহণ কৰা যেন অনুমান হয়। সেইবাবেই হয়তো ওপৰোক্ত বিভিন্ন লোকনাট সমূহৰ মাজত এটা অবিচ্ছিন্ন যোগসূত্ৰ আবিষ্কাৰ কৰিব পাৰি। প্ৰায়বিলাক লোক নাটকৰে প্ৰচ্ছাদ ভূমি ভাগৱত, ৰামায়ণ, মহাভাৰত আৰু পুৰাণ সমূহত বৰ্ণিত কৃষ্ণ আৰু ৰামৰ কথা। পৰিৱেশন ৰীতিৰো পাৰ্থক্য খুব কম।

অঙ্কীয়া ভাওনা আৰম্ভৰ আগতেই প্ৰথমতে নাম প্ৰসঙ্গ, তাৰ পাছত গায়ন-বায়ন, ক্ৰমে সূত্ৰধাৰ আৰু ৰামকৃষ্ণ আদিৰ প্ৰৱেশ হোৱাৰ পিছত মূল কাহিনী আৰম্ভ হয়। সূত্ৰধাৰ, কৃষ্ণ-ৰাম আদি প্ৰধান চৰিত্ৰবোৰৰ প্ৰৱেশৰ আগত আঁৰ কাপোৰ আদি তৰা হয়। কথাকলি আৰু যক্ষ গানতো এনে ব্যৱস্থা আছে। গায়ন-বায়নত এই আঁৰ কাপোৰৰ উপৰিও অগ্নি গড়ৰ ব্যৱহাৰ কৰা হয়। যাত্ৰাৰ চৰিত্ৰৰ চিনাকি আৰু নাট পৰিচালনা কৰা "অধিকাৰী" যক্ষ গানৰ 'ভাগৱত'ৰ 'টেৰুকট্ৰৰ' কাতাকাৰণ অসমীয়া সূত্ৰধাৰৰ ইপিঠি সিপিঠি (counter part) বুলি কলেও বেছি কোৱা নহয়। অন্যান্য চৰিত্ৰৰ আঙ্গিকৰ ক্ষেত্ৰত চাউ, যক্ষগান, কথাকলি আদিৰ লগত অঙ্কীয়া নাটকৰ প্ৰৱেশভঙ্গী যুদ্ধ আদিৰ সামঞ্জস্য মন কৰিবলগীয়া, মাত্ৰ কথাকলিত 'নৃত্য' আৰু 'নৃত্ত' এই দুয়োটাৰে ব্যৱহাৰ আঙ্গিকেৰে কৰা হয়। যক্ষগান আৰু অঙ্কীয়া নাটত মুখেৰে বচন কয়। অঙ্কীয়া ভাওনাৰ গায়ন-বায়নৰ দৰেই যক্ষ গানৰ আৰম্ভণিতেই চেন্দা বাদনেৰে দৰ্শকক গোটাই লৈ 'সভালক্ষনা' নামৰ প্ৰস্তাৱনা আৰম্ভ কৰা হয়। তাৰ পাছত হয় প্ৰসঙ্গ। সূত্ৰধাৰৰ সঙ্গীৰ দৰেই হনুমনায়কক লগত লৈ বাদ্য মন্ত্ৰীসকলৰে সৈতে চৌকিৰ (চৌঘৰ) পৰা চৌকা লৈ (নাটমঞ্চ) আদি নাটক আৰম্ভ কৰে। অঙ্কীয়া নাটকৰ সূত্ৰধাৰৰ 'সঙ্গী' যক্ষগানৰ 'হনুমনায়ক,' সংস্কৃত নাটকৰ 'বিদূষক', যাত্ৰাৰ 'বিবেক', ওজাপালিৰ 'ডায়নাপালি' আদি চৰিত্ৰ সমপৰ্যায়ৰ'।

যাত্ৰাৰ বাহিৰে বাকী বিলাক লোক নাটকত বাদ্য-যন্ত্ৰৰ ব্যৱহাৰ মন কৰিবলগীয়া। যাত্ৰাত ব্যৱহাৰ হোৱাৰ দৰে এই লোক নাটকবোৰত হাৰমনি-য়াম ব্যৱহাৰ কৰা নহয়। টেক্কুটুৰিত মাদল, তাল আৰু নাগেশ্বৰ ব্যৱহাৰ কৰা হয়। চাউ নাটত বিশেষ ধৰণৰ ঢোল আৰু 'মাহুৰি' নামৰ পেপা ব্যৱহাৰ কৰে। তামসাত ব্যৱহাৰ কৰা হয় 'মঞ্জীৰা' 'তুনতুন' নামৰ একতাৰা ঢোলেৰে। কথাকলিতো চেহ্না মাদল আৰু 'তালি' ব্যৱহাৰ কৰা হয়। সেইদৰে অঙ্কীয়া ভাওনাত খোল, তাল আৰু নাগাৰা আৰু কাঁহী ব্যৱহাৰ কৰা হয়। চাউ নাটত 'বোল', 'ভঙ্গী', 'চালি', 'বাঘঠ্মকা', বাঘপানী খোৱা, খেল, আখৰা আদি শব্দবোৰ অঙ্কীয়া নাটত ব্যৱহাৰ কৰা এনে ধৰণৰ একে শব্দবোৰৰ লগত তুলনীয়; তদুপৰি ৰসৰ ফালৰ পৰা তাম-সাত ব্যৱহৃত ৰাধা কৃষ্ণ আদিৰ শৃংগাৰ ৰসাত্মক কাহিনীৰ অসমীয়া লোক নাটকৰ অভাৱ নাই। মহাপুৰুষ জনাই লিখা 'কেলিগোপাল' নাটকৰ পৰা আৰম্ভ কৰি পিছৰ যুগৰ সত্ৰীয়া অধিকাৰ সকলে লিখা তুলসীহৰণ, শংখচুড় বধ, বিৰাট পৰ্ব আদি নাটকলৈকে সাধাৰণ প্ৰজাৰ মনো-ৰঞ্জনৰ বাবে শৃংগাৰ ৰসাত্মক নাট জনপ্ৰিয় হৈ আহিছে। সেইদৰে চাউ নৃত্যত ব্যৱহাৰ হোৱা মুখাবোৰৰো অঙ্কীয়া নাটৰ মুখা সমূহৰ লগত মিল পোৱা যায়। এইটো দেখা যায় যে ভাৰত-বৰ্ষত প্ৰচলিত প্ৰায়বিলাক লোক নাটকৰ বৈশি-ষ্টাৰে অসমৰ অঙ্কীয়া নাট সমৃদ্ধ। ইয়াৰে কোনটো বৈশিষ্ট্য কোনে কাৰ পৰা লৈছে সেই কথা গৱে-ষণাৰ বিষয়। ভাৰতৰ অন্যান্য লোক নাটে যি প্ৰসাৰ আৰু প্ৰচাৰ লাভ কৰিছে, ইয়াৰ ওপৰত যেনেদৰে অধ্যয়ন আৰু গৱেষণা হৈছে—আধুনিক ৰুচি সম্পন্ন কৰি গঢ় দি সৰ্বজনৰ গ্ৰহণযোগ্য কৰিছে। অসমৰ অঙ্কীয়া নৃত্যৰ ক্ষেত্ৰত সেই প্ৰসাৰ, গৱেষণা আৰু নৱীকৰণ অতি তুখলগা: সময়ৰ লগত মিলাকৈ পাৰম্পৰিক বৈশিষ্ট্য ৰক্ষা কৰি বিজ্ঞান সন্মতভাৱে উঠি অহা চামক আৱ-শ্যকীয় প্ৰশিক্ষণ দিয়াৰ ক্ষেত্ৰত ভাৰতৰ অন্যান্য লোক নাটকৰ উন্নতিকল্পে চমজদাৰসকলে যি ব্যৱস্থা গ্ৰহণ কৰিছে অসমীয়া অঙ্কীয়া নাট-ভাও-নাৰ ক্ষেত্ৰতো ৰজাঘৰ, প্ৰজাঘৰ আৰু চমজদাৰ-সকলে একে ব্যৱস্থা গ্ৰহণ নকৰিলে ইয়াৰ স্মৃতি সময়ত বিলুপ্ত হোৱাৰ সম্ভাৱনাও নোহোৱা নহয়।

○○

# সম্পাদনা সমিতি ঃ ১৯৮৩—৮৪



থিয় হৈ (বাওঁফালৰ পৰা) ঃ নামতা ডেকা, চিনুপ্ৰভা হুজুৰি, হৰনাথ শৰ্মা বৰুৱা ; বহি (বাওঁফালৰ পৰা) ঃ হিৰেন কুমাৰ দাস, ধৰ্মকান্ত শৰ্মা, উপাধ্যক্ষ গোপী শৰ্মা (উপ-সভাপতি), দুলাল বৰুৱা (সম্পাদক) আৰু যোগেশ্বৰ নাথ। (আটাইকেইজন সদস্য ফটোত নাই।)

বছৰৰ শ্ৰেষ্ঠ অভিনেতা
—প্ৰণৱ চহৰীয়া





বছৰৰ শ্ৰেষ্ঠ
বেডমিন্টন চেম্পিয়ন
—ৰথীন্দ্ৰ বৰদলৈ



১৯৮৪ চনৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ নাট্যদল—নাট : "বৃত্তৰ ভিতৰত আমি" : নাট্যকাৰ : শম্ভু গুপ্ত।
( বহি বাওফালৰ পৰা ) হিৰেন কুমাৰ দাস ( দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা ), পাপৰি চহৰীয়া ( শ্ৰেষ্ঠা অভিনেত্ৰী ), বিপুল চলিহা ; ( থিয় হৈ ) প্ৰণৱ চহৰীয়া ( শ্ৰেষ্ঠ অভিনেতা ), নুৰুল ইছলাম ( তৃতীয় শ্ৰেষ্ঠ অভিনেতা ) আৰু নৃপেন বেজবৰুৱা ( শ্ৰেষ্ঠ পৰিচালক ) ।

# মই সুভাষে কৈছো

মিচ্ মুনুমণি হাজৰিকা
প্ৰাক্ বিশ্ববিদ্যালয়
২য় বাৰ্ষিক ( কলা )

হে, মোৰ মাতৃভূমিৰ
মুক্তি যজ্ঞৰ
পূজাৰিসকল !

যজ্ঞৰ আহুতিৰ সময়ত
তোমালোকে কাৰ বাবে
চকুলো টুকিছা ?
থমকি ৰৈছা কিয় ?
মোৰ মৃত্যু হোৱা নাই ।
মই চাৰি যুগে অমৰ ।
তোমালোকে হয়তো নাজানা—
বাটসৰৰ পৰা অন্তৰ্দ্ধান হৈ—
মই, জন্মভূমিৰ 'বদন'হঁতৰ
কু-চক্ৰান্তৰ মায়া জালৰ
সন্তেদ লৈ ফুৰিছো ।
পূজাৰিসকল ! তোমালোকে
সাজু হোৱা, মাতৃ যজ্ঞৰ
শেষ ঘৃতাহুতি দিবলৈ—
বজ্ৰৰ গৰ্জনেৰে—
কঁপি উঠক নভোমণ্ডল
অসমৰ আকাশ বতাহ ।
প্ৰচণ্ড দাবানলৰ লেলিহান
শিখাত, পৰি জাহ যাব
ভীৰু বদনৰ দল
মই হম ৰক্ষক এই—
খাণ্ডৱ দাহনৰ
ধনঞ্জয় ৰূপে
মন্ত্ৰপূত গাণ্ডীৱ হাতত লৈ । ●

# "আপোচ বিহীন বন্দুক"

শ্ৰীখৰ্গেশ্বৰ নাথ
স্নাতক মহলা
২য় বাৰ্ষিক (কলা)

[Without the cold and blackness of winter.
The wormth and splendour—
Of spring these cold never be :
Ho-chi Min]

স্বাধীনতা আৰু মুক্তিৰ সংজ্ঞা বিচাৰোতেই
ইতিহাসৰ পাতত
দপ্ দপ্‌কৈ জ্বলি উঠিল
মোৰ পিতৃভূমিৰ
শাৰী শাৰী
আপোন জনৰ চিতা জুই ;
আৰু সমান্তৰাল ভাৱে
দুপৰ নিশা
পোতাশালৰ পৰা ভাহি আহিল
এবুকু মৰ্মান্তিক যন্ত্ৰণা ॥

তাৰ পিছত
ধুমুহা শিলাবৃষ্টি নিশাই
সময়ে সময়ে ঘৰ্ষণ হ'ল,
জুই উঠিল,
ওপৰলৈ
বহু ওপৰলৈ .... .... .... ।

এ'তিয়া মাটিত কাণ থলেই
বাজি উঠে
জনৈক যুঁজাৰু নেতাৰ উক্তি
"মোক তোমালোকে তেজ দিয়া—
মই স্বাধীনতা দিম।"

মনবোৰ সীহ হৈ
প্ৰেয়সীৰ খৰস্ৰোতা ধমনীৰে
বৈ আহিল
একাজলি তেজ
আমাৰ হাতলে.... .... .... ।
ওপৰলৈ দাঙি
আমি দৌৰিছো।
সেয়ে হেৰুওৱা প্ৰিয় বন্ধুৰ প্ৰতি
আমাৰ হিয়া ভগা উচুপনি
নতুবা
শোক আৰু সমবেদনাৰ প্ৰস্তাৱ
একোৱেই নাই আমাৰ হাতত।
প্ৰতিশোধৰ জাপ নোলোৱা ৰঙা দুচকুত
অনুকম্পা সমবেদনা
সকলোবোৰ একেলগ কৰি
চিৰ দিনৰ বাবে কবৰ দিয়া হ'ল।
কাৰণ—
চিতা জুইৰ উত্তাপ আৰু নিৰ্য্যাতনৰ অভিজ্ঞতাত
আমাৰ দুচকুত জ্বলে
কেৱল ৰঙা জুই
আৰু—
কোনো দেশপ্ৰেমিক সংগ্ৰামী বন্ধুৰ
আপোচ বিহীন বন্দুক।●

# বিগত বিৰাশী

( ৺হৰগোবিন্দ গোস্বামীৰ স্মৃতিত )

মিচ্ চিনুপ্ৰভা হুজুৰী
স্নাতক মহলা
১ম বাৰ্ষিক ( কলা )

ইয়াতেই বজাইছিলা তোমাৰ জীৱনৰ ৰণভেৰি।
ফাগুনৰ উদ্বাউল বতাহৰ দৰে
সেই ৰণভেৰিৰ শৱদে চুমিছিল
আইৰ এই উদাৰ আকাশ
আৰু অনুজৰ বিশাল সত্বা।
তাৰ পিছত জ্বলি শেষ হ'ল
বিৰাশীৰ উদ্দাম দাবানল আৰু
কত যে বাগৰিল অশ্ৰুৰ বন্যা।
আইৰ কলিজাত,
এতিয়াও জ্বলে তোমাৰ যৌৱনৰ
তেজী ঘোঁৰাৰ উজ্বল জ্যোতি
তুমিতো নেদেখা!
সেই ঘোঁৰা আজি লৰিছে
বান্ধোনৰ শিকলি ছিঙি
আৰু—
তোমাৰ চাবুকৰ শৱদত
জাগ্ৰত হৈ উঠিছে
তিৰাশীৰ মূক জনতা। ●

# সংগ্ৰামী

শ্ৰীশশীপ্ৰভা দেৱী
স্নাতক মহলা
১ম বাৰ্ষিক ( কলা )

সুপ্ত অসমৰ জাগ্ৰত মানৱে
চিঞৰিছে বাৰে বাৰে,
কৰি আছে মৃত্যু আহ্বান।
তাহানিৰ সোণৰ অসম বুলি কবলৈ
লাজ লাগে আজি,
সোণৰ অসম আৰু নাই !
শোষকৰ হাতত বন্দিনী আজি আই
চিঞৰিছে পলে পলে,

"আহ !
সিহঁতৰ হাতবোৰ
ইমান কঠোৰ (?)
ৰক্ষা কৰা মোক !!"

আজি মোৰ আই বিবস্ত্ৰা হ'ল
অন্ন-বস্ত্ৰই নোজোৰা হ'ল
চকুৰ পানীৰে বাট নেদেখা হ'ল ;
ধৰ্ষিতা গাভৰুৰ উচুপনি শুনি
আই মোৰ বাউলী হ'ল।

ক্ষান্ত হোৱা আই,
অহিংসাৰ মন্ত্ৰে
সংবিধানৰ গাঁঠনিৰে
আগুৱাই নিম
তোমাৰ মুক্তিৰ অভিযান।

লুইতৰ পাৰৰ থলুৱা আমি
কোঁচ-কছাৰী ; কাৰ্বি-মিচিমি
মুছলমান-নেপালী-সংগ্ৰামী আমি,
লাচিতৰ দেশৰ সন্তান আমি,
কণ্ঠত ধ্বনিত হয় নাৰ্য্য দাবীৰ ॥
আগবাঢ়ি আহ !
উভালি পেলাম ঘাই খুটা
কুমন্ত্ৰণাৰ জখলা খুটা,
বদন ৰূপী স্বাৰ্থপৰ নেতাসকলৰ
ৰাঙলী তেজেৰে
আইৰ চৰণ ধুৱাম
আমাৰ যাত্ৰাত আগুৱাম ॥ ●

# নবাগত

শ্ৰীঘন হাজৰিকা
স্নাতক মহলা
১ম বাৰ্ষিক (কলা)

ঘন তমসা ৰাতি
কালৰাত্ৰিৰ এন্ধাৰ
এতিয়াও আতৰা নাই
নিদ্ৰাত মগ্ন
মোৰ দেশৰ প্ৰজা
মাথো সাৰে আছে
তোমাৰে মামা কংস।

বাছা মোৰ;
তুমি যে আমাৰ মাজলৈ আহিলা
এই দুৰ্দ্ধহ! সময়ত
আমি যে এতিয়া বন্দী!

কান্দিছা! বাছা মোৰ! ভোকত!!
আহ! কি যে যন্ত্ৰণা! ভোকৰ তাড়না
দাসত্বই যে মোৰ স্তনৰ গাখীৰ
শুহি শুহি নিছে.... .... ....
তোমাক যে দিবলৈ মই অপাৰগ।

জাৰত! কান্দিছা মোৰ বাছা
তোমাক দিবলৈ মোৰ এখনি বস্ত্ৰ নাই!
তুমি নাঙঠ হৈয়েই থাকা
নাঙঠ হৈয়েই এদিন
জগতৰ লাজ ঢাকিব লাগিব।

তুমি জানিবা;
তোমাৰ সোণপাহী ভনী "মানৱতাক"
কবৰ দিছে এজাক অবিবেচক মুখা পিন্ধাই
আৰু
শান্তিবনত ফুলিছে "প্লাষ্টিক ফুল"।

তুমি ডাঙৰ হোৱা বাছা
তুমিয়েই এদিন
তোমাৰ বন্দীত্বৰ শিকলি খুলিব লাগিব
আখৰা কৰিব লাগিব "কংস বধ ভাওনা"
আৰু
চন্দ্ৰতৰাক থাপমাৰি ধৰি আমাৰ মাজত
বহুৱাব লাগিব
গঢ়িব লাগিব,
এখন নতুন ইতিহাস
আৰু
সময় নদীত আমি তেতিয়া শুনিম
ৰিং মাৰি অহা
মানৱৰ মুক্তিৰ সংবাদ। ●

# য'ত সিহঁত আছে............

দূৰৰ কোনোবা মছ্জিদৰ পৰা ভাঁহি অহা
আজানৰ সুৰ এটিত সাৰ পাই,
সূৰ্য্যোদয়ৰ পূৰ্বে
বন্দীশালৰ দুৱাৰ ভাঙি
এয়া মই ঘোৰাৰ পিঠিত
মই এক পাকৈত সৈনিক।

হেজাৰ বন্দীৰ তেজ ৰঙা চাবুক
সেনাপতিৰ হাত শূন্য ;
প্ৰতিজ্ঞা মোৰ বন্দীশালৰ
আজিহে হৈছে পূৰ্ণ।
যাত্ৰা মোৰ সিহঁতক বিচাৰি
য'ত সিহঁত আছে।

ছটা-ছটা চাবুকৰ
চোকা পৰশত,
সি হয়তো বহুদূৰ আগবাঢ়ি যাব—
সৌ তালৈ ;
মোক পিঠিত লৈ
সিহঁতক মুক্তি দিবলৈ
য'ত সিহঁত আছে— ।

সৌৱা—

গোঁসায়ে মন্দিৰত প্ৰসঙ্গ গাইছে
বৰ কাঁহ বাজি উঠিছে,

শ্ৰীধ্ৰনেশ্বৰ বৰুৱা ( বিকাশ )
স্নাতক মহলা
১ম বাৰ্ষিক (কলা)

পাহাৰৰ নামনিৰ নিজৰাৰ পাৰত
হৰিণীয়ে কোমল ঘাঁহ খাইছে;
বৰ লুইতৰ চাপৰিত চপোৱা নাওঁ
নাৱৰীয়াই ডিঙৰা মেলিছে।
[এবা মোৰ যাবৰ হ'ল]

সি তালৈ যাব
মোক পিঠিত লৈ
সিহঁতক মুক্তি দিবলৈ
য'ত সিহঁত আছে;
[এইয়া মই সাজু হলো]

চাবুকৰ পৰশ পাই
ভেড়া জাকৰ মাজেৰে
খট্ খট্ শব্দ কৰি
আগবাঢ়িব সি তালৈ
মোক পিঠিত লৈ
সিহঁতক মুক্তি দিবলৈ
য'ত সিহঁত আছে ।
যাৰ খট্ খট্ শব্দত
সিহঁত জাগি উঠিব
দাবী কৰিব
"মুক্তি আমাৰ স্বাধীন আমি" —
গুহাৰ গৰ্ভৰ লৌহ কাৰাগাৰ
ছিঙি পেলাব দাসত্বৰ শিকলি।

মই তালৈ যাম
য'ত সূৰুযৰ জ্যোতি কমেই পৰে
যিখন আকাশত ফেঁচা উৰে ত্ৰি-সন্ধ্যা,
যিখন আকাশত শগুণেই কেতেকী
সেই আকাশৰ তলিৰ
সেই প্ৰকাণ্ড গুহাটোলৈ
সিহঁতক বিচাৰি
য'ত সিহঁত আছে।
সিহঁতৰ দাসত্বৰ শিকলি খুলি দিম
কাৰাগাৰৰ বিশাল দেৱাল চূৰ্ণ কৰি
তেতিয়া সিহঁত আগবাঢ়িব,
শোষকৰ বিৰুদ্ধে প্ৰাপ্য বিচাৰি
যাত্ৰা মোৰ সিহঁতক বিচাৰি
য'ত সিহঁত আ···ছে····।●

# ৰক্ত বিহীন শিৰা

শ্ৰীভবেশ শৰ্ম্মা
প্ৰাক্ বিশ্ববিদ্যালয়
১ম বাৰ্ষিক ( বিজ্ঞান )

লোভেই পাপ, পাপেই মৃত্যু
আই ··· ··· ··· নোৱাৰো ··· কব,
তোমাৰেই পুত্ৰ নে শত্ৰু।
আজি তোমাৰ জয় গান গায়
আই ··· ··· ··· নোৱাৰো ··· কব,
কিয় কাইলৈ গান্ধীৰ চিৰা-পিঠা খায় ?
পুত্ৰ হৈ আজি তোমাক মৰম যাচি দিয়ে
আই ··· ··· ··· নোৱাৰো ··· কব,
কিয় কাইলৈ গান্ধী-জ্ঞানীৰ চৰণত পৰে ?
মিচিকিয়া হাঁহিৰে যেন সাধু-সৈন্য
আই ··· ··· ··· নোৱাৰো ··· কব ;
সিহঁত কি দানব নে দৈত্য ?
কুলিৰ মৌ-মিঠা মাতেৰে কৰে সিহঁতে তন্ত্ৰ-মন্ত্ৰ
আই ···· ···· ··· নোৱাৰো ··· কব,
কিয় সিহঁত মাৰ্কামাৰা সমাজৰ অন্তৰ্ভুক্ত ?
প্ৰৱঞ্চকে সিহঁতৰ গাত চাত মাৰি ধৰে
আই ··· ··· নোৱাৰো ···· ··· কব,
কিয় বিপৰ্যায়ৰ মুখত সিহঁত বিভীষণ হৈ পৰে ?
সত্য-শিৱ-সুন্দৰৰ কথাৰে সিহঁতে ভুলাইছে
আই ···· ··· ··· নোৱাৰো ··· কব,
কুলি কেতেকীৰ মাতেৰে কিয় সিহঁতে চলাহিৰ ট্ৰেনিং লৈছে ?
আজি-পুৱা বেলি হাঁহিব চকু মেলি পঠালে বাতৰি কিবা
আই .... .... .... নোৱাৰো ··· কব,
কিয় গান্ধী-জ্ঞানীৰ আনন্দৰ নাই সীমা ?
তোমাৰ কৃপাতে আমি, বুজাৰ আৰু নহৈ বাকী
পাৰো .... .... .... আই .... কব
কিমান ?? সিহঁতে গান্ধী-জ্ঞানীৰ কমিচন পায় ॥
তোমাৰে কৃপাতে আই, সিহঁতৰ চৰিত্ৰ নাথাকে লুকাই
আই .... .... .... তুমিয়ে .... জানা,
কিয় ?? ৰক্ত বিহীন শিৰা হৃদযন্ত্ৰত সোমায় ॥ ●

# জীৱন মৰু

শ্ৰীপ্ৰেমধ্ৰৰ বৰুৱা
প্ৰাক্ বিশ্ববিদ্যালয়
২য় বাৰ্ষিক (কলা)

জীৱন মৰুৰ উত্তপ্ত বালিৰ ওপৰত
মোৰ ভৰিৰ পতা দুখন
দেই পুৰি গ'ল !
মোৰ সন্মুখত সৌখন—
বিশাল অনন্ত চাহাৰা !!
মই দৌৰিছো সোণ-বুলীয়া
অজান মৰুদ্যানখনি বিচাৰি
কিন্তু ক'তা ?
সৃষ্টি হৈছে বহুতো কাল ধুমুহাৰ অলেখ বাৰ
জীৱন মৰুৰ গোটেইতো পথ ৰুদ্ধ
মোৰ বাবে !!
সৃষ্টিৰ অযুত বালিৰ মাজত
কাহানিও সন্ধেদ পোৱা নাই
মোৰ আকাংখিত জীৱনৰ
সেউজীয়া মৰুদ্যানখনিৰ ।●

# শিথিল

শ্ৰীখনিন্দ্ৰ কুমাৰ বৰুৱা
স্নাতক মহলা, ২য় বাৰ্ষিক (বিজ্ঞান)

শিথিল—
শিথিল হৈ পৰিছে আজি গোটেই দেশ
কালৰ দুৰ্দ্ধৰ্ষ এক
বিমান প্লাৱনত
য'ত মিহলি হৈ আছে
কালনাগৰ বিষ প্ৰলেপন
কি বিষাল সৰ্প
হায় ! দংশনত আজি
সকলো অচেতন
হায়, কি বিষাদময় !
হে মেজি,
জ্বলি উঠা, জ্বলি উঠা দপ্ দপ্ কৈ
জ্বলি উঠি পুৰি দিয়া—
এই বিষাল সৰ্প
জাগ্ৰত হওঁক আজিৰ এই—
শিথিল মানৱ ॥ ●

# মই মূলতঃ মানুহ যিহেতু

শ্ৰীউপেন্দ্ৰ বৰুৱা
স্নাতক মহলা
২য় বাৰ্ষিক (বিজ্ঞান)

চেতনাৰে দীপ্ত
ৰাখিম মোৰ সমগ্ৰ শৰীৰ
পঞ্চ ইন্দ্ৰিয় মোৰ
মই মূলতঃ মানুহ যিহেতু

হৃদয়ৰ তেজে ধোৱা শব্দেৰে
গাম মই গান
মানুহৰ
শাশ্বত প্ৰেমৰ জয়যাত্ৰাৰ
মই মূলতঃ মানুহ যিহেতু

মোৰ প্ৰতিটো কবিতা
প্ৰশান্তিৰ অমল বাৰিধি
মানৱতাৰ অমল নিজৰা
সংগীত বসন্তৰ বিহগৰ
মই মূলতঃ মানুহ যিহেতু

কাঢ়ি পেলোৱা মোৰ চকু দুটা
কিম্বা কাটি পেলোৱা
দুয়ো হাত মোৰ
শোষণৰ প্ৰতিবাদ কৰাৰ নামত
বন্ধু, সত্যৰ নামত মোৰ মৃত্যু
একোপাহ সুগন্ধি ফুলৰ
মই মূলতঃ মানুহ যিহেতু ●

# বিহুৱান বহাগৰ ৰং

শ্ৰীজ্যোতিম্ৰ গোস্বামী
প্ৰাক্তন ছাত্ৰ

বিশ্বসুৰ সুৰকাৰৰ সুৰে সানে ৰঙালীৰ ৰং
ৰঙীয়াল কুলি যাৰ ৰঙতে নাচি যায়
বাসন্তী আইটি তাৰ দেহাজান
বতৰে বহাগী এজনী এইবাৰো বিহু ঢোলে মাতে
বহাগৰে ৰং বোলো বহাগৰে ৰং
তেনে ৰং কিনিবা কোনে আহা
ৰঙালীৰ ৰঙৰ হৈ
বিহুৱা বিহুৱতী আমি
নিবিচাৰো তোমাৰেই সাঁচতীয়া ধন
আচলৰে ধন নিজেইহে যাচিছে
বাসন্তী আইটি আমাৰ দেহাজান।
আগচুলি নচুৱাই চিলাজনী নাচে
"বতাহ" "পানী" আৰু গোসানী এজনী হৈ
এইবাৰো চিলাজনী নাচে
বৰদৈচিলা
আলসুৱা বহাগীৰ লাহতী খোপাটিত
চিলাজনী আছে ৰং সনা
তাৰেইহে যাঁচো মই
বিহুৱতী তোমালৈ
বতৰৰ এখনি বিহুৱান
যি বিহুৱান বহাগৰ ৰং।●

# প্ৰতীক্ষাত অভিভূত

শ্ৰীদীনেশ ডেকা
স্নাতক মংলা
১ম বাৰ্ষিক (কলা)

বিশ্বক সুমধুৰ কৰিবলৈ
দীৰ্ঘ দিন জীয়াই থকাৰ এটি সুন্দৰ প্ৰচেষ্টা
আৰু মনৰ প্ৰবল আগ্ৰহ
ভগৱানৰ ওচৰত কাতৰ প্ৰাৰ্থনা
নতুনক বিকশিত কৰাৰ বাবে।
জীৱনৰ প্ৰতিটো মুহূৰ্ত্ত বৰ মূল্যৱান
বহুতো গৱেষণাৰ কাৰণে—
কিন্তু, এই বিষয়ে মই এতিয়া নীৰৱ
পৃথিৱীৰ মানুহৰ স্বাৰ্থপৰতা,
আৰু—
পৃথিৱীৰ অনিদ্ৰিত দুখ-দৈন্য, যন্ত্ৰণাবোৰে
সঘনে আমনি কৰে
সুন্দৰতাত, কল্পনাত ব্যাঘাত জন্মায়
গৱেষণাৰ ব্যতিক্ৰম
কৰিছো পাগল অভিনয়
কেৱল মই অন্ধকাৰৰ মাজত
ভাগৰি পৰিছো এজন সহায়হীন যুৱক হৈ
দৃষ্টিহীন, বিকলাংগ, অবুজ মনেৰে
আছো বাট চাই 'চুপাৰ-ইগো'ৰ শক্তিলৈ;
জঘন্য পৃথিৱী
দাৰ্শনিকৰ অশান্তিময় জীৱন,
বেদনাক্লিষ্ট দিনবোৰ,
গুৰুত্ব নাই খোৱা শোৱাৰ
আছে এক অনুসন্ধিৎসু মন।
কিন্তু—
সুন্দৰৰ পৰিকল্পনাত
অমানুহৰ দাহ্য অত্যাচাৰ
সহানুভূতি নাই 'স্ৰষ্টা'ৰ।
দৰিদ্ৰতাৰ ৰেখাৰে আগুৰা
কংকালসাৰ মানুহবোৰৰ
আছে—
শোকাক্লিষ্ট জীয়া কাহিনী,
পৰিস্থিতিৰ নাগপাশত সিহঁত আৱদ্ধ।
আচম্বিত ঘটনাবোৰে
আতঙ্কিত কৰি তোলে সিহঁতৰ মন—
কিন্তু—
দাৰ্শনিক মনৰ অভাৱ
সেয়ে জীয়াই থকাও হয় জটিল
আৰু চলে অৰিয়া-অৰি
দৰ্শনত নাই ভ্ৰূক্ষেপ
নতুনত্বত নাই মন
ফল হয় .... বিকাশৰ মৃত্যু।●

তাহানি বীৰেন ভট্টই সুধিছিল—বিষ্ণুৰাভা !
এতিয়া কিমান ৰাতি ?
দুৰ্যোগৰ কাল মেঘে চানিছে আকাশ
সূৰ্য্যটো যেন মাটিৰ চাকি ।
তোমাৰ সপোনৰ সোণালী প্ৰভাতলৈ
সচায়ে বহুতো বাকী ।
বিনিদ্ৰ ৰাতিয়ে কাঁড়শলা সাপ হৈ মেৰিয়াই ধৰিছে
পিচ্ গলা ৰাস্তাত মৃত্যু দেৱতাৰ ৰণ-প্ৰস্তুতি
অন্যায়ৰ বিৰুদ্ধে মহান অস্ত্ৰ হ'বলৈ
তোমাৰ প্ৰেৰণা তামসী পথৰ-দ্যুতি ।
তুমি সিঁচি যোৱা গুটিৰ গঁজালি
মেলা নাই, লাগে সময়ৰ হাত বাউলী
অগণিত অতৃপ্ত মনীষাই দিয়া ৰক্তাঞ্জলি
হ'ব পথৰ পাথেয় যুগ-যুগান্তৰৰ ;
অজানিতে দিব সিয়ে তোমাৰ বন্ধ্যা সপোনৰ
নিজেই চিগিব খোজা মমৰ শৃঙ্খল খুলি ।
আমি এতিয়াও সাৰে আছো, তুমি চিৰ নিদ্ৰামগ্ন
তথাপিও সময়ৰ সাঁকোৰে তুমি বগুৱা বাই আহা
ভাব হয় তুমিও সাৰেই আছা ।
তুমিতো জানাই ৰাতিয়েহে প্ৰভাতক আদৰি আনে
সেয়ে উংকণ্ঠাৰে প্ৰশ্ন কৰো— এতিয়া কিমান ৰাতি ?
আকাঙ্খিত সপোনৰ দুৰ্ব্বহ
অথবা সুখাবহ ভৱিষ্যত সমাগত প্ৰায় ॥ ●

# দিঠকৰ সপোন


অধ্যাপক শ্ৰীবিজয় গোস্বামী



—উমেশ বৰদলৈ
বছৰ শ্ৰেষ্ঠ খেলুৱৈ
উল্লেখযোগ্য যে ১৯৮০ চনৰ পৰা ১৯৮৪ চনলৈ একেৰাহে এই সন্মান লাভ কৰে।




—পাপৰি চহৰীয়া
১৯৮৩-৮৪ চনৰ গুৱাহাটী বিশ্ব বিঃ যুব-মহোৎসৱত তৃতীয় শ্ৰেষ্ঠা অভিনেত্ৰী হিচাবে ব্ৰঞ্জৰ পদক লাভ কৰে।




—দিগন্ত কুমাৰ ডেকা
অবিভক্ত দৰং জিলা ভিত্তিক শ্বহীদ স্মৃতি আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক।



—অঞ্জনা চক্ৰৱৰ্ত্তী
১৯৮৩-৮৪ চনৰ মহাবিদ্যালয় সপ্তাহৰ তৰ্ক প্ৰতিযোগিতাত শ্ৰেষ্ঠা তাৰ্কিকৰ সন্মান লাভ কৰে।



—দেবেন কলিতা
বছৰৰ শ্ৰেষ্ঠ সমাজকৰ্মী।



—হেৰম্ব কুমাৰ নাথ
একেৰাহে ১৯৮২—১৯৮৪ চনলৈ
ডাবা চেম্পিয়ন



—হৰেন্দ্ৰ কুমাৰ চহৰীয়া
সহকাৰী সাধাৰণ সম্পাদক
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা

১৯৮৪ চনৰ ২৪ এপ্ৰিলত আটক হৈ নানান নিৰ্য্যাতন সহি ছমাহ কাৰাৰুদ্ধ হৈ থকাৰ মূৰকত মুকলি হয়। কিন্তু পুনৰ ২৬ আগষ্টত ৰাষ্ট্ৰীয় নিৰাপত্তা আইন অনুসৰি আটক হৈ তেজপুৰ জিলা কাৰাগাৰত আছে। তেওঁৰ বন্দীত্ব গুৱাহাটী উচ্চ ন্যায়ালয়ে এবছৰৰ বাবে নিশ্চিত কৰিছে।



—মুনু ডেকা
১৯৮৩-৮৪ চনৰ শ্ৰেষ্ঠা গায়িকা



—দুলাল বৰুৱা
আলোচনী সম্পাদক



—দাহুল চলিহা
সুকুমাৰ কলাৰ সম্পাদক

ৰহস্য গল্প



শ্ৰীভূপেন কুমাৰ নাথ
প্ৰাক্ বিশ্ববিদ্যালয়
২য় বাৰ্ষিক

প্ৰাতকৃত সমাধা কৰি বিখ্যাত প্ৰাইভেট ডিটেক্‌টিভ প্ৰণৱ ডেকাই অৱসভাৱে চোফা-খনত বহি সেইদিনাৰ বাতৰি-কাকতখন আগত ললে। খানচামা দিনবাহাদুৰে ব্ৰেকফাষ্ট আনি সন্মুখৰ টেবুলখনত থৈ গ'ল। ডেকাই হয়তো কেইদিনমানলৈ জিৰণি লোৱাৰ কথাই চিন্তা কৰি-ছিল। কাৰণ এইকেইদিন হত্যাকাৰীৰ অনুসন্ধানত ঘূৰি ঘূৰি তেওঁৰ শৰীৰৰ অৱস্থা তেনেই শোচনীয় হৈছিল। তেওঁ দ্বিতীয় কণীতো মুখত ভৰাই লৈছেহে, এনেতে.... ....

ক্ৰি ৰি ৰি ৰিং .... ....

অৱজ্ঞাৰেই ডেকাই ফোনটো তুলি ললে। : হেল্লো .... হয়, মই প্ৰণৱ ডেকাই কৈছো। কিন্তু আপুনি .... .... ধন্যবাদ মিঃ বৰুৱা। ফোন নিশ্চয় এনেই কৰা নাই। কি কলে .... .... হত্যা? পুলিচক খবৰ দিয়ক .... .... মই? ক্ষমা কৰিব মিঃ বৰুৱা। এইকেইদিন ঘূৰি ঘূৰি মই বৰ অসুস্থ হৈ পৰিছো। গতিকে কেইদিনমানলৈ জিৰণি লোৱাৰ কথাহে চিন্তা কৰিছো। আপুনি অইন ব্যৱস্থা কৰিব নোৱাৰেনে? .... .... নাই, নাই তেনেকুৱা বিশেষ একো হোৱা নাই। — .... .... কিন্তু ময়েই যে হত্যাকাৰীক বিচাৰি

উলিয়াব পাৰিম আপুনি কেনেকৈ জানিলে ? .... .... বাপৰে আপুনি দেখোন মোক বহুত ওপৰলৈ উঠাই দিলে। .... .... ঠিক আছে। আপোনাৰ কথাকে ৰাখিলো বাৰু। .... .... মই গৈয়ে আছো। আপুনি পুলিচ থানালৈও খবৰ এটা পঠিয়াওক। ধন্যবাদ। —ডেকাই কানেক্চন কাটি দিলে।

প্ৰণৱ ডেকাই নতুন কাৰখন দ্ৰুতগতিত আগবঢ়াইছিল তৰাজান অভিমুখে। কদমতলিৰ পৰা তিনি কিলোমিটাৰ গৈ সোঁফালৰ কেকুৰিটো ঘূৰি এক ফাৰ্লংমান গলেই সেই ত্ৰিমহলীয়া ঘৰটো। “বৰুৱা ভৱন”ৰ চাৰিওফালে প্ৰকাণ্ড দেৱাল। ডেকাৰ গাড়ী ‘বৰুৱা ভৱন’ৰ সন্মুখত ৰ’ল। আগতে কৈ থোৱামতে দাৰোৱানে গেট খুলি দি পুলিচ ভঙ্গিত চেলুত দি ৰ’ল। ডেকা ভিতৰলৈ সোমাই গ’ল। ইন্সপেক্টৰ হাজৰিকাই তেওঁলৈকে বাট চাই আছিল। তেওঁ ডেকাক হেণ্ডচেক কৰিলেহি।

: ব’লক হাজৰিকা। সোনকালে ভিতৰলৈ যোৱাহে মঙ্গল। —দুয়ো আগবাঢ়িল। এনেতে এজন ডেকা আহি নমস্কাৰ দিলে।

: আপুনিয়েই নিশ্চয় বিখ্যাত ডিটেকটিভ প্ৰণৱ ডেকা।

প্ৰণৱ ডেকাই সন্মতিসূচক মূৰ দুপিয়ালে।

: মোৰ নাম কিশোৰ বৰুৱা। ময়েই আপোনালোকক ফোন কৰিছিলো।

: ধন্যবাদ মিঃ বৰুৱা। এতিয়া ব’লক মৃতদেহটিৰ ওচৰলৈ।

: নিশ্চয়, ব’লক।

তিনিও ওপৰ মহলা পালেগৈ। সৰু কোঠা এটিত পালেং এখনৰ ওপৰত বীভৎস আকাৰে পৰি আছে সদানন্দ বৰুৱা। ডেকাই অনুসন্ধানৰ কাম আৰম্ভ কৰিলে। বেৰৰ চুকাযে দুটা আলমাৰি। বিছনাৰ একোণত থকা ৰাউণ্ড টেবুলখনত এখন বাতৰি-কাকত, এটা জগ্ আৰু গিলাছ এটা। ইতিমধ্যে ইন্সপেক্টৰ হাজৰিকাৰ নিৰ্দ্দেশ ক্ৰমে কমৰ ভিতৰত থকা সকলোখিনি মানুহক বাহিৰলৈ যাব দিয়া হৈছিল। ডেকাই গিলাছটো তুলি লৈ ভালদৰে নিৰীক্ষণ কৰিব ধৰিলে। তেওঁৰ অনুমান হ’ল গিলাচটোত নিশ্চয় আৰ্চেনীক বিষ মিহলোৱা আছে। চকুৰ ঠাৰেৰে হাজৰিকাক গিলাচটো লবলৈ ইঙ্গিত কৰিলে। তাৰ পিছত ডেকাই মৃতদেহটিৰ ফালে আগবাঢ়িব লৈছেহে, এনেতে ভৰিত ঢিলা বস্তু এটা লাগি ওফৰি পৰিল। সেইটো অৱশ্যে অইন একো নহয়, এটা আধা পোৰা চিগাৰেটৰ টুকুৰা। ডেকাই টুকুৰাটো তুলি ললে। কি ঠিক কেতিয়াবা কামত লাগি যাব পাৰে। এইবাৰ তেওঁ মৃতদেহটি জুমি জুমি চাবলৈ ধৰিলে। হঠাৎ তেওঁ লক্ষ্য কৰিলে মৃত বৰুৱাৰ সোঁহাতৰ আঙুলিবোৰ মুঠি মৰা অৱস্থাত আছে। লাহেকৈ মুঠিটো খুলি দি তাত দুডাল চুলি পালে। এই চুলি দুডাল মৃত বৰুৱাৰ নে অইন কাৰোবাৰ সেই কথা এতিয়াই অনুমান কৰিব পৰা নাযায়। ডেকাই সকলোৰে অলক্ষিতে চুলি দুডাল পকেটত ভৰাই ললে।

এইদৰে কিছু সময় অনুসন্ধান চলাই মৃতদেহটি মৰণোত্তৰ পৰীক্ষাৰ বাবে পঠাই দিয়া হ'ল। অনুসন্ধানৰ কাম শেষ হ'লত হাজৰিকাই কিশোৰ বৰুৱাক উদ্দেশ্যি কলে—

: মিঃ বৰুৱা আমি এতিয়া আপোনালোকৰ প্ৰত্যেকৰে পৰা জবানবন্দি লম। অনুগ্ৰহ কৰি কথাটো সকলোকে জনাই দিয়ক আৰু শুনক মিঃ বৰুৱা তাৰ আগতে আপোনালোকৰ পৰিয়ালৰ হিচাব এটা আমাক দি যাওক।

হাজৰিকাই নোটবহী উলিয়াই লৈ সাজু হ'ল। কিশোৰে কৈ গ'ল—

: মৃত সদানন্দ বৰুৱা এইখন ঘৰৰ মালিক। তেওঁৰ পত্নী অঞ্জনা বৰুৱা, একমাত্ৰ ল'ৰা মুন বৰুৱা আৰু ছোৱালী পুষ্পা। ইয়াৰ উপৰিও নাইট চকিদাৰ ভগৎ সিং আৰু অন্যান্য কাম কৰাৰ বাবে হৰিপ্ৰসাদ আৰু চাৰু থাকে।

: ধন্যবাদ, কিন্তু আপোনাৰ পৰিচয়?

: মই? ......মই এইখন ঘৰৰ প্ৰাইভেট চেক্ৰেটাৰী কিশোৰ বৰুৱা।

: প্ৰাইভেট চেক্ৰেটাৰী? কথাটো ভালদৰে বুজি নাপালো।

: মানে ঘৰখনৰ সকলো ধৰণৰ তদাৰক মইেই কৰো। ঘৰৰ লগুৱা লিগিৰীক দৰমহা দিয়াৰে পৰা বাগিছা চোৱালৈকে এই সকলোখিনি কাম মৃত বৰুৱাৰ হৈ মইেই কৰো।

: আপোনাৰ এইখন ঘৰত কিমান দিন হ'ল? —ডেকাৰ প্ৰশ্ন।

: প্ৰায় পাঁচ বছৰ।

: বাৰু মিঃ বৰুৱা। মৃত বৰুৱাৰ কোনোবা শত্ৰু থকা বুলি আপুনি ভাৱে নেকি?

: এই ক্ষেত্ৰত একো কব নোৱাৰি মই দুঃখিত। কাৰণ এনে উদাৰ, সহজ, সৰল প্ৰকৃতিৰ মানুহজনৰো যে কোনোবা শত্ৰু থাকিব পাৰে, ভাৱিলেই আচৰিত লাগে।

: ঘৰৰ কাৰোবাৰ প্ৰতি সন্দেহ জন্মে নেকি?

: ওহো। ঘৰৰ কাম কৰা মানুহখিনি আৰু বৰুৱানীক মুঠেই সন্দেহ কৰিব নোৱাৰি। কাৰণ তেওঁলোকে তেখেতক ঈশ্বৰৰ দৰেই জ্ঞান কৰে। আনহাতে পুষ্পা স্বাভাৱিকতে কিছু চঞ্চল আৰু মুনটো বেছি ভাগেই বিজনেচৰ কামত কলিকতাতেই থাকে।

: ক্ষমা কৰিব মিঃ বৰুৱা। প্ৰথম অৱস্থাত মই আকৌ আপোনাক মৃত বৰুৱাৰ সন্তান বুলিহে ভাবিছিলো। —ডেকাৰ তীব্ৰ দৃষ্টি।

: হয় নেকি? অৱশ্যে বহুতেই তেনেকৈয়ে ভাৱে। কিয় নাজানো।

: বৰুৱাৰ কিমান সময়ত মৃত্যু হোৱা বুলি আপুনি ভাৱে?

: অনুমান বাৰ বজাৰ পিছত।

: আপুনি কেনেকৈ অনুমান কৰিলে?

: বৰুৱাই শোৱাৰ আগতে পানী খোৱাৰ অভ্যাস। নিশা ১১-৩০ বজাতে চাৰুই তেখেতলৈ পানী দি আহে।

: ধন্যবাদ আপুনি যাব পাৰে। অ' মিচেচ বৰুৱাক মাতি দিব।

কিশোৰ ওলাই গ'ল। ডেকাই চিগাৰেটত অগ্নি সংযোগ কৰিলে। অলপ পিছতে মিচেচ বৰুৱা সোমাই আহিল। বয়স অনুমান বিয়াল্লিশ মান হব। দেখিলেই বুজা যায় বৰুৱাৰ মৃত্যুত তেওঁ বহুখিনি ভাগি পৰিছে। তেওঁ ডেকাৰ সমুখৰ চকীখনতে বহি পৰিল। ডেকাই আৰম্ভ কৰিলে—

ঃ এই অৱস্থাত আপোনাক কোনো প্ৰশ্ন সোধা উচিত নহয় যদিও কৰ্ত্তব্যৰ খাতিৰত সুধিবই লাগিব।

ঃ সোধক।—মিচেচ বৰুৱাৰ ক্ষীণ কণ্ঠস্বৰ।

ঃ মৃত বৰুৱাৰ কোনোবা শত্ৰু থকা বুলি ভাৱে নেকি ?

ঃ নাভাৱো! কিন্তু কিশোৰে কৈছে, যোৱা ৰাতি বাৰ মান বজাত ক'লা ছাঁৰ দৰে কিবা এটা হেনো ওৱাল বগাই আহিব খুজিছিল। তাৰ পিছত খেদি গৈয়ো তাক লগ পোৱা নগ'ল।

ঃ Interesting!

ঃ মৃত্যুৰ আগমুহূৰ্ত্তত তেখেতৰ কিবা অস্বাভাৱিকতা পৰিলক্ষিত হৈছিল নেকি ?

ঃ ওহো। অৱশ্যে কেইদিনমানৰ পৰা তেখেতে খুউব ড্ৰীঙ্ক কৰিবলৈ লৈছিল।

ঃ ধন্যবাদ! আপুনি যাব পাৰে। দয়া কৰি মুন বৰুৱাক পঠিয়াই দিব। —মিচেচ বৰুৱা ওলাই গ'ল। অলপ পিছতে মুন বৰুৱা সোমাই আহিল।

ঃ বহক মিঃ বৰুৱা।

মুন ওচৰৰ চোফাখনত বহি পৰিল। মুখমণ্ডলত উত্তেজনাৰ ভাৱ বিৰিঙি উঠিছিল।

ঃ আপুনি কলিকতাৰ পৰা কেতিয়া আহিল ? —ডেকাৰ প্ৰশ্ন।

ঃ পৰহি।—মুনৰ চমু উত্তৰ।

ঃ আপোনাৰ দেউতাৰ মৃত্যুক আপুনি কি বুলি ভাৱে ?

ঃ এটা পৰিকল্পিত হত্যাকাণ্ড।

ঃ যোৱা ৰাতি দেউতাৰ লগত আপোনাৰ শেষ দেখা কেতিয়া আৰু ক'ত হ'ল ?

ঃ নিশা ১১ বজাত। দেউতাৰ কোঠাত।

ঃ কিবা নিশ্চয় আলোচনা ? লগত আৰু কোনোবা আছিল ?

ঃ হয়! মা, মই আৰু ভনী। আলোচনাৰ বিষয় সম্পূৰ্ণ ব্যক্তিগত। এই বিষয়ে নোসোধাই ভাল। শুনক মিঃ ডেকা, দেউতাক হত্যা কৰি আততায়ীয়ে ভালেই কৰিলে। নহলে মইয়েই........

ঃ হত্যা কৰিলেহেঁতেন ? —ডেকাই তীক্ষ্ণ দৃষ্টিৰে চালে।

ঃ অ'.... হয়তো সেয়ে।

ঃ কিন্তু কিয় ?

ঃ সেয়া আপোনাক কব নোৱাৰিম।

ঃ অৱশ্যে সেই কথা মই নিজেই উলিয়াই লব পাৰিম। আৰু এটা কথাৰ উত্তৰ দিয়ক—আপোনাৰ দেউতাক পানীৰ লগত তীব্ৰ আৰ্চেনীক বিষ মিহলাই হত্যা কৰা হৈছিল। কাৰণ পানীৰ গিলাচটোত আৰ্চেনীক থকাৰ প্ৰমাণ আমি পাইছো। আপুনি ভাৱেনে, চাৰুই

ঃ No, No Mr. Deka, it is impossible, quite impossible. চাৰুই তেনে কাম কেতিয়াও কৰিব নোৱাৰে।

ঃ ধন্যবাদ মিঃ বৰুৱা, আপুনি যাব পাৰে। দয়া কৰি আপোনাৰ ভনীক মাতি দিব।

কিছু দেৰি পিছতেই পুষ্পা সোমাই আহিল। অনুমান তাই যেন কিছু চঞ্চল।

ঃ বহক মিচ্ বৰুৱা। —ডেকাই আৰম্ভ কৰিলে।

ঃ মোক তুমি বুলিয়েই কব। —পুষ্পাৰ চমু উত্তৰ।

ঃ ধন্যবাদ। দেউতাৰাৰ মৃত্যুত তেখেতৰ কোনোৱা শত্ৰু থকা বুলি ভাৱানে? যদি কিশোৰ বৰুৱাই····

ঃ হব নোৱাৰে। তেওঁ ইমান নীচ নহয়। —কিছু সময় ৰৈ পুষ্পাই পুনৰ আৰম্ভ কৰিলে—আপোনালোকে হয়তো ভাৱিছে দেউতাৰ মৃত্যুৰ পিছতো মই বহুখিনি চঞ্চল হৈয়ে আছো। ঠিকেই। কিন্তু আপোনালোকে জানি ভাল নাপাব যে দেউতাৰ মৃত্যুত মোৰ অকনো দুখ লগা নাই।

ঃ কিন্তু কিয়?

ঃ সেয়া মোৰ সম্পূৰ্ণ ব্যক্তিগত কথা।

ঃ চোৱা পুষ্পা তোমালোকে মোক নিযুক্ত কৰিছা প্ৰকৃত হত্যাকাৰীক ধৰা পেলাবৰ বাবে। হত্যাকাৰীৰ প্ৰথম সূত্ৰ ঘৰখন। ঘৰখনৰ যদি সকলো কথা জনা নাযায়, তেনেহলে প্ৰকৃত হত্যাকাৰীক ধৰা পেলোৱাটো অতি জটিল হৈ পৰে। নহলে আমি এইবোৰ বাদ দি চাৰুকে এৰেষ্ট কৰি নিব পাৰো। কাৰণ পানীৰ গিলাচটোত তীব্ৰ আৰ্চেনীক থকাৰ প্ৰমাণ আমি পাইছো। —ডেকাই তীব্ৰভাৱে পুষ্পাৰ মুখৰ ফালে চাই ৰ'ল।

ঃ কি? কিন্তু মোৰ এই কথাখিনিয়ে যে আপোনাৰ অনুসন্ধানৰ কামত কিম্বা হত্যাকাৰীক ধৰা পেলোৱা কাৰ্য্যত কিবা উপকাৰত আহিব তাত মোৰ সন্দেহ আছে।

ঃ মিচ্ বৰুৱা! তোমাক সোধা কথা নাইবা তোমাৰ পৰা জনা কথাই, অনুসন্ধানৰ কামত কিবা উপকাৰত আহিব নে নাহে সেয়া আমাৰ কথা। হয়তো তোমাৰ মাজত এনেকুৱা এটা কথা লুকাই আছে, যিটো কথা জানিলে হত্যাকাৰী অতি সহজে ওলাই পৰিব।

ঃ শুনক তেনেহলে। —পুষ্পা কিছু সময় ৰ'ল। পুনৰ আবেগ মিশ্ৰিত সুৰেৰে কবলৈ ধৰিলে—যদি কোনোবাই ইজনে সিজনক অকণমান মৰমৰ চকুৰে চায়, যদি পৰস্পৰে পৰস্পৰক নিজৰ আপোন কৰি লব বিচাৰে, তেনেহলে সেয়া জানো পাপ হয়? —পুষ্পাৰ চকুজুৰি চকুলোৰে ভৰি পৰিছিল।

ঃ নিশ্চয় নহয়। —ডেকাই পৰিস্থিতি কিছু সহজ কৰি দিলে।

ঃ জানে ডেকা দা, কোনোবা এক দুৰ্বল মুহূৰ্ত্তত ময়ো এজন ডেকাক ভাল পাই পেলাইছিলো আৰু সেয়ে দুয়োকো নিজৰ আপোন কৰি লোৱাৰ আশাৰে, আশাৰ ৰঙীন কল্পনা কৰিছিলো। কিন্তু আমাৰ আশাত প্ৰচণ্ড ধুমুহা বলিল। সেয়ে ধুমুহাত আমাৰ সকলো আশা ভাঙি চিঙি চুৰমাৰ হৈ গ'ল। —পুষ্পাৰ মাতটো কিছু কৰুণ শুনা গৈছিল।

ঃ তোমাৰ দেউতাই নিশ্চয় বিধি-পথালি দিলে?

পুষ্পাই সম্মতিসূচক মূৰ দুপিয়ালে।

ঃ ধন্যবাদ! এই সময়ত তোমাক মনোকষ্ট দিয়াৰ বাবে ক্ষমা কৰিবা। তুমি এতিয়া যাব পাৰা।

পুষ্পা গুচি গ'ল। ইয়াৰ পিছত চাৰু, ভগত সিং আৰু হৰিপ্ৰসাদৰ পৰাও জবানবন্দি লোৱা হ'ল।

দাৰোৱানৰ পৰা জনা গ'ল যে, সেই ৰাতি কোনো ধৰণৰ ছাঁয়া মূৰ্ত্তি সি দেখিবলৈ পোৱা নাছিল। যথা সময়ত ডেকা আৰু হাজৰিকাই অনুসন্ধানৰ কাম শেষ কৰি থানা অভিমুখে ৰাওনা হ'ল। বাটত ইন্সপেক্টৰ হাজৰিকাই মাত দিলে—

ঃ বৰ্ত্তমান এই বিষয়ে একো কব নোৱাৰিম। এতিয়া আমাৰ কাম হ'ল– এক নম্বৰ, যোৱা ৰাতি মৃত বৰুৱা, অঞ্জনা বৰুৱা, মুন আৰু পুষ্পাই কি এনে ব্যক্তিগত কথা পাতিছিল তাক জনা আৰু দুই নম্বৰতে, পুষ্পাই কোন ল'ৰাক প্ৰাণ ভৰি ভাল পাইছিল আৰু তাৰ ঘৰেই বা ক'ত, এই বিষয়ে সবিশেষ খবৰ সংগ্ৰহ কৰা।

তেওঁলোকে আহি থানা পালে, পোষ্টমৰ্টেমৰ ৰিপৰ্ট মতে জনা গ'ল যে, বৰুৱাৰ মৃত্যু কোনো এক দুৰ্বল মুহূৰ্ত্তত আততায়ীয়ে আকস্মিকভাৱে সংঘটিত কৰে। তাতে সেইদিনা বৰুৱাই যথেষ্ট ড্ৰিঙ্ক কৰিছিল। তথাপি মৃত্যুৰ আগমুহূৰ্ত্তত নিজকে ৰক্ষা কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। তেওঁৰ মৃত্যু কোনো বিষক্ৰিয়াৰ দ্বাৰা সংঘটিত হোৱা নাই।

পোষ্টমৰ্টেমৰ ৰিপৰ্ট নোট বহীত টুকি প্ৰণৱ ডেকা নিজৰ ঘৰলৈ ৰাওনা হ'ল। পিছদিনা ডেকাই ব্ৰেকফাষ্ট কৰি চিন্তা কৰিবলৈ ধৰিলে— কোন পথেৰে আগবঢ়া যায়। ঘটনা যেন ক্ৰমান্বয়ে জটিলহে হৈ পৰিছে। এনেতে কলিং বেল বাজি উঠিল। ডেকাই দুৱাৰখন খুলি দিয়াৰ পিছত কিশোৰ বৰুৱাই মুখত এমোকোৰা হাঁহি লৈ সোমাই আহিল। ডেকাই চোফা এখনলৈ আঙুলিয়াই বহিবলৈ ইঙ্গিত কৰি নিজেও এখন চোফাত বহি পৰিল। কিশোৰেই পাতনি মেলিলে—

ঃ কালি ভুলতেই আপোনাৰ প্ৰাপ্যৰ একো কৰিবলৈ নহ'ল। তাৰ বাবে ক্ষমা বিচাৰিছো। বৰ্ত্তমানে এই সামান্য ধনখিনি গ্ৰহণ কৰিলে নিশ্চয় সুখী হম। —ডেকাই চেক্‌খনলৈ চালে। টকাৰ অংকটো বেয়া নাছিল—

দুই হাজাৰ। বাৰু দেখা যাওক।

ঃ ধন্যবাদ।

ঃ পিছে ডেকা, কিমানলৈ আগ বাঢ়িছে?

ঃ বেছি আগবাঢ়িব পৰা নাই। অৱশ্যে মোৰ ধাৰণা দুই এদিনৰ ভিতৰতে কেচটো সমাধা কৰিব পাৰিম।

ঃ বৰ ভাল কথা। আপোনাক যে কি বুলি ধন্যবাদ দিম। হত্যাকাৰীক ধৰিব পাৰিলে ঘৰখনেও কিছু শান্তি পাব।

ঃ পাৰ্যমানে চেষ্টা কৰিম মিঃ বৰুৱা। মিচেচ্ বৰুৱাই কৈছে ঘটনাৰ আগদিনা হেনো এটা ক'লা ছাঁ ওৱাল বগাই আহিব খুজিছিল: ইয়াৰ বিষয়ে কিবা কবনে?

ঃ অ' নিশ্চয়। সেইদিনা মই নিচাখোৱা বাগিছাত বন্ধুৱাৰ দৰ্মহা দি আহি নিশা ১২ বজাত ঘৰ পাইছিলো। নামিয়েই লক্ষ্য কৰিলো এটা ক'লা ছাঁ ওৱাল বগাব খুজি নামি গৈছে। প্ৰথমে মতিভ্ৰম হোৱা বুলিয়েই ভাৱিছিলো। কিন্তু যেতিয়া সি নামিবলৈ ধৰিছিল, তেতিয়া মোৰ বুজিবলৈ বাকী নাথাকিল যে, তাৰ মতলব ভাল নহয়। লগে লগে মই তাৰ পিছ ললো। কিন্তু মই যোৱাৰ আগতে কৰবাত লুকাই পৰিল।

ঃ গাড়ী আপুনি নিজেই ড্ৰাইভ কৰিছিল ?

ঃ গাড়ী ময়েই চলাও। মুন আহিলে কেতিয়াবা চলায়।

ঃ মিঃ বৰুৱা মোৰ এটা জৰুৰী কাম আছে। আপোনাক এতিয়াই বিদায় দিবলগা হোৱাত মই দুখিতঃ।

ঃ ধন্যবাদ ডেকা। আকৌ লগ পাম।

কিশোৰ ওলাই গ'ল, ডেকাই গাড়ী ষ্টাৰ্ট দিলে।... ... ...

ঠিক সন্ধিয়া থানাত ডিটেকটিভ প্ৰণৱ ডেকা আৰু ইন্সপেক্টৰ হাজৰিকাই অফিছ কমত বহি কিবা আলোচনা কৰিব ধৰিলে, ডেকাই মাত দিলে -

ঃ হাজৰিকা, আপুনি কিশোৰ বৰুৱাক ফোনেৰে এতিয়াই ইয়ালৈ মাতি পঠিয়াওক।

ডেকাৰ নিৰ্দেশক্ৰমে হাজৰিকাই কিশোৰ বৰুৱাক মাতি পঠিয়ালে। কিছু সময় বিৰতিৰ পিছত কিশোৰ বৰুৱা আহি পোৱাত ডেকাই ঘপহ্ কৰে চকীৰ পৰা উঠি কলে—

ঃ মিঃ বৰুৱা আপুনি অকণমান এওঁৰ লগত কথা পাতক, মই হঠাতে এঠাইলৈ যাবলগীয়া হ'ল। আপোনাৰ লগত কথা হবলৈ নাপাই মই দুঃখিত। আৰু শুনক মিঃ বৰুৱা, মই ঘূৰি নহালৈকে আপুনি যেন ইয়াৰ পৰা নাযায়। —ডেকাই কোনো উত্তৰলৈ অপেক্ষা নকৰি গুচি গ'ল। হাজৰিকাই বৰুৱাক কি প্ৰশ্ন সুধিব ভাৱিয়েই নাপালে। ডেকাই কিহৰ লেঠাত যে পেলাই থৈ গ'ল! বাৰু—

ঃ পুষ্পাই কৈছে, দেউতাকৰ মৃত্যুত তেওঁৰ হেনো বেছি দুখ লগা নাই। ইয়াৰ কাৰণ আপুনি কিবা জানে ?

ঃ কলেজৰ প্ৰথম বাৰ্ষিকতে পুষ্পাই এজন ল'ৰাক ভাল পাইছিল আৰু সেই ল'ৰাজনক নিজৰ কৰি লবলৈ দেউতাকক প্ৰস্তাৱ দিছিল। কিন্তু দেউতাকে তাইৰ এই বিয়াত অসম্মতি প্ৰকাশ কৰিছিল। কাৰণ ল'ৰাৰ চাৰিত্ৰিক দিশত সন্দেহ আছিল।

ঃ Interesting, মিঃ বৰুৱা! ল'ৰাজনৰ নাম কি আৰু থাকেইবা ক'ত ?

কিশোৰ বৰুৱাক এইবাৰ কিছু চিন্তিত যেন লাগিল।

ঃ ল'ৰাজনৰ নাম কমল বৰুৱা। ঘৰ পলাশপুৰত।

ঃ আপোনালোকৰ বাগিছা কেইখন।

ঃ তিনিখন। পলাশপুৰ, নিচাখোৱা আৰু সোণালীপাম।

হাজৰিকাই আৰু কেইটামান প্ৰশ্ন সুধিলে। প্ৰায় এঘণ্টামানৰ মূৰত ডেকা উভতি আহিল।

ঃ মিঃ বৰুৱা, কাইলৈ ঘটনাৰ অন্ত পৰিব। কাইলৈ সন্ধিয়া ঠিক ছয় বজাত আপোনালোকৰ ঘৰৰ আটায়ে এটা কমত উপস্থিত হব। এটা সৰু-সুৰা পাৰ্টিৰ আয়োজন কৰিবলৈ কিন্তু নাপাহৰিব।

ঃ নিশ্চয়।

ঃ আপুনি এতিয়া যাব পাৰে।

ডেকাই হাজৰিকাক কেইটামান কথা বুজাই দি ঘৰলৈ বাওনা হ'ল। তাৰ পৰা ঠিক এক বজাত ঘৰ সোমাল।

তদন্তৰ শেষত :—

সন্ধিয়া ঠিক ছয় বাজিছে। বৰুৱা পৰিয়ালৰ আটায়ে ড্ৰয়িং ৰূমত ডেকা আৰু হাজৰিকালৈ বাট চাই আছে। সময় মতে ডেকা, হাজৰিকা আৰু কনিষ্টবল চাৰিজন আহি উপস্থিত হ'ল। তেওঁলোকলৈ দুখন আসন খালি হৈ আছিল। ডেকা আৰু হাজৰিকা বহি পৰিল। এনেতে বৰুৱানীয়ে উত্তেজিত কণ্ঠে চিঞৰি উঠিল—

: হত্যাকাৰী ক'ত ?

: হত্যাকাৰীক অলপ পিছত আপোনালোকৰ সন্মুখত হাজিৰ কৰিম। তাৰ আগতে মোৰ অলপ কবলগীয়া আছে। —ডেকাই চিগাৰেট এটা জ্বলাই উপস্থিত সকলোকে লক্ষ্য কৰি আৰম্ভ কৰিলে—

: চাৰুই বৰুৱাক হত্যা কৰিছে। কাৰণ পানীৰ গিলাচত আৰ্চেনীক থকাৰ আমি প্ৰমাণ পাইছো।

উপস্থিত সকলোৱে চাৰুৰ শুকাই যোৱা মুখমণ্ডললৈ চালে। চাৰুৰ সৰ্বশৰীৰ কঁপি উঠিছিল। বৰুৱানীয়ে দাঁত কৰচি উঠিল। ডেকাই পুনৰ আৰম্ভ কৰিলে—

: যদি চাৰুক বাদ দি পুষ্পা বৰুৱালৈ আহো, তেনেহলে তেওঁকো ইয়াৰ লগত জড়িত কৰিব পাৰো। কাৰণ পুষ্পাই পলাশপুৰৰ কমল বৰুৱাক ভাল পাইছিল আৰু সেই ভালপোৱাৰ বাধা স্বৰূপ বৰুৱাক চিৰদিনলৈ আঁতৰাব বিচাৰি চাৰুৰ অজ্ঞাতে পানীৰ গিলাচত আৰ্চেনীক মিহলাই বৰুৱাক হত্যা কৰিলে।

: মই ? অ' My God ! —এইবাৰো সকলোৱে পুষ্পাৰ মুখখনলৈ চালে। সকলোৰে চকুত বিস্ময়।

: এইবাৰ আহো মুন বৰুৱালৈ।

: Oh stop it, আপুনি এইবোৰ কি আৰম্ভ কৰিছে। হত্যাকাৰীক সোনকালে উলিয়াই নিদিয়ে কেলেই ?

: মই কৈছো আপুনিয়েই বৰুৱাৰ হত্যাকাৰী।

: What ?

: তাৰ প্ৰমাণ এটা চিগাৰেটৰ টুকুৰা। মৃত বৰুৱাৰ শোৱা বিচনাখনৰ ঠিক তলতে এই চিগাৰেটৰ টুকুৰাটো পোৱা গৈছে। যিটো চিগাৰেট এইখন ঘৰত আপোনাৰ বাহিৰে অইন কোনেও নাখায়।

ডেকাই চিগাৰেটৰ টুকুৰা এটা উলিয়াই টেবুলত থলে। পুনৰ নতুন চিগাৰেট এটা জ্বলাই আৰম্ভ কৰিলে—

: আপোনালোকে জানিলে যে হত্যাকাৰী যিয়েই নহওক, সি এজন আৰু অত্যন্ত চতুৰ আৰু বুদ্ধিৰেই সকলো কাম কৰিছিল। কিন্তু শেষত নিজেই নিজকে ধৰাত সহায় কৰিলে। এতিয়া মই আপোনালোকক এটা কাহিনী শুনাম। এই ঘটনাটো কবলৈ লজ্জাজনক হলেও মৃত বৰুৱাৰ হত্যাকাণ্ডৰ লগত জড়িত থকাৰ কাৰণে মই কবলৈ বাধ্য।

এজন বিখ্যাত ক্ষমতাশালী ব্যক্তি তিলক দত্ত। তেওঁ এদিন বাগিছাৰ কাম চোৱাৰ আশাৰে পলাশপুৰত তিনিমাহ থাকিব লগা হৈছিল। এই দত্তই বাগিছাৰ বৰকেৰাণীৰ ছোৱালী মালৱিকাক ভাল পাইছিল। তেওঁলোকৰ প্ৰেম গভীৰৰ পৰা গভীৰতলৈ নামি গৈছিল। যাৰ প্ৰেমৰ পৰিণতি এটা সদ্যজাত শিশু। —ডেকা অলপ ৰ'ল।

দত্তই কিন্তু ছোৱালীজনীক প্ৰতাৰণা কৰিলে। তেওঁ ঘৰলৈ আহি নতুন সংসাৰ ৰচিলে। মালৰিকাই নিজৰ ভাগ্যকেই ধিয়াই ঘৰৰ মানুহৰ হাজাৰ গালিকো নেওচি দিনবোৰ অতিবাহিত কৰিব ধৰিলে। দত্তই লাহে লাহে বাগিছালৈ নোযোৱা হ'ল। শিশুটি কালক্ৰমত ডাঙৰ হৈ শিক্ষাৰ পোহৰ লোৱাৰ আশাৰে বিদ্যালয়লৈ ঢাপলি মেলিলে। কিন্তু তাতো এই দুৰ্ভগীয়া শিশুটিয়ে শান্তি নাপালে। সি বিদ্যালয়ৰ পৰা আহিয়েই মাকক প্ৰশ্ন কৰে—"মা, আমাৰ দেউতা নাই? মোক কিয় সকলোৱে জাৰজ জাৰজ বুলি জোকায়? জাৰজ মানে কি মা?" এদিন মাকৰ ধৈৰ্য্যৰ বান্ধ খুলি গৈছিল। শেষত এদিন মালৰিকাই এই দুৰ্ভগীয়া শিশুটিক এৰি থৈ মৃত্যুক আকোৱালি লৈছিল। মালৰিকাৰ মৃত্যুত দেউতাক সম্পূৰ্ণ সলনি হৈছিল। তেওঁ ল'ৰাটিক ডাঙৰ মানুহ কৰাৰ দৃঢ় সংকল্প ললে। লাহে লাহে ল'ৰাটিয়ে হাজাৰ অপমানকো নেওচি এদিন উচ্চ ডিগ্ৰীধাৰী হৈছিল। ককাদেউতাকে তাক সকলো জনাইছিল ডিগ্ৰীলৈ অহাৰ পিছতহে।

ডেকা অলপ ৰ'ল। পুনৰ টিনটোৰ পৰা নতুন চিগাৰেট এটা জ্বলালে। উপস্থিত সকলোলৈ চকু ফুৰাই পুনৰ আৰম্ভ কৰিলে—

"ল'ৰাজনে সকলো কথা শুনি প্ৰতিহিংসাত জ্বলি উঠিল আৰু প্ৰতিশোধ লোৱাৰ ইচ্ছাৰে দত্তৰ ঘৰত চাকৰি ললে। লাহে লাহে দত্তৰ একমাত্ৰ ছোৱালীজনী ল'ৰাজনৰ প্ৰেমত পৰিল। সি উপায়হীন হৈ এদিন দত্তৰ ওচৰত তাৰ কলংকিত অধ্যায়ৰ সকলো কথা কৈ দিলে। সি আৰু কলে যে, সি দত্তৰেই সন্তান। পুত্ৰৰ স্বীকৃতি তাক লাগে। দত্ত বিমোৰত পৰিল। কোনো ফালৰ পৰা উপায় বিচাৰি নাপাই তেওঁ নীৰৱ হৈয়েই থাকিল। দত্তৰ এই নীৰৱতাত লৰাজনৰ খঙে চুলিৰ আগ পালেগৈ।

শেষত এদিন দত্তই তেওঁৰ সকলো সম্পত্তিৰ এখন উইল কৰিব বিচাৰিলে। আৰু সেয়ে চাৰিভাগৰ এক অংশ ল'ৰাজনক দিব বুলিও জনালে। কিন্তু তেওঁৰ পিতৃ পৰিচয় অজ্ঞাত থাকিব। ল'ৰাজনে কিন্তু তেওঁক আধা সম্পত্তিৰ আৰু পিতৃ পৰিচয়ৰ দাবী কৰিলে। আনহাতে দত্তই এই কথা কোনোপধ্যে মানি নললে। এয়ে হয়তো দত্তৰ কাল হ'ল।

আপোনালোকক মই কৈছোৱেই হত্যাকাৰীয়ে বহু সাৱধানেৰেই আগবাঢ়িছিল। কিন্তু শেষত নিজেই ধৰা দিলে। মৃত বৰুৱাই মৃত্যুৰ আগমুহূৰ্ত্তত নিজক বচাবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। অৱশ্যে নিজক বচাব নোৱাৰিলেও হত্যাকাৰীক ধৰা পেলাবলৈ হাতৰ মুঠিত চুলি ডুডাল ৰাখি থৈ গৈছিল। এয়ে আমাৰ হত্যাকাৰী ধৰা পেলোৱাত বহুত উপকাৰত আহিল। হত্যাকাৰীয়ে নিজক বচাবলৈ গৈ কেইটামান কৌশল ব্যৱহাৰ কৰিছিল। মৃত বৰুৱাৰ চিগাৰেটৰ টুকুৰা আৰু পানীৰ গিলাচত আৰ্চেনীক। পোষ্টমৰ্টেমৰ ৰিপ'ৰ্ট মতে জনা গ'ল বৰুৱাৰ মৃত্যু বিষক্ৰিয়াৰ দ্বাৰা সংঘটিত হোৱা নাই। তাৰ পিছত আমাৰ ধাৰণা হ'ল যে এইটো মাথোন হত্যাকাৰীৰ কৌশল।

এইখিনিতে আপোনালোকক জনাই থওঁ, মই উল্লেখ কৰা দত্ত স্বয়ং মৃত বৰুৱা আৰু সেই দুৰ্ভগীয়া শিশুটি কমল বৰুৱা —যিজন ল'ৰাক পুষ্পাই প্ৰাণ ভৰি ভাল পাইছিল। এই সকলো খিনি কথা মই বৰুৱাৰ ডায়েৰিৰ পৰাই উদ্ধাৰ কৰো। কমটোৰ আটাইৰে এটা মৃদু গুঞ্জৰণ উঠিল।

ডেকাই পুনৰ কলে—

এদিন হত্যাকাৰীক কৌশলেৰে থানালৈ মাতি নি হাজৰিকাৰ লগত কথা কৰলৈ কৈ মই তেওঁৰ ঘৰ খানাতালাচ কৰো। আৰু হত্যাকাৰীৰ টুপিত লাগি থকা চুলিডালৰ লগত মই ৰাখি থোৱা চুলি কেইডাল মিলাই চাই অদ্ভুত মিল দেখিলো। লগে লগে মই তেওঁৰ ডায়েৰি হস্তগত কৰিলো আৰু তেতিয়া সকলোখিনি পৰিষ্কাৰ হৈ গ'ল। তাৰ পৰা ঘূৰি আহি মই তেওঁক জনালো যে হত্যাকাৰী ধৰা পৰিছে।

আপোনালোকে জানে যে এটা ক'লা ছাঁ ঘটনাৰ আগদিনা ওৱাল বগাবলৈ ধৰা অৱস্থাত কিশোৰ বৰুৱাই দেখিছিল। কিন্তু যিখন ওৱালত উঠিলে দাৰোৱানে অতি সহজে দেখিবলৈ পাব— আচৰিত কথা কিশোৰ বৰুৱাৰ বাহিৰে অইন কোনেও ছাঁটোক দেখিবলৈ পোৱা নাছিল। ইও এটা হত্যাকাৰীৰ চাল। যদি ক'লা ছাঁ এটা ওৱাল বগাই অহা বুলি প্ৰচাৰ কৰি দিব পৰা যায়, তেনেহ'লে প্ৰত্যেকে জানিব যে, হত্যাকাৰী নিশ্চয় বেলেগৰ। ঘৰত সন্দেহৰ কোনো থল নাথাকে। ইও এটা হত্যাকাৰীৰ কৌশল।

: তাৰমানে ? ?

উপস্থিত সকলোৰে চকুত নতুন বিস্ময়।

: হয় আপোনালোকক আৰু ৰহস্যৰ মাজত নেপেলাও। মৃত বৰুৱাৰ হত্যাকাৰী আপোনালোকৰ সন্মুখতে প্ৰথম পক্ষৰ ডাঙৰ ল'ৰা আৰু আপোনালোকৰ সন্মুখতে বহি থকা কিশোৰ বৰুৱা ওৰফে পলাশপুৰৰ কমল বৰুৱা।

তেতিয়া কিশোৰ বৰুৱাৰ মুখটো ক্ৰমান্বয়ে হালি গৈছিল আৰু চকুৰে নামি পৰিছিল অবিৰাম বাৰিষাৰ ঢল। —ডেকাই শেষত কলে –

: মই আপোনালোকক এটা অনুৰোধ কৰিব বিচাৰো। শ্ৰীমান বৰুৱাৰ গাত কোনো ভুল নাই। এয়া তেওঁক পৰিস্থিতিয়েহে বাধ্য কৰিছে। সেয়েহে মোৰ অনুৰোধ, বৰুৱাক যেন এইখন ঘৰতে ল'ৰা বুলি স্বীকৃতি দি তেওঁৰ উজ্জল ভবিষ্যৎ মধুময় কৰে। নহলে নতুনকৈ ফুলি অহা ফুল এপাহ অকালতে মৰহি যাব।

বৰুৱানীয়ে লাহে লাহে কিশোৰ বৰুৱাৰ পিনে আগবাঢ়ি গ'ল। তাৰ পিছত কিশোৰৰ হাউলি যোৱা মুখটোক আকোৱালি ধৰি কৈ উঠিল—

: সোণ মোৰ! মোৰ আজি কোনো দুখ নাই। স্বামীক হেৰুৱাই পুত্ৰক লাভ কৰিলো। বৰুৱানীৰ দুধাৰি তপত লোতক কিশোৰৰ শৰীৰ স্পৰ্শ কৰিলেগৈ। কিশোৰে মুৰ তুলি চালে।

: ককাইদেউ—!

—পুষ্পাই কিশোৰৰ ভৰিত পৰি হুকহুকাই কান্দি দিলে। চাৰু আৰু হৰিপ্ৰসাদে আনন্দৰ চকুলো টুক পাটিৰ আয়োজন কৰাত লাগিল। ডেকাৰ ওঠযুৰীত তৃপ্তিৰ হাঁহি বিৰিঙি উঠিল। তেতিয়া ওৱাল ঘড়ীত 'ন' বজাৰ সংকেত দিলে। খিৰিকীয়েদি এজাক চেঁচা বতাহ সোমাই আহিল। আকাশত থকা ডাৱৰৰ চপৰাবোৰ লাহে লাহে আঁতৰি গ'ল। ●



# বৈটপাতৰ শিল্পী

মিচ্ মিনুৰাণী নাথ

ডিচেম্বৰ মাহৰ হিমসিক্ত সেমেকা সন্ধিয়া। ৰাস্তাত বৰফ পৰিছে। সেউজীয়া ঘাঁহনিবোৰ বৰফৰ টুকুৰাবোৰে শুকুলা কৰি পেলাইছে। বাৰৰ পৰা ওলাই আহি সি ৰাস্তাত ভৰি দিলে। সেমেকা বতাহ এজাকে তাৰ গাল-মুখ চুই গ'ল। বৰফাবৃত মসৃণ ৰাজপথত তাৰ খোজবোৰ পিছলি গ'ল। গুহুৰিয়াই গুহুৰিয়াই সি চঞ্চল খোজেৰে আগবাঢ়িল। চেৰি ফুলৰ সুবাস মিশ্ৰিত বতাহে যেন তাক এক ছন্দময় গতি দিলে। চেৰি ফুলৰ ৰঙচুৱা পাপৰিত লাগি থকা শুভ্ৰ তুষাৰ কণিকাবোৰ যেনিবা একোখনি স্থিৰ চিত্ৰ। চাই চাই সি অভিভূত হৈ পৰিল। গভীৰ প্ৰশান্তিত তাৰ মন-প্ৰাণ ভৰি গ'ল। হঠাৎ তাৰ মনটো উদাস, অশান্ত হৈ পৰিল। অসমৰ সন্ধিয়াবোৰ এতিয়া ছাগে স্নিগ্ধ শেৱালিৰ মিঠা সুবাসেৰে ভৰি আছে। ক্ষণিকৰ বাবে তাৰ নিজকে ৰিক্ত, নিঃস্ব যেন অনুভৱ হ'ল। হঠাৎ তাৰ খোজৰ গতি স্তব্ধ হৈ গ'ল। আহি থকা টেক্সিখন ৰখাই সি উঠি পৰিল। ড্ৰাইভাৰে চকুৰ ইঙ্গিতেৰে তাৰ লক্ষ্যস্থানৰ ঠিকনা জানিব খুজিলে। সি চমুকৈ ক'লে—'বলছাম'। টেক্সিৰ গতিৰ লগে লগে তাৰ মনটোও উৰি গ'ল কেথেৰীনাৰ ওচৰলৈ.........।

কেথেৰীনা ষ্টেফ'ড। একোচা সোণালী চুলিৰে মৰম লগা মুখখনিৰে কেথেৰীনাক তাৰ এটি মমৰ পুতলা যেন লাগে। যোৱা বছৰ ডিচেম্বৰ মাহৰ এনে এটি সন্ধিয়াতে কেথেৰীনাৰ লগত তাৰ চিনাকি হৈছিল। এই যোৱা এবছৰে

তাইৰ সান্নিধ্যত থাকি সি অসমৰ পৰা আঁতৰি থকাৰ যন্ত্ৰণাটো পাহৰি থাকিব বিচাৰে, ৰাণীৰ ওচৰৰ পৰা আঁতৰি থকাৰ কষ্টখিনি পাহৰিবলৈ যত্ন কৰে। কিন্তু তাই তাৰ পৰা যি বিচাৰিছে সেয়া দিবলৈ সি অপৰাগ। সেইখিনিয়ে সি বিদেশলৈ অহাৰ বহু আগতে ৰাণীৰ হাতত তুলি দিছিল। কিন্তু ইংলণ্ডৰ এই পৰিৱেশত কেথেৰীনা ব্যতিক্ৰম। তাই তাৰ বাবে এটি দুৰ্বোধ্য কবিতা।

সি কেতিয়াবা তাইৰ ব্যৱহাৰত আচৰিত হৈ যায়। তাই তাৰ ফালে তন্ময় হৈ চাই থাকে। সি অস্বস্তি অনুভৱ কৰে। সি তাইৰ দুবাহুত ধৰি জোকাৰি দিয়ে। তাই হাঁহি হাঁহি আকৌ নীৰৱ হৈ পৰে। সি কয়—"ৰীনা, কিবা কোৱা।" ভৰি আহিব খোজা দুনয়ন তাৰ দৃষ্টিৰ পৰা লুকুৱাই ৰাখি তাই কয়—"The Assamese are heartless." কেথেৰীনাৰ কথাষাৰে তাৰ বিবেকত আঘাত দিয়ে। নীৰৱে তাৰ ওচৰৰ পৰা আঁতৰি যায়। কেতিয়াবা কিন্তু তাই বন-হৰিণীৰ দৰে চঞ্চল হৈ পৰে। তাৰ চুলিখিনি ছুই ছুই ডিঙিত সাৱটি ধৰি কয়—"তুমি মোক এটা নাম দিয়াচোন। নতুন নাম, অসমীয়া নাম।" সি তাইক এটা নতুন নাম দিছিল—'ৰীণা'। তাই নামটোৰ অৰ্থ বিচাৰি হাবাথুৰি খাইছিল। তাইৰ সৰলতাত সি হাঁহিছিল। সি তাইক বুজিব নোৱাৰে। সিহঁত দুটাৰ মাজত এখন স্বচ্ছ কাচৰ প্ৰাচীৰ। সেই প্ৰাচীৰৰ মাজেৰে ইজনে সিজনক স্পষ্ট দেখিছে। কিন্তু তাৰ ওচৰ চাপিব পৰা নাই। কিন্তু তাইৰ এই মধুৰ সান্নিধ্য তাৰ বাবে প্ৰয়োজনীয়। সি যেন মৰুভূমিৰ মাজেৰে নিঃসঙ্গ ৰাতি জোনাক আৰু বালিচন্দাৰ অপৰূপ ৰূপ চাই বাট বুলি অহা এক অঘৰী পথিক। খেজুৰৰ ছাঁত কোনো এক জিপ্‌চী কন্যাৰ দুবাহুৰ ছাঁত জিৰোৱাৰ হাবিয়াসত তাৰ অসহায় বেদুইন যাত্ৰা স্থবিৰ হৈ গৈছে মৰুদ্যানৰ মাজত। সেই জিপ্‌চী কন্যা কেথেৰীনা ষ্টেফ'ড এক শ্বেতাঙ্গিনী তৰুণী। তাই তাৰ কাষত বহি অসমৰ ৰূপৰ বৰ্ণনা শুনে। বহাগী কুলি-জনীৰ বিননিত বিহুৱলীয়া গাভৰুৰ বুকুৰ বতৰা শুনে, গাওঁৰ আজলী গাভৰুজনীৰ বিয়া নামৰ সুৰ শুনে। আবেগত, কৌতূহলত তাইৰ চকু দুটা জিল্‌মিলাই উঠে। তাৰ পিছত তাই অন্যমনস্ক হৈ পৰে। তাৰ দুবাহুত খামুচি ধৰি জোকাৰি কয়—"অসমখন মই বৰ ভাল পাওঁ জানা। কিন্তু তোমালোক অসমীয়াবোৰ নিষ্ঠুৰ। তোমালোক হৃদয়হীন।

তাই আজি-কালি ভঙা ভঙা অসমীয়া কব পাৰে। অসমৰ প্ৰতি তাইৰ আগ্ৰহ দেখি সি আচৰিত হৈ যায়। তাৰ কাষত বহি ক-খ শিকি থকা কেথেৰীনাজনীক তাৰ এজনী অকণমান ছোৱালী যেন লাগে। সি ডক্টৰেট পোৱাৰ দিনাখন তাইৰ ওচৰলৈ গৈছিল। তাৰ সাফল্যত তাই উৎফুল্লিত হৈ পৰিছিল। অশ্ৰুৱে ভৰি পৰিছিল তাইৰ দুনয়ন.........।

যোৱা কালি সিহঁত দুটা টেমছ্‌ নৈৰ পাৰলৈ ফুৰিবলৈ গৈছিল। তাৰ পিছত নিউ মাৰ্কেটত "ইউথ ক্লাব"ৰ সৌজন্যত অনুষ্ঠিত প্ৰদৰ্শনী

"The sunny day" উপভোগ কৰি সিহঁত যেতিয়া উভতি আহিছিল, তেতিয়া বহুত নিশা। কেথেৰীনাৰ ফ্লেট "বলছামত"। কিন্তু তাৰ ইচ্ছা-মতেই তাই কম্পাটমেণ্টত থকা তাৰ ফ্লেটলৈ গৈছিল। তেতিয়া আকাশত মধুচন্দ্ৰিকা জ্বলিছিল অৰূপ ৰূপেৰে। জোনাক বিধৌত কম্পাটমেণ্টখন অপৰূপা হৈ পৰিছিল। তাৰ মনটো উৰা মাৰিছিল অসমলৈ, ৰাণীৰ ওচৰলৈ, কলং পাৰৰ জোৎস্না প্লাৱিত কহুৱা বনলৈ। সি খিৰিকিখন খুলি দিছিল। এমুঠি ৰূপালী জোনাকে কেথেৰীনা আৰু তাৰ গাল-মুখ চুই গৈছিল। জোনৰ স্নিগ্ধ পোহৰত কেথেৰীনাৰ সোণালী চুলি জিল্-মিলাইছিল। খিৰিকিখনৰ ওচৰত বহি সি তন্ময় হৈ পৰিছিল......। আকাশৰ মোহনাত নাও হৈ ভাহি থকা পূৰ্ণ জোনটিলৈ চাই চাই সি তাৰ অস্তিত্ব হেৰুৱাই পেলাইছিল। তাৰ তৃষ্ণাৰ্ত্ত মন-টোৱে তেতিয়া ৰাণীক তাৰ কাষত লৈ কলং পাৰত জোনাকৰ অভিসাৰী ৰূপ চাই ফুৰিছিল। এক অনামী মধুৰ বেদনাত তাৰ মনটো ভৰি পৰিছিল। মুহূৰ্ত্তৰ বাবে সি কেথেৰীনাৰ উপস্থিতিৰ কথা পাহৰি গৈছিল। "কি ভাবিছা ব্ৰজেন?"

কেথেৰীনাৰ মাতত সি উচপ্ খাই উঠিল। "নাই একো ভবা নাই।"

তুমি মোক সদায় ফাঁকি দিয়া। কোৱাচোন, কি ভাবিছা? কল্পনাৰ নৈত উটি-ভাহি গৈছিল সি তাৰ চেনেহৰ, হেপাহৰ অসমখনলৈ কেথে-ৰীনাৰ সৈতে......। সি তাইক শুভ্ৰ শেৱালিৰ সুবাসেৰে ভৰা জ্যোৎস্না বিধৌত কলং পাৰৰ জোনালী নিশাৰ কথা কৈছিল। অৱগুণ্ঠিতা, সদ্যস্নাতা ন-বোৱাৰীৰ কাহিনী শুনাইছিল। তাই নিশ্চুপ হৈ গৈছিল। তাইৰ উদাস দৃষ্টি তেতিয়া বাহিৰৰ উইপিং উইলৰ শ্যামল দেহত। উইপিং উইল জোপাৰ পাতত উপচি থকা সৰু সৰু বৰফৰ টুকুৰাবোৰ জোনাকৰ ঢৌত বালিচন্দাৰ দৰে জিলমিলিয়া হৈছিল। হাতত তুলিকা লৈ সি তেতিয়া শুধ বগা কাগজত টেমছ্ নৈৰ সৌন্দৰ্য্য ধৰি ৰাখিবৰ যত্ন কৰিছিল।

"এই, মোৰ ফালে চোৱাছোন।"

সি উভতি চাইছিল। আশ্চৰ্য্যত তাৰ চকু দুটা ডাঙৰ হৈ গৈছিল। তাইৰ কপালত সেন্দু-ৰীয়া বোল। ছবি অঁকা ৰঙা ৰঙেৰে তাই নিজকে অসমৰ বোৱাৰী সজাইছিল। ৰূপালী জোনাকে তাইৰ মুখত সিঁচি দিছিল প্ৰকৃতিৰ সকলো সৌন্দৰ্য্য। দুচকুত তাইৰ নীলিম আকাশৰ স্নিগ্ধ কোমল মায়া। সি মোহাচ্ছন্ন হৈ পৰিছিল। তাৰ এনে লাগিছিল তাই যেন কেথেৰীনা নামৰ শ্বেতাঙ্গিনী গাভৰুজনী নহয়, সেয়া তাৰ মৰমৰ ৰাণীজনী। ৰুদ্ধ আৱেগত তাৰ ওঠ দুটি কঁপিছিল। দুহাতেৰে তাইৰ মুখখনি দুবাহুৰ মাজলৈ টানি আনি তাৰ ওঠ দুটা হেঁচি ধৰিছিল তাইৰ তুষাৰ বগা কপালত......। কিন্তু তাইৰ ব্যৱহাৰত তাৰ স্বপ্নৰ মায়াজাল কাঁচৰ দাপোণৰ দৰে ভাঙি-ছিঙি গ'ল। তাই আঁতৰি আহিছিল দূৰলৈ......বহু দূৰলৈ। সেই দূৰত্বক তাৰ মনৰ পৰিধিৰে স্পৰ্শ কৰিব নোৱাৰে। তাই উচুপিছিল। ৰুদ্ধ কান্দোনৰ যন্ত্ৰণাত তাইৰ সুকোমল দেহটো কঁপি উঠিছিল। অস্ফুট স্বৰেৰে তাই কৈছিল—"তুমি খুউব নিষ্ঠুৰ যেন।

তোমালোক অসমীয়াবোৰ খুউব নিষ্ঠুৰ।" ...বিবেকৰ দংশনত সি অস্থিৰ হৈ পৰিছিল। কেথেৰীনাৰ ওচৰত তাৰ শিৰ নত হৈ গৈছিল। মুহূৰ্ত্তৰ আবেগত ৰাণীৰ প্ৰতি কৰা অবিচাৰৰ অপৰাধত তাৰ বিবেক যন্ত্ৰণাত কঁপি উঠিছিল। উজাগৰী নিশাটোৰ প্ৰতিটো ক্ষণতেই সি যন্ত্ৰণাত ছট্‌ফটাইছিল আৰু ৰাতিপুৱা যেতিয়া সি সাৰ পাইছিল তাৰ ফ্লাটত কেথেৰীনা নাছিল। আছিল মাথো তাইৰ হাতে লিখা এটুকুৰা কাগজ—"অহা কালি মোক লগ ধৰিবা।" হাতখনেৰে সি অ'ভাৰ কোটৰ জেপটো স্পৰ্শ কৰিলে। তেজ গোট মাৰি যোৱা প্ৰচণ্ড শীতত অ'ভাৰ কোটৰ জেপত কেথেৰীনাৰ কাগজখন। এতিয়াও তাৰ বুকুখন কোমল উমত সংগোপনে শুই আছে। তাৰ ওঁঠৰ ওপৰেদি এটি কোমল হাঁহি বাগৰি গ'ল।

"বলছাম"।

ড্ৰাইভাৰৰ মাতত সি চক্‌ খাই উঠিল। ভাড়াখিনি ড্ৰাইভাৰৰ হাতত তুলি দি সি কেথেৰীনাৰ ফ্লাট অভিমুখে খোজ দিলে। প্ৰচণ্ড শীতত কোবাল বতাহজাকৰ আঘাতত মুহূৰ্ত্তৰ বাবে তাৰ সৰ্বশৰীৰ কঁপি উঠিল। অ'ভাৰ কোটৰ বুটামকেইটা সি ভালদৰে মাৰি ললে। কেথেৰীনা হয়তো এতিয়া টি-ভিত ছবি চোৱাত ব্যস্ত। ......কেথেৰীনা অকলে থাকে। সি তাইৰ মাক-দেউতাকৰ ঠিকনা নাজানে। জানিব খুজিলেও তাই জানিব নিদিয়ে। তাইৰ মাকে কোনোবা কোম্পানীত চাকৰি কৰে। কিন্তু তাই দেউতাকৰ কথা নকয়। সুধিলেও তাই নীৰৱ হৈ পৰে। সেই নীৰৱতা ভাঙিবলৈ তাৰ খুউব কষ্ট হয়। হয়তো তাইৰ দেউতাক আৰু মাকৰ ডাইভোৰ্চ হৈছে। সেয়ে দেউতাকৰ প্ৰতি তাই বিতশ্ৰদ্ধ। 'ডাইভোৰ্চ'—খুউব সাধাৰণ কথা; অন্ততঃ ইংলণ্ডৰ দৰে সমাজ ব্যৱস্থাত। এয়াতো ভাৰত নাইবা অসম নহয়। কেথেৰীনা এতিয়া স্বাৱলম্বী হৈছে। তাই নেচনেল লাইব্ৰেৰীত কাম কৰে। ঘৰৰ লগত তাইৰ সম্পৰ্ক খুউব কম। সি জানে তাইৰ এটা যন্ত্ৰণাময় অতীত আছে। যিটো তাৰ অজ্ঞাত। আজি এবছৰৰ সিহঁতৰ মধুৰ বন্ধুত্বৰ পাছতো সি তাইক বুজি নাপালে। তাইৰ মনৰ এটা বিশেষ দিশৰ দুৱাৰখন তাৰ বাবে সদায়েই ৰুদ্ধ।

প্ৰথম চিনাকিৰ পিছতেই, তাইৰ সান্নিধ্যত ডুব গৈ থাকোতে সি ভাবিছিল তাই এজনী শ্বেতাঙ্গিনী গাভৰু.......গাভৰু জীৱনক, যৌৱনক, সময়ক লৈ ধেমালি কৰা অন্যান্য শ্বেতাঙ্গিনীৰ দৰেই এজনী তাই নিতান্তই সাধাৰণ ছোৱালী। অন্তত তাইৰ ব্যৱহাৰে তাক সেইদৰে ভাবিবলৈয়েই বাধ্য কৰাইছিল। কিন্তু তাইৰ প্ৰতি থকা এনেকুৱা ধাৰণাৰ পাছতো সি নৈতিকতাৰ প্ৰাচীৰখন ভাঙিব পৰা নাই। যেতিয়া সি কেথেৰীনাৰ পৰা তাৰ যৌৱনৰ মূল্য বিচাৰিব খোজে তেতিয়াই তাৰ চকুৰ আগত ভাহি উঠে ৰাণীৰ কোমল মুখখন। যেতিয়াই সি ক্ষণিকৰ মোহত মোহাচ্ছন্ন হৈ সাময়িক উত্তেজনাক প্ৰশ্ৰয় দিব খোজে তেতিয়াই কেথেৰীনাৰ এষাৰি কথাই তাৰ বিবেকত ধাৰালে চাবুকৰ দৰে আঘাত হানে—"The Assamese are heartless"।

আৰু এসপ্তাহ পিছত সি লণ্ডন মহানগৰী এৰি যাবগৈ। তাৰ প্ৰবাসী জীৱনৰ ওৰ পৰাৰ

আগমুহূৰ্ত্তত সি দেখিছে সূৰ্য্যৰ তাপত দেই যোৱা শেৱালিৰ পাহিৰ দৰে কেথেৰীনাজনী জয় পৰি গৈছে। সি যন্ত্ৰণাত চট্ ফটাইছে। আৰু এতিয়া তাৰ সেই সীমাহীন যন্ত্ৰণাৰ ওৰ পেলাইছে—সি তাইৰ ওচৰলৈ লৰ ৰি আহিছে। কেথেৰীনাৰ ফ্লেটৰ সমুখত সি বৈ গ'ল। বৰফৰ কণিকাবে ভৰি পৰা ৰাস্তাটোলৈ সি উভতি চালে। বতাহৰ বোকোচাত ভাহি থকা চেৰিফুলৰ সুবাসে ক্ষন্তেকৰ বাবে তাক আনমনা কৰি তুলিলে''''। কেথেৰীনাৰ স্পৰ্শত তাৰ তন্ময়তা ভাঙি গ'ল। সি তাইৰ লগে লগে ৰুমৰ ভিতৰ পালেহি। অভাৰ কোটতো জোকাৰি সি সোলোকাই দিলে। বৰফৰ কণিকাবোৰ সৰি পৰিল। তাৰ পিছত সি "ফায়াৰ প্লেচৰ" ওচৰত বহিল গৈ'''। কেথেৰীনাৰ মুখখন জুইৰ উত্তাপত ৰক্তিম হৈ পৰিছে। সি তাইৰ ফালে একেথৰে চাই থাকিল। তাইৰ দৃষ্টি তেতিয়া ফায়াৰ প্লেচৰ তেজ ৰঙা শিখাবোৰত। ষ্টিৰিঅ'ত ধীৰ গতিৰে লংপ্লেয়িং ৰেকৰ্ড খন বাজি আছে। অৰ্কেষ্ট্ৰাৰ মৃদু মধুৰ সুৰৰ মায়াময় ছন্দৰে ৰুমটো ভৰি পৰিছে। সিহঁত দুটা মূক হৈ গ'ল। তাই মূৰ তুলি চালে, তাৰ দৃষ্টি তেতিয়াও তাইৰ সুকোমল ৰক্তিম মুখত। তাইৰ নীলা চকু দুটি সজল হৈ উঠিল। তাৰ বাবে কফি বনাবৰ বাবে তাই তাৰ ওচৰৰ পৰা 'কিচেন হল'লৈ আতৰি গ'ল। সি নিজৰ ভাৱত বিভোৰ হৈ পৰিল। এসপ্তাহ পিছত সি উভতি যাব অসমলৈ—মাক-দেউতাকৰ ওচৰলৈ ৰাণীৰ ওচৰলৈ। গুৱাহাটী বিশ্ববিদ্যালয়ত তাৰ কৰ্ম জীৱন আৰম্ভ কৰিব। মাক-দেউতাকৰ আশীৰ্বাদত, সমাজৰ আশীৰ্বাদত ৰাণীক আপোন কৰি লব। সি হয়তো সুখী হব।

সিহঁতৰ সংসাৰলৈ কোনোবা দেৱশিশু আহিব। কিন্তু ৰাণীক দুবাহুৰ মাজত সাৱতি লোৱাৰ প্ৰতিটো ক্ষণতে তাৰ মনটোৱে কেথেৰীনাৰ বাবে সংগোপনে উচুপিব। যন্ত্ৰণাৰ উত্তাপত সি গলি গলি নিঃশেষ হৈ যাব। সি যোৱাৰ পিছত কেথেৰীনা অকলশৰীয়া হৈ পৰিব। তাই হয়তো উচুপিব। এক অবুজ বেদনাত তাৰ প্ৰাণে হাহাঁকাৰ কৰি উঠিল।

সি যেতিয়া তাইৰ ফ্লেটৰ পৰা উভটিল তেতিয়া তাৰ মনটো অনামী বেদনাৰে ভাৰাক্ৰান্ত। বলছামৰ পৰা কম্বাটনলৈ তাৰ সেই নিঃসঙ্গ যাত্ৰাৰ প্ৰতিটো ক্ষণত সি বিগত বছৰটোৰ স্মৃতিৰ পাত খিলাত কেথেৰীনাক নানা ৰূপত লগ পাইছিল। তাৰ মাজতেই সি ইমান দিন বুজি নোপোৱা কেথেৰীনা জনীৰ মনটো বুজিবলৈ যত্ন কৰিছিল। তাৰ পিছৰ দিন কেইটাত সিহঁত দুটাই ইটোই সিটোৰ সান্নিধ্যত ডুবি থাকিল। কেথেৰীনাৰ স'তে সি ক্লাবলৈ গ'ল, ডেন্সলৈ গ'ল। তাইৰ লগত টেমছ্ নদীৰ পাৰে পাৰে ফুৰিবলৈ গ'ল। লুইচ চুপাৰ মাৰ্কেটত বজাৰ কৰিলে। কেথেৰীনাক সি ভাৰতীয় দৰ্শনৰ কেবা-খনো কিতাপ উপহাৰ দিলে। কেথেৰীনা নীৰৱ হৈ পৰিল। সি তাৰ বিক্ষিপ্ত মনটোক স্বদেশ যাত্ৰাৰ বাবে সাজু কৰিলে।

কিন্তু তাৰ যাত্ৰাৰ আগদিনাখন সি থমকি ৰব লগা হ'ল। এক সীমাহীন যন্ত্ৰণাত তাৰ

সৰ্বশৰীৰ দহি গ'ল। ইমান দিনে সি ধাৰণা কৰি লোৱা কেথেৰীনাজনীৰ ঠাইত সি লগ পালে ৰক্তাক্ত কলিজাৰ জীয়াই থকা এজনী গাভৰু। বিবেকৰ দংশনত সি ক্ষত বিক্ষত হৈ গ'ল। ........তাই আহিছিল। তাইৰ বিবৰ্ণ মুখ, শেতা পৰা চকুলৈ চাই সি স্থবিৰ হৈ গৈছিল। তাই তাৰ দুচকুলৈ চাই আছিল, তাৰ পিছত ওচৰলৈ আহি তাৰ হাত দুখনত খামুচি ধৰিছিল।

"মইও তোমাৰ লগত যাম ব্ৰজেন। মোক মাথো তুমি এবাৰ অসমলৈ লৈ বলা।"—তাইৰ কণ্ঠত পৃথিবীৰ সমগ্ৰ আকুলতা, দৃষ্টিত তাইৰ এসাগৰ মিনতি। সি ভয় খাইছিল। সেই সময়ত তাইক এডাল বিষাক্ত সাপ যেন অনুভৱ হৈছিল; যাৰ বিষাক্ত নিশ্বাসত তাৰ সমগ্ৰ দেহ দহি যাব। তাৰ মূৰটো ঘুৰাইছিল, চকুত ভাঁহি উঠিছিল ৰাণীৰ কোমল মুখখন। কিন্তু সিতো ভীৰু নহয়। এজনী স্বাৰ্থলোভী নাৰীৰ ওচৰত সি পৰাজয় বৰণ নকৰে। সি প্ৰতিবাদ কৰাৰ আগমুহূৰ্ত্তত কেথেৰীনাই তাক কৈছিল—"তুমি অৰূপ সন্দিকৈক চিনি পোৱানে—?" ডঃ অৰূপ সন্দিকৈ—। ও, সি চিনি পায়। সি কিয়—অসমৰ সকলোৱে চিনি পায়। সেই বিদগ্ধ পণ্ডিতজন গোটেই অসমবাসীৰ শ্ৰদ্ধাৰ পাত্ৰ। কেথেৰীনাই বাৰু কিয় তাক অৰূপ সন্দিকৈৰ কথা সুধিলে? অৰূপ সন্দিকৈক সোঁৱৰাই দিয়াৰ অন্তৰালত তাইৰ নীচ স্বাৰ্থৰ ইংগিত নাইতো? কেথেৰীনাক গ্ৰহণ কৰি সি গোটেই জীৱন অৰূপ সন্দিকৈৰ দৰে যন্ত্ৰণাত নিঃশেষ হৈ যাব নোৱাৰে। এইয়া অসম্ভৱ।

বহুদিন আগতে অৰূপ সন্দিকৈ ইংলণ্ডলৈ আহিছিল উচ্চ শিক্ষাৰ বাবে। উভতি যাওঁতে লগত লৈ গৈছিল—কেম্‌ব্ৰিজ ইউনিভাৰছিটিৰ পৰা পলিটিকেল চায়েন্সত ডক্টৰেট ডিগ্ৰী আৰু এক শ্বেতাঙ্গিনী নাৰী—যাৰ গৰ্ভত আছিল সন্দিকৈৰ এমহীয়া সন্তানৰ ভ্ৰূণ। কিন্তু ইংলণ্ডৰ মুক্ত পৰিৱেশত গঢ় লৈ উঠা তেওঁৰ শ্বেতাঙ্গিনী পত্নীয়ে অসমৰ বদ্ধ বায়ুত উশাহ বন্ধ হৈ যোৱাৰ সম্ভাৱনা দেখি ছমাহ পিছতেই স্বামীক এৰি গুচি আহিল। অৰূপ সন্দিকৈ আজিও আছে—হয়তো মৃত্যুৰ ক্ষণ গণিছে। জীৱনত আন কোনো নাৰীক সাৱটি নোলোৱা সন্দিকৈৰ জীৱন বহুত যন্ত্ৰণাময়—বৰ নিঃসঙ্গ।

অসহ্য ক্ৰোধত সি কঁপি উঠিছিল। কিন্তু কেথেৰীনাৰ ফালে চাই সি নিশ্চুপ হৈ গৈছিল। তাই উচুপিছিল। দুৰ্বাৰ ক্ৰন্দনত, অসহ্য যন্ত্ৰণাত তাইৰ মুখখন বিকৃত হৈ গৈছিল। তাৰ চকুলৈ চকু তুলি চাই তাই কৈছিল— "তুমি তেওঁৰ বিষয়ে সকলো জানা ব্ৰজেন! তেওঁৰ জীৱনৰ বিষয়ে, তেওঁৰ শিক্ষাৰ বিষয়ে। কিয়নো তুমি অসমীয়া। কিন্তু তুমি মোক নাজানা, মোৰ যন্ত্ৰণাৰ কথা নাজানা, মোৰ জীৱনৰ বিষয়ে নাজানা। তুমি মোক তেওঁৰ ওচৰলৈ লৈ যোৱা ব্ৰজেন। তেওঁ মোৰ দেউতা। শ্বেতাঙ্গিনী নাৰীৰ গৰ্ভত জন্ম হলেও, ইংলণ্ডৰ পৰিৱেশত ডাঙৰ হলেও মই যে অসমীয়া ব্ৰজেন। মোৰ সিৰাই সিৰাই ধৰ্ম বিশ্বাসী ৰক্ষণশীল অসমীয়া পিতৃৰ তেজ প্ৰবাহিত হৈ আছে। মোক তুমি লৈ বলা।" কেথেৰীনাই

কান্দিছিল। সৰ্বহাৰা ৰিক্তা নাৰীৰ দৰে কান্দিছিল। সি মূক, স্থবিৰ হৈ গৈছিল। তাৰ দুচকুৰ পৰা পৃথিবীৰ সেউজী ৰহণ হেৰাই গৈছিল। তাৰ চকুৰ আগত মাথো ভাঁহি আছিল ক্রন্দনৰতা কেথেৰীনাৰ মুখখন। এটা সময়ত তাই মুখখন দুহাতেৰে ঢাকি ধৰি তাৰ ৰুমৰ পৰা দৌৰি ওলাই গৈছিল। তাৰ কাণত বাজি আছিল চিৰিত প্ৰতিধ্বনিত হোৱা তাইৰ ভূভৰিৰ শব্দ। সি চিঞৰিছিল—"ৰীণা? ৰীণা??" তাৰ মাতত তাই সহাৰি দিয়া নাছিল। মাথো তাৰ দুচকুত পৰিছিল ৰাজপথৰ জনসমুদ্ৰৰ মাজত হেৰাই যোৱা কেথেৰীনাৰ সোণালী চুলিখিনি। সেয়া দুদিন আগৰ কথা।

তাৰ পিছত সি প্ৰতিটো ক্ষণতে তাইৰ উপস্থিতি কামনা কৰিছে। তাৰ স্বদেশ যাত্ৰাৰ দিন পিছুৱাই দিছে। কিন্তু কেথেৰীনা যেন ইংলণ্ডৰ জনসমুদ্ৰৰ মাজত হেৰাই গ'ল। বৈ বৈ সি ভাগৰি পৰিছিল। আৰু যোৱা কালি সন্ধিয়া যেতিয়া সি তাইৰ ফ্লেটত উপস্থিত হ'লগৈ তেতিয়া তাইৰ ফ্লেটৰ দুৱাৰ বন্ধ। চিৰিত সজ্জিত কেকটাচৰ টাববোৰৰ মাজত তাৰ ঠিকনা লিখা এটা বন্ধ লেফাফা। কেথেৰীনাই হয়তো ভাৱিছিল— ব্রজেন নিশ্চয় তাইক বিচাৰি আহিব। সি খুলি চালে। এখন সৰু চিঠি "Jen, please don't forget me. But this pain is to much for me. Reena." তাৰ চকুৰ পানীৰে সৰু কাকতখন তিতি গ'ল। ভগ্ন হৃদয়েৰে সি উভতি আহিছিল তাৰ ফ্লেটলৈ। কেথেৰীনা হেৰাই গ'ল। তাক তাইৰ ঠিকনাতো নজনালে........। ....বিমান খনত উঠাৰ আগমুহূৰ্ত্তত তাৰ দুনয়ন ভৰি পৰিল। তাক বিদায় দিবলৈ, শুভেচ্ছা জনাবলৈ মাইকেল টমহঁত আহিছে। কিন্তু তাৰ প্ৰাণে কেথেৰীনাক বিচাৰি হাহাঁকাৰ কৰি উঠিছে। তাৰ দুহাতৰ মাজত কেথেৰীনাৰ চিঠিখন। মানসপটত তাইৰ মুখৰ প্ৰতিচ্ছবি। সি আৰু এই জীৱনত তাইক লগ নাপাব। অথচ তাৰ জীৱনৰ প্ৰতিটো ক্ষণতে সি সংগোপনে উচুপিব: হয়তো তাৰ দৰে ডঃ সন্দিকৈয়েও কোনেও নজনাকৈ উচুপিছে। পিতৃত্বৰ দায়িত্ব লোৱাৰ যন্ত্ৰণাত তেওঁৰ বিবেক কঁপি উঠিছে। আৰু এদিন যন্ত্ৰণাত ক্ষত বিক্ষত কলিজাৰে অৰূপ সন্দিকৈ এই পৃথিবীৰ পৰা আতৰি যাব চিৰ দিনৰ বাবে.......।

বহুদিন আগতে অৰূপ সন্দিকৈয়ে সৃষ্টি কৰি থৈ যোৱা জীৱন্ত উপন্যাসখনৰ পাণ্ডুলিপিৰ বেটুপাতত গোটেই জীৱন সি চকু পানীৰে ছবি আঁকি যাব।

এয়াৰ হোষ্টেচৰ মাতত সি উচপ খাই উঠিল। বিমানখন আকাশৰ ওপৰলৈ উঠি আহিল। তাৰ চকুলোৰে ভৰি পৰা দুচকুত টম মাইকেলহঁতৰ শুভ্ৰ ৰুমাল কেইখন ভাহি উঠিল। নীলিম আকাশৰ বুকুত তাৰ আত্মাৰ করুণ আৰ্ত্তনাদে ঠেকা খালে। ...."কেথেৰীনা"........।●

# অবাঞ্চিত আলহী

শ্ৰীজ্যোতিৰাম হাজৰিকা
স্নাতক মহলা
১ম বাৰ্ষিক (বিজ্ঞান)

লিগিৰীজনীয়ে দুৱাৰখন মেলি দিলে। (তাইৰ সন্মুখত এজন আচৰিত ধৰণৰ মানুহ থিয় দি আছে। তাই মানুহজনক মূৰৰ পৰা ভৰিলৈকে এবাৰ চাই ললে। এনেকুৱা আচহুৱা সাজ-পাৰৰ মানুহ তাই সিহঁতৰ পদূলিত কোনো দিন দেখা মনত পেলাব নোৱাৰিলে। ডেকাজনৰ গাত এটা সাধাৰণ কোট। ওঠ দুটা আৰু হাত দুখন জাৰতে ক'লা পৰি গৈছে। ডেকাজনৰ এখন হাতত সাধাৰণ মোনা এখন আৰু আনখন হাতত অতি পুৰণি চামৰাৰ বেগ এখন)। দুৱাৰদলিত ভৰি থৈ আচহুৱা ডেকাজনে লিগিৰীজনীৰ পিনে থৰ লাগি চাই ৰ'ল।

(তাই যদিও ঠাণ্ডাৰ দিনত পিন্ধা সাজ-পাৰকেই পিন্ধিছিল, তাইক হিন্দী ছিনেমাত দেখা অৰ্দ্ধনগ্ন নৰ্ত্তকীৰ তুলনাত কোনো গুণে কম নাছিল। তাই চেলাউৰিযোৰ থুপ খুৱাই বিস্ফোৰিত নেত্ৰে চাই ৰ'ল ডেকাজনৰ ফালে)। ডেকাজনে সুধিলে— "এইটো হেমলতা বৰকাকতিৰ ঘৰ নহয় নে?" এই বুলি তেওঁ পদূলিৰ জপনাৰ পিনে আঙু-লিয়াই কিবা কব খুজিলে—খুউব সম্ভৱ তেওঁ জপনাখনত কোনো নাম ফলি নথকাৰ কথাকেই কব খুজছিল।

বিস্ময় মিহলি চাৱনিৰে লিগিৰীজনীয়ে সুধিলে— "কোন হেমলতা বৰকাকতি?" ডেকাজনে কোটৰ কলাৰ অলপ টানি লৈ কলে—"অভিনেত্ৰী হেম-লতা বৰকাকতি।"

তাইৰ মুখত বিস্ময় মিহলি বিদ্ৰূপৰ হাঁহি খেলি গ'ল—"অ' তাকে নোকোৱা কেলেই। তেখেতৰ নাম জানো হেমলতা বৰকাকতি? তেখেতক দেখোন সকলোৱে এক্ট্ৰেচ লতা বুলিহে কয়। পিছে তুমিনো কোন কোৱাচোন?"

ডেকাজন অলপ অপ্ৰস্তুত হ'ল আৰু বিৰক্তিৰে কলে—"তেওঁৰ সৈতে দেখা কৰিব খোজা মাধ আহিছে বুলি কলেই বুজি পাব।"

লিগিৰীজনীয়ে অসহায়ভাৱে উত্তৰ দিলে— "কিন্তু তেখেত যে এতিয়া ঘৰত নাই। আবেলি ওলাই গৈছে, এতিয়ালৈকে ঘূৰি অহা নাই।"

……"আৰু ৰমেন ভাইটি নাই নেকি ?"

"এতিয়া বুজিছো আপুনি তাৰ মানে তেখেতৰ……… ?"—তাইৰ মাতটো হঠাতে কুমলীয়া হৈ গ'ল। "ডাঙৰীয়া তেখেতসকল যে কোনোৱেই ঘৰত নাই। কাৰণ আজি আপোনাৰ ……আপোনাৰ বা কি হব জানো ? তেখেতৰ আজি জন্ম দিন। ৰব, 'মাদাম' আপোনাৰ ভাইটি ৰমেনৰ বাইদেউ……আপোনাৰ ভনীয়েই হয় নহয় জানো ?"

মাধৱই নাক মোহাৰি ক'লে—"নহয়, মানে…… মানে তেওঁলোক মোৰ আত্মীয়ৰ নিচিনা। একেবাৰে আত্মীয়ও নহয়। মোৰ নাম মাধৱ ৰাজবংশী। নামটো কলেই চিনি পাব। তেওঁক দেখা কৰিবলৈকে ইমান দূৰৈৰ পৰা একেবাৰে তেওঁলোকৰ গাওঁৰ পৰা আহিছো।"

তাই মনে মনে চিন্তা কৰিলে, ইয়াৰ পিছত আৰু আপুনি বুলি নোকোৱাই ভাল হব। তাৰ পাছত তাই মাধৱক মাতি নি ৰান্ধনি ঘৰৰ কাষতে ৰুম এটাত বহিব দিলে। বহি লৈ মাধৱই ৰান্ধনি ঘৰৰ ফালে চাই পঠিয়ালে। এজন বগা সাজপাৰ পিন্ধা টপামূৰীয়া মানুহে ল'ৰা এজনক লগত লৈ বৰ ব্যস্ততাৰে জন্ম দিনৰ ভোজ-ভাতৰ যোগাৰ কৰাত লাগি পৰিছে। বিভিন্ন মচলাৰ বিচিত্ৰ গোন্ধে তেওঁৰ গা মন জুৰ পেলাই আনিলে! প্ৰকৃতাতে তেওঁৰ অত্যন্ত ভোক লাগিছিল। যোৱা নিশাৰ পৰা কবলৈ গলে তেওঁ একোৱেই খোৱা নাই। জহ্বলপুৰত বেল গাড়ীত উঠাৰ পিছত সম্পূৰ্ণ চৌব্বিশ ঘণ্টাজোৰা ভ্ৰমণ! তেওঁৰ গাটো এনেয়ে বাইজাই লাগিছিল আৰু অলপ বমিৰ ভাবো আহিছিল

তাৰ অলপ পিছতে লিগিৰীজনীয়ে পোহৰৰ ব্যৱস্থা কৰি দিলে। কোঠাটো বেছ আহল-বহল। ভিতৰৰ দুৱাৰখন আয়নাৰ। মাধৱই পাৰে মানে নিজকে নিজে সহজ হবলৈ চেষ্টা কৰিলে। তেওঁৰ দৃষ্টিয়ে আয়নাৰ দুৱাৰৰ সিপাৰে যোৱা লিগিৰীজনীক অনুসৰণ কৰিলে। আয়নাৰ দুৱাৰৰ সিপাৰে সেইটো ড্ৰেচিং ৰুম। মাধৱৰ চকুৰ থৰ হৈ ৰ'ল—কি সুন্দৰ, কি অত্যাধুনিক সামগ্ৰীৰে সজ্জিত ৰুমটো ……ৰুম নহয় যেন সপোন পুৰীৰ কোনোবা এটা প্ৰাসাদহে। মাধৱই নিজকে পাহৰি পেলালে।

গৰম কাপোৰ এখন উৰি লিগিৰীজনীয়ে টাকুৰি ঘূৰাদি ঘূৰিবলৈ ধৰিলে। এবাৰ ৰান্ধনিজনক লক্ষ্য কৰি ডাইনিং হলৰ চকী-মেজবোৰ সজাই মুঠাতে তাই ভীষণ ব্যস্ত হৈ পৰিছে। মাজতে ৰান্ধনিৰ লগতো কিবাকিবি কথা উত্তেজিত হৈ কটাকটি কৰিছে। খুউব সম্ভৱ ৰান্ধনিটো নতুনকৈ নিযুক্তি দিয়া। সৰু সৰু কথাবোৰ সুধি লিগিৰীজনীক ব্যতিব্যস্ত কৰি তুলিছে। মাধৱো বহু কথা সুধিব লগা আছিল। কিন্তু তাই যিহে টিঙিৰি তুলা হৈ আছে, কেটেৰা উত্তৰ পোৱাৰ ভয়তে তেওঁ একো নুসুধিলে। যদিও তাইক জনাই দিব পাৰিলে বেয়া নাছিল তেৱেঁই যে হেমলতাৰ ভাবী স্বামী। কিন্তু কথাবাৰ কবলৈ তেওঁ কোনো উৎসাহেই অনুভৱ নকৰিলে। কথাবাৰ কোৱা হলে তাই কিজানি সবিস্ময় ফুল দেখা পালেহেঁতেন। হয়তো কথাবাৰ নোকোৱাৰ কাৰণ সেইটোৱেই। তেওঁ

আকৌ লিগিৰীজনীলৈ চাই পঠিয়ালে। লিগিৰী হলেও ধুনীয়া শব্দটো তাইৰ পৰা বাদ দিবৰ কোনো কাৰণ বিচাৰি নাপালে। নিজৰ মনতে কথাষাৰ এবাৰ জুকিয়াই চালে। ওঁ, তেৰেঁই হেমলতাৰ ভৱিষ্যৎ স্বামী। কথাষাৰ ভাবি নিজৰে লাজ লাগিল। তথাপি বাৰে বাৰে জুকিয়াই চালে আৰু শেষত তেওঁৰ বাবে আত্মসম্বৰণ কৰাটো টান হৈ পৰিল। এবাৰ এনেয়ে লিগিৰীজনীক সুধিলে—"হেৰি·········মানে·········এই ঘৰটো তেৰেঁই সঁজানে ?"

তাই তৎক্ষণাৎ উত্তৰ দিলে—"ওঁ, তেৰেঁই সজালে, যোৱা ডিচেম্বৰ মাহতে সম্পূৰ্ণ হৈছে।" মাধই মৃদুভাৱে মূৰটো জোকাৰিলে। তেনেহলে তেওঁ যিবোৰ শুনিছিল আটাইবোৰেই সঁচা। হেমলতাৰ ভাগ্য মুকলি হৈছে। তেওঁ এতিয়া সঁচা-সঁচিকৈয়ে ডাঙৰ মানুহ, নামী এক্টে্ৰচ। এই যে ছিনেমাৰ ধৰণ-কৰণে কথা কোৱা, ছিনেমাত দেখা নৰ্ত্তকীৰ দৰে সাজ-পাৰ কৰা ধুনীয়া লিগিৰীজনী, ৰান্ধনি আৰু তাৰ লগত চাকৰ ল'ৰাটো আটাইবোৰ হেমলতাৰ বেতনভোগী চাকৰ। তেওঁ বহি বহি ভাবিছে আৰু ভাবিছে। নিজৰ চকুকে বিশ্বাস কৰিবলৈ টান লাগে।

ৰহাৰ দিনবোৰলৈ মনত পৰিল। এটা জুপুৰী আৰু এখন গৰু বন্ধা চালি—তাতেই হেমলতা, মাক-বাপেক আৰু ভায়েকে দিনটোত এসাজ খাই জীয়াই আছিল। সেই জুপুৰীতে বহি তৰা লেখি লেখি চিঠি লিখিছিল মাকলৈ—হেজাৰ আশাৰ নিযুত মৰমৰ চিঠি। অতি কষ্ট কৰি পঢ়িছিল আৰু তাৰ ফলতেই প্ৰৱেশিকা পৰীক্ষাও পাছ কৰিছিল। পঢ়ি থকা অৱস্থাতেই দুই এখন মিটিঙত গান গাইছিল—পুৰস্কাৰো পাইছিল কেবাখনো ফাংচনত গীত পৰিৱেশন কৰি। তথাপি তাই শান্তি পোৱা নাছিল। তাই কৈছিল—"মই অভিনয় ভাল পাওঁ। অভিনয় পালে মোক একো নালাগে।" মাধৱৰ চেষ্টাতেই অভিনয়ৰো সুবিধা পালে। দৰ্শকৰ প্ৰশংসাও নোপোৱাকৈ নাথাকিল। এনে সময়তে হঠাতে এদিন হেমলতাক এৰি বাপেক গুছি গ'ল সশৰীৰে যাব নোৱাৰা দেশলৈ। এনেয়ে মাধই পাৰে মানে সহায় কৰিছিল। তেওঁলোকৰ দাৰিদ্ৰ লাঘৱ কৰিবলৈ তাতে যেতিয়া বাপেকে এৰি গুছি গ'ল তেওঁৰ পক্ষে তাইহঁতৰ ঘৰখনৰ জীৱন সংগ্ৰামৰ নীৰৱ দৰ্শক হৈ থকাটো অতি কঠিন হৈ পৰিল। যিহেতু তেওঁলোক নিঃকিন-নিস্ব সেইবাবেই জানো মাধ তেওঁলোকৰ পৰা আঁতৰি আহিব পাৰে ? হব পাৰে তেওঁ ভেন্চাৰ স্কুলৰ অবৈতনিক শিক্ষক। তথাপি তেওঁ হৃদয়ৰ কাঙাল নিশ্চয় নহয়। ছমাহ পাছতেই হেমলতাৰ মাকও ঢুকাল।

ঘৰখনৰ ডাঙৰ সন্তান হিচাবে ঘৰখনৰ দায়িত্ব আহি পৰিল হেমলতাৰ ওপৰত। এইবাৰহে নামি পৰিল তাই জীৱনৰ আচল সংগ্ৰামত। সিদিনা আবেলি ক'তো টিউচন নথকাত মাধ ফুৰিবলৈ গৈছিল হেমলতাৰ ঘৰ অভিমুখে। আবেলিৰ ৰ'দকণো যাও যাও অৱস্থা। হেমলতাই তাঁতশালখনত বহি একেথিৰে চাই আছিল অস্তগামী সূৰুযৰ সেই বিদায় সনা দৃশ্য। তাঁত ববলৈকে তাই পাহৰি গৈছিল। নিজান বনৰ মাজত আপোন

পাহাৰ চৰায়ে গান গোৱাৰ দৰে তাইও গাই আছিল এটি করুণ সুৰৰ গীত। অস্তমিত সূৰুযৰ কিৰণত জিলিকি উঠিছিল তাইৰ দুগালে বৈ যোৱা চকুলো দুধাৰি।

লাহে লাহে মাধ আগবাঢ়ি গৈছিল। কিন্তু আপোন বিভোৰ হেমলতাক মাত দিবলৈ সাহস নকৰিলে। মনে মনে থিয় হৈ ৰ'ল। তায়েই কৈছিল তাই তেতিয়াই গান গায় যেতিয়াই অতি আনন্দ নতুবা সহিব নোৱাৰা দুখৰ বোজাই হেচি ধৰে। চকুৰ পানীৰ পৰাই অনুমান কৰিলে এইয়া আনন্দত আত্মহাৰা হৈ গোৱা গান নহয়। মাধৰ অজানিতে চকুৰ দুই কোণত ভৰি পৰিছিল চকুপানী। শেষত আগবাঢ়ি গৈছিল তাঁতশালৰ কাষত চাৰিটা খুটিৰ ওপৰত এখন তক্তাত বহি আপোন মনে গান গাই থকা গায়িকাৰ ওচৰলৈ······· আৰু গায়িকা শ্ৰোতাৰ চকুলো মিলিত হৈ ধাবমান হৈছিল, মেদিনী অভিমুখে সৃষ্টি কামনাৰে।

সেইদিনাই দুয়ো থিৰাং কৰিছিল দুয়ো টিউচন কৰি যিমান পাৰে টকা গোটাব আৰু সেই টকাৰে হেমলতাই দিল্লীৰ "স্কুল অৱ ড্ৰামা"ত প্ৰশিক্ষণ লব আৰু তাৰ পাছত······। এবছৰৰ চেষ্টাৰ মূৰত দুয়ো প্ৰয়োজনীয় টকাখিনি যোগাৰ কৰিলে। ইতিমধ্যে মাধৱৰ স্কুলখনেও চৰকাৰী সহায় পালে।

ভাল দিন এটা চাই চকুপানীৰে আঁচল তিয়াই···· চকুৰ আতৰ হলেও মনৰ আতৰ নহও প্ৰতিশ্ৰুতিৰে হেমলতাই বিদায় ললে অভিনয় শিকাৰ আশাৰে।

বৰঝাৰ বিমান কোঠত বিদায় দিয়া দিনৰ পৰা বহুদিন ধৰি তেওঁলোকৰ দেখা দেখি হোৱা নাই। অৱশ্যে চিঠি পত্ৰৰ আদান প্ৰদান চলিয়েই আছিল। প্ৰশিক্ষণ কালত হেমলতাই নিজেই চিঠিবোৰ লিখিছিল। তাৰ পাছত হেমলতা উটি গ'ল নতুন জীৱনৰ প্লাৱনত। দেশ জুৰি তেওঁৰ নাম ফুটি ফাটি গ'ল। হিন্দী ছিনেমা জগততে পৰিচিত হ'ল এক্ট্ৰেচ লতা হিচাবে। লগে লগে তেওঁ বিভিন্ন পৰিচালকৰ বিভিন্ন ছবিত অভিনয় কৰিবলৈ নিমন্ত্ৰণ পাবলৈ ধৰিলে। তেতিয়াৰে পৰা চিঠি লিখা কামটো আহি পৰিল ভায়েক ৰমেনৰ হাতত। কেতিয়াবা তাতেই দুই শাৰীমান লগাই দিয়ে—আশাকৰো কুশলে আছে। হিয়া ভৰা মৰম যাচিছো। অফুৰন্ত মৰম লব ইত্যাদি।

দুয়ো নিজৰ ভিতৰতে বন্দোৱস্ত কৰি লৈছিল চাৰি পাচ বছৰলৈ কোনোৱেও কথাটো উত্থাপন নকৰে। এই সময়ছোৱাতে হেমলতাই যথাসাধ্য নিজক প্ৰতিষ্ঠা কৰিব। দুয়োৰো বয়স তেতিয়া বেছি নহয়। এই বছৰ কেইটা অপেক্ষা কৰা মুঠেই টান কাম নহয়। এদিন দুদিনকৈ সহজতে চাৰিটি বছৰ পাৰ হৈ গ'ল। এই চাৰি বছৰে মাধৰ আত্মীয়বোৰে নানান বদনাম উলিয়াই ফুৰিলে। তেওঁ মাথো তেওঁলৈ অহা চিঠিবোৰকে সৰোগত কৰি এইবোৰ মিছা বুলি ধৰি ল'লে। প্ৰশিক্ষণ শেষ হোৱা বছৰটোতে শেষৰ পিনে মাধৰ নামত শকত পৰিমাণৰ টকা পঠিয়ালে। টকাখিনি যদিও শকত পৰিমাণৰে আছিল, তথাপি তেওঁ টকাখিনি অতি দুখ মনেৰে খৰছ নকৰাকৈ সাচি থলে। আৰু চাৰি দিনীয়া

ভ্ৰমণৰ মূল কাৰণ হ'ল এই টকাখিনিয়েই। তেওঁ টকাখিনি ঘুৰাই দিবলৈ আহিছে। হেমলতাৰ বাবে তেওঁ কত টকা খৰচ কৰিছে নিজ ইচ্ছামতেই, নিস্বাৰ্থভাৱে। তেওঁ জানো সেই টকা কেইটাৰ বিনিময়ত টকা বিচাৰিছে আৰু এতিয়া নিশ্চয় কথাটো উলিয়াব পাৰি। ইমান দিন অপেক্ষা কৰিছে—প্ৰয়োজন হলে আৰু কিছুদিন অপেক্ষা কৰিব। কিন্তু এইদৰে অপেক্ষা কৰাৰ কিবা মানে জানো আছে? এওঁৰ এইয়ে আৰ্থিক স্বচ্ছলতা? তাৰ পৰাই বুজিব পাৰি তেওঁৰ আৰু আগৰ সেই দিন নাই। এতিয়া নিশ্চয় সময় হৈছে তাহানিৰ সেই প্ৰতিজ্ঞা পালন কৰাৰ—এতিয়া সময় আহিছে পৰচৰ্চাকাৰী মানুহৰ সেই আনন্দৰ অৱসান ঘটোৱাৰ।

মাধ নিজে নিজেই উত্তেজিত হৈ উঠিল। তেওঁ আপোন মনে আকাশ-পাতাল ভাবিব ধৰিলে। মনৰ মাজেৰে বহু কথাই পাৰ হৈ গ'ল। এনেতে বাহিৰত একেলগে কেবাজনৰো পদধ্বনি শুনিবলৈ পালে। লিগিৰীজনী কোঠাটোত সোমাই আনখন দুৱাৰেদি বাহিৰ ওলাই গ'ল। মাধ তাইৰ পিছে পিছে আগবাঢ়ি যোৱা দেখি তাই কৰ্কশ সুৰত কলে "তুমি আহিছা কেলেই মযেই খবৰটো দিম নহয়।"

তাইৰ কথামতে আকৌ কোঠাটোত বহিল যদিও তাই কথা কোৱা সুৰটোৱে তেওঁক বাৰুকৈয়ে অপ্ৰস্তুত কৰি দিলে। এনেতে শুনিবলৈ পালে "এই পিনে আন বাবু, মোৰ কোঠালৈকে আন।"

অলপ পাছতে লিগিৰীজনী আৰু বাবু দুয়ো ধৰাধৰিকৈ এটা বাকচ লৈ গ'ল।

মাধই বাহিৰতনো কি হৈছে চাবলৈ ভয়ে ভয়ে পৰ্দাখন দাঙি জুমি চালে। তাত বহু ভদ্ৰলোক গোট খাইছেহি। প্ৰত্যেকে ৰং বিৰঙৰ বটল আৰু গিলাচ লৈ টেবুলত বহিছে। আহাৰ আৰু পানীয় একেলগে তাল মিলাই আগবাঢ়িছে। তেওঁলোকৰ আনন্দ কলৰবে ঠাইখিনি মুখৰ কৰি তুলিছে। লাহে লাহে তেওঁৰ দৃষ্টি ছয়াময় হৈ আহিল। তেওঁৰ হৃদয় যিমানে উত্তেজিত হৈ উঠিল, মনটোও সিমানে বিস্ময় বিমূঢ় হৈ আহিল। কব নোৱাৰাকৈ তেওঁৰ চকুহাল সজল হৈ উঠিল। সিকালৰ পৰা দীঘলীয়া প্ৰাণ খোলা উচ্চস্বৰৰ হাঁহিয়ে তেওঁক ছুলে বিন্ধাৰ দৰে ঠাই মাৰি ধৰিলে। প্ৰতিটো হাঁহিৰ শব্দতেই তেওঁ তেওঁৰ বুকুত এটা গধুৰ হাতুৰিৰ কোব অনুভৱ কৰিলে। তেওঁ লাইট অফ কৰি আন্ধাৰতে বহি চকু দুটা মুদি সেই আঘাত সহি যাবলৈ চেষ্টা কৰিলে। সেইতো বাৰু কাৰ হাঁহি —নিশ্চয় হেমলতাৰ হাঁহি।

এনেতে কাৰোবাৰ পদশব্দ শুনি তেওঁ চকু মেলি চালে। সন্মুখত ঠেক পেন্ট, ওখ জোতা, চিক্ ছিকীয়া জেকেট পৰিধান কৰা ল'ৰাজনক ৰমেন বুলি তেওঁ চিনি উলিয়াব নোৱাৰিলে।

"হু মাধৱ ককাইদেউ দেখোন?" আচৰিত ......মাধৱ আতংকিত হৈ উঠিল "ৰমেন.... ..."

"হঠাৎ ওলালাহি যে? এটা খবৰটো দিব পাৰিলাহেঁতেন। কথাটো বৰ বেয়া হ'ল। বৰ বিপাঙত পৰিলো।" কেবাটাও ইন্টাৰভিউত অফিছাৰৰ ওলাব নোখোজা গহীন কণ্ঠ স্বৰটোৱেই পুনৰ প্ৰতিধ্বনিত হোৱা যেন পালে। তেওঁ এনেয়ে

মনমাৰি গৈছে। তাতে ৰমেনৰ দ্বিধাজনিত গহীন কণ্ঠস্বৰে তেওঁক আৰু হতাশ কৰি পেলালে।

কিন্তু চেষ্টাৰ মূৰত মাধৱে কলে—"ভাইটি মই তেনেহলে যাও গৈয়েই।"

"নহয় মানে মই সেইটো কোৱা নাই। অলপ বহাছোন মই এতিয়াই আহিছো।" কেইমিনিট মানৰ পাছতে……অৱশ্যে তেওঁৰ বাবে এইকণ সময়েই এটা যুগ যেন লাগিল। আকৌ কাৰোবাৰ মৃদু পদধ্বনি শুনিবলৈ পালে। তাৰ পাছত এছাতি বিজুলীয়ে যেন গোটেই কোঠাতো উজ্বল পোহৰে ওপচাই পেলালে। সেই পোহৰে তেওঁৰ চকুহাল যেন চাটমাৰি ধৰিলে। নিৰ্বাক বিস্ময় বিমূঢ় মাধৱই চাই ৰ'ল সেই পোহৰৰ পিনে। মনতে এবাৰ নামটো কাঢ়িলে— 'হেমলতা'……কিবা কবলৈ মুখখন মেলিও একো কব নোৱাৰিলে, একেবাৰেই ওলাই নাহিল। মাথো তেওঁৰ অনুভৱ তেওঁৰ চকু মুখত যেন কিহবাৰ পোৰণি উঠিছে। তেওঁৰ চকুৰে যেন কিছুমান জুই ফিৰিঙতি নিৰ্গত হৈছে। এইজনী…… এইজনীয়েই তেওঁৰ হেমলতা আৰু এই মানুজনী? উদং বুকু, উদং কান্ধ, উদং বাহুৰে যাৰ দেহত উজ্বল চিকমিকীয়া ৰেচমী সাজ, ডিঙিত এধাৰ মুকুতাৰ মালা। সন্মুখৰ এইজনী সঁচাকৈয়ে মানুহ নে সপোন কুৱৰী তেওঁ যে একেবাৰেই চিনি নাপায়! ওহো কেতিয়াও নহয়। এই বুকু, এই কণ্ঠস্বৰ, এই অভিব্যক্তি একেবাৰেই চিনাকি নহয়।

"কিহে মাধৱ দেখোন……? কেনেকৈ পালাহি এইখিনি? ভালে আছাতো? বাৰু মই এতিয়া যাওঁ; তুমি ইয়াতে অলপ বহা। অ'…… আজি মোৰ জন্মদিন—তুমিও এসাজ ভালদৰে খোৱা।" মাধৱৰ উত্তৰলৈ বাট নেচাই অহা বাটে আকৌ গুছি গ'ল।

মাধৱই কিছুসময় হেমলতা গুছি যোৱাৰ ফালে একেথৰে চাই থাকিল। তাৰ পিছত এটা দীঘল হুমুনিয়াহ নাকেৰে গুছি গ'ল। ঘনে ঘনে ওঠ দুটা চেলেকিছিল আৰু শুকাই যোৱা ডিঙিতো তিয়াবলৈ বাৰে বাৰে সেপ ঢুকিছিল। তেওঁ নিঠৰ হৈ বহি ৰ'ল। তেওঁ এই মাত্ৰ দেখা সপোন-টোৰ মাজত হেৰাই গ'ল। লাহে লাহে চকু দুটা জপাই দিলে। মুদিত চকুৰ আন্ধাৰত তেওঁ দেখিলে তেওঁ আৰু হেমলতাৰ মাজত যেন এখন বিশাল নৈ—ইকূল-সিকূল মনিব নোৱাৰা। এইজনী সম্পূৰ্ণ বেলেগ মানুহ; এইজনী তেওঁৰ হেমলতা নহয়। সেইটো অধ্যায়ৰ কাহানিবাই ইতি পৰিছে—মনত নপৰা দিনতে।

অথচ তেওঁ ভাবি আছে এই মাত্ৰ। কিন্তু আত্মীয়বোৰেটো এই কথাকে কৈছিল; তথাপি তেওঁ কিয় বিশ্বাস কৰা নাছিল। কিন্তু মানুহ বুৰ্বকনো হয় কেনেকৈ। এতিয়াও তেওঁ বুৰ্বকৰ দৰে এই ঘৰটোত বহি থকাৰ কি মানে আছে? যদি সৌ ভোজ মেলৰ মানুহবোৰে কেনেবাকৈ জানে আনকি যদি সৌ লিগিৰীজনীও জানে এই মাধৱ ৰাজবংশী নামৰ ডেকাজনে চাৰি দিন জোৱা ৰেল ভ্ৰমণৰ কষ্ট সহ্য কৰি বোম্বাই ওলাইছেহি একমাত্ৰ এই স্থিৰ বিশ্বাস লৈ যে তেওঁ এতিয়াও হেমলতাৰ ভৱিষ্যৎ স্বামী হৈয়েই আছে? তেন্তে কিজানি সেই মানুহবোৰে, সেই

লিগিৰী জনীয়ে আনকি সৌ ৰান্ধনি আৰু চাকৰবোৰেও মাটিত বাগৰি হাঁহিব। অৱশ্যে এইটো সঁচা যে মাধৱৰ কাৰণেই হেমলতাৰ এই সৌভাগ্য মুকলি হৈছে। বাট খৰছো যোগাইছিল মাধৱে। কিন্তু হেমলতাই নিজৰ কথা ৰাখিলে জানো? হেমলতা উটি গ'ল বহু দূৰলৈ আৰু তেওঁ পৰি ৰ'ল সেই আগৰ ঠাইতে। আগৰ দৰেই তেওঁ এতিয়াও দিনে নিশাই টিউচন কৰিব লাগে, স্কুল কৰিব লাগে ; বিনিময়ত তেওঁ পায় মাহটোৰ কুৰি দিনৰ জোখাৰে মাত্ৰ কেইকুৰি মান টকা। আৰু এতিয়া জানো তেওঁ হেমলতাক ঢুকি পাব। একেবাৰে অসম্ভৱ। সেইটো প্ৰশ্ন উঠিবই নোৱাৰে আৰু এই যে চৰিত্ৰাভিনেত্ৰী হেমলতা—তাইৰ বাবে তেওঁৰ সেই সামান্য টকা কেইটাৰ জানো কিবা মূল্য আছে? কোনোবাই বাৰু এনেকৈ ভাৱিব পাৰে নেকি যে সেই সামান্য টকা কেইটাৰ বিনিময়ত কিহবাৰ দাবী লৈ ইয়াত উপস্থিত হৈছে? ছিঃ একেবাৰে নাক কাণ কটা যোৱা কথা।

এনেতে ৰমেনে ৰান্ধনিৰ হতুৱাই খোৱা বস্তু লৈ ওলালহি। মাধ উঠি থিয় হ'ল। তেতিয়া ৰমেন আচৰিত হ'ল "ককাইদেউ"........ মাধই শান্ত অথচ দৃঢ়তাৰে কলে— "নেলাগে ৰমেন মোক একো নেলাগে। মই তেওঁক এবাৰ চাও বুলিহে আহিছিলো। দেখা পালো সেয়াই যথেষ্ট ....... আৰু বেছি নালাগে। হতভাগ্য মই ...। যাওক সেইবোৰ কথা। তেওঁক কবা মাধই তেওঁলৈ জন্মদিনৰ উপহাৰ হিচাবে এইখিনি দিছে।" এই বুলি তেওঁ চামৰাৰ মোনাখনৰ পৰা হেমলতাই পঠোৱা টকাৰ বান্দিলটো মেজৰ ওপৰত থলে।

চামৰাৰ মোনাখন লৈ মাধ ঘৰৰ পৰা বাহিৰ হ'ল। উত্তৰ পূৱ মৌচুমী বায়ুৰ বৰষুণে তেতিয়া গোটেই বোম্বাই চহৰ আৱৰি ধৰিছিল। ৰাজপথত ভৰি থৈ তেওঁ অনুভৱ কৰিলে বাহিৰ জগতখন বৰফতকৈও চেঁচা হৈ পৰিছে। ৰিক্সা পায় নেকি ঘূৰি চালে। নাই নিশা দুই বজাত ৰিক্সা নাছিল। মাথো বৰষুণৰ মাজে মাজে হাড় কঁপাই তোলা এজাক ধুমুহা বতাহহে বৈ আছিল। ●

"যি ঠাইত সন্মান নাই, জীৱিকাৰ উপায় নাই, উপযুক্ত বন্ধু নাই, য'ত বিদ্বান লোক নাই, সেই ঠাই ত্যাগ কৰা উচিত।" —চাণক্য



# কলা বগা ধূসৰ

শ্ৰীযোগেশ্বৰ নাথ
স্নাতক মহলা
১ম বাৰ্ষিক (বিজ্ঞান)

[ স্বপ্নালীয়ে কৈছিল— আপোনাৰ এটা ভুলেই ইতিহাস হৈ যাব। এটা জাতিৰ তুলনাত আপোনাৰ দৰে পিতৃৰ মূল্য একেবাৰে নগণ্য। ]

ডিব্ৰুগড় মেডিকেল হস্পিটেলৰ এয়া ২০ নম্বৰ বেডখনত মই এক অনিশ্চিত ভৱিষ্যতৰ ছবি আঁকি দিনবোৰ অতিবাহিত কৰিছো। সুদীৰ্ঘ ছমাহ পাৰ কৰি দিছো বিধবা মাজনীৰ করুণ মুখখন মানসপটত আঁকি আঁকি—ভনীজনীৰ বেদনাক্লিষ্ট মুখখনৰ কথা ভাৱি ভাৱি; কানি-কাপোৰত দৰিদ্ৰতাৰ চাপ লৈ আলিয়ে পদূলিয়ে খেলি ফুৰা সৰু ভাইটি টোৰ কথা ভাৱি ভাৱি। প্ৰতি দিনেই ভাৱিছো কল্পনাৰ কাৰেং সজাই ভাল পোৱা মোৰ মৰমৰ স্বপ্নালীজনীৰ কথা। তাইক কিজানি হতাশাই জৰ্জৰিত কৰি পেলাইছে। কমনীয়তাৰে পূৰ্ণ মুখ মণ্ডলত কিজানি বিষাদৰ ছাঁ পৰি কিবা লগা হৈ পৰিছে।

এৰা! ওৱাল ক্লকটোৱে নিশা দুই বজাৰ সংকেত দিলে। টোপনি আৰু নাহিবই কিজানি। সেই ১১ নং বেডখনৰ পৰা অবিৰতভাৱে আহি থকা অসহ্য পেটৰ বিষত মানুহজনৰ যন্ত্ৰণাক্লিষ্ট চিঞৰ। ওচৰতে এইজনে ৰাতিটো কাহি কাহি কিবা ভাৱিয়েই কটালে। হয়তো ভাৱিছে ঘৰত এৰি অহা সৰু সৰু ল'ৰা ছোৱালী কেইটাৰ ভৱিষ্যতৰ কথা। ভাৱিছে হয়তো সিহঁতৰ মাক জনীৰ কথা। চকুৰ আগত হয়তো ভাহি উঠিছে এ যাৰা বগা সাজেৰে পোনাহঁতৰ মাক জনীক। সেই দৃশ্য দেখি হয়তো গিৰ্ গিৰ্কৈ তেওঁৰ চকুৰে পানী নিগৰি আহিছে। পিছ মুহূৰ্ত্তে কাহটো আকৌ উঠিছে। দুই তিনি মিনিট কাহি

কাহি আকৌ ভাগৰুৱা অৱশ ৰুগ্ন দেহটো বিচনা-খনত পেলাই দিছে।

কুলি চৰাই এটিয়ে আকাশেৰে কুউ কুউ কৈ মাতি গুছি গ'ল। ক্ৰমান্বয়ে সৰু হৈ গ'ল সেই সুমধুৰ মাতটি। এৰা আজি বহাগৰ ১ম দিন। বহাগ বিহু। অসমীয়া জাতিৰ প্ৰাণ এই বিহু। মোৰ গুলীবিদ্ধ দেহটোও যেন বিহুলৈ মনত পৰাত জিকাৰ খাই উঠিল। মোৰ মৰমৰ গাওঁ জাৰনি-বাৰীত ৰাতিটো পুওঁৱাৰ লগে লগে চাগৈ কি যে উলহ মালহ হব। যোৱা কালি গৰু বিহুৰ দিনা আমাৰ ডিবৰু নৈত চাগৈ গৰু ধুৱাওতে কেনে আনন্দ লগা হৈছিল। ভূপেন, অৱনীহঁতে চাগৈ গৰু ধুৱাই উঠি লাউ-বেঙেনা ছতিয়াই গাইছে— "লাউ খা বেঙেনা খা বছৰে বছৰে বাঢ়ি যা। মাৰ সৰু বাপেৰ সৰু তই হবি বৰ গৰু।" কিযে অদ্ভুত মন্ত্ৰ। দিঘলতী পাতেৰে হয়তো গৰু কোবাই উঠি নৈত সাতুৰিছে।

বাহিৰত সৌৰা নানা তৰহৰ চৰাইৰ মাত, পাখিৰ ধপ্ ধপনি আৰম্ভ হ'ল, ৰাতি পুৱাল নিশ্চয়। অলপ কষ্ট কৰি শোৱা ঠাইৰ পৰা বিচনাৰ মূৰত থকা খিৰিকিৰ পৰ্দাখন টানি খুলি দিলো; সম্পূৰ্ণ পোহৰ হৈছে বাহিৰত। খিৰিকি খনো খুলি দিলো। এয়া বহাগৰ ১ম দিনৰ নতুন পোহৰ। চেঁচা বতাহ এছাটি লাহে লাহে মোৰ গাত লাগি লাহি গাটোত এক শিহৰণ অনুভৱ কৰিলো। অলপ পাছতে পূব আকাশত তেজ ৰঙা বেলিটিয়ে ভুমুকি মাৰিলে। এখন যেন ভমকা ফুলীয়া গামোছা গাত মেৰিয়াই লৈহে বেলিটো আজি ওলাইছে। এটা নতুন বছৰৰ আৰম্ভণিত এক নতুন বেশেৰে উঠি আহিছে নতুন ৰূপত সূৰ্য্যতো।

গাওঁত চাগৈ এতিয়া কি যে উখল-মাখল লাগি পৰিছে। কোনো জনীয়ে হয়তো সযত্নে সাজি কাচি অশেষ কষ্টেৰে বৈ লোৱা ফুলাম গামোছাখন উপহাৰ দিবলৈ আহিছে মনৰ মানুহ জনক। কোনো জনীয়ে হয়তো হাতত জেতুকাৰ বোল লগাই লৈ সাজি কাচি ওলাইছে বিহুলৈ। জাৰনিবাৰীৰ মাজেৰে বৈ যোৱা ডিবৰুৰ পাৰত প্ৰতি বছৰেই আমি বিহু পাতিছিলো। ভূপেন, অৱনী, পদুমহঁত কিজানি ইমান পৰে পিঠা-পনা খাই বিহুৱা পোচাকজোৰ পিন্ধি ঢোল, শিঙা, পেপা, গগনালৈ সেইখিনি পালেগৈয়েই। আমাৰ ঘৰত বাৰু এতিয়া কি কৰিছে—বোধহয় মা, ভনীজনী, সৰু ভাইটোৱে একেলগে বহি এই ৰাতি পুৱাতে মোকে মনত পেলাইছে। মায়ে দিয়া তিল পিঠা খনত কামোৰ মাৰি ভাইটিয়ে হয়তো ভাৱিছে নৰ ককাইদেউ থকা হলে আজি কিমান যে ভাল লাগিলহেঁতেন। ভনীজনীয়ে হয়তো মনত পেলা-ইছে ডিব্ৰুগড় মেডিকেলৰ এই ২০ নং বেডখনলৈ।

ছন্টা বাজিল। "চিষ্টাৰো" নাই। চিষ্টাৰ থকা হলে ইমান পৰে মোক বহুত প্ৰশ্ন সুধিলে-হেতেন। মামাৰি আছা দেখান? ৰাতি টোপনি হ'ল নে নাই? ইত্যাদি। ফ্লাস্কটোত লৈ অহা গাখীৰ আৰু কণী দি মোক কলেহেতেন, ব্ৰাডাৰ এইখিনি সোনকালে খোৱা, ঔষধ খাব লাগিব। ঔষধখিনি খাব নুখুজিলে মোক বুজাই বঢ়াই

ঔষধ খুৱাই থৈ দুপৰীয়া অহাৰ প্ৰতিশ্ৰুতি দি হাঁহি হাঁহি গুছি গ'লহেঁতেন। কিন্তু আজি বিশ দিনেই হ'ল চিন্টাৰো নাই। ঘৰলৈ গৈছে। চিন্টাৰৰ ঘৰ দেৰগাঁওত।

ডিব্ৰুগড় মেডিকেলৰ অন্য বহুতো নাৰ্চৰ দৰে চিন্টাৰ নাছিল। মই এক বিশেষ আত্মীয় দৃষ্টি কোণৰ পৰা চাব ধৰিছিলো এক বিশেষ কাৰণত এইজনী নাৰ্চক। নাম দিপীকা বৰুৱা। মই চিন্টাৰ বুলি মাতো, মোকো ব্ৰাডাৰ বুলি মাতে। বিহুৰ পাছতহে চিন্টাৰ আহিব। ঘৰলৈ যোৱাৰ দিনা মোৰ ওচৰলৈ যেতিয়া বিদায় লবলৈ আহিছিল তেতিয়া মাতটো চেপি ৰাখি মাথোন কৈছিল ব্ৰাডাৰ ঘৰলৈ যাম আজিয়েই। বিহুৰ পাছতহে উভটিম। তুমি চিন্তা নকৰিবা। নিয়ম মতে ঔষধবোৰ খাবা। চিন্টাৰে ইতিমধ্যে চাদৰৰ আচলেৰে ওলাই অহা চকুপানীখিনি মচি লৈছিল। মই বোবা হৈ পৰিছিলো। একোৱেই কব পৰা নাছিলো। মোৰ দুচকুৰে দুটোপাল পানী বৈ আহিছিল। মই ঠিক ধৰিব পৰা নাছিলো এয়া আনন্দৰ নে বেদনাৰ অশ্ৰু। চকু পানীখিনি চিন্টাৰে চাদৰৰ আচলেৰে মচি দিছিল। আলফুলকৈ মোৰ গালত চুমা এটা খাই চিন্টাৰ লাহে লাহে গুচি গৈছিল।

দিপীকা বৰুৱা। ডিব্ৰুগড় মেডিকেলৰ এজনী নাৰ্চ। মই এজন বি এচ ছি দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ। কব নোৱাৰো এই ছয়টা মাহতেই এজনী নাৰ্চৰ লগত কিয় এনেবোৰ হৈ গ'ল। ইয়াৰ উত্তৰ মই ভাৱি নোপোৱাত পৰিছো।

সেইদিনা সেই কল্পনাতীত ঘটনাটো হৈ যোৱাৰ পাছত কি হৈ গ'ল আৰু মই ক'ত একো জনা নাছিলো। দুদিন পাছত মই নিজকে মেডিকেলৰ এই বিশ নম্বৰ বেডখনত আবিষ্কাৰ কৰো। জ্ঞান পায়েই লাহে লাহে অনুভৱ কৰিছিলো কামত ব্যস্ত থকা এই নাৰ্চজনীৰ উপস্থিতি। অশেষ কষ্টৰে মোক শুশ্ৰূষা কৰি গৈছিল। বিশদিন পাছত যেতিয়া কিছু সুস্থ হলো তেতিয়া দেখিলো এই নাৰ্চজনীৰ দেহটোৰ লগত মোৰ মৰমৰ, বিগত তিনিটা বছৰে ভাল পাই অহা স্বপ্নালীৰ লগত যথেষ্ট মিল আছে। চকু, মুখ, দেহৰ গঠন—সকলোতে স্বপ্নালীৰ লগত যথেষ্ট মিল আছে। দিন যোৱাৰ লগে লগে নাৰ্চজনীৰ প্ৰতি মই কিছু দুৰ্বলতা অনুভৱ কৰিব ধৰিলো। কিন্তু সেই দুৰ্বলতা প্ৰেমৰ নহয়। মনে প্ৰাণে ভাল পোৱা ছোৱালীজনীৰ লগত যথেষ্ট মিল থকা হেতুকে নাৰ্চজনীক, চকুৰ পতাত লাগি থকা লাজখিনি অনবৰত চাই থাকিবৰ মন যোৱা হ'ল। এদিন এনেকৈয়ে চিনাকি পৰ্ব হৈ গ'ল। সেইদিনাৰ পৰাই মোক 'ব্ৰাডাৰ' আৰু ময়া 'চিন্টাৰ' বুলি মাতো। লাহে লাহে চিন্টাৰো মোৰ প্ৰতি আগ্ৰহী হৈ আহিল। সামান্য অজুহাততে ওচৰলৈ মাতি আনি কথা পাতি সময়বোৰ পাৰ কৰি দিব ধৰিলো।

ইফালে স্বপ্নালী। প্ৰতিদিনেই ভাবো আজি হয়তো স্বপ্নালী আহিব। স্বপ্নালীক চিনাকি কৰি দিম চিন্টাৰৰ লগত। কিমান যে ভাল লাগিব। ইতিমধ্যে মই চিন্টাৰক স্বপ্নালী আৰু মোৰ সকলো

কথাই কৈ পেলাইছো। কিন্তু কতা, কোনো দিনেইতো মোৰ মৰমৰ স্বপ্নালীজনী নাহিল মোৰ ওচৰলৈ। এখন চিঠিওতো নিলিখিলে বিগত ছয়টা মাহে! তাই বাৰু পাহৰি গ'ল নেকি মোক? নাই, তাই কেতিয়াও মোক পাহৰি যাব নোৱাৰে। এখন সম্ভ্ৰান্ত ঘৰৰ জীয়ৰী হিচাবে, ধনীৰ দুলালী হিচাবে যদি পাহৰিয়েই যায় তেনেহলে মোৰ দৰে গাওঁৰ পিচ পৰা ভিকহু ঘৰৰ ল'ৰা এজনক ভাল পাবলৈ আগবাঢ়ি নাহিলহেতেন।

আমাৰ গাওঁ জাবনিবাৰীৰ পৰা ১২ কিঃ মিঃ উত্তৰে ৰঙাজান টাউনত অভিজিং চৌধাৰীৰ ঘৰ। বহুতো সম্পত্তিৰ মালিক ৰাজনীতিত ৰাপ থকা ব্যক্তি চৌধাৰীৰ একমাত্ৰ কন্যা স্বপ্নালী চৌধাৰী। ৰঙাজান কলেজত মই প্ৰাক্ বিশ্ববিদ্যালয়ৰ ১ম বাৰ্ষিকত ভৰ্ত্তি হোৱাৰ পৰাই স্বপ্নালীহঁতৰ ভাড়া ঘৰত থাকো। তেতিয়াৰ পৰাই চিনাকি স্বপ্নালীক এতিয়া বি এছ ছি দ্বিতীয় বাৰ্ষিকলৈ এই তিনিটা বছৰত ভালেখিনি ওচৰ চপাই আনিছিলো। বৰ্ত্তমান স্বপ্নালী ৰঙাজান কলেজত পি ইউ ২য় বাৰ্ষিকৰ ছাত্ৰী। নিস্বাৰ্থ মৰম, ভালপোৱাৰ মাজেৰে দিনবোৰ আমাৰ পাৰ হৈ গৈ আছিল।

ধুমুহা বলিছিল। প্ৰচণ্ড ধুমুহা। ১৯৭৯ চনৰ পৰা আৰম্ভ হ'ল অসমীয়া জাতিক জাতি হিচাবে জীয়াই ৰখাৰ আন্দোলন। সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত আৰম্ভ হ'ল অবৈধভাৱে অসমত প্ৰবেশ কৰা ইতিমধ্যে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত হোৱা বিদেশীবোৰক অসমৰ পৰা খেদিবলৈ। ভাৰতীয় সংবিধানৰ মৰ্য্যদা অক্ষুন্ন ৰাখি জাতিৰ ভাষা সংস্কৃতি তথা জাতীয় সত্বাটোক বচাবলৈ আন্দোলনে গণ আন্দোলনৰ ৰূপ ললে। ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ বাবে চৰকাৰে বিদেশী খেদিবলৈ অমান্তি হৈ আন্দোলনৰ ওপৰত দমন-নীতি প্ৰয়োগ কৰিলে। ছাত্ৰ যুৱকৰ ওপৰত চলালে নিৰ্য্যাতনৰ ষ্টীম ৰুলাৰ। অসমীয়া জনসাধাৰণৰ সংগ্ৰামী মানসিকতাক বুলেটৰ আঘাতেৰে চূৰ্ণ-বিচূৰ্ণ কৰি দিব বিচাৰিলে। কতজন পঙ্গু হ'ল, কাৰ শিৰৰ সেন্দুৰ মচ খাই গ'ল। কিন্তু আন্দোলন শেষ নহ'ল। ইমান সহজ নহয় বুকুৰ ভিতৰত উমি উমি জ্বলি থকা জুইকুৰা সহজতে নুমুওৱা। সহজ নহয় মৌনতাৰেও প্ৰতিবাদ কৰিব পৰা অসমীয়া জনসাধাৰণৰ সংগ্ৰামী শক্তি ধ্বংস কৰা। সুৰুযক জানো ঢাকিব পাৰি? ধুমুহাৰ জানো পৰিধি আছে?

ময়ো বহি থকা নাছিলো। জপিয়াই পৰিলো জাতিটোৰ অস্তিত্ব ৰক্ষাৰ গণ আন্দোলনত।

ৰঙাজান কলেজত পি ইউ ১ম বাৰ্ষিকত নাম ভৰ্ত্তি কৰিয়েই দায়িত্ব লৈছিলো কলেজ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ। ইফালে স্বপ্নালীয়েও দিনক ৰাতি কৰি ৰাতিক দিন কৰি গ'ল আন্দোলনৰ। তেতিয়া তাই ক্লাচ নাইনত পঢ়ি থকা সৰু ছোৱালীজনী! লাহে লাহে আমাৰ জীৱনে তিনিটা বসন্ত গছকি গ'ল। আন্দোলনো আগবাঢ়ি গৈ থাকিল তীব্ৰ গতিত মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শেৰে।

দীঘলীয়া আন্দোলনৰ ফলত, মই কেতিয়াবা সময়ত হতাশ হৈ পৰিছিলো। মোৰ হতাশাৰ উমান পালেই স্বপ্নালীয়ে কিন্তু এটা উদাহৰণ দিয়া মোৰ ভালদৰে মনত আছে—"ৰাতি যিমানে

কঠিন হব প্ৰভাত সিমানেই ৰঙীন হব ; চাৰিও দিশৰ পৰা ক'লা মেঘে আবৰি ধৰিলেও ভয় নকৰিবা 'নৰদা' ; প্ৰভাতক কোনেও বাধা দি ৰাখিব নোৱাৰে — প্ৰভাত হবই।" আচৰিত হৈছিলো —স্বপ্নালীৰ ধৈৰ্য্য, দেশপ্ৰেম, যুক্তিবাদীতা আৰু সাহসিকতাৰ বাবে।

কিন্তু দেউতাক অভিজিৎ চৌধাৰী? তেওঁ যেন এখন বেলেগ পৃথিবীৰহে মানুহ। তেওঁৰ মতে অসমৰ এই সমস্যা কোনো সমস্যাই নহয়। গাৱঁলীয়া হোজা মানুহক মিছাতে আবেগিক কৰি আন্দোলনৰ পথলৈ লৈ অহা হৈছে। তেওঁৰ মতে এই সমস্যাটোৰ ৰাজনৈতিক সমাধানহে হব লাগে। স্বপ্নালী আৰু মই বহুদিন বহুবাৰ তেওঁৰ লগত যুক্তি তৰ্কত বহিছিলো ; কিন্তু কোনো প্ৰকাৰে তেওঁক আন্দোলনৰ পথলৈ আনিব পৰা নাছিলো।

এনেতে আহি পালে ভূমিকম্প। এৰা ভূমিকম্পই। শদিয়াৰ পৰা ধুবুৰীলৈ এটা জোকাৰণি তুলিহে যেনিবা এই অবৈধ নিৰ্বাচন ৰূপী ভূমিকম্পটো গুচি গ'ল। আন্দোলনকাৰীয়ে বাধা দিলে। এটা যেন বলিয়া হাতীহে গাওঁ-ভূই মহতিয়াই গুচি গ'ল। আন্দোলনকাৰীয়ে বাধা দিলে, অবৈধ ভাৱে ভোটাৰ তালিকাত যিসকল বিদেশীৰ নাম আছে সেইবোৰ ভোটাৰ তালিকা শুদ্ধ নোহোৱাকৈ নিৰ্বাচন হব নোৱাৰে।

চৰকাৰে কিন্তু আকোৰগোজ হৈ নিৰ্বাচন পাতিবলৈ নানান ষড়যন্ত্ৰৰে চেষ্টা অব্যাহত ৰাখিলে।

ৰঙাজান বিধান সভা সমষ্টিৰ প্ৰাৰ্থী ৰূপে থিয় দিলে অভিজিৎ চৌধাৰী। মোৰ মৰমৰ স্বপ্নালীৰ দেউতাক অভিজিৎ চৌধাৰী। প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ কৰিবলৈ আমি বহুতো কাকুতি মিনতি কৰিছিলো। স্বপ্নালীয়েও বহুতো বুজাইছিল দেউতাকক আন্দোলনৰ ইতিহাসক কলঙ্কিত নকৰিবলৈ। এই ভুলেই হয়তো ইতিহাস হৈ যাব। কিন্তু কোনো প্ৰকাৰে মান্তি নহল অভিজিৎ চৌধাৰী। উপায়ন্তৰ হৈ আমি তেওঁক ঘেৰাও কৰাৰ কাৰ্যসূচী ললো প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ কৰিবলৈ।

প্ৰকাণ্ড লোহাৰ গেটখন খুলি শাৰিপাটি থকা ৰাইজৰ একেবাৰে আগত মই ; তাৰ পাছত স্বপ্নালী আৰু তাৰ পাছত বহুতো মানুহ ; এজন এজনকৈ সোমাই গলো দুমহলীয়া বিল্ডিংটোৰ আগচোতালেৰে। আগচোতালৰ শেৰালি জোপাৰ তলতে বাৰান্দাখনত বহি আছিল অভিজিৎ চৌধাৰী। ধুতি পাঞ্জাৰী পৰিহিত গলেৰে এখন ফুলাম গামোছা মেৰিয়াই লৈ বহি থকা অভিজিৎ চৌধাৰী থিয় হ'ল। চকুত এজোৰ সোণালী ফ্ৰেমৰ চচমা। সমদলটোৰ মাজৰ পৰা কোনোবা এজনে শ্লোগান লগাই দিলে অবৈধ নিৰ্বাচন বৰ্জন কৰক, অবৈধ নিৰ্বাচন গুৰাই দিয়। এইবাৰ তেওঁ এক হিংস্ৰ জন্তুৰ দৰে মোৰ ফালে চালে আৰু গৰ্জি উঠিল—কি লাগে তহঁতক? মই কলো আপোনাক বহুতবাৰ অনুৰোধ কৰা স্বত্বেও আপুনি এই অবৈধ নিৰ্বাচনটোত অংশ গ্ৰহণ কৰিব বিচাৰিছে। আনকি আপুনি প্ৰবল জনমতৰ বিপৰীতে গৈ নিৰ্বাচনত প্ৰাৰ্থীৰূপে থিয় দিছে। সেয়েহে ৰাইজ লৈ আপোনাক ঘেৰাও কৰিব আহিছো। স্বপ্নালীয়ে কলে

যেতিয়ালৈ আপুনি প্ৰাৰ্থীয় প্ৰত্যাহাৰ নকৰিব তেতিয়ালৈকে ঘেৰাও অব্যাহত থাকিব। এটা জাতিৰ তুলনাত আপোনাৰ দৰে এজন বিবেক-হীন পিতৃৰ মূল্য তেনেই নগণ্য। ইতিমধ্যে ৰাইজে তেওঁক ঘেৰি ধৰিছিল।

চৌধাৰী হুঙ্কাৰ দি উঠিল। তহঁতে কথা বেয়া নৌ হওঁতেই ইয়াৰ পৰা সোনকালে আতৰ হ। নহলে মই পুলিচ মাতিব বাধ্য হম। ৰাইজ কিন্তু অলৰ-অচৰ হৈ থাকিল। ভিতৰলৈ সোমাই গৈ ফোনটো লৈ বাৰে বাৰে পুলিচ মতাৰ চেষ্টা কৰিছিল। কিন্তু ৰাইজে বাধা দি ঘেৰি ধৰিয়েই থাকিল। খঙত ফোপাই ফোপাই চৌধাৰী এই-বাৰ চকীখনত বহি পৰিল। ৰাইজে তেওঁৰ ওচৰৰ পৰা কেইফুট মান আতৰি দি ঘেৰি ধৰি ৰাখিলে। খঙৰ কোবত তেওঁ মোক, স্বপ্নালীক বহুত গালি (অশ্লীল বাক্যৰে) পাৰিব ধৰিলে। ধৈৰ্য্য ধৰি ভদ্ৰভাৱে ময়ো উত্তৰ দি গলো। এনেতে চৌধাৰীয়ে খঙৰ কোবত ককালৰ পৰা কিবা এটা উলিওৱা দেখাহে পালো—গৰ্জি উঠিল তেওঁৰ কঠোৰ হাতৰ মুঠিত সেইটোৱে। লগে লগে বাগৰি পৰিলো মই। তেজেৰে চৌধাৰীৰ বাৰন্দাখন ৰাঙলী হৈ গ'ল। ৰিভল-ভাৰৰ গুলীটো মোৰ পেটত লাগিছিল। স্বপ্নালীয়ে "নৱদা" বুলি চিঞৰি উঠি মোক ধৰি থকা মই গম পাওঁ। তাৰ পাছত আৰু মই একো কব নোৱাৰো। দুদিন পিছত মোক মই আৱিষ্কাৰ কৰো ডিব্ৰুগড় মেডিকেলৰ এই বিশ নম্বৰ বেড-খনত। পিছতহে গম পাইছিলো মৰমৰ বন্ধু ইমৰান, অৰুণী, আব্দুলহতে গাড়ী এখন ধৰি মোক এইখিনি পোৱাইছিলহি। তাৰ পাছত আজি সুদীৰ্ঘ ছমাহ এই বিচনাখনত। ডাক্তৰে অপাৰেচন কৰি মোৰ পেটৰ পৰা বুলেটটো উলিয়াইছিল পঞ্চম দিনা। ক্ৰমে ক্ৰমে এতিয়া মই সুস্থ হৈ আহি আছো।

ঘটনাটো সংঘটিত হোৱাৰ এমাহ পাছত গম পাইছিলো মোক গুলীওৱাৰ পাছত অভিজিৎ চৌধাৰী মানসিক ভাৰসাম্য হেৰুৱাই পেলাই ভুল বকিব ধৰিছিল। পিচত 'ৰাচীৰ' মানসিক চিকিৎ-সালয়লৈ যায় যদিও ঘটনাৰ ২৫ দিনৰ দিনা আত্মহত্যা কৰে। হয়তো নিজে কৰা দুষ্কাৰ্য্যৰ বাবে অনুশোচনাত দগ্ধ হৈয়েই চৌধাৰীয়ে আত্মহত্যা কৰিলে।

কিন্তু স্বপ্নালী! মোৰ বৰ মৰমৰ স্বপ্নালীজনী, মোক এদিন নেদেখিলে অধৈৰ্য্য হৈ পৰা স্বপ্নালীৰ আজি ছমাহেও দেখা দেখি নাই কিয়? পাহৰিলে? No. It is impossible. তেনেহলে দেউতাকৰ এই অপকৰ্মৰ বাবে লাজ? আজি বহাগৰ বিহুৰ কাৰণেই নেকি স্বপ্নালীলৈ এই পুৱাতে বৰকৈ মনত পৰিছে দেখোন। মনটো দেখোন কিবা আবেগ বিহ্বল হৈ উঠিছে।

হঠাৎ মোৰ পিছফালে কাৰোবাৰ উপস্থিতিৰ উমান পাই লাহে লাহে উভতি চালো। অজা-নিতে মোৰ মুখৰ পৰা ওলাই আহিল—স্বপ্নালী তুমি? মোক ক্ষমা কৰা 'নৱদা'। দেউতাৰ এনে ঘৃণনীয় কাৰ্য্যৰ বাবে মই তোমাক মুখ দেখুৱা-বলৈ লাজ পাইছিলো। সাহস গোটাব পৰা

নাছিলো তোমাৰ ওচৰলৈ আহিবলৈ। কিন্তু তোমাৰ সকলো খবৰ মই সদায় বাহিৰৰ পৰাই লৈ আছো। প্ৰায়ে গৈ.ছা তোমাৰ ঘৰলৈ, তোমাৰ মাক প্ৰায়ে পঠাইছো তোমাৰ খবৰ লবলৈ। মুঠতে তোমাৰ বাবে যিমানখিনি কৰিব পাৰো, যিখিনি কৰ্ত্তব্য সেইখিনি কৰিব অৱহেলা কৰা নাই। এটাই ভুল কৰিছো তোমাক দেখা নকৰি। তাৰ বাবে তুমি মোক ক্ষমা কৰা 'নৰদা'।

কি কম, কি বুজাম মই ভাবিব পৰা নাছিলো। মূক হৈ পৰিছিলো মই। কান্ধত লৈ অহা বেগ-খন মোৰ ওচৰত থৈ এটা বেদনা মিশ্ৰিত হুমুনিয়াহ এৰি দি স্বপ্নালী মোৰ বিচনাখনত বহি পৰিল। বেগৰ পৰা ফুলাম গামোছা এখন উলিয়াই মোৰ কান্ধেৰে মেৰিয়াই দিলে। মোৰ ভাব হ'ল সোণৰ চামোচ মুখত লৈ উপজিলেও, বিংশ শতাব্দীৰ উগ্ৰ বস্তু তান্ত্ৰিকতাৰ মাজত উপজিও স্বপ্নালীয়ে নিজ হাতে বোৱা ফুলাম গামোছা আজি বহাগৰ বিহুৰ দিনা মোলৈ উপ-হাৰ দিছে। আনন্দত মোৰ দুচকুৰে চকুলো বৈ আহিল। স্বপ্নালীয়ে চাদৰৰ আচলেৰে মোৰ চকু-পানী খিনি নিশব্দে মচি দিলে। ওচৰলৈ চপাই আনি আবেগত মই স্বপ্নালীক সাবতি ধৰিলো। তেতিয়া মোৰ ওচৰত বৃদ্ধজনে তেওঁৰ সৰু ৰেডিঅ'টো অন কৰি দিলে। অহৰহ মোৰ কাণলৈ ভাহি আহিল—চেনাই তই আহিবি এইবাৰ বিহুতে—

হঠাৎ মনত পৰি গ'ল চিণ্টালৈ। মোৰ মনৰ দাপোণখনত ভাহি উঠিল চিণ্টাৰৰ মৰম লগা মুখখন।

স্বপ্নালীক সাবতি লৈ থাকি মই দেখিলো মাথোন ক'লা, বগা ধূসৰ ৰঙৰ পোহৰ কিছুমান বিচুৰিত হব ধৰা। ●

"এজন মানুহে বেয়োনেটৰ দ্বাৰা সিংহাসন গঢ়িব পাৰে, কিন্তু তেওঁ তাত বহিব নোৱাৰে।" —ডব্লিউ আৰ ইঞ্জে

# ভগা বীণাৰ সুৰ



শ্ৰীহৰনাথ শৰ্মা বৰুৱা
প্ৰাক্ বিশ্ববিদ্যালয়
২য় বাৰ্ষিক (বিজ্ঞান)

ট্ৰেনৰ পৰা নামিয়েই ঘৰলৈ খোজ ললোঁ। বহুদিনৰ মূৰত ঘৰলৈ আহিছো। সেয়ে বাকী থকা ছমাইল বাট উৰি যাওঁ যাওঁ লাগিছে। উৰিটো যাব নোৱাৰো—সেয়ে খোজ কাঢ়িয়েই পালোগৈ। দেউতা ঘৰত নাই। আই আৰু নবৌটিয়ে মোক নোপোৱাই পোৱাদি পাইছে যেন। আল-পৈচান ধৰিয়ে তৰণি পোৱা নাই। কানি-কাপোৰ খুলি গা-পা ধুই ছুটামান চিৰা খাই বাটৰ পিনে আহিলো। গাৰ পৰা ট্ৰেনৰ দোলনি তেতিয়াও মাৰ যোৱা নাছিল। কাণত গুম গুমাই শব্দ কৰি থকা যেন লাগিছিল।

আহিন মাহ। গোটেই পথাৰ সেউজীয়া হৈ উঠিছে। আকাশ ফৰকাল। আকাশত অস্তগামী সূৰুযৰ হেঙুলীয়া আভাই গোটেইখন হেঙুলীয়া কৰি ৰাখিছে। মই পথাৰৰ মাজৰ সৰু আলি-টোৰেদি খোজ ললো পথাৰৰ মাজলৈ। নিয়ৰত ভৰি দুখন তিতি গৈছিল। মৃদু বতাহৰ পৰশত লহপহ কৰি বাঢ়ি অহা ধানৰ গোছবিলাক হালি জালি ঢৌ খেলি গৈছিল। বতাহত গা মন শাত পৰি গৈছিল। মনত নানাভাৱে ভুমুকি মাৰিছিল। বিশেষকৈ ট্ৰেনত লগ পোৱা সেই তিৰোতা-জনীলৈ আৰু তেওঁৰ কথাবোৰলৈ। তেওঁৰ মুখ-খন আৰু কথাবোৰ মনত ভাঁহি উঠিছিল—

"পদ্মাত বান আহিছিল।" তেওঁ কৈছিল। সেই বানতে উটি গৈছিল তেওঁৰ সংসাৰ। গিৰি-য়েকে কাম কৰিছিল ৰাণীগঞ্জৰ এটি কয়লাৰ খনিত। বানপানী প্ৰচণ্ড বেগে বৈ আহিছিল। মাইনবিলাকৰ পৰা মানুহ ওলাই আহিবলৈ

বিপদ সংকেত দিয়া হৈছিল। ট্ৰলীবিলাক মানুহ সহ ওপৰলৈ উঠি আহিছিল। শেষৰ ট্ৰলীখনত আছিল তেওঁৰ গিৰিয়েক। তেওঁলোকো ওপৰলৈ আহিছিল। কিন্তু সকলো শেষ হৈছিল। কেইশ মান ফুট বাকী থাকোতেই বিদ্যুৎ সৰবৰাহ বন্ধ হৈ গৈছিল। গিৰ্‌গিৰাই ট্ৰলী তললৈ নামি গৈছিল। আৰু তাৰ লগে লগে সোমাই গ'ল পানীৰ এটি কোবাল সোঁত। গিৰিয়েক সহ ৮৫ জন ইনজিনিয়াৰ বন্ধুৰাৰ মৃত্যু হৈছিল। পদ্মাৰ বন্যাই বাহিৰতো তাণ্ডৱ লীলাৰ সৃষ্টি কৰিছিল। শ-শ, হাজাৰ-হাজাৰ গৰু-ম'হ-মানুহ উটি গ'ল। চাৰিও ফালে পানী আৰু হাঁহাকাৰ। ধনী লোক-সকলে নাওঁৰে কোনো ওখ ঠাইত আশ্ৰয় লৈছিল; কিন্তু দুখীয়াসকলে কলৰ ভেল বা গছৰ ওপৰত বাহ বান্ধিব লগীয়া হ'ল। ৰাতিৰ ভিতৰতে পানী চাৰিওকাষে আবৰি ধৰিলে। কিন্তু তেওঁ গিৰি-য়েকৰ মৃত্যুৰ বাতৰি নেপালে। নাইট ডিউটিত গৈ ঘুৰি আহিবৰ সময় হৈছিল; তেওঁ ঘুৰি অহা নাছিল—আহিছিল মাত্ৰ পানীৰ কোবাল সোঁত।

তেওঁৰ মুখৰ পিনে মই ভেবা লাগি চাই আছিলো। তেওঁ কৈছিল সেয়াই নহয় আৰু বহুত হৈছিল। "ৰাজু আৰু নিমাক লৈ কি কৰো কি নকৰো অৱস্থা হ'ল। কিছু পিছতেই মাইক যোগে ঘোষণা কৰি গ'ল, পদ্মাই পশ্চিম পাৰৰ মথাউৰি ভাঙিছে। সকলো লোকে যিয়ে যেনেকৈ পাৰে সেই ঠাই ত্যাগ কৰিব লাগে। লগে লগে ঘোষণা কৰিছিল কয়লা খনিত ট্ৰলী একচিডেণ্ট হৈছে। বুকুখন চিৰিংকৈ উঠিছিল। ভগবানক খাটিছিলো তেওঁৰ যেন একো নহয়। চাওঁতে চাওঁতে পানী ঘৰৰ মজিয়াত এককাল হ'ল। এতিয়া কি কৰিম! ওচৰ চুবুৰীয়াৰো কাৰো কালৈকে চাবলৈ আজৰি নাই। যিয়ে যেনেকৈ পাৰে ওখ ঠাই বিচাৰি ভেল বা নাওঁ চলাই-ছিল। মোৰ চকুৰ আগতে জাৰ্চি গাইজনী উটি গৈছিল। গোহালিত থৈ থকা তাইক দানা দিয়া নাওঁৰ দৰে সজা কাঠৰ যতনটো দেখি মোৰ মনত এটা বুধি খেলাইছিল। আমি তিনিওটা সেই যতনটোতে উঠি ওখ ঠাইলৈ বুলি যাত্ৰা কৰিলো। ৫ বছৰীয়া ৰাজুৱে পানী চাই চাই গৈছিল। হঠাৎ এটি বান ডকাত পৰি আমাৰ যতনটো পাক ঘুৰণি খাব ধৰিলে। মই নিমাক সাবটি ধৰিলো; কিন্তু ৰাজু চিটিকি পৰিল পানীত। মই সাহায্যৰ কাৰণে চিঞৰিব ধৰিছিলো। আঁতৰেৰে গৈ থকা নাওঁ এখন আমাক সহায় কৰিবলৈ আহিছিল। জোলোকে জোলোকে পানী সোমাই আমাৰ যতনটো ইতিমধ্যে পূৰ হৈ গৈছিল। আমি বাচিছিলো—কিন্তু ৰাজু, মোৰ ৰাজু উটি গৈছিল।" —মানুহজনী কান্দোনত ভাঙি পৰিছিল। ডবাৰ বাকী বিলাক মানুহে তেওঁৰ পিনে চাইছিল। কিবা ভাৱি তেওঁ আকৌ কবলৈ লৈছিল—

"তাৰ পিছত পাৰ পাইছিলোহি। তাতে গম পাইছিলো শেষৰ ট্ৰলীখনত মোৰ স্বামীও আছিল। মই বাউলী হৈ পৰিছিলো। কিন্তু উপায় নাছিল। সকলো নিয়তিৰ পৰিহাস। অদৃষ্ট ভাগ্য। এটা সময়ত পানী কমিছিল। মানুহ বিলাক আগৰ ঠাইত বহিছিল। ময়ো আগৰ

ঠাইলৈ উভতি গৈছিলো। দুখৰ ৰাতি নাযায় নুপুৱায় যেন হ'ল। বহু আবেদন নিবেদন কৰিও তেওঁৰ ইনচিও'ৰৰ টকা কেইটা উলিয়াব নোৱাৰিলো। কোনোমতে তেওঁৰ পেঞ্চনৰ টকা কেইটাৰে পেট প্ৰৱৰ্ত্তাব ধৰিলো। আৰু আজি তেনেকৈয়ে সোঁতৰ বছৰ পাৰ হ'ল। কিন্তু নিয়তি মোৰ পাছ এৰা নাছিল।

—"নিমা ডাঙৰ হৈ আহিছিল। তাইক ঘৰৰ ওচৰৰ স্কুলখনতে নাম লগাই দিছিলো। তাই মেট্ৰিক পাছ কৰিলে। কিন্তু কলেজত পঢ়াব নোৱাৰিলো। চাকৰিৰ কাৰণে অ'ত ত'ত খবৰ কৰিব ধৰিলো। হঠাৎ এদিনাখন ওলালহি এজন 'চাকৰি ওলাইছে বহুত'—কাইলৈ কলিকতালৈ যাব লাগিব। বিশেষ ভৱা চিন্তা নকৰি তেওঁৰ লগতে নিমাক কলিকতালৈ পঠিয়াই দিলো। যাবৰ সময়ত নিৰুক আৰু মানুহজনক দঢ়াই দঢ়াই কৈ পঠাইছিলো সিদিনায়ে ঘুৰি আহিবলৈ। কিন্তু আজি এমাহ হ'ল তাই ঘুৰি নাহিল।" মানুহ জনীৰ চকু দুটা সেমেকি উঠিছিল। মুখেৰে দীঘল হুমুনিয়াহ এটা ওলাই আহিছিল। "ৰাজুকো হেৰুৱালো আৰু এতিয়া শেষত নিমাকো হেৰুৱালো।" হঠাৎ তেওঁ মূৰ তুলি চালে, "তুমি কলৈ যাবা?" "মই, মই বৰ্দ্ধমানলৈ যাম।" —"মোৰ ৰাজু থকা হলে সাইলাখ তোমাৰ দৰেই হ'লহেঁতেন।" —তেওঁ কলে। মানুহজনীলৈ মোৰ অনুকম্পন জাগি উঠিছিল। ট্ৰেনে দীঘলীয়া উকি মাৰিছিল বৰ্দ্ধমান পাইছিলহি। তেওঁৰ পৰা বিদায় লৈ মই ট্ৰেনৰ পৰা নামি পৰিলো।

—প্ৰায় গধূলিয়ে হৈছিল। কথাবোৰ ভাৱি ভাৱি পথাৰৰ ভিতৰ সোমাইছিলো। ভাৱিলো ঘৰলৈ তাৰাতাৰি খোজ লওঁ। ঘৰ পাওঁতে নবৌ আৰু মাৰ খঙেই উঠি গ'ল। "ইমান দিনৰ মূৰত আহি ঘৰত এক্ষন্তেকো থাকিব নেলাগেনে?" নবৌৰ আক্ষেপ। নবৌৰ খং দেখি মোৰ হাঁহি উঠি গ'ল। ভাৱিলো ঘৰখনৰ মোলৈ ইমান মৰম। বৰ ভাগৰ ভাগৰ লাগিছিল। বিছনাখনত শুই পৰিছিলো। বাহিৰত কোনোবা তিৰোতাৰ মাত শুনিলো। হয়তো যামিনী বাই হব। আমাৰ ঘৰৰ বাৰন্দাখনৰ মজিয়াতে মাৰ সতে তেওঁ বহিল। মোৰ চিলমিল কৰে টোপনি আহিছিল। "আজি সোঁতৰ বছৰ দীপকক তুলি তালি ডাঙৰ দীঘল কৰিলি। পাৰিলে এতিয়া বিয়াখনো পাতি দে।" যামিনী বাইৰ কথা কিষাৰি মোৰ কাণত পৰিলহি। মই যামিনী বাইৰ কথা কিবাৰি এবাৰ জুকিয়াই চালো। মোৰতো বয়স আজি ২২ বছৰ। মোক আকৌ কিয় সোঁতৰ বছৰ তুলি তালি ডাঙৰ দীঘল কৰা বুলি কয়। কথাটোৰ ভিতৰত কিবা ৰহস্য আছে যেন লাগিল। এনতে নবৌ চাহ লৈ ভিতৰ সোমাই আহিল। "দীপক চাহ।" "ওঁ থোৱা চোন" মই কলো। "নবৌ অলপ আহিবাচোন।" "ৰবা মই মা আৰু যামিনী বাইদেউকো চাহখিনি দি লওঁ!"

চাহখিনি দি নবৌ সোমায় আহিছিল। যামিনী বাইৰ কথাখিনি নবৌক কলো। কথাটো শুনি নবৌ অলপ গম্ভীৰ হৈ গ'ল। পৰিবৰ্ত্ত। মই লক্ষ্য কৰিলো। নবৌয়ে কথাটো কবলৈ অলপ ইতস্ততঃ

বোধ কৰিছিল। কিন্তু আগ্ৰহৰ কাৰণে কবলৈ বাধ্য হ'ল। মোক কলে, "দীপক তুমি যেন এই ঘৰখনৰ প্ৰতি বৰ্ত্তমানৰ যিটো ধাৰণা সেইটো সলনি কৰি নোলোৱা। তুমি প্ৰকৃততে এই ঘৰৰ সন্তান নোহোৱা। অৱশ্যে এই কথা মোক তোমাৰ ককাইদেউৰাৰাইহে কৈছে। তোমাক হেনো আজি ২২ বছৰ আগতে বানপানীৰ সময়ত পাইছিল। তুমি পদ্মাৰ বানত উটি আহিছিলা। তোমাৰ বৰ্ত্তমানৰ দেউতাৰাই তাত ৰিলিফৰ কাম কৰিছিল। তেওঁলোকে নাৱেৰে গৈ থাকোতে হেনো তুমি পানীত ওপঙি আহিছিলা। বহু চিকিৎসাৰ ফলত তুমি জী উঠিছিলা। আৰু তাৰ পিছৰখিনি হয়তো তোমাৰ কিছু কিছু মনত আছে।

মন উন্মাদ হৈ উঠিছিল। মই কিয় ট্ৰেনত লগ পোৱা তিৰোতাজনীৰ পৰিচয় নললো, কিয় ক'ত যাব নুসুধিলো। নৰো উঠি গৈছিল। তেওঁৰো চকু দুটা সেমেকি গৈছিল। বহু সময় বিচনাত চট্‌ফটাই থাকিলো। পুৱাই ৰাণীগঞ্জলৈ যাম বুলি ঠিক কৰিলো। দূৰত দুই বজাৰ কোব পৰিছিল। তাৰো দূৰৈত ট্ৰেনৰ উকি ৰিণি ৰিণি ভাহি আহিছিল। ●

"দুটা কৰ্মই মানুহৰ দুৰ্বলতা বুজায়—প্ৰয়োজনত নিমাতে থকা আৰু অপ্ৰয়োজনত কথা।" —পাৰস্থীয় নীতিকথা।




শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী
স্নাতক মহলা (কলা)

আবেলিৰ কিনকিনীয়া বৰষুণ জাকে ফুৰিবলৈ ওলাই যোৱা ডেকা-গাভৰু জাকক হতাশ কৰি আগফালৰ বাৰান্দাত ইফাল সিফাল কৰি ৰখাৰ দৰে অভিযন্তা প্ৰশান্ত বৰুৱাও কাম থকা স্বত্বেও কৰ্মচাৰী ভবেন কলিতা আহি নোপোৱাৰ কাৰণে কলৈকো যাব পৰা নাই। মনত বহুত চিন্তা, খং আৰু ক্ষোভেৰে মানুহজন অস্থিৰ। ইটোৰ পাছত সিটো চিগাৰেট জ্বলাই চুকত থকা বেতৰ চকীখনতে বহি পৰিল।

ঘৰৰ পিছফালৰ দুৱাৰ খিৰিকিবোৰ জপাই জয়মতী আগফালৰ বাৰান্দা পালেহি। গিৰি-য়েকক এইদৰে মনমাৰি বহি থকা দেখি চকিখনৰ পিছফালে থিয় হৈ মূৰত হাত থৈ চুলিকেইডাল লাহি লাহি সুধিলে, তোমাৰ বাৰু মূৰ কামুৰিছে নেকি? এই মূৰা সোপা কমাই খাবলৈ কলেও নুশুনে। ৰাতি কিন্তু মোক আমনি নকৰিবা।

লোহাৰ গেটখন খোলাৰ শব্দ শুনি দুয়ো মূৰ ডাঙি গেটৰ ফালে চালে। কণা-মুনা লগাৰ দৰে মানুহজনৰ মুখখন চিনিব নোৱাৰি। ভবেনে গেটখন খুলি অভিযন্তা চাহাবক বাৰান্দাতে শ্ৰীমতীৰ লগত দেখি অলপ দূৰতে থিয় হৈ ৰল। ভবেনক দেখা মাত্ৰকে বৰুৱাৰ খঙে চুলিৰ আগ পালেগৈ।

বহি থকা চকিখনৰ পৰা উঠি ভবেনৰ সন্মুখত থিয় হৈ নানা বাক্য বাণেৰে তিৰস্কাৰ কৰিবলৈ ধৰিলে। আনকি চাকৰিৰ পৰা পদত্যাগ কৰি গাওঁৰ ঘৰত গৈ হালৰ মুঠিত ধৰিবলৈকো উপদেশ দিবলৈ নাপাহৰিলে।

চাহাবৰ কথা শুনি ভবেনৰ জঠৰ লাগিল। কিছু সময় এইদৰে পাৰ হৈ যোৱাৰ পাছত গত্যন্তৰ নেদেখি এদিন এৰাতি অনাহাৰে অনিদ্ৰাই থাকি জালুকবাৰী আৰক্ষী চকীৰ পৰা সাক্ষী হিচাবে উপহাৰ পোৱা অৰ্থাৎ ১৫১ ধাৰা (IPC151) মতে গ্ৰেপ্তাৰ বৰণ কৰা কাগজখন তেখেতৰ চকুৰ আগত দাঙি ধৰিলে। বৰুৱাই ভবেনৰ হাতৰ পৰা কাগজখন লৈ আচৰিত বস্তু চোৱাৰ দৰে কাগজখনৰ ফালে বহু সময় একেথৰে চাই থাকিল।

চাৰ মোক ক্ষমা কৰিব।

ভবেনৰ মাততহে যেন বৰুৱাই চেতনা ঘূৰাই পালে। মৰমীয়াল শিক্ষকৰ দৰে তেওঁ ভবেনক সকলো কথা খুলি কবলৈ অনুৰোধ কৰিলে।

পৰিস্থিতি সহজ হোৱা যেন পাই জয়মতীয়ে ৰখা ল'ৰাটোক চাহ তিনি কাপৰ বাবে আদেশ দি তুয়োকে ভিতৰলৈ আহিবলৈ কৈ এপাক ৰান্ধনি ঘৰৰ পৰা আহি তুৱাৰখন বন্ধ কৰি দি নিজেও এখন আসন অধিকাৰ কৰি বহি লৈ ভবেনৰ কথাবোৰ আগ্ৰহেৰে শুনি যাবলৈ ধৰিলে।

ভবেনে এজন অভিজ্ঞ লোকৰ দৰে সেই নাৰকীয় কাহিনী এফালৰ পৰা সুন্দৰকৈ আৰম্ভ কৰিলে।

মঙলদৈ চহৰৰ পৰা নাতিদূৰত থকা শান্তিপুৰৰ বান-নিয়ন্ত্ৰণ বিভাগৰ অভিযন্তাৰ পৰা আৱশ্যকীয় নক্সাখন লৈ চৰকাৰী বাছ চেণ্ডিকেটলৈ ৰাওনা হলো। ষ্টেচন পাই গম পালো ছয় বজাৰ আগত আৰু গুৱাহাটীলৈ গাড়ী নাই। ইফাল-সিফাল কৰি ঘূৰি থাকোতে ৰাস্তাত মিনি বাছ এখনৰ পৰা গুৱাহাটী গুৱাহাটী বুলি চিঞৰা শুনি বাছখনৰ ওচৰলৈ ঢাপলি মেলিলো। সুধি গম পালো ধেমাজীৰ পৰা আহিব লগীয়া বাছখনৰো কোনো নিশ্চয়তা নাই। গাড়ীৰ ওচৰ পাই চিট হব নেকি সোধাত আগৰ চিট এটা দেখুৱাই দিলে। ভাৰাৰ কথা নুসুধি চিটটোত বহি পৰিলো। যাত্ৰীবোৰৰ মুখৰফালে লক্ষ্য কৰিলো, এজনো চিনাকি মানুহ নাই। চিনাকি মানুহ এজনো নোহোৱাৰ বাবে এই দীঘলীয়া পথছোৱাৰ কথা ভাৱি বেয়াও লাগিল। চিনাকি মানুহ এজন পোৱা হলে ভ্ৰমণটো ভাল লাগিলহেঁতেন; কিন্তু সেইটোও নহ'ল। আহিবৰ সময়ত তাইকো দেখা নাপালো। মনটোও কিবা-কিবি লাগি আছিল।

গাড়ীৰ হেণ্ডিমেনজনে আকৌ এবাৰ গুৱাহাটী, গুৱাহাটী বুলি চিঞৰি গাড়ীখন যাবলৈ ইঙ্গিত দিলে। লৰা-লৰিকৈ এজন মানুহ গাড়ীত উঠিলহি। হেণ্ডিমেনজনে জোৰেৰে দৰ্জাখন বন্ধ কৰি দিলে। গাড়ীখন তীব্ৰ গতিত গুৱাহাটী অভিমুখে দৌৰিবলৈ ধৰিলে। ক্ৰমান্বয়ে গাড়ীৰ গতি তীব্ৰ হৈ গ'ল। কিছু বাট যোৱাৰ পাছত গাড়ীখন ৰখাই ড্ৰাইভাৰজন নামি গ'ল। হেণ্ডিমেনজনে কৰ্ত্তব্য পালন কৰি গুৱাহাটী, গুৱাহাটী বুলি চিঞৰিবলৈ

ধৰিলে। গাড়ীৰ পৰা কেইজনমান যাত্ৰী নামি গৈ মাছ কিনি ললে। যাত্ৰীসকলৰ মাজত গুণ-গুণনি শুনিবলৈ পালো। ঠাইখনত হেনো মাছৰ দাম খুউব কম। ঠাইখনৰ নাম জানিবৰ মান-সেৰে খিৰিকিৰে মূৰটো বাহিৰ উলিয়াই ওচৰৰ দোকান এখনত আঁৰি থোৱা চাইনবোৰ্ড এখন পঢ়ি গম পালো ঠাইখনৰ নাম ছিপাঝাৰ। হেণ্ডিমেনজনৰ ইঙ্গিতক্ৰমে ড্ৰাইভাৰে গাড়ী চলাবলৈ আৰম্ভ কৰিলে। এনেতে এজন ল'ৰা আহি হেপাই-ফেপাই কিবা সুধিলে। ড্ৰাইভাৰে হব বুলি কোৱাত ল'ৰাজনে কোনো আপত্তি নকৰি হাতৰ পৰা ব্ৰীফ কেচটো চিটত থৈ লগৰ কেইজনক বিদায় সম্ভাষণ জনালে আৰু পিছৰ চুক এটাত বহি পৰিল। আমাৰ গাড়ী গুৱাহাটী অভিমুখে দৌৰিবলৈ ধৰিলে।

চাহ আহি পোৱাত জয়মতীয়ে দুয়োকে চাহ খাবলৈ ইঙ্গিত কৰিলে। ভবেনে চাহত হোপা মাৰি গোফঁৰ তলেৰে তৃপ্তিৰ হাঁহি এটা মাৰি পঠিয়ালে। বিস্কুট এখন মুখলৈ নি ভাৱিলে—বাইদেউজনী সঁচাকৈয়ে ধুনীয়া দেই। চাই থাকিলে যেন হেপাহ নপলায়। আৰু এখন বিস্কুট আৰ চলেৰে আকৌ এবাৰ মুখলৈ চাই কবলৈ ধৰিলে ঃ

গুৱাহাটী পাবলৈ তেতিয়াও কিছুদূৰ বাকী আছে। চাংসাৰি ৰেল-গেট পাই দেখো পুলিচ, চি আৰ পি জুম বান্ধি বান্ধি আছে। ঘটনাৰ একো অনুমান কৰিব নোৱাৰিলো। আমাৰ গাড়ীখনক কিবা ইঙ্গিত কৰিছিল নেকি মন নকৰিলো। আমাৰ গাড়ীখন আকৌ একেই গতিৰে আগবাঢ়ি গৈ থাকিল। গাড়ীখন আহি মহাবাহু ব্ৰহ্মপুত্ৰৰ ওপৰৰ দলং পাওঁ পাওঁ—এনেতে দেখিলো বহুটো বাছ, ট্ৰাক, জীপ আৰু টেক্সি লাইনৰ পাছত লাইন। এজন পুলিচ আহি আমাৰ গাড়ীখন ৰখাই কলৈ যাব সুধিলে। ড্ৰাইভাৰে বিনম্ৰভাৱে উত্তৰ দিলে। এজনে আহি আমাৰ গাড়ীখন সুলীয়া ঠাইলৈ নিবলৈ কলে। ড্ৰাইভাৰে নিৰ্দ্দেশ পালন কৰি গৈ থাকিল। এনেতে এদল চি আৰ পি আহি আমাৰ গাড়ীখন ঘেৰি ধৰিলে। এজন পুলিচ বিষয়া গাড়ীৰ ভিতৰলৈ আহি আমাৰ নাম ঠিকনা লোৱাৰ উপৰিও কোন যাত্ৰী কলৈ যাব সুধি লৈ দিন লিপিখনত লিপিবদ্ধ কৰিলে। এজন কনিষ্টবলৰ হতুৱাই আমাৰ বস্তু-বাহানীবোৰৰ ওপৰত খানা-তালাচি চলালে। পুলিচৰ কাণ্ড দেখি অবাক। প্ৰতিবাদ কৰিব খুজিও মনে মনে থাকিলো। আমাৰ গাড়ীখনত সন্দেহজনক মানুহ থকা বুলি কৈ গাড়ীখন সংস্ৰ পুলিচ চি আৰ পিৰ দ্বাৰা পহৰা দি ওচৰৰে জালুকবাৰী আৰক্ষী চকীলৈ লৈ আহিল। মোৰ চুলিৰ আগেদি জীৱ উৰি গ'ল।

আমি প্ৰত্যেকে প্ৰত্যেকক সন্দেহৰ চকুৰে চাবলৈ ধৰিলো। তেতিয়া সময় ৭ বাজি ৩০ মিনিট। ভাবিলো আজি আৰু নগাওঁলৈ যোৱা নহব। ৰাতিটো মাহীদেউৰ ঘৰতে থাকি ৰাতি পুৱাৰ প্ৰথম গাড়ীতে যাব লাগিব। আৰক্ষী চকী গৈ পোৱাত আমাক আকৌ তালাচি কৰে। মই মোৰ পৰিচয় পত্ৰ আৰু নক্সাখা দেখুৱাই আজিয়েই যে নগাওঁ পাবগৈ লাগে আৰু গৈ

নেপালে যে মোৰ চাকৰিটো টনাটনি হব, সেই কথাও কৈ মোক এৰি দিবলৈ বিষয়া কেইগৰাকীক অনুৰোধ জনালো। মোৰ দৰে আন আন যাত্ৰীসকলেও অনুৰোধ জনালে। তেওঁলোক হেনো ৰখি থকাৰহে গৰাকী। এৰি দিয়াৰ গৰাকী নহয়। কথা শুনি মুক্তিৰ আশা ত্যাগ কৰি ভগবানকেই স্মৰণ কৰিলো। হে, ভগবান! এয়া তোমাৰ কি লীলা! আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াজনে কোনোবা ওপৰৱালাৰ ওচৰলৈ ঢাপলি মেলিলে। প্ৰায় আধাঘণ্টামান পিছত বিষয়াজন ঘুৰি আহি আমাৰ লগত থকা বিহাৰী, মাৰোৱাৰী আৰু বঙালী নামধাৰী ব্যক্তি কেইজনক ব্যক্তিগত মুচুলকাত এৰি দিবলৈ হুকুম আহিছে বুলি কলে। তেওঁলোকক বগা উকা কাগজত চহী কৰি যাবলৈ আদেশ দিলে। মোৰ মূৰৰ ওপৰত যেন বজহে পৰিল। মোৰ চিঞৰি কবলৈ মন গ'ল, মই আজিৰ পৰা মোৰ জাতি ধৰ্ম······; আৰু ভাৱিব নোৱাৰিলো। নিশা প্ৰায় ৯ বাজি ৩০ মিনিট। অসমীয়া নামধাৰী আমি চাৰিটা প্ৰাণী তাত চট্‌ফটাই থাকিলো। ঘটনাটো একো বুজিব নোৱাৰি পুলিচ এজনক সুধিলো।

হেৰি ডাঙৰীয়া ঘটনাটো কি হে!

পুলিচজনে ইফালে সিফালে চাই ওচৰলৈ আহি লাহেকৈ কলে অহা কালি "সদৌ অসম ছাত্ৰ সন্থা"ই জৰ্জ খেলপথাৰত "গণ-সমাৱেশ" পাতিছে। অসমৰ পৰা হেনো বিদেশী বহিষ্কাৰ কৰিব লাগে। আৰু বৰমূৰীয়াসকলৰ মূৰৰ বিষ উঠিছে। সেই কাৰণে আজিৰ পৰাই বিহাচেল দিছে। ওপৰৰ নিৰ্দ্দেশ, সমাবেশখন ব্যৰ্থ কৰিবই লাগিব। কোনোবা পুলিচ বিষয়া অহা গম পাই পুলিচজন আতৰি গ'ল। সেই সময়ত মোৰ আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্ৰাহাম লিঙ্কনে দিয়া গণতন্ত্ৰৰ সংজ্ঞাটোলৈ বাৰে বাৰে মনত পৰিল—"Democracy is a government of the people, for the people and by the people"। কিন্তু হায়! দুৰভগীয়া লিঙ্কন আপোনাৰ সেই সংজ্ঞা হতভগীয়া অসমীয়াৰ ক্ষেত্ৰত নৰজিল।

মুক্তিৰ আশা ত্যাগ কৰি অসমীয়া নাম ধাৰি চাৰিওজন এখন বেঞ্চত বহি পৰিলো। আমাৰ পৰিচয়ৰ বিনিময়ত গম পালো এজন চৰকাৰী ডাক্তৰ। মিঃ ভূঞা। গুৱাহাটীত ঘৰ। মাজবাটত চাকৰি কৰে। এজনৰ নাম মিঃ চৌধুৰী। মঙলদৈত ঘৰ। কলেজত পঢ়ি আছে। আনজনৰ ঘৰ ওৰাঙত। নামটো পাহৰিলো। তেখেতৰ বয়স কিন্তু যাঠি সত্তৰ বছৰ হব। বাৰনায় সংক্ৰান্তত গুৱাহাটীলৈ আহিছিল। আৰু মই ভৱেন কলিতা ঘৰ নগাওঁ বুলি পৰিচয় হলো।

ৰাতি ক্ৰমে গভীৰ হৈ আহিছিল। ভোক আৰু পিয়াহত অষ্ঠ কণ্ঠ শুকাই যাব ধৰিলে। অৱস্থা বুজি ডাক্তৰজনে ওৰাঙৰ পৰা ঘৰলৈ অনা ৰসগোল্লা কেইটা আটায়ে ভগাই খালো। মাছ-কেইটা পুলিচ কেইজনকে খাবলৈ দিলে। এনেতে আমাক কোনোবা ডাঙৰ অফিছাৰ আহিব বুলি কৈ লোহাৰ চিক থকা সৰু ৰুম এটাত সুমুৱাই দি তলা মাৰি দিলে (লকআপ)। অ. ড্ৰাইভাৰ

আৰু হেন্দিমেন ছুজনৰ কথা কব পাহৰিছিলো-ৱেই। সিহঁত দুয়ো আমাৰ লগে লগে। ডাঙৰ অফিছাৰজনৰ আগমণৰ বাতৰি পাই ভালো লাগিল। জানোছা এইবাৰ সু-মতি হয়েই। ল'ক আপৰ পৰা নমস্কাৰ জনাই মোক এৰি দিবলৈ অনুৰোধ জনালো। মোৰ অনুৰূপ ব্যৱস্থা ডাক্টৰ, ড্ৰাইভাৰ, হেন্দিমেন আৰু বুঢ়াজনেও ললে। ডাক্টৰজনে চিনি পোৱা কোনোবা ডাঙৰ অফিছাৰৰ নামো ব্যক্ত কৰিলে। ফোনেৰে কথাও পাতিলে। কিন্তু ফল নধৰিলে। বুঢ়াজনেতো হাত দুখন যোৰ কৰি কপালত ৰাখিয়েই থৈছিল। বেছেৰা বুঢ়াজনলৈ বেয়াও লাগে। লগত লৈ অহা মাৰোৱাৰীজনে সাক্ষীও দিছিল! কিন্তু ফল নধৰিলে। ছাত্ৰজনে কিন্তু একো ওজৰ আপত্তি কৰা নাছিল। সকলোৰে অলেখ লেখ চাই আছিল।

নিশা প্ৰায় এক বাজি ত্ৰিশ মিনিট। এদল সাধাৰণ সাজ পাৰ পৰিহিত মানুহ সোমাই আহি আমাক পোনেই প্ৰশ্ন কৰিলে। ছাত্ৰজন কেতিয়াৰ চিনাকি। অৰ্থাৎ চৌধুৰীৰ লগত। আপোনালোকৰ এই কাৰবাৰ নহয়। কাকো ক্ষমা কৰা নহয়। প্ৰশ্ন শুনি অবাক। ড্ৰাইভাৰজনকতো বুকুত ধৰি দুঘোচা মাৰিয়েই দিলে। বেচেৰাই কান্দি দিলে। ডাক্টৰ আৰু মই সজোৰে প্ৰতিবাদ কৰিলো। আমাৰ লগত ছাত্ৰজনৰ কোনো সম্বন্ধ নাই। আমি মাত্ৰ এ.কখন গাড়ীৰে যাত্ৰী।

এইবাৰ মানুহজাকে আমাক এৰি ল'ৰাজনক লক-আপৰ পৰা বাহিৰলৈ উলিয়াই আনি সকলোৰে মাজত বহুৱাই লৈ জাউৰিয়ে জাউৰিয়ে প্ৰশ্ন কৰিব ধৰিলে। উত্তৰবোৰ আটাই কেইজনে লিপিবদ্ধ কৰিলে। যেন প্ৰেছমেনহে; কোনোৱা ৰাষ্ট্ৰৰ মুৰব্বীয়ে সাংবাদিকক প্ৰশ্নৰ উত্তৰ দিছে। ছাত্ৰজনে অতীত বৰ্ত্তমান সকলোবোৰ প্ৰশ্নৰ উত্তৰ দি গ'ল। আমাৰ লগত কেতিয়াৰ পৰা চিনাকি বুলি প্ৰশ্ন কৰাত ল'ৰাজনে ক্ষন্তেক আগতে চিনাকি হোৱাৰ কথা কলে। বিশ্বাস কৰিছিল নে নাই কব নোৱাৰো। কিন্তু ছাত্ৰজনৰ কথা সত্য। ছাত্ৰজনৰ উত্তৰত গম পালো বিদেশী বহিষ্কাৰ আন্দোলনৰ গুৰি ধৰোতা। সমাবেশত যোগদান কৰিবলৈ আহিছিল। নানা প্ৰশ্নৰে ছাত্ৰজনক ব্যতিব্যস্ত কৰিবলৈ চেষ্টা কৰিছিল যদিও ছাত্ৰজনে হাঁহি হাঁহি সকলো প্ৰশ্নৰ উত্তৰ দিছিল। প্ৰশ্নৰ মাজতে বোমা, বন্দুক, পিষ্টল, ৰাইফল আৰু হত্যাকাণ্ডৰ কথা শুনি আমি ভয়তে পেপুৱা লাগিলো। আমাৰ আৰু বুজিবলৈ বাকী নাথাকিল, পুলিচে কি বিচাৰিছিল। দলটো যে চোৰাংচোৱা বিভাগৰ তেতিয়াহে গম পালো।

ৰাতিপুৱাৰ বেলিটোৱে পূৱ আকাশত ভুমুকি মৰাত শান্তিৰ নিশ্বাস পেলালো। যেন এটি বিভীষিকাময় যুগৰহে অবসান ঘটিল। ৰাতিপুৱাতে খিৰিকিৰে দেখা চৰকাৰী বেচৰকাৰী গাড়ীত সহস্ৰ পুলিচ, চি আৰ পিয়ে পিয়াপি দি ফুৰিছে। গোটেই ৰাস্তাতে বন্দুকধাৰী বি এছ এফ আৰু চি আৰ পি। যেন অলপ পিছতে অন্য ৰাষ্ট্ৰৰ লগত যুদ্ধহে হব। টেবুলৰ ওপৰত

থকা ফোনটো বাৰে বাৰে বাজিবলৈ ধৰিলে। গোটেই আৰক্ষী চকীখন দুটা, তিনিটা, চাৰিটা ষ্টাৰ লগোৱা পুলিচ অফিছাৰেৰে ভৰি পৰিল।

চাৰ! দৰং জিলাৰ পৰা প্ৰায় বিশ, পশিচখনমান গাড়ীত শ শ ছাত্ৰ-ছাত্ৰী আৰু জনসাধাৰণ। পুলিচ, চি আৰ পিৰ প্ৰয়োজন। বৰপেটা, নলবাৰীৰ পিনৰ পৰা শ শ গাড়ী······। চাৰ গোৱালপাৰা নগাওঁ যোৰহাটৰ পিনৰ পৰা হাজাৰ হাজাৰ ········। পুলিচ, চি আৰ পি·········। আৰু নুশুনিলো। আনন্দত মনটো খৌকি বাথৌ কৰিবলৈ ধৰিলে। এনেতে এজন অফিছাৰে আহি কলে যে আমাৰ মুক্তিৰ নিৰ্দ্দেশ হৈছে। আমাক যেন পৃথিবীৰ ভিতৰতে আটাইতকৈ ভাল খবৰটো এই বিষয়াজনেহে দিলে। কোনো কথালৈ চিন্তা নকৰি চহী কৰিবলৈ দিয়া কাগজখনত চকু মুদি চহী কৰি আনখন কাগজ হাতত লৈ ওলাই আহিলো; ৰাষ্টাত আহি ঘড়ীটোলৈ চাই দেখো বাৰ বাজিবলৈ পাচ মিনিট। সময় নষ্ট নকৰি লৰালৰিকৈ বাছ ষ্টৈচন বুলি খোজ ললো। আহিবৰ সময়ত ল'ৰাজনক মাত এষাৰ দিবলৈও সাহস গোটাব নোৱাৰিলো।

আমি অহা সময়লৈকে ছাত্ৰজনক 'চোৰাং চোৰা' জাকে প্ৰশ্ন কৰিয়েই আছিল। সম্ভৱ সি হয়তো কোনোবা লৌহ কাৰাগাৰত অনাগত দিনলৈ বন্দী। প্ৰশ্ন হয় দেশৰ সংবিধান আইন কানুন জনসাধাৰণৰ বাবে নহয় জানো?

সেইবোৰ তোমাৰ মোৰ আলোচনাৰ বিষয় নহয়। দেশৰ সিংহাসন আৰু তাৰ ওচৰে পাজৰে এতিয়াও বহু মানুহ চক্ৰাকাৰে ঘুৰি আছে। এইখন লোৱা। ভালদৰে ৰাখি থবা। কেতিয়াবা কিজানি তোমাৰ ভাগ্য সু-প্ৰসন্ন হয়েই।

মই যেন চিঞৰি কম—তইঁতৰ দৰে মানুহবোৰৰ বাবেই দেশৰ আজি এই অৱস্থা। গাড়ী, ঘোঁৰা, ল'ৰা ছোৱালী, টকা পইচা এইবোৰৰ বাদে····। মই আৰু ভাৱিব নোৱাৰিলো। একে উশাহেৰে গেটখন খুলি ঘৰলৈ খোজ ধৰিলো। ●

[অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ পটভূমিত ৰচিত। সম্পূৰ্ণ সত্য কাহিনী। ৰচনা কাল ১১ নৱেম্বৰ '৮১ জিলা কাৰাগাৰ তেজপুৰ।]

# মধুৰ মিলন



শ্ৰীনাৰায়ণ চন্দ্ৰ নাথ
প্ৰাক্ বিশ্ববিদ্যালয়
২য় বাৰ্ষিক (কলা)

অতীজৰে পৰা সেই কহুৱা তলি ডবাৰ মাজত সেই সোণনৈ নামৰ গাওঁখনি অৱস্থিত। গাওঁখনিৰ চাৰিওফালে গছ-গছনিৰে ভৰপূৰ। প্ৰাকৃতিক সৌন্দৰ্য্য অতি চকুত লগা। ওচৰেৰে বৈ গৈছে কুলু-কুলু সুৰেৰে এটি সৰু নিজৰা। এই নিজৰাটিয়ে সুদূৰ অতীতৰ স্বাক্ষৰ বহন কৰি আহিছে। ইয়াৰ পাৰতেই মানুহৰ ঘন জন বসতি। সৃষ্টিৰ পাতনিৰে পৰা এই গাওঁত ধনী-দুখীয়াকে আদি কৰি বিভিন্ন ধৰণৰ মানুহে বসবাস কৰি আহিছে। সেই ধনী-দুখীয়া সকলোৰে মাজত আছিল এটি কষ্ট সহিষ্ণু, ওৰে জীৱন দুখৰ বোজা কঢ়িয়াই লৈ অহা এটি পৰিয়াল। সেই পৰিয়ালটো তিনিটি প্ৰাণীৰে গঠিত আছিল। সেই তিনিটি প্ৰাণী হ'ল নিদাৰুণ চলিহা, তেওঁৰ মাক গুণৱতী আৰু সৰু ভায়েক অপৰূপ চলিহা। এই তিনিটি প্ৰাণীৰেই সিহঁতৰ সংসাৰখন। নিদাৰুণ আৰু অপৰূপ সৰু অৱস্থাত থাকোতেই সিহঁতৰ পিতৃ ৰঞ্জন চলিহা আৰু সৰু ভনীয়েক অনিতা নিয়তিৰ কাল গ্ৰাসত পৰি জীৱন এৰিছিল। সিহঁতৰ পিতৃয়ে সিহঁতক কৰি থৈ গ'ল নিঃসহায় আৰু

অকলশৰীয়া। যি নহওক সিহঁতৰ মাটি-বাৰী বুলিবলৈ অলপো নাছিল। কিবা অলপ আছিল যদিও দেউতাক আৰু ভনীয়েকৰ অসুখত মাকে সকলো বিক্রি কৰি পেলাইছিল। সেয়েহে অতি দুখ কষ্টৰ মাজেৰে সেই প্রাণী তিনিটিয়ে জীৱন অতিবাহিত কৰিবলগীয়া হৈছিল। সেই মাক জনীয়ে ক'ৰবাৰ পৰা খুজি মাগি আনি যি পাইছিল তাকে খুৱাইছিল পুতেকহঁতক। কেতিয়াবা তাৰ মাজতে লঘোনেও থাকিব লগা হৈছিল। ইমান দুখ কষ্টৰ মাজতো মাকে নিদাৰুণ আৰু অপৰূপক ওচৰৰে প্রাইমাৰী স্কুল এখনত নাম ভৰ্তি কৰি দিলে। নিদাৰুণ সৰুৰ পৰাই পঢ়াত বৰ মেধাবী আছিল। সি ক্রমান্বয়ে পঢ়াত উন্নতি লাভ কৰি অতি কম দিনৰ ভিতৰতে প্ৰৱেশিকা পৰীক্ষা অতি সুখ্যাতিৰে পাছ কৰিলে। এতিয়া উচ্চ শিক্ষা লবৰ কাৰণে নিদাৰুণৰ ইচ্ছা আছিল যদিও আৰ্থিক দুৰৱস্থাৰ কাৰণে সকলো বাদ দিবলগীয়া হৈছিল। অৰ্থাৎ ইমানৰ পৰাই নিদাৰুণৰ ছাত্ৰ জীৱন শেষ হ'ল। অপৰূপেও প্রাইমাৰীখন পাছ কৰিয়েই পঢ়িব বাদ দিলে। কাৰণ ক্রমান্বয়ে মাকে সিহঁতক পোহপাল দিব নোৱাৰা হৈ আহিল।

কিন্তু নিদাৰুণ চলিহাৰ পঢ়াৰ ইচ্ছা অতি প্রৱল আছিল। সি নিজৰ মনটোক দমাই ৰাখিব পৰা নাছিল। তাক এতিয়া বহুতো চিন্তাই জুমুৰি দি ধৰিলে; তাৰ মাক ভায়েকক লৈ, লগতে নিজৰ ব্যক্তিগত জীৱনটিক লৈ ইত্যাদি বহু ধৰণৰ চিন্তা তাৰ মনত দিনে নিশাই আহিব ধৰিলে। সি আন একো উপায় নেদেখি এদিন ৰাতি হাতত সাৰে ভৰিত সাৰে, মাক আৰু ভায়েক নিদ্রাদেৱীৰ কোলাত থাকোতে বাহিৰ হৈ গৈছিল। সি ঘৰৰ পৰা একেবাৰে ওলাই গৈছিল; কিন্তু সি ক'ত যাব তাৰ নিশ্চয়তা নাই। সি মাথো সেই গভীৰ নিশা অকলে গৈ আছে, তাৰ ঘৰৰ পৰা পূৱমুৱাকৈ। এনেকৈ নিদাৰুণ বহুদূৰ গ'ল। বাটত যাওঁতে সি নানা ধৰণৰ চিন্তা কৰিব ধৰিলে। সি মাক ভায়েকৰ চিন্তা বাদ দিলে। সি মাথো কেনেকৈ জীয়াই থাকিব তাক লৈয়ে তাৰ চিন্তা। এনেকৈ গৈ থাকোতেই এটি জাহাজ ঘাট পালেগৈ। তেতিয়া পূৱ আকাশত ধল ফাট দিলে। জাহাজ ঘাট পাই তাত কিছু সময় ৰ'ল।

এনে অৱস্থাতে এজন ভদ্রলোকে নিদাৰুণক লগ পাই চাকৰ থাকিব নেকি সোধাত সিও নভৰা নিচিন্তাকৈ থাকিম বুলি কলে। তেতিয়া ভদ্রলোকজনে নিদাৰুণক লৈ গ'ল। বাটত যাওতে ভদ্রলোকজনৰ হাতত থকা বেগটো আনি সি নিজে ললে। বাটত যাওঁতে নিদাৰুণৰ মাক ভায়েকলৈ মনত পৰিল যদিও এমুঠি অন্নৰ বিনিময়ত সকলো পৰিত্যাগ কৰিলে।

সেই ভদ্রলোকজনৰ ঘৰ আছিল জাহাজ ঘাটৰ পৰা প্ৰায় ৬ কিলোমিটাৰ দূৰৈত। অৱশেষত তেওঁলোক পালেগৈ। ঘৰ পোৱাৰ পাছত ভদ্রলোকজনে নিদাৰুণৰ হাতৰ পৰা বেগটো নি থৈ দিলে আৰু তাক হাত ভৰি ধুব দি বহিব দিলে। চাহ জল-পান খোৱাৰ ব্যৱস্থা কৰি দিলে। চাহ জল-পান খোৱা শেষ হোৱাৰ পাছত ঘৰৰ আটাইয়ে লগতে ভদ্রলোকজনেও তাৰ পৰিচয় সুধিলে। তেতিয়া নিদাৰুণে সিহঁতৰ জীৱনৰ

করুণ ইতিহাস দাঙি ধৰিলে। গোটেই বৃত্তান্ত শুনি ভদ্ৰলোকজন আৰু তেওঁৰ ঘৈণীয়েকৰ তাৰ প্ৰতি পুতৌ উপজিল আৰু মনে মনে নিদাৰুণকো তেওঁলোকৰ পৰিয়ালৰ অন্তৰ্ভুক্ত কৰিবলৈ ভাৱি আছিল। কিয়নো তেওঁলোক আছিল পুত্ৰহীন। দুখ কষ্টৰ মাজত ডাঙৰ হৈছিল যদিও নিদাৰুণৰ স্বাস্থ্য আছিল সুন্দৰ সুঠাম। নিদাৰুণক তেওঁ-লোকৰ পুত্ৰ বুলি ভাৱিয়েই তাক থকা মিলাৰ সুবিধা ভালকৈ দিছিল।

সেই ভদ্ৰলোকজনৰ নাম আছিল মনোৰঞ্জন বৰুৱা। তেওঁৰ ঘৈণীয়েক আছিল অঞ্জনা বৰুৱা আৰু ছোৱালীজনীৰ নাম আছিল মধুমিতা বৰুৱা। তেওঁলোকৰো মাত্ৰ তিনিটি প্ৰাণীৰ সংসাৰখন। পুত্ৰ সন্তান নাছিল। মনোৰঞ্জন বৰুৱা সেই অঞ্চলটোৰ এজন বিখ্যাত লোক। তেওঁক নজনা মানুহ কোনো নাই। তেওঁ নিজে ধনী আছিল যদিও দুখীয়াক একেবাৰে ঘিণ কৰা নাছিল। ঘৈণীয়েকো আছিল তেওঁৰ দৰেই দয়ালু। মধুমিতাৰ মাকে নিদাৰুণৰ ব্যৱহাৰত খুব ভাল পাইছিল আৰু মনে মনে ভাৱি আছিল ঘৰ জোৱাঁই কৰি ৰখা। কিন্তু জীয়েক মধুমিতাৰ মনো-ভাৱটো একেবাৰে বেয়া আছিল। তাই বৰ গৰ্বিতা আছিল। তাই নিজকে বহুত ডাঙৰ বুলি ভাৱিছিল। তাই নিদাৰুণক চাকৰ হিচাবেই ব্যৱহাৰ কৰিছিল। কিন্তু জীয়েকৰ এই ব্যৱহাৰ দেখা পালেও মাক বাপেকে একো কব নোৱাৰিছিল। কিয়নো তাইয়ে আছিল তেওঁলোকৰ একমাত্ৰ আলাসৰ লাড়ু। তাই তেতিয়া পি ইউ ২য় বাৰ্ষিকত পঢ়ি আছিল। ইফালে নিদাৰুণে সেই বিলাকলৈ কোনো কাণ দিয়া নাছিল অৰ্থাৎ তাক কোনোবাই ভাল ব্যৱহাৰেৰেই বা বেয়া ব্যৱহাৰেৰেই কৰিছে—সি মাথো নিজক লৈয়ে ব্যস্ত। সি বৰুৱাৰ ঘৰখন জাক-জমকতা পূৰ্ণ কৰি তুলিব বিচাৰিছিল। সেই মতে সি সকলো কাম কাজ নিয়াৰিকৈ কৰি গৈছিল। সি সময় পালে পাঠ্য কিতাপ পঢ়ি আছিল। তাৰ উদ্দেশ্য আছিল প্ৰাইভেট হিচাবে হলেও পি ইউ, বি এ আদি পৰীক্ষা দি পাছ কৰা। সেইমতে সি সেই শ্ৰেণীৰ কিতাপ সংগ্ৰহ কৰি পঢ়ি আছিল। এই কিতাপ খিনিৰ সি থকা ৰুমটো ভৰপূৰ হৈ আছিল। কিন্তু এইবোৰ সি মনে মনে কৰিছিল। বৰুৱাৰ ঘৰৰ এটি প্ৰাণীয়েও গম পোৱা নাছিল। সি কামত গ'ল সেইবোৰ লুকাই থৈ গৈছিল। মধুমিতাই কেতিয়াবা সি নোহোৱা অৱস্থাতে তাৰ ৰুমত সোমাই কিবা পায় নেকি বিচাৰিছিল। কিন্তু একো নাপায়। মাজে মাজে আজৰি সময়ত গান বাজনাও কৰিছিল। মুঠৰ ওপৰত নিদাৰুণে অকণো সময় অবাবত নকটাইছিল। এনেকৈয়ে সি পঢ়ি থাকি পৰীক্ষা দি পি ইউ, বি এ আৰু অৱশেষত এম এ প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ পাছ কৰিলে। বাতৰি কাকতত ফটো সহ তাৰ খবৰ ওলাল। তেতিয়া বৰুৱাৰ ঘৰখনে জানিলে।

নিদাৰুণৰ এনেকুৱা কাৰ্য্য দেখি সকলোৱে তাক প্ৰশংসা কৰিলে। লগতে বৰুৱাৰ ঘৰখনেও। তেতিয়াৰ পৰাহে মধুমিতাই নিজৰ ভুলৰ কাৰণে অনুতপ্ত হ'ল আৰু তাৰ পিছত তাই নিদাৰুণৰ ওচৰত নিজৰ ভুলৰ বাবে (অৰ্থাৎ তাই যে নিজকে বৰ ডাঙৰ বুলি ভাৱিছিল) ক্ষমা খুজিছিল।

ইফালে নিদাৰুণৰ মাক আৰু ভায়েকে তাক বিচাৰি নাপাই বিচাৰিব বাদ দিলে। তেওঁলোক দুয়ো কেনেকৈ জীয়াই থাকিব পাৰে তাৰেহে চিন্তা কৰিব ধৰিলে। অপৰূপ আৰু মাক দুয়োৰে গাওঁৰ পৰা আহি চহৰতে এটি ঘৰ ভাড়া কৰি থাকিব ললে। অপৰূপে চহৰত এটি ঘৰ ভাড়া কৰি থাকিব ললে। অপৰূপে চহৰত এখন ডাঙৰ দোকান দিলে আৰু দোকানখনৰ জৰিয়তে জীৱিকা নিৰ্বাহৰ পথ ললে। অপৰূপে দিনত দোকান চলায় আৰু ৰাতি স্কুলত ক্লাছ কৰে। এইদৰে তেওঁলোকৰ অৱস্থা ক্ৰমান্বয়ে ভালৰ ফালে আহিল। এনেকৈয়ে মাক আৰু অপৰূপ দুয়োয়ে দিনবোৰ অতিবাহিত কৰিব ধৰিলে। তেওঁলোকে নিদাৰুণক একেবাৰে পাহৰি গৈছিল।

আন এদিনৰ ঘটনা। এদিন নিদাৰুণ চলিহা কিবা কাৰণত চহৰলৈ ফুৰিব গৈছিল। নিদাৰুনৰ আগতকৈ চেহেৰাৰ বহুত পৰিৱৰ্ত্তন ঘটিছিল: কিবা এটি কাৰণত সেই অপৰূপ দোকানীৰ লগত নিদাৰুণৰ কাজিয়া লাগিল। সি জনা নাছিল সেইটোৱে যে তাৰ সৰু ভায়েক অপৰূপ। কাজিয়াই ক্ৰমান্বয়ে ভীষণ ৰূপ ধাৰণ কৰিলে।

বহুতো মানুহ গোট খালে। সকলোৱে মিলি সিহঁতৰ কাজিয়াৰ মীমাংসা কৰি দিলে। কাজিয়াৰ অন্তত নিদাৰুণে সেই দোকানীজনৰ পৰিচয় সুধিলে। দোকানী অপৰূপে তাৰ গোটেই জীৱন বৃত্তান্ত বৰ্ণাই তাৰ পৰিচয় দিলে। তেতিয়া নিদাৰুণে তাৰ ভায়েক অপৰূপ বুলি চিনিব পাৰি হুৰাওবাৱে কান্দিব ধৰিলে আৰু লগতে মাকৰ কথাও সুধিলে। অৱশেষত নিদাৰুণে অপৰূপক এশ টকা পকেটত গুজি দি তাৰ পৰা পুনৰ বৰুৱাৰ ঘৰলৈ গৈছিল।

নিদাৰুণ চলিহাই চহৰৰ পৰা গধূলি ঘূৰি আহি মনোৰঞ্জন বৰুৱাৰ আগত তাৰ আগৰ সকলো ঘটনা বিবৰি কলে আৰু তেওঁৰ পৰা বিদায় লৈ পুনৰ মাক ভায়েকৰ লগত একেলগে জীৱন কটাব বিচাৰিলে। তেতিয়া বৰুৱাইও তাত সম্মতি প্ৰকাশ কৰিলে। মহা সমাৰোহেৰে নিজৰ জীয়েক মধুমিতাক নিদাৰুণ চলিহালৈ বিয়া দি দুয়োকে সা-সম্পত্তি দি পঠাই দিলে। দুয়ো আনন্দ মনেৰে গুছি আহিল। নিদাৰুণে বহুদিনৰ মৃৰত মাক ভায়েকক পাই আনন্দত আত্মহাৰা হৈ পৰিল। লগতে মাক আৰু ভায়েকেও নিদাৰুণক পাই আনহাতে নতুন বোৱাৰী এজনী পাই স্বৰ্গ ঢুকি পোৱা যেন পালে। আনহাতে অপৰূপেও ককায়েকৰ লগতে নবৌ এজনীক পাই আনন্দত মতলীয়া হ'ল। সিহঁতৰ যেন স্বাভাৱিক জীৱন পুনৰ ঘূৰি আহিল। নিদাৰুণ চলিহাই উচ্চ খাপৰ চাকৰি এটা লৈ চহৰত ঘৰ দুৱাৰ বান্ধি চাৰিওজনে সুখে সন্তোষে বাস কৰিব ধৰিলে। অৱশেষত সিহঁতৰ অতীতৰ দুখ কষ্ট নাইকীয়া হৈ গ'ল। এইদৰে সিহঁতৰ তিনিওখনি হিয়াৰ পুনৰ মিলনৰ লগতে আন এখনি নতুন হিয়াৰ হ'ল—"মধুৰ মিলন।" ●

# অব্যক্ত বেদনা



শ্ৰীযমুনা দেৱী
প্ৰাক্ বিশ্ববিদ্যালয়
২য় বাৰ্ষিক (বিজ্ঞান)

এয়া বহাগ মাহ। প্ৰকৃতি জীয়ৰী বহাগী আইদেউৱে যেন নতুন ৰূপত পৃথিৱীখন সজাইছে, ঠিক এজনী ন-কইনাৰ দৰে। গছে গছে চৰাইৰ সু-মধুৰ কাকলি। বসন্তৰ মধুৰ পৰশ পাই গছে গছে নতুন পাত ধৰিছে।

কিন্তু আচৰিত কথা প্ৰকৃতিৰ এই মনোমোহা সৌন্দৰ্য্যয়ো হাৰ মানিছে ডাঃ নীহাৰেন্দ্ৰ বৰ-ঠাকুৰৰ লগত, উদাস মনেৰে বহি আছে বিশ্ববিখ্যাত চিকিৎসক ডাঃ নীহাৰেন্দ্ৰ বৰ-ঠাকুৰ। তেওঁৰ উদাস দৃষ্টিয়ে যেন প্ৰমাণ কৰিছে যে প্ৰকৃতিৰ এই বৃহৎ আয়োজন এটা ভোজ-বাজী, ই একেবাৰে কৃত্ৰিম। কিন্তু বুজিব পৰা নাযায় ডাঃ বৰঠাকুৰৰ অন্তৰ আত্মাই আজি কাৰ বেদনাত হিয়া ধাকুৰিব লাগিছে। বুজিব পৰা নাযায় তেওঁৰ মন বননিত কিহৰ জোঁৱাৰে চঞ্চল ঢৌৰ সৃষ্টি কৰি গম্ভীৰ মূৰ্ত্তিক আলোড়িত কৰি তুলিছে।

এয়া ৰাতিপুৱা ন-বজাৰ পৰা আবেলি তিনি বজালৈকে তেওঁ তেওঁৰ বৃহৎ অট্টালিকা "জিৰো-টিনা"তেই বাৰান্দাৰ চকী এখনত বহি উদাস দৃষ্টিৰে বাহিৰলৈ চাই আছে। মাজে মাজে অসম্ভৱ উত্তেজিত হৈ পৰিছে। কিন্তু কোনো

লৰচৰ নকৰাকৈয়ে বহি আছে। অনুমান হয় তেওঁ যেন আৰু কোনো দিনেই নুঠিব। "হে বিশ্বপিতা তোমাৰ কি মহান শক্তি যিয়ে ছব্বিশ ঘণ্টাৰ ওঠৰ ঘণ্টাই অক্লান্ত পৰিশ্ৰম কৰে, যাৰ এক ছেকেণ্ড সময়ো আজৰি নাই, যিয়ে হস্পিটেলত এটাৰ পিছত এটাকৈ বেমাৰী মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ কৰে আৰু অলপো মানসিক অশান্তি নাপায় সেইজন লোক বৰঠাকুৰৰ মহান আত্মাৰ অটল-তলিত কিহৰ খুন্দাৰে ওফৰাই দিবলৈ সক্ষম হৈছা! বৰঠাকুৰক আৰু অশান্তি নিদিবা প্ৰভু! তেওঁ তোমাৰ বিনন্দীয়া সৃষ্টিত অকণো কলঙ্কৰ চেকা পৰিব দিয়া নাই। বৰং তোমাৰ হতভগীয়া সন্তানৰ বাবে নিজৰ জীৱনটোকেই উছৰ্গা কৰিছে।

সেইদিনা তেওঁ তেওঁৰ ব্যক্তিগত বিখ্যাত হস্পিটেল "মানৱী"লৈও যোৱা নাছিল—য'ত তেওঁ একেলগে এনেজাৰ দুৰ্ভগীয়া জীৱনৰ বাবে বিশ্ব নিয়ন্তাৰ লগত অবিৰাম ভাৱে যুঁজি আছে। অৱশ্যে তেওঁৰ তলৰ ডাক্তৰ ডাক্তৰণীসকলে কাম কৰি আছে।

সেই দুখলগা পৰিস্থিতিত গেট কীপাৰক নেওঁচি বৰঠাকুৰৰ বিৰাট অট্টালিকালৈ সোমাই আহিছিল তেওঁৰ তলতীয়া ডাক্তৰণী মৃদুলা ব্ৰাইট। আহিয়েই তেওঁ খবৰ কৰি জানিছিল যে ডাঃ বৰঠাকুৰ আজি ৰাতিপুৱা ব্যক্তিগত পিয়নে আনি দিয়া এটা ফাইল হাতত লৈয়েই তেওঁৰ নিজৰ ৰুমত দুঘণ্টামান সোমাই থাকি ন মান বজাৰ পৰা এতিয়া পৰ্য্যন্ত এই বাৰান্দাতেই বহি আছে। পৃথিৱীত এনে কাৰো সাহস নাই যে এই পৰিস্থিতিত তেওঁক মাতি তেওঁৰ কৰ্ত্তব্যৰ কথা সোঁৱৰাই দিব।

ডাঃ বৰঠাকুৰে তেওঁৰ নিঃসঙ্গ জীৱনৰ দুখ-ৰাশি কৈ শান্তনা লভিবৰ বাবে মনটোৰে বিচাৰিছিল এটি বিশ্বাসী সঙ্গী। তেওঁ অনুভৱ কৰিছিল যেন তেওঁৰ পুঞ্জীভূত বেদনাৰাশিয়ে অন্তৰখন পুৰি ছাইত পৰিণত কৰিব। বুজিব পৰা নাছিল আত্মাৰ বাবে আত্মাৰ কি মহৎ আকৰ্ষণ।

ঠিক সেই সময়তেই ডাঃ বৰঠাকুৰৰ ওচৰত উপস্থিত হৈছিলহি শুভ্ৰ বস্ত্ৰ পৰিহিতা ডাক্তৰণী মৃদুলা ব্ৰাইট। বৰঠাকুৰক নমস্কাৰ জনাই বহি পৰিছিল কাষৰ চোফাখনত। সাধাৰণতে তেওঁ মিছ ব্ৰাইটৰ লগতেই বেছি কথা কয়। সেয়েহে ব্ৰাইট হৈ পৰিছিল ডাঃ বৰঠাকুৰৰ সৰু ভনীয়েকৰ দৰে।

ডাঃ বৰঠাকুৰে তেওঁৰ একমাত্ৰ বিশ্বাসী সঙ্গী ব্ৰাইটক এটা এটাকৈ কৈ গৈছিল তেওঁৰ জীৱনৰ কৰুণ পৰিণতি। ডাঃ বৰঠাকুৰে কৈছিল, "শুনক মিছ ব্ৰাইট, জীৱনত পাবলগীয়া একমাত্ৰ দুখটো মই সোনকালেই পালো। ভৱা নাছিলো মোৰ দৰে মানুহ এজনৰ আত্মাটোও ইমান দুৰ্ব্বল বুলি। মোৰ আজি এনে লাগিছে মইয়ো যেন চিৰকালৰ কাৰণে এই সংসাৰৰ পৰা আঁতৰি যাম। কিন্তু নোৱাৰো! আজি মোৰ হাত ভৰি এক লোহ পিঞ্জৰাৰ মাজত আৱদ্ধ হৈ আছে। অদৃষ্টৰ উপহাসক উপেক্ষা কৰাৰ শক্তি কাৰো নাই। হয়তো মোৰ এই শোকটোকেই প্ৰৱল

ভাৱে পালো। সেয়েহে এই শোকটিয়ে মোৰ মনলৈ সমগ্ৰ জীৱনৰ অৱসাদ কঢ়িয়াই আনিছে। মই এতিয়া অসহ্য মানসিক যন্ত্ৰণাত চটফটাব লাগিছো।

নোপোৱাৰ বেদনাতকৈ পাই হেৰুৱাৰ বেদনা বেছি প্ৰৱল। ব্যৰ্থতাৰ বেদনাতকৈ ডাঙৰ অপমান হয়তো জীৱনত আন একোৱেই নাই। সকলো হেৰুৱাৰ পিছত আৰু একো হেৰুৱাৰ ভয়েই নোহোৱা হয়। সেয়েহে ময়ো এতিয়া জীৱনৰ ব্যৰ্থতাত মৰ্মাহত হৈ পৰিছো।

সকলো হেৰুৱাৰ পিছত শেষ সম্পদটো ৰাখিবলৈ মানুহে আপ্ৰাণ চেষ্টা কৰে। সেয়ে ময়ো কৰিছিলো। কিন্তু সেই সম্পদটো নিষ্ঠুৰ নিয়তিৰ গ্ৰাসত হেৰাই পৰিলে জীৱনত আৰু একো হেৰুৱাৰেই ভয় নাথাকে। গতিকে ময়ো শেষ সম্পদটো হেৰুৱাত জীৱনৰ মোহ এৰি পেলাইছো।

সেয়া আজি প্ৰায় ত্ৰিশ বছৰ আগৰ কথা। তেতিয়া আমি বিশজন ছাত্ৰ-ছাত্ৰী বিশেষ অৰ্হতাৰ বাবে বিশ্বস্বাস্থ্য সন্থাৰ জৰিয়তে বিশেষ চিকিৎসা শিক্ষাৰ বাবে নিৰ্বাচিত হৈছিলো। সেয়া আছিল পৃথিৱীৰ বিভিন্ন ঠাইৰ, বিভিন্ন ভাষা ভাষী লোকৰ মানৱ কল্যাণৰ বাবে এক অপূৰ্ব্ব সমন্বয়।

আমাৰ শিক্ষাস্থান আছিল টৰাণ্টো চহৰত। আমি আটায়ে আনন্দত নাচি উঠিছিলো টৰাণ্টো চহৰৰ বলিয়া বতাহজাকৰ মধুৰ হাতবাউলীত। আমাৰ প্ৰতিনিধিবোৰক প্ৰত্যেকৰ নিজ দেশবোৰে দেশীয় বৃত্তি দিছিল আৰু আন্তৰ্জাতিক বৃত্তি এটাও আমাক দিছিল। নিৰ্দিষ্ট দিনত আমি আমাৰ উচ্চ শিক্ষাৰ বাবে সাগৰেদি যাত্ৰা আৰম্ভ কৰিছিলো। তেনে এক বিশেষ শিক্ষাত বিশজন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত উনৈশজন ছাত্ৰ আৰু এজনী মাত্ৰ ছাত্ৰী আছিল। আমাৰ শিক্ষাৰ বছৰ আছিল তিনিবছৰ। শিক্ষা আৰম্ভ হোৱাৰ তিনিমাহ মানলৈকে কিন্তু ছোৱালীজনীৰ দেখা দেখি নাছিল। সেই ছোৱালীজনী আছিল হংকং নন্দিনী আইৰিন বিশ্বাস। আমি অনুমান কৰিছিলো হয়তো তেওঁ উচ্চ শিক্ষাৰ মোহ এৰি পেলাইছে। কিন্তু আমাক আচৰিত কৰি এদিন আমাৰ হোষ্টেলৰ ফিল্ডত এখন হেলিকপ্তাৰ নামি পৰিছিল। তাত আছিল এজনী বুঢ়া আৰু দুজনী ছোৱালী। আমি আগবাঢ়ি গৈছিলো আৰু তেতিয়া তাৰে এজনী ছোৱালীয়ে নমস্কাৰ জনাই শুদ্ধ ইংৰাজীত গলগলীয়া মাতেৰে আমাৰ চিনাকি লৈছিল আৰু মাক ভনীয়েকক চিনাকি কৰি দিয়াৰ পিচত হেলিকপ্তাৰখনে উৰা মাৰিছিল। আমাৰ শ্ৰেণীত এটি নৱাগতাৰ আৱিৰ্ভাৱ হৈছিল।

মোৰ কিন্তু অতিপাত মন গৈছিল মিছ বিশ্বাসৰ লগত আন্তৰিকতাৰে মিলবলৈ। আনহাতে স্ব-দেশীয় হিচাবেও ভাৰত আৰু জাপান একেবাৰে চুবুৰীয়া দেশ। মই ভাৰতীয় হিচাবে চিনাকি দিছিলো। তেওঁ উদ্বিগ্ন হোৱা দেখা গৈছিল। সচৰাচৰ প্ৰকৃত মহান লোকে মৌখিক তোষামোদতকৈ আন্তৰিক অনুভূতিহে বেছি ভাল পায়।

ক্ৰমান্বয়ে আমাৰ সম্পৰ্ক সহজ হৈ আহিছিল। আজিৰ সময়ত দহ-পোন্ধৰ মিনিট গুচি গৈছিল আমাৰ আলোচনাত। মই কৈছিলো মোৰ জীৱনৰ

লক্ষ্যৰ কথা আৰু তেওঁ কৈছিল নিজৰ জীৱন তথা মাক ভনীয়েকৰ কথা। এনেকৈয়ে পৰিবৰ্ত্তনীয় পৃথিৱীৰ বুকুত সময় বাগৰি তিনিটা বছৰ শেষ হৈ পৃথিৱীক পুৰণি কৰিছিল।

শেষ হৈছিল আমাৰ পৰীক্ষা। পৰীক্ষা শেষৰ দিনা মই তেওঁক সান্ধ্য ভোজনৰ বাবে নিমন্ত্ৰণ কৰিছিলো। বিদেশৰ বন্ধু হিচাবে ভোজমেলত আমাৰ বহু কথা ওলাইছিল। কথা প্ৰসঙ্গত মই তেওঁক মোৰে সৈতে একেডাল জখলাৰেই জীৱনৰ শীৰ্ষ বিন্দুলৈ আগবাঢ়িব অনুৰোধ কৰিছিলো। কিন্তু মোক আচৰিত কৰি মিছ বিশ্বাসে চিঞৰি কৈছিল—"Impossible Mr. Barthakur, that is away hard thought for my life." কৈ গৈছিল মিছ বিশ্বাসে—"শুনক মিঃ বৰঠাকুৰ! আপোনাৰ কথাটো ময়ো বহুদিন ধৰি চিন্তা কৰিছো। আপোনাৰ অনুৰোধৰ কাৰণে নিজকে মই ধন্য মানিছো। মোৰ অনুভূতিক আপুনি মাত্ৰ ভাষাৰ ৰূপ দিলে। কিন্তু আপোনাৰ এই অনুৰোধ ৰাখিব নোৱাৰি মই অত্যন্ত দুঃখিত। আপোনাক মই বহু আগতেই ভাল পাই পেলাইছো। আপোনাৰ প্ৰতি থকা মোৰ আন্তৰিকতা উপলব্ধি হে কৰিব পাৰি, প্ৰকাশৰ ভাষা ইয়াত নাই। হে মহান আত্মা, আপুনি সুখী হওঁক, আদৰ্শবান হওঁক। হাজাৰ হাজাৰ আত্মাৰ বাবে মই মোৰ ক্ষুদ্ৰ জীৱনটো উৎসৰ্গা কৰিবলৈ সাজু। আমি বৃহৎ স্বাৰ্থৰ খাটিৰত আমাৰ ক্ষুদ্ৰ স্বাৰ্থ বিসৰ্জন দিবলৈ সাজু থাকিবই লাগিব। গতিকে আপুনি ঘূৰি গৈ, নিজৰ দেশত সাধ্যানুসাৰে এজন আদৰ্শ লোক হবলৈ চেষ্টা কৰক। এতিয়া মই মোৰ ভৱিষ্যৎ কাৰ্যপন্থাৰ বিষয়ে কও শুনক। মোৰ দেউতা আছিল এজন বিখ্যাত শিল্পপতি। আমাৰ বাবে তেওঁ হাজাৰ হাজাৰ টকা থৈ গৈছে। মা আছিল এজন জমিদাৰৰ একমাত্ৰ জীয়াৰী। গতিকে মাৰো সম্পত্তি আমি পাইছো। মোৰ একমাত্ৰ ভনী এনী বিশ্বাসক বিখ্যাত চাহ বাগিছাৰ মালিক ডঃ ডেভিলৈ বিয়া দিম। তাৰ পিছত আৰম্ভ হব মোৰ ব্যস্ত জীৱনৰ। ইতিমধ্যে মই প্ৰত্যেক দেশতে মোৰ বিশ্বাসী লোকৰ সহযোগত একোটাকৈ চিকিৎসা কেন্দ্ৰ স্থাপন কৰিছো। নাজানো মোৰ কৰ্মই মোৰ বাস্তৱ জীৱনটোক নিশ্চিহ্ন কৰি দিয়ে নে মোৰ কল্পনাৰ চিত্ৰখনিত বাস্তৱৰ ৰং সানিবলৈ দিয়ে। গতিকে ইমানখিনি আগুৱাই অহাৰ পিছত মই আৰু উভতি যাব নোৱাৰো। কাৰণ, মোৰ হাত-ভৰি ইতিমধ্যে এক লোহ পিঞ্জৰাৰ মাজত আৱদ্ধ হৈ গ'ল। গতিকে মোৰ শেষ অনুৰোধ: You behave me like a kindhearted sister and I also love and respect you as a great man in my whole life. অৱশেষত আপুনি ভাৰতত পাতিব খোজা চিকিৎসা কেন্দ্ৰটোৰ দায়িত্ব গ্ৰহণ কৰিব লাগিব।" ঘড়ীয়ে বাৰটাৰ ঘৰলৈ আগবাঢ়িছিল আৰু মোৰ পৰা বিদায় লৈছিল মিছ বিশ্বাসে।

সেইদিনা ৰাতি মোৰ টোপনি অহা নাছিল। মিছ বিশ্বাসক সেইদিনা মোৰ এগৰাকী দেৱীৰ দৰে লাগিছিল। মই ভাৱিছিলো তেওঁক শ্ৰদ্ধা, সন্মান

আদিহে কৰিব পাৰি। ভাল পাব খুজিলে বা মৰম কৰিব খুজিলে অন্যায়হে হব। মই শুনি স্তব্ধ হৈ গৈছিলো মিছ বিশ্বাসৰ সিদ্ধান্তবোৰ। কিয়নো যি কথা মই বিশ্বাসৰ মুখত শুনিম বুলি ভাবিছিলো সেই কথা শুনাতো দূৰৰে কথা, মই কোৱাতো নিষ্ঠুৰভাৱে তেওঁ প্ৰত্যাখ্যান কৰিলে। কি বিৰাট মনোবল। আচৰিত এই পৃথিৱী! কিছুমানে হয়তো জগতৰ অতি ঘৃণনীয় কাম কৰিও মনত সন্তুষ্টি লভিছ আৰু বিশ্বাসৰ দৰে মহৎ অন্তৰৰ লোকসকলে মহান কাম কৰিও মূলতঃ শান্তি পোৱা নাই। বৰং অত্যন্ত পৰোপকাৰৰ চিন্তাত নিজৰ জীৱনৰ সুখ-শান্তি, হাঁহি ধেমালিক বিসর্জন দিছে।

কেইদিনমান পিছত ঘৰলৈ আহিবৰ কাৰণে বিদায় লবলৈ বিশ্বাস মোৰ কেবিনলৈ গৈছিল। বিদায়ৰ করুণ লগ্নত বহু কথাকে কৈছিল মিছ বিশ্বাসে। অৱশেষত মই কৈছিলো—আপোনাক ভাল পাইছিলো প্ৰথমতে আৰু শেষতো পাম। আপোনাৰ আদর্শকেই মাপকাঠি হিচাবে লৈ ময়ো সিদ্ধান্ত কৰিলো মোৰ ভৱিষ্যৎ কাৰ্য্যপন্থা। একে জীৱনকেই আমি দুয়োটাই দুঠাইত উপভোগ কৰিম।"

এতিয়া এয়া তেওঁৰ আদর্শৰেই প্ৰতীক মোৰ এই হস্পিতেল 'মানৱী'। তেওঁক আপুনি দেখা নাই মিছ ব্ৰাইট। বেছিভাগ সময়েই নতুন ঔষধৰ আৱিষ্কাৰৰ অন্বেষণত গৱেষণাগাৰতেই থাকে। আমাৰ ইয়ালৈ এই ত্ৰিশ বছৰৰ ভিতৰত মাত্ৰ এবাৰ আহিছে। বিশেষ কথা থাকিলে ফোনেৰে সকলো জনায়। তাৰোপৰি প্ৰাইভেট চেক্ৰেটাৰীৰ সহায়তেই বিভিন্ন দেশৰ চিকিৎসা কেন্দ্ৰবোৰ চোৱা-চিতা, টকা-পইচা দিয়া আদি কাম সমাধা কৰে। কিন্তু অতি দুখৰ বিষয়, এই বৃহৎ চিকিৎসা সাম্ৰাজ্যৰ ৰাণী মিছ বিশ্বাসে কালি লেবেৰেটৰীত কিবা পৰীক্ষা কৰোতে পাইজোগাচ গেছ চকুত লাগি দৃষ্টি শক্তি হেৰুৱাই পেলায়। অসহ্য যন্ত্ৰণাত বব নোৱাৰি বিশ্বাসে এই পৃথিৱীৰ পৰা আঁতৰি যোৱাৰ আঁচনি লয়। আৰু তেনে এক অস্থিৰ মুহূৰ্ত্তত লেবেৰেটৰীৰ ফোনটো খেপিয়াই বিচাৰি গৈ প্ৰাইভেট চেক্ৰেটাৰীক কেইটামান নির্দেশ দিয়ে। সেই নির্দেশৰ ভিতৰত মোলৈ এটা শকত ফাইল আগবঢ়ায়। যিটো পাই মই অস্থিৰ হৈ পৰিছো। কিন্তু কি কৰিম! নিয়তিৰ নির্মম আক্ৰমণক বাধা দিয়াৰ উপায় নাই। ফাইলটো মই পোৱা সময়লৈকে হয়তো মৃত্যু দেৱীয় তেওঁক আকোঁৱালি লৈছিল। আপুনি পঢ়ি চাওক মিছ ব্ৰাইট। মোৰ পঢ়ি শুনাবলৈ ধৈর্য্যৰ বান্ধ হেৰাই গৈছে।

মিছ ব্ৰাইটে লৰচৰ নকৰাকৈ অচেতন পদাৰ্থৰ দৰে সকলো শুনি গৈছিল। বিশ্বাসৰ প্ৰতি কৃতজ্ঞতাত মূৰ দো-খাই গৈছিল। লাহে লাহে চিঠিখন মেলি লৈছিল—

প্ৰিয় বৰঠাকুৰ,

নমস্কাৰ লব। মই মোৰ প্ৰতিদ্বন্দ্বীসকলৰ স'তে অর্থাৎ বিষাক্ত গেছৰ লগত যুঁজি থাকোতে কেতিয়া শেষ হৈ যাওঁ কব নোৱাৰো। নাইবা স্বাভাৱিক মৃত্যু হলেও মই মোৰ কৰ্ত্তব্য কৰি

যাব লাগিব। মোৰ মৃত্যুৰ লগে লগে প্ৰত্যেক দেশৰে চিকিৎসা কেন্দ্ৰৰ ভাৰ আপোনাৰ ওপৰত পৰিব। ইয়াৰ গৱেষণাগাৰটোও আছে। কিন্তু আঁতৰি আহিলো মই। মোৰ চিকিৎসা কেন্দ্ৰবিলাক আৰু গৱেষণাগাৰটোৰ স'তে সকলো সম্পত্তি এতিয়া আপোনাৰ নামত উইল কৰি দিলো। মনত ৰাখিব মোৰ দুৰ্ভগীয়া আত্মাৰ আশা যাতে ফলৱতী হয়।

ভগৱানে আপোনাক দীৰ্ঘায়ু কৰক। সমগ্ৰ বিশ্ব-মানৱৰ শেঁতা ওঠ আনন্দৰ হাঁহিৰে পৰিপূৰ্ণ কৰক। —ইতি

আইৰিন বিশ্বাস, হংকং

ধাৰাসাৰে চকুলো ওলাই আহিছিল মিছ ব্ৰাইটৰ। ডাঃ বৰঠাকুৰে দেখিছিল যেন চাৰিওফালৰ পৰা তেওঁক অন্ধকাৰে গ্ৰাস কৰি আহিছে। ●

সকলো ৰাজনৈতিক ক্ষমতাৰ মূলতে আছে জনসাধাৰণৰ ভোটাধিকাৰ আৰু সেইবাবেই সকলো আইন জনসাধাৰণৰ অথবা তেওঁলোকৰ প্ৰতিনিধিৰ দ্বাৰা ৰচিত হব লাগিব।

—টমাছ একুইনাছ

# মোমাইদেউৰ স্মৃতিত

( আমাৰ মহাবিদ্যালয়ৰ উদ্ভিদ বিদ্যা বিভাগৰ 'মুৰব্বী অধ্যাপক ৺সুৰেন্দ্ৰ নাথ ডেকা, এম-এছ-চিৰ সোঁৱৰণত )

শ্ৰীজয়শ্ৰী ডেকা
প্ৰাক্ বিশ্ববিদ্যালয়
২য় বাৰ্ষিক (কলা)

মোৰ মামা যে ইহ সংসাৰত আৰু নাই এই কথা মই মোৰ মনৰ মাজৰ পৰা মচ পেলাব পৰা নাই। অথচ মামাৰ মৃতদেহটোত ধৰি হিয়া ধাকুৰি কান্দি কান্দি চকুলোৰে নৈ বোৱাই যোৱা ২৬-১১-৮৪ তাৰিখ সোমবাৰে আবেলি মোমাইদেউক শেষ বিদায় দিলো।

গহীন-গম্ভীৰ, ধীৰ-স্থিৰ, স্বল্পভাষী মামাক সদায় ভয়-ভক্তি আৰু মৰমৰ চকুৰে চাই-ছিলো। মামাৰ লগত মোৰ অতি ঘনিষ্ঠতা আহে ১৯৮৩ চনৰ চেপ্তেম্বৰ মাহৰ পৰা। মেট্ৰিক পাছ কৰাৰ পিছত মই বাহিৰত পঢ়াৰ কথা ভাবিছিলো যদিও মা (শ্ৰীদেৱযানী ডেকা) আৰু দেউতা (শ্ৰীললিত চন্দ্ৰ ডেকা) ই মামা যিহেতু মঙলদৈ মহাবিদ্যালয়ত আছে সেয়ে ইয়াতেই পঢ়ুৱাৰ ব্যৱস্থা কৰে। কাৰণ মা-দেউতাই মোক সদায় আজলী আৰু আকৰী বুলি ভাৱে। তাতে ঘৰখনত ময়েই একমাত্ৰ ছোৱালী হোৱা বাবে সঘনে দেখা পোৱাৰ আশা কৰি থাকে।

কলেজত ভৰ্তি হোৱাৰে পৰা কলেজৰ ছাত্ৰী নিবাস আৰু মামাৰ ঘৰৰ লগত মোৰ নিবিড় সম্বন্ধ গঢ়ি উঠে। মামাক মোৰ অভিভাৱক পাতি মা-দেউতাই একেবাৰে নিশ্চিন্ত হৈ থাকে। কিন্তু হঠাতে মোক আজি অকলশৰীয়াকৈ এৰি বিগত ডেৰ বছৰত মামাৰ সান্নিধ্যত সকুমুৰা ঘটনাবিলাকে মোক অভিভূত কৰি তুলিছে। কলেজত ভৰ্তি হোৱাৰ সময়ত ( যিহেতু মামা নাম ভৰ্তিৰ দায়িত্বত আছিল ) মোৰ আবেদন পত্ৰ নাপাই বিৰক্তি বোধ কৰিছিল। ঘৰলৈ আহি সৌভাগ্যবশতঃ মোৰ মাক লগ পাই সুধিলে যে 'দীপা'ৰ ফৰ্মখন নাপালো। মাই কলে যে, তাইৰ লিখা নাম 'জয়শ্ৰী' হে। মই বুজিলো যে মোৰ সোতৰ বছৰ বয়সলৈ মামাই মোৰ লিখিত নামটোকে নাজানে। মানুহৰ উঠা নামবিলাকে কেনেকৈ আৰু দিগ্দাৰত পেলায়!

হোষ্টেলৰ চুপাৰ বাইদেউ (বিজুৎ বাইদেউ) অতি কঢ়া। বিনানুমতিত আমাক কলৈকো যাব নিদিয়ে। তেওঁ অতি পৰিষ্কাৰ আৰু বৰ পৰিপাতি। নিয়ম শৃংখলা মানি চলিবলৈ আমাক উপদেশ দি থাকে। য'তে ত'তে ঘূৰি ফুৰিবলৈ নিদিয়ে। কিন্তু মামাৰ ঘৰলৈ যাব মোক কোনাদিনে বাধা দিয়া নাছিল। আৰু মই সেই সুবিধা গ্ৰহণ কৰি প্ৰায় সপ্তাহে সপ্তাহে মামাৰ ঘৰলৈ গৈছিলো।

মামাৰ ঘৰলৈ যোৱাৰ একমাত্ৰ উদ্দেশ্য আছিল মামাৰ একমাত্ৰ চাৰে তিনি বছৰীয়া ছোৱালী দলীক (হিমাক্ষী) চোৱা আৰু হেপাহ পলুৱাই মৰম কৰা। বাপেকৰ অতিবাধ্য সেই অকন-মানি ছোৱালীজনীক অকলশৰীয়া কৰি নিষ্ঠুৰ বিধাতাই কোনমতে দেউতাকক চিৰদিনলৈ আঁতৰ কৰি নিলে সেই কথা ভাবি মোৰ অন্তৰ ভাগি-ছিগি যায়! "ফুলবোৰ নিছিঙিবা, দেউতাই হাক দিছে। সৌ যে মধুৰি-আমবোৰ দেখিছা, দেউতাই পকিলেহে খাব দিছে। তুমি ভাত খোৱা—মই চাই থাকিম। মই নেযাও।" এই সৰু সৰু কথাবোৰে মোক বৰ আঘাত দিছে। সদায় পানী দিয়া ভাতত নিমখ তেলদি খোৱা অকনমানি ছোৱালীজনীৰ কথা কৈ শেষ কৰিব নোৱাৰি। তাইৰ মৰমতে মই সঘনাই যাওঁ। হোষ্টেললৈ অহাৰ সময়ত মই পলাই আহিব লাগে।

মামাক মই সদায় ভয় আৰু ভক্তি কৰি চলিছিলো। মামাৰ সন্মুখেৰে যাবলৈ মই সংকোচবোধ কৰিছিলো। কেতিয়াবা বান্ধৱীৰ লগত বিস্নাত গৈ থাকোতে মামাৰ লগত ভেটা ভেটি হলে মই বান্ধৱীৰ গাৰ আৰলৈ পাৰ হৈছিলো। জানোচা এনেয়ে ঘূৰিফুৰা বুলি মামাই বেজাৰ কৰে।

মামা বৰ পৰিশ্ৰমী আছিল। বিশেষকৈ খেতি-বাতি কৰা, ফল-মূলৰ গছ ৰোৱা আদিত বৰ ৰাপ আছিল। মই প্ৰথম বাৰ্ষিকত থাকোতে মামাৰ ঘৰলৈ গৈ প্ৰায়ে মামাক লগ নাপাইছিলো। মামা চাপৰিলৈ যায়। মতীয়া জীনৰ হাফ্‌পেন্ট্‌ পিন্ধি দা-কোৰ হাতত লৈ কেতিয়াবা ঘূৰি অহা দেখা পাওঁ। কিন্তু, চাৰি পাঁচ মাহ আগৰে পৰা মামাক বিছনাতে শুই থকা পাইছিলো।


মামাৰ লগত মোৰ শেষ সাক্ষাৎ হয় ১৮-১১-৮৪ তাৰিখ ৰবিবাৰে আবেলি ছাত্ৰী নিবাসৰ সন্মুখত হোৱা আমাৰ নবাগত আদৰণি সভাত। ৰাতিপুৱা ১১ বজাত মামাৰ ঘৰলৈ গৈ নিমন্ত্ৰণ দিওঁ আৰু দলীক মই লৈ আহো। শিক্ষাগুৰু আৰু আন আন ভদ্ৰলোকসকলক আমি ছাত্ৰীসকলে শুশ্ৰূষা কৰাৰ পিছত মামা ঘৰলৈ আহিবলৈ ওলাল। দলীয়ে মোক এৰি নহাৰ বাবে মামা অকলেই ঘৰলৈ গ'ল। পুনৰ সন্ধিয়া সময়ত দলীক আনিব গ'ল। কিন্তু দলী তেতিয়াও নগ'ল। শেষত চাৰে ন মান বজাত মামা পুনৰ দলীক আনিবলৈ গ'ল।

ভাগ্যে দলী টোপনি গৈছিল। অনাত অসুবিধা নহ'ল। অনাৰ আগতে মামাই এগিলাচ পানী খাব বিচাৰিলে। মই গৰম পানী নাপাই ঠাণ্ডাপানী এগিলাচ দিবলগীয়া হোৱাত বৰ বেয়া লাগিছিল। পানী গিলাচ খালে। মই ভৱাই নাছিলো সেই পানী গিলাচেই মামাক দিয়া শেষ পঞ্চামৃত হব।

যোৱা ২৫-১১-৮৪ তাৰিখ ৰবিবাৰে ল'ৰা হোষ্টেলৰ সন্মুখত নবাগত আদৰণি সভা। আমি হোষ্টেলৰ সকলো ছাত্ৰীয়ে তাত যোগদান কৰিছো। শিক্ষাগুৰু সকলো আহিছে। ইফালে সিফালে ঘূৰি চাওঁ। মামাক দেখা নাপাও। কিছু সময়ৰ পিছত মামাহঁতৰ ওচৰতে থকা ছোৱালী এজনীয়ে ক'লে যে মামাৰ অসুখ, গুৱাহাটীলৈ নিছে। মই বিশ্বাস কৰা নাছিলো। কাৰণ যোৱা মঙ্গলবাৰে মামীক গুৱাহাটীলৈ লৈ গৈছে চিকিৎসাৰ বাবে। বৃহস্পতিবাৰে মই খবৰ লৈ আহিছোগৈ। মামা আহি পোৱা নাই। দুদিন পিছতে যে মামা আকৌ গুৱাহাটীলৈ যাব তাক মই ভাবিবই পৰা নাছিলো। কিন্তু যি নাভাবো সেয়ে সত্য হ'ল। সভাস্থলিতে মোৰ চকুপানী ববলৈ ধৰিলে।

২৬-১১-৮৪ তাৰিখ সোমবাৰে দিনৰ ১০ বজাত মামাৰ খবৰ লবলৈ গলো। ঘৰত কোনো নাই। ওচৰতে থকা জেঠাদেউৰ ঘৰলৈ গলো। জেঠীয়ে কলে যে মামাক গুৱাহাটী মেডিকেল কলেজলৈ নিছে আৰু অলপ আৰাম পোৱা বুলি শুনিছে। তাৰ পৰা ঘূৰি আহি খগেন মামাক বাটতে লগ পাও আৰু মোৰ মৰমৰ বান্ধৱী চিত্ৰাৰ সৈতে মামাৰ ঘৰলৈ আহো। চিত্ৰা আৰু মই মামাৰ ঘৰটোত সোমাও। ঘৰটো অপৰিষ্কাৰ আৰু বস্তু বাহানিবোৰ বিশৃংখল হৈ আছে। ঘৰটো সাৰো আৰু বস্তু বাহানিবোৰ পৰিপাটিকৈ থওঁ। মামীৰ নতুন শাৰী, মামাৰ চোলা পেন্ট আদি ভালকৈ থওঁ। মটৰ চাইকেলত মামাই নতুনকৈ কিনা জোতা এযোৰো দেখো। গুৱাহাটীৰ পৰা সিদিনা আহোতে লৈ আহিছিল। জোতা কিনোতে মামাক বোলে কৈছিল "জোতাযোৰ ললো; কিন্তু পিন্ধিব বোধহয় নাপাম।" তাৰ পৰা ঘূৰি আহি কলেজৰ সন্মুখ পাওঁতেই কুলেন (শৰ্মা) মামাই কলে যে, মামা আৰু নাই। মই চিঞৰি চিঞৰি কান্দিলো। চিত্ৰা আৰু আন আন বান্ধৱীসকলে মোক হোষ্টেললৈ ধৰি আনিলে। গাড়ীত তুলি মোক ব্যাসপাৰালৈ আনিলে। তাত দেখো সকলো শেষ। লোকে লোকাৰণ্য। সন্মুখত মামাৰ মৃতদেহ। যি মামাক দেখিলে ভয় কৰিছিলো, সেই মামাৰ মৃতদেহত ধৰি কান্দিবলৈ অকনো ভয় লগা নাছিল।

আজি মামাৰ ঘৰ শূন্য। মামা আৰু নাই। দলীয়ো তাত নাই। তাত যোৱাৰ মোৰো সকাম নাই। বিদ্যুত বাইদেউ, আপোনাকো আৰু আমনি নকৰো। ●



# মঙলদৈ মহাবিদ্যালয় ছাত্র সন্থাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

শব্দ অলংকাৰেৰে সজ্জিত বাক্য মালাৰে কৃতজ্ঞতাৰ শৰাই সজাব পাৰি নে নোৱাৰি সেয়া মোৰ অজ্ঞাত। তথাপিতো এই প্ৰতিবেদন খনিৰ আৰম্ভণিতে, যিসকল অগ্ৰজ, অনুজ, সহপাঠী বন্ধু-বান্ধৱীৰ নিভাঁজ আৰু অকৃত্ৰিম সহায় সহযোগত, হেজাৰ জনক নেতৃত্ব দিয়াৰ গুৰু দায়িত্ব শিৰ পাতি লৈছিলো, সেই সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। ১৯৮৩ চনৰ ডিচেম্বৰ মাহৰ ৩১ তাৰিখে মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাবে দায়িত্ব ভাৰ গ্ৰহণ কৰো। সিদিনাই মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ২৪ জনীয়া কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই কৰ্ত্তব্য সম্পাদনৰ প্ৰত্যাহ্বানক সাহসেৰে গ্ৰহণ কৰিবলৈ সঙ্কল্পবদ্ধ হৈছিলো। মোৰ ওপৰত ন্যস্ত দায়িত্ব পালনত কিমান দূৰ সফলতা লাভ কৰিছো তাৰ বিচাৰ সময় আৰু আপোনালোকৰ হাতত। যদি সফলতা লাভ কৰিব পাৰিছো সেয়া মোৰ বিজয় গৌৰৱ আৰু যদি পৰা নাই, সেয়াই মোৰ পৰাজয়।

**আমাৰ মহাবিদ্যালয় ঃ**

মহাবিদ্যালয়খনিক সুন্দৰৰ পৰা সুন্দৰতৰ কৰি তোলাৰ চিন্তা আৰু প্ৰচেষ্টা ঃ

মঙলদৈ মহাবিদ্যালয়খনি নৱগঠিত সমগ্ৰ দৰং জিলাৰ বিভিন্ন প্ৰান্তত থকা অগণন জনগণৰ বহু আশা হেঁপাহ আৰু আদৰৰ স্বাক্ষৰ বহন কৰি

অহা একমাত্র উচ্চ শিক্ষাৰ অনুষ্ঠান। জন-সাধাৰণৰ অত্যুৎসাহ আৰু দৃঢ় মনোভাৱৰ এক কাল-জয়ী চিন্তাধাৰাৰ সফল ফলশ্ৰুতিৰ বাবেই বহু বাধাৰ প্ৰাচীৰৰ বিপৰীতে গঢ় লৈ উঠিছে এই পবিত্ৰ বিদ্যামন্দিৰ। জনসাধাৰণে আশা কৰিছিল পাহাৰ ভৈয়াম আৰু বৰলুইতৰ ইপাৰ-সিপাৰ মিলি ক্ষুদ্ৰ এই মঙলদৈ নৈৰ পাৰতে জ্ঞানৰ বন্তি জ্বলাই হেজাৰ জনৰ মানসপটত উজ্জ্বল ভৱিষ্যতৰ দীৰ্ঘ ৰশ্মি ৰেখা অংকন কৰিব। ৰাইজৰ এনে তৃৰ্ব্বাৰ স্বপ্ন বাস্তৱত কিমান দূৰ প্ৰতিফলিত হৈছে তাৰ ভগ্নাংশ সময়ে পাতি যাব। তথাপি যুগৰ বতাহে বৰ্ত্তমান জনমানসৰ যি পৰিৱৰ্ত্তন ঘটাব লাগিছে তাৰ প্ৰতি সজাগ দৃষ্টি ৰাখি এই মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ লগতে কৰ্ত্তৃপক্ষই নিজা নিজা গুৰু দায়িত্ব পালন কৰাত বলিষ্ঠ পদক্ষেপ লোৱাটো অত্যন্তই প্ৰয়োজনীয়। গতানুগতিক চিন্তাধাৰাৰ পৰা কিছু ফালৰি কাটি আহি মঙলদৈ মহাবিদ্যালয়ে নিত্য-নতুন বাস্তৱমুখী চিন্তা-চৰ্চ্চা তথা কাৰ্য্য পদ্ধতিৰে সমাজক সুন্দৰ কৰি প্ৰগতিৰ পথত এখোজ হলেও আগুৱাই নিব লাগিব। ই প্ৰতিজন জ্ঞান পিপাসু ছাত্ৰ-ছাত্ৰীৰেই কাম্য। এই মহাবিদ্যালয়খন সৰ্ব্বাঙ্গ সুন্দৰ কৰি তুলিবলৈ যি অদম্য আশা প্ৰত্যেক ছাত্ৰ ছাত্ৰীৰ মাজতেই প্ৰবাহিত হৈ আছে, তাক বাস্তৱত ৰূপায়িত কৰিবলৈ হলে মঙলদৈ অঞ্চলৰ প্ৰতিজন নাগৰিক, বুদ্ধিজীৱী, সংস্কৃতি প্ৰেমী আৰু প্ৰতিজন শিক্ষাপ্ৰেমীয়েই দৃঢ় মুষ্টিবদ্ধ আশাশুধীয়া প্ৰচেষ্টাৰে কৰ্ত্তব্য ক্ষেত্ৰত অৱতীৰ্ণ হব লাগিব। মঙলদৈ মহাবিদ্যালয় আজি এই অঞ্চলটোক নেতৃত্ব দিয়াত যথেষ্ট পৰিমাণে হতাশাগ্ৰস্ত হৈ পৰিছে। এই মহাবিদ্যালয়খনে মঙলদৈ অঞ্চলটোৰ সভ্যতা সংস্কৃতিৰ উপৰিও সমাজৰ অন্যান্য অঙ্গাঙ্গী দিশবোৰৰো প্ৰতিনিধিত্ব কৰি আহিছে যদিও আশানুৰূপ সহঁাৰি দিব পৰা নাই।

সাহিত্যত যিদৰে এটা জাতিৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয়, তদ্ৰূপ উচ্চ শিক্ষাৰ অনুষ্ঠান এখনে সেই অঞ্চলটোৰ প্ৰতিজন সুস্থ মানসিকতা বোধ সম্পন্ন ব্যক্তিৰ অন্তৰ্নিহিত চিন্তাধাৰাৰ সুস্থ প্ৰতিভা ৰাজিৰ স্বাক্ষৰ বহন কৰি অঞ্চলটোৰেই প্ৰতিচ্ছবি জনমানসত প্ৰতিফলিত কৰে। কিন্তু মঙলদৈ মহাবিদ্যালয়খনে আজিলৈ এজন সৰ্ব্বতো প্ৰতিভা সম্পন্ন ব্যক্তি সমাজৰ উন্নয়নত আগবঢ়াই দিব পৰা নাই। ই চিন্তনীয় বিষয়। মহাবিদ্যালয় এখনৰ পৰা শিক্ষা আহৰণ কৰি ছাত্ৰ-ছাত্ৰী সকলে ভৱিষ্যতত এখন সমাজ বা দেশক সুস্থ নেতৃত্ব দিয়াৰ অৰ্হতা লাভ কৰে। এনেবোৰ ক্ষেত্ৰত মঙলদৈ মহাবিদ্যালয়ে কেনে ধৰণৰ দায়িত্ব পালন কৰিছে সেয়া বিচাৰ্য্যৰ বিষয়। শিক্ষা-দানৰ বিষয়, শিক্ষাদান ব্যৱস্থা আদি প্ৰত্যেকটি দিশতে যেন মহাবিদ্যালয়খনি থমকি ৰব বিচাৰিছে। মহাবিদ্যালয়খনিৰ এনে স্থবিৰতা আৰু উদাসীনতাৰ বাবে শিক্ষাৰ মানদণ্ড ক্ৰম হ্ৰাস-মান হব ধৰিছে। কিন্তু এই স্থবিৰতা আৰু উদাসীনতা জানো চিৰবৰ্ত্তমান হৈয়ে ৰ'ব ?? প্ৰত্যেক দিশতে পুৰণিৰ আদৰ্শৰে নতুন চিন্তা ধাৰাৰে

পৰিচালিত হৈ মহাবিদ্যালয়খন সৰ্ব্বাঙ্গ সুন্দৰ কৰি শৈক্ষিক পৰিৱেশ সুস্থ কৰি তোলাৰ বাতাবৰণ সৃষ্টি কৰাটো অতীব প্ৰয়োজনীয়। উজ্জ্বল ভৱিষ্যৎ এটা অনতিপলমে সমাগত কৰি প্ৰতিজন ছাত্ৰ-ছাত্ৰী তথা জনসাধাৰণৰ ভাগ্য মুকলি কৰাৰ বাবে বলিষ্ঠ পদক্ষেপ মহাবিদ্যালয় কৰ্তৃপক্ষই হাতত লব লাগে।

মঙলদৈ মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতিৰ হকে ১৯৮৩-৮৪ চনৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দাবী আৰু পদক্ষেপ ঃ

নবগঠিত দৰং জিলাৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাবে মঙলদৈ মহাবিদ্যালয়ে ৩৩ টা শুভ বছৰ অতিক্ৰমি বৰ্ত্তমানত পদাৰ্পণ কৰিছে। বিগত তিনিটা দশকৰ পিছত বৰ্ত্তমান মঙলদৈ মহাবিদ্যালয়খনত শৈক্ষিক তথা প্ৰশাসনীয় দিশত এক দোদুল্যমান পৰিস্থিতিৰ উদ্ভৱ হৈছে। এই দোদুল্যমান পৰিস্থিতিৰ উপশম ঘটাবলৈ মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাই গভীৰ উদ্বেগেৰে নিম্নলিখিত দাবীসমূহ মহাবিদ্যালয় পৰিচালনা সমিতিলৈ প্ৰেৰণ কৰে।

দাবীসমূহ ঃ

১। মহাবিদ্যালয়ৰ কোঠালি মেৰামতি, পৰিষ্কাৰ, চৌহদ পৰিষ্কাৰ কৰাৰ লগতে চৌহদৰ পকা দেৱাল, গেট মেৰামতি কৰিব লাগে।

২। বিজ্ঞান শাখাৰ ছাত্ৰ ছাত্ৰীৰ বাবে জীৱবিজ্ঞান আৰু উদ্ভিদ বিজ্ঞান বিভাগত, কলা শাখাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষা বিভাগত সন্মান পাঠ্যক্ৰম খুলিব লাগে।

৩। অঙ্ক বিষয়ত কমেও দুজন অধ্যাপক, ইংৰাজী আৰু শিক্ষা বিভাগত দুজন অধ্যাপকক নিযুক্তি দিব লাগে।

৪। দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে কৃষি-ধামখন সজীৱিত কৰি ছাত্ৰ ছাত্ৰীক থকাৰ সুবিধা কৰি দিব লাগে।

৫। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকলে প্ৰত্যেক সভাৰ বাবে লোৱা ধন বাতিল কৰিব লাগে।

৬। মহাবিদ্যালয় প্ৰেক্ষাগৃহৰ কাম অতি সোনকালে আৰম্ভ কৰিব লাগে।

৭। মহাবিদ্যালয়ত খোৱা পানীৰ সু-ব্যৱস্থা আৰু ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠাৰ উন্নতি সাধন কৰিব লাগে।

৮। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ চাইকেল ৰক্ষণাবেক্ষণৰ প্ৰতি লক্ষ্য ৰাখি অনতিপলমে চাইকেল ষ্টেণ্ড এটা তৈয়াৰ কৰিব লাগে।

৯। প্ৰতিবছৰে ছাত্ৰ-ছাত্ৰীৰ হাজাৰ হাজাৰ টকা লোৱাৰ পিছতো গ্ৰন্থাগাৰত আজিলৈকে নতুন কিতাপ-পত্ৰ যোগান নধৰাৰ কাৰণ দৰ্শাব লাগে আৰু গ্ৰন্থাগাৰৰ উন্নতি সাধন কৰিব লাগে।

১০। লাইট আৰু ফেনৰ উন্নতি সাধন আৰু মেৰামতি কৰিব লাগে।

১১। মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ বিভিন্ন গৱেষণাগাৰত ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ বাবে লাগতীয়াল নিম্নতম সঁজুলিও নাই। অনতিপলমে গৱেষণাগাৰৰ সঁজুলি যোগান ধৰিব লাগে।

১২। যোৱা ১৯৮২-৮৩ চনত মহাবিদ্যালয়ত নিৰ্মাণ কৰা গৃহসমূহ নিবিদা নিদিয়াকৈ নিৰ্মাণ

কৰাৰ কাৰণ আৰু উক্ত টকাৰ খৰছৰ হিচাব ৰাজহুৱাভাৱে ঘোষণা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

১৩। মহাবিদ্যালয়ৰ মাটিত উৎপন্ন খেতিৰ পৰা পোৱা ধন কোনে পায়? ইয়াৰ সম্পূৰ্ণ হিচাব দিয়াৰ ব্যৱস্থা কৰিব লাগে।

১৪। বৰ্ত্তমান মঙলদৈ মহাবিদ্যালয় গ্ৰন্থাগাৰত সৰ্ব্বমুঠ কিমান কিতাপ আছে তাৰ বণ্টন নম্বৰ সহ হিচাব কৰিব লাগে।

১৫। অধ্যাপক-অধ্যাপিকাসকলে নিজৰ বিভাগৰ পাঠ্যপুথিৰ বাহিৰে অন্য বিভাগৰ পাঠ্যপুথি গ্ৰন্থাগাৰৰ পৰা নিয়াৰ স্বাৰ্থ কি'ত? ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথি পোৱাৰ পৰা বঞ্চিত কৰা এনে কাৰ্য্য বন্ধ কৰিব লাগে।

১৭। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত তেৰ হেজাৰ টকাৰ খেলিমেলিৰ পৰীক্ষা নীৰিক্ষা চলাই থকা অৱস্থাত পৰীক্ষা নীৰিক্ষা বন্ধ কৰাৰ কাৰণ দৰ্শাব লাগে।

এই দাবীসমূহ এক চৰম পত্ৰ যোগে কৰ্তৃপক্ষৰ জৰিয়তে পৰিচালনা সমিতিলৈ প্ৰেৰণ কৰা হৈছিল আৰু চৰম পত্ৰ পোৱাৰ এঘাৰ দিনৰ ভিতৰত এই দাবীবোৰ সমাধানৰ ক্ষেত্ৰত কাৰ্য্যকৰী ব্যৱস্থা নললে আন্দোলনৰ কাৰ্য্যসূচী লোৱা হব বুলি সঁকিয়াই দিয়া হৈছিল। কিন্তু অতি দুখৰ বিষয় যে আমাৰ এই দাবীসমূহ পূৰণৰ ক্ষেত্ৰত পৰিচালনা সমিতিয়ে কোনো ধৰণৰ কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱা দেখা নগ'ল। তাৰ প্ৰতিবাদত উক্ত দাবী সমূহ পূৰণৰ ক্ষেত্ৰত আমি মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাই আন্দোলনৰ কাৰ্য্যসূচী লবলৈ বাধ্য হও। আন্দোলনৰ কাৰ্য্যসূচীৰ প্ৰথম পদক্ষেপ হিচাবে ঘোষণা কৰা তিনিদিনীয়া কাৰ্য্যসূচীৰ প্ৰথম দিনা সমূহ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিবাদ দিৱস পালন কৰি শ্ৰেণীৰ পৰা বিৰত থাকি প্ৰতিবাদ সাব্যস্ত কৰে।

দ্বিতীয় পদক্ষেপ হিচাবে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সমূহ কাৰ্য্যনিৰ্ব্বাহক সদস্যই ১০ ঘণ্টীয়া প্ৰতীক অনশন ধৰ্মঘট পালন কৰে।

তৃতীয় কাৰ্য্যসূচী হিচাবে ক'লা পতাকা উত্তোলন কৰা হয় আৰু ছাত্ৰ-ছাত্ৰীসকলে ক'লা বেজ পৰিধান কৰি শ্ৰেণীত উপস্থিত থাকে।

এই কাৰ্য্যসূচী সফল কৰি তুলি থকা সময়তে মহাবিদ্যালয় পৰিচালনা সমিতিয়ে উক্ত দাবী পূৰণৰ প্ৰতিশ্ৰুতি লিখিত ভাৱে দি দুই এটা কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱাৰ পৰিপ্ৰেক্ষিতত আন্দোলনৰ কাৰ্য্যসূচী সাময়িক ভাৱে স্থগিত ৰখা হয়। কিন্তু পৰিচালনা সমিতিয়ে দুই এটা কামৰ বাহিৰে আন দাবীবোৰ পূৰণৰ ক্ষেত্ৰত উদাসীনতা অৱলম্বন কৰাত আশ্চৰ্য্য প্ৰকাশ কৰাৰ লগতে শীঘ্ৰে কাৰ্য্যকৰী ব্যৱস্থা হাতত লবলৈ আহ্বান জনাইছো।

**স্মাৰক পত্ৰ প্ৰদান ঃ**

১। মঙলদৈ মহাবিদ্যালয়ত হৈ যোৱা ১৯৮৩-৮৪ চনৰ শেষান্ত পৰীক্ষাৰ সময়ত বিভাগীয় কৰ্তৃপক্ষৰ হেমাহি আৰু উদাসীনতাৰ সুযোগ লৈ স্থানীয় প্ৰশাসনীয় মুৰব্বী সহ পুলিচ চি আৰ পি বাহিনী মহাবিদ্যালয় চৌহদত প্ৰবেশ কৰি পৰীক্ষা গৃহৰ সুস্থতা আৰু পৱিত্ৰতা নষ্ট কৰি পৰীক্ষাৰ্থীৰ ওপৰত তালাচী চলাই এক বিষাক্ত পৰি-

ৰেশৰ সৃষ্টি কৰি মহাবিদ্যালয়খনিৰ ভাৱমূৰ্তি জনমানসত হেয় কৰাৰ প্ৰচেষ্টা চলায়। এনে অসহনীয় আৰু অভাৱনীয় দুৰ্ব্যৱস্থাৰ অৱসান ঘটোৱাৰ উদ্দেশ্যে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ তৰফৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ হাতত এখন স্মাৰক পত্ৰ প্ৰদান কৰা হয়।

২। সদৌ অসম ছাত্ৰ সন্থাৰ দ্বাৰা ঘোষিত কৰা কাৰ্যাসূচীত অংশ গ্ৰহণ কৰা বাবে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ উপ সভাপতি শ্ৰীদীপক বৰদলৈ আৰু সহকাৰী সাধাৰণ সম্পাদক হৰেন কুমাৰ চহৰীয়া (হীৰেন)ক কূটাঘাতমূলক কাৰ্য্যৰ লগত উদ্দেশ্য প্ৰণোদিতভাৱে জড়িত কৰি ভিত্তিহীন গোচৰত কেবাবাৰো আটক কৰাৰ উপৰিও বহুতো ছাত্ৰক আটক কৰাৰ প্ৰতিবাদত দৰঙৰ উপায়ুক্তৰ ওচৰত স্মাৰক পত্ৰ অৰ্পণ কৰা হয়।

৩। মঙলদৈ মহাবিদ্যালয়ৰ বহুদিনীয়া অভাৱ অভিযোগৰ বিভিন্ন দাবীসমূহ অসম্পূৰ্ণভাৱে পেলাই থোৱাত মঙলদৈ মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু পৰিচালনা সমিতিৰ ওচৰত দাবীসমূহ পূৰণৰ বাবে স্মাৰক পত্ৰ দাখিল কৰা হয়।

৪। মঙলদৈ মহাবিদ্যালয় আৰু ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসত পুলিচ চি আৰ পিৰ চাউনী পাতি যথেষ্ট ক্ষতি সাধন কৰা কাৰ্য্যৰ প্ৰতিবাদত আৰু এই চাউনী আতৰাই ক্ষতিগ্ৰস্ত হোৱা ঠাইবোৰ পুনৰ মেৰামতি কৰি দিয়াৰ দাবীত মহাবিদ্যালয় ছাত্ৰ সন্থাৰ তৰফৰ পৰা উপায়ুক্তৰ হাতত স্মাৰক পত্ৰ প্ৰদান কৰা হয়।

অশ্ৰু অঞ্জলি ঃ

আমাৰ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ শ্ৰদ্ধেয় মুৰব্বী অধ্যাপক ৺সুৰেন্দ্ৰ নাথ ডেকা চাৰৰ আকস্মিক পৰলোকত মহাবিদ্যালয় ছাত্ৰ সন্থাৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰা হয়। ১৯৮৩ ৰ নিৰ্বাচন প্ৰতিৰোধ সংগ্ৰামত প্ৰাণাহুতি দিয়া আমাৰ মহাবিদ্যালয়ৰ ছয় গৰাকী জাতীয় শ্বহীদৰ মৃত্যু বাৰ্ষিকী মহাবিদ্যালয় ছাত্ৰ সন্থা আৰু আন্তঃ মঙলদৈ ছাত্ৰ সন্থাৰ যৌথ উদ্যোগত পালন কৰা হয়। ইয়াৰ উপৰিও আৰক্ষী বাহিনীৰ নৃশংস অত্যাচাৰত প্ৰাণাহুতি দিয়া অসমৰ জাতীয় শ্বহীদ সুভাষ শৰ্মা, গৰ্গেশ্বৰ পাঠক, তিলেশ্বৰ শইকীয়া আৰু ঘৰ শত্ৰু বিভীষণৰ হাতত প্ৰাণ ত্যাগ কৰা জাতীয় শ্বহীদ দ্বিজেন ভূঞা, স.দৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন উপ সভাপতি ৺শিশিৰ ফুকন, গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ তথা আমাৰ মহা-বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ৺হেমচন্দ্ৰ দত্ত, প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীৰ ছাত্ৰ ৺হেমেশ্বৰ চলিহা, ৺হৰেন ডেকা আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ৺নাৰায়ন সিঙ (হৰিজন)ৰ মৃত্যুত মহাবিদ্যালয় ছাত্ৰ সন্থাৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কৰা হয়।

প্ৰতিবাদ সভা ঃ

অসম আৰু অসমীয়াৰ জাতীয় অস্তিত্বক জীয়াই ৰখাৰ সকলো আন্দোলনৰ কাৰ্যাসূচীৰে সফল ৰূপায়ণ কৰিবলৈ মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ তৰফৰ পৰা চেষ্টা চলাই অহা হৈছে। সদৌ অসম ছাত্ৰ সন্থাৰ দ্বাৰা ঘোষিত কাৰ্যাসূচী-বোৰত অংশ গ্ৰহণ কৰা বাবে বিভিন্ন সময়ত

বিভিন্ন ছাত্র কৰ্মীক আৰক্ষী বিভাগে গ্ৰেপ্তাৰ কৰি নানান শাৰিৰীক তথা মানসিক শাস্তি দিয়াৰ প্ৰতিবাদত মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাই সভা আহ্বান কৰি এনে অমানৱীয় কাৰ্য্যৰ তীব্ৰ প্ৰতিবাদ জনোৱাৰ লগতে গৰিহণা দিয়ে

**উৎসৱ-সমাৰোহ ঃ**

আমাৰ মঙলদৈ মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ' ১২ জানুৱাৰীৰ পৰা ১৯ জানুৱাৰীলৈ অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহখনি এক সৌহাদ্যপূৰ্ণ গাম্ভীৰ্য্যতাৰ মাজেৰে অনুষ্ঠিত হৈ যায়। ১৯ জানুৱাৰীৰ সামৰণিৰ দিনা আয়োজন কৰা মুকলি সভাত কেবা গৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতি আৰু তেখেতসকলৰ সাৱলীল তাৎপৰ্য্য পূৰ্ণ বক্তৃতামালাই সভাৰ সৌষ্ঠৱ দুগুণে বঢ়াইছিল।

আন আন বছৰৰ দৰে এইবাৰো মহাবিদ্যালয়ত সৰস্বতী পূজা, ফাতেহা-ই-দোৱাজ দাহম, শ্ৰীশ্ৰীশঙ্কৰ দেৱৰ মৃত্যু তিথি, জাতীয় আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি মৃত্যুক আকোৱালী লোৱা বিভিন্ন জন শ্বহীদৰ আদ্যশ্ৰাদ্ধ আৰু মৃত্যু বাৰ্ষিকী উদযাপন কৰাৰ লগতে নবাগত আদৰণী সভাখন উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়।

**সম্বৰ্দ্ধনা অনুষ্ঠান ঃ**

মঙলদৈ মহাবিদ্যালয়ৰ ইতিহাসৰ বাবে এক গৌৰৱোজ্জ্বল অধ্যায় হিচাবে এই ঘটনাটিক ধৰিব পাৰি। এইবেলি তিনিজনা অধ্যাপনাৰী শিক্ষাগুৰুই নিজ অধ্যৱসায়ৰ ফলশ্ৰুতি হিচাবে বিশ্ববিদ্যালয়ৰ সন্মানসূচক 'ডক্টৰেট' উপাধীৰে ভূষিত হয়। সেই তিনিগৰাকী শ্ৰদ্ধেয় অধ্যক্ষ ড° পূৰ্ণ চন্দ্ৰ বৰা, ড° ভূপেন তালুকদাৰ আৰু ড° ৰমেন কুমাৰ ৰয় দেৱক মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দ্বাৰা আয়োজিত সম্বৰ্দ্ধনা সভাত সম্বৰ্দ্ধনা জনোৱা হয়।

**মহাবিদ্যালয় গ্ৰন্থাগাৰ ঃ**

সমগ্ৰ দৰং জিলাৰেই (নব গঠিত) একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান, আমাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটো এটা নাম মাত্ৰ গ্ৰন্থাগাৰহে হৈ আছে। গ্ৰন্থাগাৰৰ প্ৰয়োজনীয় সা-সামগ্ৰী তথা সুস্থ পৰিবেশ এটিৰ অভাৱ আজি কেবা বছৰৰো পৰা পৰিলক্ষিত হৈ আহিছে। ছাত্ৰ-ছাত্ৰীৰ চাহিদা অনুসৰি গ্ৰন্থাগাৰটোৱে পাঠ্য-পুথিৰ যোগান ধৰিব নোৱাৰাত বহু ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা আহৰণৰ ক্ষেত্ৰত জীয়াতু ভুগি থাকিব লগীয়া হৈছে। গ্ৰন্থাগাৰটোৱে নতুন প্ৰয়োজনীয় কিতাপৰ যোগান ধৰিব নোৱাৰাটো মহাবিদ্যালয়খনৰেই অকৃতকাৰ্য্যতাৰ চিন। তদুপৰি গ্ৰন্থাগাৰত ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োজনীয় সুকীয়া সুবিধাজনক পঢ়া কোঠা নথকাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে সাময়িক ভাৱে অৰ্জন কৰিব লগীয়া নানান অভিজ্ঞতাৰ পৰাই বঞ্চিত হব লগা হৈছে। আমাৰ পূৰ্ব্বৰ মনীষীসকলে বিচিয়াই কৈ যোৱা —"ছাত্ৰনাং অধ্যয়নং তপঃ" কথাষাৰ কাৰ্য্যক্ষেত্ৰত প্ৰতিফলিত কৰাত মহাবিদ্যালয় গ্ৰন্থাগাৰটোৱে প্ৰয়োজনীয় উৎসাহ অনুপ্ৰেৰণাৰ যথেষ্ট কাৰ্পণ্য কৰিছে। সেয়ে আমি আশা ৰাখিছো, মহাবিদ্যালয় কৰ্ত্তৃপক্ষই আমাৰ গ্ৰন্থাগাৰটোৰ উন্নতি সাধন কৰি

ছাত্র-ছাত্রীৰ অভাৱৰ জোৰা মাৰিব পৰাকৈ নতুন কিতাপৰ যোগান বৃদ্ধি কৰি গ্ৰন্থাগাৰটোৰ সৌন্দৰ্য্য বৰ্দ্ধনৰ লগ.ত আদৰ্শনীয় কৰি তুলিব।

ছাত্ৰাবাস-ছাত্ৰী নিবাস ঃ

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰাবাস আৰু ছাত্ৰী নিবাস দুটিৰ অৱস্থা পানীত হাঁহ নচৰা বিধৰ। ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসটিৰ সংৰক্ষিত মুষ্টিমেয় আসনে দূৰ দূৰণিৰ পৰা শিক্ষা গ্ৰহণ কৰিবলৈ অহা ছাত্ৰ-ছাত্ৰীৰ আশা পূৰণ কৰিব নোৱাৰে।

ছাত্ৰী নিবাসটিত চৌহদৰ অভাৱে মহাবিদ্যালয়ৰ নিস্তেজ ভূমিকা উদঙাই দিছে। আজি বহুদিনৰ পৰাই ছাত্ৰী নিবাসৰ বাবে এখন নিৰাপত্তামূলক দেৱালৰ নিতান্তই প্ৰয়োজন বোধ কৰি অহা হৈছে যদিও কৰ্তৃপক্ষৰ উদাসীন মনোভাবৰ বাবেই ছাত্ৰী নিবাসৰ আবাসীসকলে আজিও নিৰাপত্তাহীনতাৰ মাজেৰে দিন অতিবাহিত কৰিব লগীয়া হৈছে। ইয়াৰ উপৰিও, দুয়োটা নিবাসতে বিজুলী যোগান, পানী যোগান অনিয়মিত, বিজুলী বিছনী আৰু সু-চিকিংসাৰ অভাব যেন চিৰবৰ্তমান হৈয়েই ৰব।

আমাৰ ছাত্ৰাবাস আৰু ছাত্ৰী নিবাস দুয়োটাতে প্ৰয়োজনীয় আসন বৃদ্ধি কৰি অসমৰ আন আন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে পাই অহা অন্যান্য সা-সুবিধা প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলৰ আশাশুধীয়া প্ৰচেষ্টা সফল ৰূপদানত কৰ্তৃপক্ষই এক বাস্তৱ পদক্ষেপ লওক। এয়া আমাৰ দাবী, আশা।

আমাৰ বক্তব্য ঃ

আমাৰ মহাবিদ্যালয়খন যেন বাবে বৰণীয়া আঁচুৰে বোৱা এখন ফুলাম গামোছা হে। মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ ছাত্ৰী, কৰ্মচাৰী ঐক্যবদ্ধ হৈ আমাৰ বৰণীয়া কৃষ্টিক জীয়াই ৰখাৰ সংকল্প লব লাগিব। জ্ঞান অন্বেষণকাৰী প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে উচ্চ নৈতিকভাৱে নিজৰ কৰ্ত্তব্য পথত অৱতীৰ্ণ হব লাগিব। গুৰু শিষ্যৰ মধুৰ সম্পৰ্ক শাশ্বত কৰি আমি আৰম্ভ কৰিব লাগিব জ্ঞানৰ বন্তি জ্বলাই সভ্যতা জখলাৰ উচ্চ স্তৰলৈ এক অন্তহীন যাত্ৰা।

চিৰ শাশ্বত নৈতিকতাই মানুহক দেৱতাৰ শাৰীলৈ উন্নীত কৰে। সুস্থ নৈতিকতাই কৰ্ত্তব্যমুখী মানৱক কৃতকাৰ্য্যতাৰ পথ আঙুলিয়াই দিয়ে। সেয়ে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে নিজ নিজ কৰ্ত্তব্য অক্ষুণ্ণ ৰাখি বাস্তৱৰ সৈতে নিজক সন্মুখীন কৰাবলৈ হলে নৈতিকতাক সাৰোগত কৰি শৃংখলাবদ্ধতা আৰু নিয়মানুবৰ্ত্তিতাৰ মাজেৰে আমাৰ শিক্ষা আহৰণৰ এই মধুৰ কালছোৱা মহীয়ান কৰি তুলিব লাগিব। এই ক্ষেত্ৰত শিক্ষা গুৰু সকলেও গুৰু দায়িত্ব পালন কৰিব লাগিব।

অসমৰ বৰ্ত্তমান জ্বলন্ত পৰিস্থিতিৰ সন্মুখীন হব পৰাকৈ আমি প্ৰত্যেকেই নিজক সু-প্ৰস্তুত কৰি তুলিব লাগিব। অসমৰ ঐতিহ্যময়ী শান্তি সম্প্ৰীতি তথা একতাৰ বান্ধোনৰ এনাজৰী ডাল সুদৃঢ় কৰি আগবাঢ়ি যাব লাগিব চিৰ প্ৰৱাহমান বৰ লুইতৰ পাৰে পাৰে হাতত হাত মিলাই আমাৰ মৰমৰ চিৰ সেউজীয়া সোণৰ অসম

খনিৰ সন্মান ৰাখিবলৈ। আমাৰ দেশৰ প্ৰতি-টোপাল ৰক্তবিন্দুৰ দ্বাৰা অৰ্জিত শক্তি আৰু সাহসেৰে বলীয়ান হৈ আমি কৰ্ত্তব্যৰ দুৰ্গম পথেৰে আগুৱাই যাবই লাগিব আইৰ পূজাৰ যোড়-শোপচাৰ গোটাবলৈ। আমি আগুৱান হবই লাগিব। কাৰণ আমি আটায়ে প্ৰতিশ্ৰুতিবদ্ধ।

এই অঞ্চলৰ শৈক্ষিক দিশৰ লাইখুটা স্বৰূপ এই মহাবিদ্যালয়খনে আমাৰ মাজলৈ এই আশা আৰু আকাংখা কঢ়িয়াই আনিছে। এই আশা বাস্তৱত ৰূপায়িত কৰিবলৈ ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয় কৰ্ত্তৃপক্ষ আৰু পৰিচালনা সমিতিও কৰ্ত্তব্যৰ মহামন্ত্ৰেৰে আগুৱান হব লাগিব।

আমি আশা ৰাখিছো, আমাৰ ন্যায্য দাবী-বোৰ কৰ্ত্তৃপক্ষই অনতিপলমে মানিবলৈ বাস্তৱ-মুখী চিন্তাধাৰাৰ সফল ৰূপায়ণেৰে মহাবিদ্যালয় খনিক সৰ্বাঙ্গ সুন্দৰ কৰি তুলিব।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

আগতেই উল্লেখ কৰিছো শব্দৰ গাঁথনিৰে কৃতজ্ঞতা জনাই অন্ত কৰিব নোৱাৰি। তথাপিতো যিসকল বন্ধু বান্ধবীয়ে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাবে মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুবিধা দিলে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। আমাৰ কাৰ্য্যকালৰ সময়ছোৱাত সকলো দিশতে দিহা পৰামৰ্শ দি আমাৰ আঁচনিবোৰ ৰূপায়ণত অনুপ্ৰেৰণা দি অহা ছাত্ৰ সন্থাৰ ভাৰ-প্ৰাপ্ত অধ্যাপক শ্ৰীৰাজেন্দ্ৰ বৰুৱা দেৱলৈ এই ছেগতে কৃতজ্ঞতা জ্ঞাপন কৰিলো। বিভিন্ন পৰা-মৰ্শ আগবঢ়াই আমাক সহায় কৰা অধ্যক্ষ ডঃ পূৰ্ণ চন্দ্ৰ ধুৰা দেৱ প্ৰমুখ্যে শ্ৰদ্ধাভাজন শিক্ষাগুৰু আৰু কৰ্মচাৰী সকলোলৈকে মোৰ সশ্ৰদ্ধ নমস্কাৰ জনালো। কাৰ্য্যনিৰ্বাহকৰ সদস্য সতীৰ্থসকলৰ আন্তৰিকতা পূৰ্ণ ব্যৱহাৰ আৰু সহযোগিতাই আমাক ব্যস্ততাৰ মাজতো দিয়া আনন্দ সহায় সহযোগৰ কথা উল্লেখ নকৰি নোৱাৰিলো।

সদৌ শেষত যিসকল ভাতৃ-ভগ্নী প্ৰতীম বন্ধু বান্ধবীয়ে আমাৰ কাৰ্যকাল ছোৱাত নানাধৰণে সহায় সহযোগ আগবঢ়াই আমাৰ কৰ্ত্তব্য মুখৰ দিন কেইটা সুকলমে পাৰ কৰি দিলে তেওঁ-লোকলৈ মোৰ অকৃত্ৰিম মৰম আৰু কৃতজ্ঞতা জনাই মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বতো উন্নতি কামনাৰে প্ৰতিবেদনৰ মোখনি মাৰিলো।

॥ জয়তু মঙলদৈ মহাবিদ্যালয় ॥

॥ জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা ॥

॥ জয়তু জন্মভূমি ॥

জয় আই অসম

শ্ৰীধৰ্মকান্ত শৰ্মা

সাধাৰণ সম্পাদক

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা



# সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

সাহিত্যৰ সাঁকো প্ৰাচীৰ পত্ৰিকা ঃ

সংবেদনশীল সংগীত যিদৰে শোক-বেজাৰৰ মহৌষধ তেনেদৰে সাধনা পুষ্ট সাহিত্য গণ সমাজৰ প্ৰতিচ্ছবি। সংগীতৰ কথা বস্তুৰ উপৰিও তাল-মান-লয়ে যেনেকৈ তাক শ্ৰুতিমধুৰ কৰি তোলে তেনেকৈ স্বকীয় প্ৰতিভা আৰু প্ৰকাশিত সাহিত্যহে জীৱন্ত হয়। জীৱন্ত সাহিত্য মানেই চেতনাপুষ্ট গণ সমাজৰ কথা। এনে জীৱন্ত সাহিত্য অবিহনে জাতীয় অস্তিত্ব পোন হৈ থকা অসম্ভৱ। অন্যান্য ৰাজ্য সমূহৰ সাহিত্য যিদৰে জীপাল ভাষাও তেনেদৰে চহকী। ভাষা চহকী কৰাত জীপাল সাহিত্যহে পৰম বন্ধু। আন আন দেশৰ সাহিত্য ৰাজিয়ে উত্তৰ পুৰুষৰ বাবে কেনেদৰে নতুন প্ৰাণৰ সঞ্চাৰ কৰি আহিছে তাক নকলেও হ'ব। এনে সাহিত্য ৰাজিৰো বিষয়বস্তু স্বদেশ আৰু স্বজাতিৰ ধৰ্ম বিৰহিত নহয়। ভাবিলে মন যেনেকৈ বিশ্বইতিহাসত তুলনাবিহীন অসম আন্দোলন বৰ্ত্তমানেও অব্যাহত জুয়ে পোৰা অসমৰ পকা মাটিত প্ৰকৃতিৰ শ্যামলী পৰশ পৰিবলৈ এতিয়াও ঠায়ে ঠায়ে বাকী। স্ব-অস্তিত্ব ৰক্ষা কৰক বুলি কওঁতেইচোন কুৎচিৎ সামাজিকত ভোগা কাণ্ডজ্ঞান শূন্য নৰবধুইঁতৰ চত্ৰছায়াতে অসমীৰ বুকু তেজেৰে ৰাঙলী হ'ল। তেজোদীপ্ত অসম শ্বহীদৰ কবৰেৰে ভৰি পৰিল। অসমৰ আকাশ বতাহ শগুণ শিয়ালৰ বিকুৎ চিঞৰত কপি উঠিল, শস্য শ্যামলা মনে মনোহৰা অসম নে—নে স্বাধীন ভাৰতৰ চৰকাৰী শ্মশান অসম সন্দেহজনক হৈ পৰিল। কেউপিনে মাথো জুই, ধোৱা আৰু ছাইৰ মাজেৰে ভাহি অহা হৃদয় বিদাৰক আৰ্ত্তনাদ আৰু অট্টহাসৰ খলকনিয়ে এক বিভীষিকাৰ জোঁৱাৰ তুলিলে। এই হেন লাঞ্চিত অসমী আইৰ কাহিনী

যদি উপেক্ষিত হয় তেনেহ.ল সিওঁ এক ডাঙৰ প্ৰতিবন্ধক হব জাতীয় অস্তিত্ব পোন হৈ থকাত। ইয়াক অসমীয়া ভাষাৰেই ব্যক্ত কৰিব লাগিব। এদিন পোন হোৱা মানেই চিৰ দিন পোন হৈ থকা নুবুজায়।

গতিকে দেখা যায় সাহিত্য অবিহনে জাতীয় অস্তিত্বৰ উপৰিও জাতীয় আন্দোলন চলোৱাত অসম্ভৱ। জাতীয় আন্দোলনৰ ওপৰত জনমতে এনে সাহিত্য জগত মুক্ত কৰিব পাৰে প্ৰাচীৰ পত্ৰিকাত। ইতিহাস বিচাৰিলে পোৱা যায়—প্ৰাচীৰ পত্ৰিকাৰ জন্মও আন্দোলনতে (১৯৫৭ চনত চীনত শুদ্ধি আন্দোলন)।

সেই বুলি এইটো নহয় যে আন্দোলন মানেই প্ৰাচীৰ পত্ৰিকা। প্ৰাচীৰ পত্ৰিকা সাহিত্যৰ বৰ পুখুৰীত স্থান কৰিবলৈ সজোৱা সাকোঁহে। এই বৰপুখুৰী যিমানেই বহল আৰু দ হ'ব সিমানেই প্ৰাচীৰ পত্ৰিকা উন্মোচিত হৈয়ে থাকিব। আমাৰ মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাৰ দায়িত্ব লৈ মই যিকণ অভিজ্ঞতা অৰ্জন কৰিলো তাক থোৰতে কবলৈ গলে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী-সকল সাহিত্যৰ প্ৰতি উদাসীন নহয়, ইয়াৰ জ্বলন্ত উদাহৰণ হিচাবে প্ৰাচীৰ পত্ৰিকাৰ উদং-স্থলীলৈ আঙুলিয়াব পাৰি। সি যি কি নহওক চলিত আন্দোলনৰ সৈতে সংগতি ৰাখি প্ৰাচীৰ পত্ৰিকাখনি নিয়মীয়াকৈ প্ৰকাশ কৰি অহা হৈছে।

মহাবিদ্যালয় সপ্তাহত মই আশা কৰা মতে প্ৰতিযোগীৰ সংখ্যা খুউব কমেই পাইছিলো। মহাবিদ্যালয় সপ্তাহত গল্প, কবিতা, চুটিগল্প, কথা-কবিতা, অসমীয়া/ইংৰাজী কবিতা আবৃত্তি, মুকলি সাহিত্য প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি সৰ্বশ্ৰেষ্ঠা সাহিত্যিকাৰ সন্মান লাভ কৰে মিছ মিনু ৰাণী নাথে।

কৃতজ্ঞতা স্বীকাৰ ঃ

মোৰ কাৰ্য্যকালছোৱাত থিতাতে দিহা পৰামৰ্শ দি অহা বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপিকা মাননীয়া উষা বড়া আৰু নাহাৰুন নেচা, ৰূপালী বৰুৱা, জীৱন শৰ্মা মহোদয়ৰ ওচৰত মই চিৰ-ঋণী। মোৰ জোষ্ঠ ভাতৃ স্বৰূপ ধৰ্মকান্ত শৰ্মা, দিজু দা, প্ৰিতম কিশোৰ হাজৰিকালৈ আন্তৰিক শুভেচ্ছা, ছাত্ৰ বন্ধু কল্প, দ্ৰোন, প্ৰনব, মন্টু, হীৰেন, প্ৰফুল্ল কুমাৰ, নৃপেন বেজবৰুৱালৈ আন্ত-ৰিক অভিনন্দন থাকিল।

সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰী-সকললৈ অভিনন্দন জনাই মোৰ এই নিৰস অভিলেখৰ যৱনিকা পেলালো।

দীৰ্ঘজীৱী হওঁক মহাবিদ্যালয় সাহিত্য বিভাগ

জয় আই অসম

শ্ৰীধনেশ্বৰ বৰুৱা (বিকাশ)

সম্পাদক ঃ সাহিত্য বিভাগ

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়ন্ত মঙলদৈ মহাবিদ্যালয়ৰ পৰা অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকল আৰু অসমৰ জ্ঞাত-অজ্ঞাত সকলো শ্বহীদলৈ আমাৰ অশ্ৰু ভৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

মঙলদৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক, অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈও শ্ৰদ্ধাঞ্জলি তথা আন্তৰিক কৃতজ্ঞতা নিবেদিছো।

বৰ্ত্তমান যুগটো হ'ল প্ৰতিযোগিতাৰ যুগ। প্ৰতিযোগিতা হ'ল মানুহক আগবঢ়াই নিয়াৰ এপাত অস্ত্ৰ। গতিকে এই প্ৰতিযোগিতাৰ যুগত খেল জগতৰ গুৰুত্ব কিমান বা খেল জগতে ইয়াত কিমানখিনি অৰিহণা যোগাইছে তাক আজি দোহাৰিবৰ বৰ বেছি প্ৰয়োজন নাই বুলি ভাবো। তাহানিৰ সেই "ছাত্ৰানাং অধ্যয়নং তপঃ" কথাষাৰি আজিৰ যুগত আমি ভাবো ৰজিতা নেখায়। যিহেতু আজি শিক্ষাৰ উদ্দেশ্য হ'ল বহুমুখী শিক্ষা; গতিকে সকলো দিশতে সমানে চকু দি এজন উপযুক্ত ব্যক্তি হবলৈ চেষ্টা কৰাটো কৰ্ত্তব্য। সেয়ে আজি কালি স্কুল কলেজ বিলাকত পঢ়া শুনাৰ দিশৰ লগতে খেল জগত তথা সাংস্কৃতিক দিশো সামৰি লৈছে।

মানুহৰ জীৱনৰ উন্নতি কৰিবলৈ হলে সাহস, ধৈৰ্য্য তথা একাগ্ৰতাৰ প্ৰয়োজন। জীৱন যুদ্ধত জয়ী হবলৈ তথা যুঁজিবলৈ যি সাহস, একাগ্ৰতা তথা ধৈৰ্য্যৰ প্ৰয়োজন সেইখিনি আহৰণ কৰাত খেল জগতে যথেষ্ট অৰিহণা যোগাব পাৰে। সেয়ে আমি খেলক এটা আজৰি সময় তথা মনৰ ভোক গুচুৱাবলৈ যি কোনো পণ্য ব্যৱহাৰ কৰাৰ দৰে গুৰুত্ব নিদি বিজ্ঞান সন্মত আৰু প্ৰণালীবদ্ধভাৱে ইয়াক আহৰণ কৰা উচিত। তাৰ ফলত আমাৰ দেহ মনৰো ভাল ফল পোৱা যায়।

**বৰ্ত্তমান যুগত খেলৰ গুৰুত্ব ঃ**

বৰ্ত্তমান বিশ্বত খেলৰ গুৰুত্ব তথা সমাদৰ কিমানখিনি আগবাঢ়িছে তাৰ প্ৰমাণ প্ৰতি চাৰি বছৰৰ মূৰে মূৰে অনুষ্ঠিত কৰা অলিম্পিকেই সূচায়। ইয়াৰ চাহিদা ইমান বৃদ্ধি হৈছে যে কোটি কোটি টকা খৰচ কৰি হলেও ইয়াক অনুষ্ঠিত কৰিবলৈ নিপিছুৱায়। পৃথিৱীৰ ক্ৰীড়া

জগতত উন্নতিশীল দেশসমূহৰ ভিতৰত ভাৰতবৰ্ষ এখন লেখত লবলগীয়া। কিন্তু ইয়াত যিমানখিনি হব লাগে সিমান খিনি হব পৰা নাই। ১৯৮৪ চনৰ অলিম্পিকত ভাৰতে এটা বঁটাও আনিব নোৱাৰাটোৱে ইয়াকে প্ৰমাণ কৰে যে ভাৰতৰ খেল জগত নিশ্চয় এতিয়াও দুখজনক হৈ আছে। ইয়াৰ মূলতে হ'ল প্ৰশিক্ষণ তথা অনুশীলনৰ অভাৱ। ভাৰতৰ বিভিন্ন ৰাজ্যবোৰৰ ভিতৰত অসমৰ ক্ৰীড়া জগতৰ অৱস্থা সন্তোষজনক নহয়।

মঙলদৈ মহাবিদ্যালয় দৰং জিলাৰ ভিতৰতেই এখন মহৎ শিক্ষানুষ্ঠান। ইয়াত খেলুৱৈৰ অভাৱ নাই যদিও উপযুক্ত পৰিৱেশ আৰু সা-সুবিধাৰ অভাৱৰ বাবেই যিকোনো খেলৰ ক্ষেত্ৰত খেলুৱৈ সকল পিছ পৰি থকা যেন অনুমান হয়।

মহাবিদ্যালয় সপ্তাহ ঃ

বিগত বছৰৰ "মহাবিদ্যালয় সপ্তাহ" ১৯৮৩ চনৰ ডিচেম্বৰ মাহত হৈ যায়। উক্ত মহাবিদ্যালয় সপ্তাহত কলেজৰ ল'ৰা-ছোৱালীৰ অনুপাতে খেলুৱৈৰ সংখ্যা যথেষ্ট কম আছিল। এইটো সঁচাকৈ আমাৰ অতি পৰিতাপৰ কথা। আশা কৰো ভৱিষ্যতে আমাৰ উঠি অহা ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলে খেলুৱৈ সুলভ মনোবৃত্তিৰে আগবাঢ়ি আহি মহাবিদ্যালয়ৰ সুনাম কঢ়িওৱাৰ উপৰিও নিজৰ জাতিৰ তথা দেশৰ সুনাম আনিবলৈ সক্ষম হব। বিগত বছৰটোত হৈ যোৱা মহাবিদ্যালয় সপ্তাহত যিসকল খেলুৱৈয়ে অংশ গ্ৰহণ কৰিছিল তেওঁলোকৰ উৎসাহ উদ্দীপনা, সাহস, মনোবল শলাগিবলগীয়া। হৈ যোৱা "মহাবিদ্যালয় সপ্তাহ"ৰ খেল বিভাগৰ শিতানত যোগদান তথা পুৰস্কৃত হৈ বছৰৰ সৰ্বশ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয়—উমেশ বৰদলৈ আৰু ছোৱালীৰ বিভাগত সৰ্বশ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে মিছ ফুলু কলিতাই।

আমাৰ অভাৱ অভিযোগ ঃ

মানুহৰ অভাৱ অসীম। এই অভাৱ সহজে পূৰ কৰিব নোৱাৰে। কিন্তু চেষ্টাৰ অসাধ্য একো নাই। চেষ্টা কৰিলে বহুত অভাৱৰ পৰা মানুহৰ মুক্তি হব পাৰে। আমাৰ কলেজখনো এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। খেলৰ সামগ্ৰী তথা উপযুক্ত পৰিৱেশৰ অভাৱ আমাৰ খেলুৱৈসকলে সদায়েই অনুভৱ কৰি আহিছে। মানুহ যিহেতু পৰিৱেশৰ দাস গতিকে উপযুক্ত পৰিৱেশে মানুহক উপযুক্তকৈ গঢ় দিয়াত কিমান সহজ তাক অনুমেয়। গতিকে সুন্দৰ খেলৰ এটা বাতাবৰণ গঢ়ি তুলিবলৈ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী প্ৰমুখ্যে কৰ্তৃপক্ষক টানি অনুৰোধ জনালো। ইয়াৰোপৰি আমাৰ মহাবিদ্যালয়ত বহুত খেলৰ সামগ্ৰী নাই। বিশেষকৈ "বাস্কেট বল" আৰু "হকী"ৰ। সেয়েহে কৰ্তৃপক্ষক সকলো বিলাক অসুবিধা ছালিজাৰি চাই এটা সুন্দৰ খেলৰ বাতাবৰণ গঢ়ি তুলিবলৈ টানি অনুৰোধ জনালো।

কৃতজ্ঞতা স্বীকাৰ ঃ

বিগত বছৰটোত সকলো ফালৰ পৰা পৰামৰ্শ দি সহায় সহযোগ কৰা ক্ৰীড়া বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় আমানুল হক, অধ্যাপক নাৰায়ন চৌহান, অধ্যাপক মুকুট আলি দেৱক

কৃতজ্ঞতা অৰ্পণ কৰিলো। আৰু শেষত খেল বিভাগৰ বিভিন্ন কাৰ্য্যসূচীত দিহা পৰামৰ্শ দি সহায় কৰা বাবে বন্ধুবৰ কুশেশ্বৰ শইকীয়া, অমৰ জ্যোতি চহৰীয়া, হিৰণ বৰুৱা, হেৰম্ব বেজবৰুৱা, প্ৰণৱ বৰদলৈ, ঘণ হাজৰীকা, মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰাবাসৰ সমূহ বাসিন্দা আৰু মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্য-বৃন্দক কৃতজ্ঞতা জনাইছো। লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে আমাক নিৰ্বাচিত কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰীলৈও আমি কৃতজ্ঞতা যাচিলো।

সদৌ শেষত আমাৰ কাৰ্য্যকাল ছোৱাত হোৱা ভুল ক্ৰুটীৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছো আৰু মহাবিদ্যালয়ৰ খেল জগতৰ শুভ কামনা কৰি প্ৰতিবেদন সামৰিছো।

জয় আই অসম

শ্ৰীশৰৎ চন্দ্ৰ ডেকা
প্ৰধান সম্পাদক, খেল বিভাগ

শ্ৰীঅৰণী মোহন নাথ
সহঃ সম্পাদক, খেল বিভাগ

●●●



# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰাৰম্ভণীতে যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে বহুমূলীয়া ভোটদানেৰে তেওঁলোকৰ সেৱাৰ সুবিধাকণ দিলে, সেইসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

বিদ্যালয়, মহাবিদ্যালয়লৈ আহি অকল পাঠ্য-পুথিৰ জ্ঞান আহৰণ কৰাটোৱেই আজিৰ ছাত্ৰ-সকলৰ দায়িত্ব ও কৰ্ত্তব্য নহয়। ক্ৰীড়া, সাংস্কৃতিক আদিৰ উপৰিও 'তৰ্ক আৰু আলোচনা', বক্তৃতা ইত্যাদি বোৰ ও শিক্ষাৰ অবিচ্ছেদ্য অংগ। সকলো ছাত্ৰ-ছাত্ৰীয়ে ইয়াক অধ্যয়ন কৰা উচিত। "আজিৰ ছাত্ৰ কাইলৈ দেশৰ নাগৰিক"। ছাত্ৰ-সকলেই দেশৰ ভাৱি কৰ্ণধাৰ, বক্তা আৰু

বুদ্ধিজীৱী। ছাত্ৰৰ মাজৰ পৰাই ভৱিষ্যতে জন-সাধাৰণক প্ৰতিনিধিত্ব কৰিব পৰা ব্যক্তি ওলাব লাগিব। কিন্তু তাৰ মূলতে লাগিব সৎ সাহস আৰু চৰ্চা। অসমীয়াত এবাৰ কথা আছে "জুইশালত গঢ়িলেহে কমাৰ শালত গঢ়িবলৈ শিকে"। সেয়ে আজিৰ সচেতন ছাত্ৰসকলে এই বিভাগ সমূহৰ তাৎপৰ্য্য হৃদয়ঙ্গম কৰা উচিত। তাকে নকৰিলে ভৱিষ্যতে আমাৰ সমাজ ব্যৱস্থাত চলা দোষ, ত্ৰুটী সমূহ তথা শাসক বৰ্গই কৰিব পৰা দুৰ্নীতিৰ বিৰুদ্ধে আমি যুঁজিব নোৱাৰিম।

## তৰ্ক বিভাগ ঃ

১৯৮৩-৮৪ চনৰ আগলৈকে এই বিভাগটিৰ নাম "তৰ্ক আৰু বক্তৃতা" হিচাবে আছিল। কিন্তু এই বছৰ "তৰ্ক আৰু আলোচনা বিভাগ" নামেৰে নামাকৰণ কৰা হয়।

## মহাবিদ্যালয় সপ্তাহ ঃ

নতুন সম্পাদক সকলে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত খুব তলাতোয়াকৈ মহাবিদ্যালয় সপ্তাহ পাতিবলগীয়া হয়। ইয়াৰ কাৰণ হ'ল "আন্তঃ মহাবিদ্যালয় সপ্তাহ"লৈ প্ৰতিনিধি নিৰ্ব্বাচন কৰা। অইন কেইবছৰৰ দৰে মহাবিদ্যালয় সপ্তাহ উপ-লক্ষে এইবাৰো তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, কুইজ আদি প্ৰতিযোগিতা সমূহৰ আয়োজন কৰা হয়। তৰ্ক প্ৰতিযোগিতাত শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে শ্ৰীঅঞ্জনা চক্ৰৱৰ্তীয়ে। কুইজ প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল হিচাবে চলন্ত শ্বিল্ড লাভ কৰে শ্ৰীদিগন্ত কুমাৰ ডেকাৰ দলে। ইয়াৰোপৰি আকস্মিক বক্তৃতাত ১ম হয় শ্ৰীহৰেশ্বৰ চমুৱা।

## তৰ্ক প্ৰতিযোগিতাত যোগদান ঃ

এইবাৰ কটন কলেজে উত্তৰ পূৰ্ব্বাঞ্চল ভিত্তিত আয়োজন কৰা "মানিক চন্দ্ৰ বৰুৱা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা"ত আমাৰ মহাবিদ্যালয়ৰ পৰা শ্ৰীদিগন্ত কুমাৰ ডেকা আৰু শ্ৰীহেমন্ত কুমাৰ বৰাই যথাক্ৰমে সপক্ষে আৰু বিপক্ষে যোগদান কৰে। ইয়াৰোপৰি অসমৰ বহুতো কলেজৰ পৰা তৰ্ক প্ৰতিযোগিতাত যোগদান কৰাৰ বাবে চিঠি আহে। কিন্তু এই বিভাগটিৰ পুঁজি টনকিয়াল নোহোৱা হেতু সকলোবোৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাটো সম্ভৱপৰ নহয়। এই বিভাগৰ পুঁজিৰ বাবদ প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ পৰা মাত্ৰ ৫০ পইচাহে লোৱা হয়। সেয়ে এনে সীমিত ধনেৰে বহু ঠাইত অংশ গ্ৰহণ কৰা অসম্ভৱ।

গতিকে এই বছৰৰ পৰা যেন উক্ত বিভাগ-টিৰ পুঁজি বৰ্দ্ধিত কৰা হয়, তাৰ বাবে নতুন কাৰ্য্যকৰী সমিতিলৈ মোৰ অনুৰোধ।

## শ্বহীদ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা ঃ

১৯৮২-৮৩ চনৰ পৰাই মহাবিদ্যালয় ছাত্ৰ সন্থাৰ উদ্যোগত অসমৰ অস্তিত্ব ৰক্ষাৰ হকে প্ৰাণাহুতি দিয়া মহান শ্বহীদসকলৰ স্মৃতিত এখনি তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হয় আৰু শ্বহীদ হৰগোবিন্দ গোস্বামী, শ্বহীদ ডিম্বেশ্বৰ ডেকা সোঁৱৰণী চলন্ত ট্ৰফী প্ৰদান কৰা হয়। ইয়াৰোপৰি আৰু দুটা ট্ৰফী বিজয়ী দলক প্ৰদান

কৰা হয়। প্ৰতিযোগিতাখন প্ৰেক্ষাগৃহৰ অভাৱ তথা পুঁজিৰ অভাৱত সদৌ অসম ভিত্তিত পতা নাই। সমগ্ৰ দৰং জিলাৰ ভিতৰতে এখন উচ্চ শিক্ষাৰ কেন্দ্ৰ মঙলদৈ মহাবিদ্যালয়। কিন্তু কৰ্তৃপক্ষৰ উদাসীন মনোভাৱৰ বাবেই আজিলৈকে আধৰুৱা প্ৰেক্ষাগৃহটিৰ অগ্ৰগতি পৰিলক্ষিত হোৱা নাই। এনেকুৱা অভাৱৰ বাবেই উক্ত প্ৰতিযোগিতাখনি সদৌ দৰং জিলা (অবিভক্ত) ভিত্তিতেই পাতিব লগীয়া হ'ল। যোৱা ৪।১২।৮৪ তাৰিখে উঃ মাঃ আৰু কলেজ সমূহৰ মাজত এই প্ৰতিযোগিতা হৈ যায়। তৰ্কৰ বিষয় আছিল—"সদনৰ মতে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় সংহতি বিনষ্টৰ বাবে কেন্দ্ৰীয় চৰকাৰেই সম্পূৰ্ণ দায়ী"। ইয়াত শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে মঙলদৈ মহাবিদ্যালয়ে। তদুপৰি শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীদিগন্ত কুমাৰ ডেকাই। ২য় শ্ৰেষ্ঠা সন্মান লাভ কৰে শ্ৰীগিৰিজা কুমাৰ (দেওমৰনৈ উঃ মাঃ) আৰু তৃতীয় শ্ৰেষ্ঠ তাৰ্কিক ৰূপে বিবেচিত হয় শ্ৰীৰাণাজিৎ চক্ৰৱৰ্ত্তী (মঙলদৈ উঃ মাঃ)।

কৃতজ্ঞতা এই সকললৈ ঃ

কাৰ্য্যকালৰ আৰম্ভণীৰে পৰা শেষলৈকে সকলো দিশত দিহা পৰামৰ্শ দি অহাৰ বাবে এই বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত হৰিচন্দ্ৰ ডেকা 'চাৰ'ৰ ওচৰত মই চিৰ কৃতজ্ঞ। তেখেতৰ উপদেশ তথা ব্যৱহাৰ মই সদায় স্বীকাৰ কৰিব লাগিব। ইয়াৰোপৰি সকলো দিশত সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে সমূহ কাৰ্য্যনিৰ্বাহক সদস্য তথা মোৰ বন্ধু শ্ৰীতৃষ্ণ হাজৰিকা, শশীন, সৰ্বানন্দ, দিলীপ, প্ৰভাতহঁতৰ ওচৰতো মই কৃতজ্ঞ।

ক্ষমা বিচাৰি ঃ

কাৰ্য্যনিৰ্বাহৰ কালছোৱাত সকলোবিলাক অজানিত ভুলৰ বাবে ক্ষমা বিচাৰি এই মহান শিক্ষানুষ্ঠানটিৰ উত্তৰোত্তৰ কামনা কৰি এই ক্ষুদ্ৰ প্ৰতিবেদনৰ দুৱাৰ বন্ধ কৰিলো।

'জয় আই অসম'

শ্ৰীহেমন্ত কুমাৰ বৰা
সম্পাদক
তৰ্ক আৰু আলোচনা বিভাগ



# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে যিসকল শ্বহীদে নিজ মাতৃভূমি ৰক্ষাৰ্থে প্ৰাণ আহুতি দিলে সেইসকল শ্বহীদলৈ মোৰ অশ্ৰু অঞ্জলি যাচিছোঁ। লগতে মঙলদৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা তথা সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক শুভেচ্ছা যাচিছোঁ—যিসকলৰ মৰম স্নেহৰ বাবে মই মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাবে সেৱা কৰিবলৈ নিৰ্ব্বাচিত হৈছিলো।

১৯৮৩-৮৪ চনৰ এই মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ দায়িত্ব লৈ মই মোৰ দায়িত্বত কিমানখিনি অবিহণা যোগাব পাৰিছো সেইটো বিচাৰৰ ভাৰ ছাত্ৰ-ছাত্ৰী ভাই বন্ধুসকলৰ ওচৰত।

সংস্কৃতি হ'ল মানুহৰ জীৱন পদ্ধতি। আকৌ মানসিক বস্তু সম্ভাৰ আৰু সুকুমাৰ কলা বস্তুৰ সমষ্টিয়েই হৈছে সাধাৰণতে সংস্কৃতি। কলা সংস্কৃতি বিনে এটা জাতি জীয়াই থাকিব নোৱাৰে। ই জাতিৰ প্ৰতীক স্বৰূপ। সেয়েহে আমাৰ কলা সংস্কৃতিটোক জীয়াই ৰাখিবলৈ আমি প্ৰত্যেকেই চেষ্টা কৰা উচিত। সেয়ে মই আশা ৰাখিলো মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া কলা কৃষ্টিৰ উন্নতি সাধি আগুৱাই যাব।

কাৰ্য্যকাল ঃ

মোৰ কাৰ্য্যকালৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ লগত সংহতি ৰাখি পাঁচদিনীয়া কাৰ্য্যসূচীৰে এখনি সাংস্কৃতিক অনুষ্ঠান পতা হয়। উক্ত অনুষ্ঠানৰ যোগেদি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা চলাওঁ। উক্ত প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰি প্ৰতিযোগিতা সাফল্য মণ্ডিত কৰি তোলে। তাৰ বাবে মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত চিৰ কৃতজ্ঞ। মই

দুখেৰে জনাব লগীয়া হৈছো যে, ১৯৮৩-৮৪ চনৰ "যুৱ মহোৎসৱত" মহাবিদ্যালয়ৰ অধ্যক্ষ তথা কর্তৃপক্ষৰ আকোৰগোজ মনোভাৱৰ কাৰণে গীত মাত প্রতিযোগিতাত যোগদান কৰিব পৰা নগ'ল। মাত্র নাটকতহে যোগদান কৰা হ'ল। গতিকে মই আশাকৰো পৰৱৰ্ত্তী কালত অধ্যক্ষ তথা কর্তৃপক্ষৰ এনেকুৱা আঁকোৰগোজ মনোভাৱ নাথাকে যেন। এইখিনিতে আৰু এটা কথা কৈ থওঁ যে হাৰমনিয়াম আৰু তবলাৰ বাহিৰেও অন্যান্য লাগতীয়াল বাদ্যযন্ত্র নথকাৰ ফলত কার্য্যসূচী চলোৱাত বহুতো অসুবিধাৰ সন্মুখীন হব লগাত পৰিছো। সেয়ে মই আশাকৰো পৰৱৰ্ত্তী কালত আমাৰ মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীসকলে সুবিধা ভোগ কৰিব পাৰিব। এই অভাৱ অভিযোগৰ কথা ছাত্র-ছাত্রী আৰু অধ্যক্ষ মহোদয়ে চিন্তা কৰিব বুলি মই আশা কৰিলো।

শলাগৰ শৰাই ঃ

মোৰ কার্য্যকালত বিভিন্ন সময়ত বিভিন্ন কামত মোক দিহা-পৰামর্শ দি সহায় কৰাৰ বাবে সাংস্কৃতিক বিভাগৰ ভাৰপ্রাপ্ত অধ্যাপক মাননীয় শ্রীযুত বিজয় গোস্বামী দেৱক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। আনহাতে মহাবিদ্যালয়ৰ যি সকল শ্রদ্ধাভাজন অধ্যাপক-অধ্যাপিকা গুৰুৱে মোলৈ সহায় সহযোগ আগবঢ়ালে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। প্রাক্তন ছাত্র বন্ধুবৰ শ্রীৰাখেন বৰুৱাই বিভিন্ন কামত সহায় সহযোগ কৰাৰ বাবে মোৰ শলাগৰ শৰাই আগবঢ়াইছো। সকলো সময়তে সহায় কৰা বন্ধুবৰ বঙ্কিং ডেকালৈ মোৰ শলাগৰ শৰাই আগবঢ়াইছো। বিভিন্ন দিশত সহায় কৰা ৰাজেন ডেকা, দুলাল বৰুৱা, অশ্বিনী হাজৰিকা, ধ্রুৱজ্যোতি শর্মা, ডিম্বেশ্বৰ হাজৰিকা, মিতালী চৌধুৰী আৰু মধুস্মিতা দেৱীলৈ মোৰ আন্তৰিক শলাগৰ শৰাই আগবঢ়াই মোৰ এই প্রতিবেদনৰ সামৰণি মাৰিলো।

জয়হিন্দ

শ্রীখনীন্দ্র কুমাৰ বৰুৱা

সম্পাদক, সাংস্কৃতিক বিভাগ।

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

অশ্ৰু-অঞ্জলি ঃ

প্ৰতিবেদন লিখাৰ আৰম্ভণীতে অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া শ্বহীদসকললৈ অশ্ৰু অঞ্জলি যাচিছোঁ। শ্ৰদ্ধাৰে সোঁৱৰিছো মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে ১৯৮৩-৮৪ চনৰ সমাজ সেৱাৰ সম্পাদক হিচাপে নিৰ্বাচনত বিপুল ভোটত জয়ী কৰি মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুবিধা দিয়াৰ বাবে। বিগত বছৰটোত কি কৰিব পাৰিলো সেয়া ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ বিচাৰ্য্যৰ বিষয়। নোৱাৰাখিনিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

সমাজ সেৱা ঃ

সমাজৰ লগত অন্তঃকৰণে সাধনাত ব্ৰতী হৈ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক দিশটো অবিৰাম গতিত অগ্ৰসৰ কৰাটোৱেই সমাজ সেৱাৰ লক্ষ্য।

মহাবিদ্যালয় সপ্তাহ ঃ

কাৰ্য্যভাৰ লোৱাৰ পিছতেই মহাবিদ্যালয় সপ্তাহত সমাজ সেৱা বিভাগৰ দ্বাৰা শ্ৰমদান, ৰচনা আৰু আলোচনা চক্ৰ প্ৰতিযোগিতাৰ জৰিয়তে বিপুল সংখ্যক প্ৰতিযোগীৰ মাজৰ পৰা এজন শ্ৰেষ্ঠ কৰ্মী আৰু দুজন কৰ্মীক পুৰস্কাৰ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া কৰ্মী শ্বহীদ হৰগোবিন্দ গোস্বামী সোঁৱৰণত মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাই আগবঢ়োৱা চলন্ত শ্বিল্ড প্ৰথমবাৰৰ বাবে শ্ৰেষ্ঠ সমাজ কৰ্মী হিচাপে নিৰ্বাচিত শ্ৰীদেবেন্দ্ৰ কুমাৰ কলিতাই লাভ কৰে। মহাবিদ্যালয় সপ্তাহত বাহিৰেও এটি এদিনীয়া আৰু দুটি অৰ্দ্ধদিনীয়া শিবিৰৰ জৰিয়তে বিপুল ছাত্ৰ-ছাত্ৰীৰ সহযোগত মহাবিদ্যালয়ত শ্ৰম দান আগবঢ়োৱা হয়।

বিশেষ শিবিৰ ঃ

সমাজ সেৱা (N.S.S.)ৰ বিশেষ শিবিৰৰ জৰিয়তে এইবাৰ অসমত প্ৰলয়ংকাৰী বানপানীত সৰ্বহাৰা হোৱা মঙলদৈ মহকুমাৰ অন্তৰ্গত গৰুখুটি, পকাদলি, ছিপাঝাৰ অঞ্চলৰ ৰাইজক ভঙা-ঘৰ মেৰামতি, ৰাষ্টা-ঘাট আদিত শ্ৰমদান কৰাৰ লগতে ক্ষুদ্ৰ পৰিমাণ অৰ্থনৈতিক ভাৱে সহায়

আগবঢ়োৱা হয়। লগতে স্থানীয় ৰাসোৎসৱত সমাজ সেৱাৰ প্ৰায় এগৰাকী কৰ্মীয়ে নিস্বাৰ্থ শ্ৰমদান কৰে। তাৰোপৰি দক্ষিণ কামৰূপ কলেজত গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত হোৱা বিশেষ শিবিৰটোত আমাৰ মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰে।

অভাৱ–অভিযোগ ঃ

সমাজ সেৱা বিভাগত অন্য বিভাগৰ তুলনাত অৰ্থ একেবাৰে কম। ছাত্ৰ-ছাত্ৰী অনুপাতে সা-সঁজুলি একেবাৰে তাকৰীয়া। অৰ্থনৈতিক, সা-সঁজুলি আদিৰ অভাৱনীয় অনাটন নহলে মহাবিদ্যালয় সমাজ সেৱাই এক অজানতীত সাফল্য লাভ কৰিব পাৰিব সেয়া সন্দেহাতীত।

শলাগৰ শৰাই ঃ

বিগত বছৰটোত মোক সকলো দিশতে দিহা পৰামৰ্শ দি সহায় কৰাৰ বাবে সমাজ সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীৰমণী কান্ত চহৰীয়া, অধ্যাপক ৰাজেন্দ্ৰ বৰুৱা, নাৰায়ণ চৌহান, মতি মেধি, লোকেশ্বৰ নাথ আৰু অধ্যক্ষ চাৰৰ ওচৰত চিৰ কৃতজ্ঞ। ইয়াৰোপৰি বিশেষ ভাৱে মোক সহায় কৰাৰ বাবে প্ৰাক্তন ছাত্ৰ শ্ৰীগণেশ্বৰ চহৰীয়া, কেশৱ নাথ, দুৰ্লভ ডেকা, প্ৰাক্তন সম্পাদক উপেন ডেকা, বন্ধুবৰ দেবেন, গোপাল, মহেন্দ্ৰ, ঘনশ্যাম, সূৰ্য্য, প্ৰেমেশ্বৰ, ধীৰেণ, সুৰেণ, জিতেন, ধৰ্ম, কণক, খগেন, নৰেন, প্ৰেমদা, মিনু, ৰৌচান আৰা আৰু শ্ৰীক্ষিৰোদানন্দ গোস্বামী দালৈ মোৰ শলাগৰ শৰাই আগবঢ়াইছো।

শেষত, অজানিত ভুলৰ বাবে ক্ষমা বিচাৰি, মহাবিদ্যালয় সমাজ সেৱাৰ উত্তৰোত্তৰ সফল কামনাৰে মোৰ নীৰস প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয় আই অসম

শ্ৰীগোলোক বৰা
সম্পাদক, সমাজ সেৱা বিভাগ।

# ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়কৰ প্ৰতিবেদন

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ লক্ষ্য (Aim of National Service Scheme) ঃ

১। ৰাষ্ট্ৰীয় সেৱা আঁচনি যোগে সমাজ বা জাতিলৈ সেৱা আগবঢ়োৱা ;

২। দুখীয়া শ্ৰেণীক সহায় কৰা আৰু তেওঁলোকৰ সমস্যাবোৰ সমাধান কৰা ;

৩। নিজৰ জিৱণি সময়খিনিক সদ্ ব্যৱহাৰ কৰি সময়ৰ উপযুক্ত মূল্য দিয়া ;

৪। কৰ্ত্তব্যবোধ উপলব্ধি কৰা ;

৫। অধ্যয়নৰ সময়ছোৱাত নিজৰ লগতে আন দহজনৰ বাবে চিন্তা কৰা।

উপৰোক্ত লক্ষ্যসমূহ আগত ৰাখি মঙলদৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটে ১৯৭২ চনৰ পৰা বিভিন্ন অঞ্চলৰ লগতে মহাবিদ্যালয় চৌহদত সেৱা আগবঢ়ায়। দেশৰ সংকটপূৰ্ণ মুহূৰ্ত্তত এই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উন্নতিৰ জখলাত বগাই যোৱাত বিভাগীয় কৰ্তৃপক্ষক মই মোৰ অভিনন্দন জ্ঞাপন কৰিছো। মোৰ কাৰ্য্যকালছোৱাত কাম কৰাৰ এটি চমু আভাস তলত দাঙি ধৰা হ'ল।

মহাবিদ্যালয় চৌহদত ঃ

মই ৫।৮।৮৪ তাৰিখে কাৰ্য্যভাৰ গ্ৰহণ কৰো। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই ১৯।৮।৮৪ আৰু ২৩।৯।৮৪ তাৰিখে দুটা অৰ্দ্ধ দিনীয়া শিবিৰ অনুষ্ঠিত কৰো। তাৰ পিছত মহাবিদ্যালয়ৰ নবাগত আদৰণী সভাত সমাজ সেৱা বিভাগৰ সহায়ত মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ কৰা হয়।

বানপীড়িত অঞ্চলত ঃ

যোৱা ১৬।৯।৮৪ তাৰিখৰ পৰা পশ্চিম মঙলদৈ অঞ্চলত হোৱা ভয়াবহ বানপানীয়ে গোটেই পশ্চিম মঙলদৈ বাসীকে পথৰ ভিক্ষাৰীৰ দৰে ভুকুনা অৱস্থা কৰিলে। সেয়ে ৰাঃ সেঃ আঃ বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি ১৪।১০।৮৪ তাৰিখৰ পৰা ২৩।১০।৮৪ তাৰিখলৈ বিভিন্ন বানবিধ্বস্ত অঞ্চলত ৰাঃ সেঃ আঃৰ এটি বিশেষ শিবিৰৰ আয়োজন কৰা হয়। সেই মৰ্মে ১৫।১০।৮৪ তাৰিখৰ পৰা ১৭।১০।৮৪ তাৰিখলৈ ক্ৰমে গৰুখুটি, শাদোৱা, নাৰিকলি, বিজুলীবাৰী, পুনিয়া, গৰৈমাৰা, পকাদলি, ব্যাসপাৰা, পাতিদৰং আদি অঞ্চলত ৰাঃ সেঃ আঃ ৰ স্বেচ্ছাসেৱকসকলে

জৰীপ কৰে। উক্ত জৰীপৰ প্ৰতিবেদন মৰ্মে ১৯।১০।৮৪ তাৰিখে নাৰিকলি, ২০।১০।৮৪ তাৰিখত গৰুখুটি, ২১।১০।৮৪ তাৰিখে পকাদলি আদি বানবিধ্বস্ত অঞ্চলত শ্ৰমদান কৰা হয়। অনিবাৰ্য্য কাৰণবশতঃ ২৩।১০।৮৪ তাৰিখৰ পৰিৱৰ্ত্তে ২২।১০।৮৪ তাৰিখে শিবিৰ সামৰণি মৰা হয়। ইয়াৰ জৰিয়তে বিভিন্ন ঠাইত বাটপথ মেৰামতি কৰাকে ধৰি অক্ষম লোকক ঘৰ বান্ধি দিয়া, পুখুৰী পৰিষ্কাৰ কৰা আদি কাম কৰা হয়। সুখৰ বিষয় ইয়াৰ জৰিয়তে প্ৰায় ৫০০০ লোক উপকৃত হব পাৰিব। বিভিন্ন ঠাইৰ পৰা জৰীপৰ প্ৰতিবেদন দাখিল কৰা হৈছিল তাৰ প্ৰতিলিপি বিভিন্ন সংগঠনলৈ পঠোৱা হয় আৰু সাহায্যৰ বাবে আবেদন জনোৱা হয়।

অন্যান্য সমাজ সেৱা ঃ

যোৱা ৭ নবেম্বৰৰ পৰা ১৪ নবেম্বৰলৈ মঙলদৈত অনুষ্ঠিত শ্ৰীশ্ৰীকৃষ্ণ ৰাসোৎসৱত আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ১০১ জন স্বেচ্ছাসেৱকে সেৱা আগবঢ়ায়। এই সেৱাৰ বাবে শ্ৰীনৱ প্ৰসাদ শৰ্মা আৰু শ্ৰীভদ্ৰকান্ত নাথক শ্ৰেষ্ঠ কৰ্মী হিচাপে ক্ৰমে ১ম আৰু ২য় পুৰস্কাৰ বিজয়ী বুলি ঘোষণা কৰা হয়।

যোৱা ২৩।১২।৮৪ তাৰিখে কলাই গাওঁ বাগিছা-চুবাত শ্ৰীগোবিন্দ নাথৰ উদ্যোগত যি খাদী আৰু গ্ৰামোদ্যোগ স্থাপন কৰা হৈছে, তাত আমাৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ৫ জন স্বেচ্ছাসেৱকে অংশ গ্ৰহণ কৰে। তেওঁলোক হ'ল ক্ৰমে শ্ৰীচন্দ্ৰকান্ত নাথ (অধিনায়ক), শ্ৰীগীৰেন ডেকা (সহঃ অধিনায়ক), শ্ৰীপবিত্ৰ নাথ, শ্ৰীখগেন চৌধুৰী আৰু শ্ৰীধীৰেন হাজৰিকা।

অভাব-অভিযোগ ঃ

যিহেতু চৰকাৰে ৰাষ্ট্ৰীয় সেৱা আঁচনি বিষয়টো আৰু এন চি চি বিষয়টো বাধ্যতামূলক বিষয় হিচাবে ধৰি দিছে সেয়ে এই বিভাগৰ বাবে এটি সুকীয়া ভঁৰাল, এটা কাৰ্য্যালয় আৰু স্বেচ্ছাসেৱক-সেৱিকাই যাতে কামৰ সময়ত অসুবিধা নাপায় তাৰ বাবে সঁজুলিৰ আৱশ্যক। অধ্যক্ষ মহোদয়ক ১০।৮।৮৪ তাৰিখে দিয়া আবেদন মৰ্মে এটি সুকীয়া কাৰ্য্যালয়ৰ বাবে অনুমোদন জনায়। এটি সৰু কোঠাত বৰ্ত্তমান উক্ত কাৰ্য্যালয় চলাই থকা হৈছে। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বাবে আৱশ্যকীয় সঁজুলিৰ যোগানৰ বাবে আৰু উক্ত সঁজুলি সমূহৰ সংৰক্ষণৰ বাবে এটি সুকীয়া ভঁৰালৰ ব্যৱস্থা কৰিবলৈ কৰ্ত্তপক্ষক টানি অনুৰোধ জনোৱা হ'ল। মঙলদৈ মহাবিদ্যালয়ৰ দক্ষিণে থকা কৃষি পাম খন অতি কষ্টৰ বিনিময়ত গঢ়ি তোলা হৈছিল। কিন্তু দুখৰ বিষয় বৰ্ত্তমান এই খনৰ অস্তিত্ব প্ৰায় নোহোৱাৰ দৰে হৈছে। উক্ত কৃষি পামৰ "আৰ্জি শিক্ষা লোৱা আঁচনি (Earner...Learner Scheme)"ৰ সহায়ত দুখীয়া মেধাবী ছাত্ৰসকলে তাত থাকি শিক্ষা লাভ কৰিছিল। মই বিভাগীয় কৰ্ত্তপক্ষলৈ টানি অনুৰোধ জনাওঁ যে উক্ত পামৰ আঁচনি পুনৰ প্ৰৱৰ্ত্তন আৰু দুখীয়া মেধাবী ছাত্ৰসকলৰ থকা আৰু শিক্ষাৰ ব্যৱস্থা কৰে যেন।

### কৃতজ্ঞতা স্বীকাৰ ঃ

এই বছৰ ৰাঃ সেঃ আঃ ৰ বিভিন্ন দিশত দিহা-পৰামৰ্শ দি সহায় কৰাৰ বাবে ভাৰপ্ৰাপ্ত অধ্যক্ষ ডঃ পূৰ্ণ চন্দ্ৰ বড়া এম এ, পি এইচ ডি দেৱক মই শলাগৰ শৰাই আগবঢ়ালো। দ্বিতীয়তে মই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যসূচী বিষয়া (Programme officer) শ্ৰীৰাজেন্দ্ৰ বৰুৱা এম এ (ডবল), বি টি দেৱক তেখেতৰ পৰা পোৱা সকলো প্ৰকাৰ দিহা পৰামৰ্শৰ বাবে কৃতজ্ঞতা স্বীকাৰ কৰিলো। ইয়াৰ উপৰিও বিভিন্ন দিশত দিহা পৰামৰ্শ আগবঢ়োৱা অধ্যাপক শ্ৰীৰমনী চহৰীয়া এম এ, শ্ৰীকুমুদ শন্দিকৈ এম এ, অধ্যাপক শ্ৰীমতি মেধি এম এ, অধ্যাপক শ্ৰীলোকেশ্বৰ নাথ এম এছ চি, অধ্যাপক শ্ৰীখৰ্গেশ্বৰ গোস্বামী এম এ দেৱলৈ আৰু অধ্যাপক শ্ৰীশৰৎ চন্দ্ৰ শৰ্মা এম এ, বি টি দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

মোক বিভিন্ন বিষয়ত দিহা পৰামৰ্শ দিয়াৰ বাবে মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ ওচৰত মই চিৰকৃতজ্ঞ। ইয়াৰ উপৰিও প্ৰাক্তন ছাত্ৰ সৰ্ব্বশ্ৰী দুৰ্ল্লভ ডেকা, গনেশ্বৰ চহৰীয়া, গোপাল নাথ, উপেন চহৰীয়া, মহেন্দ্ৰ কলিতা, দেৱেন কলিতা আদিলৈ মই ওলগ জনালোঁ। ইয়াৰ উপৰিও বিভিন্ন বিষয়ত দেহেকেৰে খাতি মোক সকলো প্ৰকাৰে সহায় কৰাৰ বাবে বন্ধুবৰ সৰ্ব্বশ্ৰী পূৰণ নাথ, পবিত্ৰ নাথ, খগেন চৌধুৰী, লৱন নাথ, বিপিন, সুৰেন্দ্ৰ আৰু নাৰায়ন বৰুৱা আৰু লগতে মৰমৰ ভাইটি সৰ্ব্বশ্ৰী সৰ্ব্বানন্দ শৰ্মা, নৱ প্ৰসাদ শৰ্মা, নৱকুমাৰ শৰ্মা, অতুল আৰু ৰাঃ সেঃ আঁঃ ৰ সমূহ স্বেচ্ছাসেৱক স্বেচ্ছাসেৱিকানকলৈ মই মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। লগতে আলোচনী বিভাগৰ সম্পাদকে এই সুযোগ কণ দিয়া বাবে তেওঁৰ ওচৰত মই চিৰ কৃতজ্ঞ।

মই আশা কৰো এই ৰাষ্ট্ৰীয় সেৱা আঁচনি আগতকৈ অধিক শক্তিশালী হওঁক ; এয়ে মোৰ কামনা।

ধন্যবাদ—

শ্ৰীচন্দ্ৰ কান্ত নাথ (অধিনায়ক)
ৰাষ্ট্ৰীয় সেৱা আঁচনি
জয় আই অসম

## মঙলদৈ মহাবিদ্যালয় ছাত্র সন্থাৰ

# বিষয়ববীয়া আৰু ভাৰপ্ৰাপ্ত অধ্যাপকসকল

## ১৯৮৩-১৯৮৪ চন

| বিষয়বাব | বিষয়ববীয়া | ভাৰপ্ৰাপ্ত অধ্যাপক |
|---|---|---|
| সভাপতি | ডঃ পূৰ্ণ চন্দ্ৰ বৰা (অধ্যক্ষ) | |
| উপসভাপতি | দীপক বৰদলৈ | |
| সাধাৰণ সম্পাদক | ধৰ্মকান্ত শৰ্মা | |
| সহঃ সাধাৰণ সম্পাদক | হৰেন চহৰীয়া (দিবা শাখা) | |
| সহঃ সাধাৰণ সম্পাদক | ভূপেন বৰদলৈ (নৈশ শাখা) | |
| খেল বিভাগৰ সম্পাদক | শৰৎ চন্দ্ৰ ডেকা | অধ্যাপক আমানুল হক |
| খেল বিভাগৰ সহঃ সম্পাদক | অৱনী মোহন নাথ | |
| সমাজ সেৱা বিভাগৰ সম্পাদক | গোলোক বৰা | অধ্যাপক ৰমনী চহৰীয়া |
| সাংস্কৃতিক বিভাগৰ সম্পাদক | খনীন্দ্ৰ বৰুৱা | অধ্যাপক বিজয় গোস্বামী |
| ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক | কামাখ্যা চহৰীয়া | অধ্যাপক ঈশ্বৰ চন্দ্ৰ শৰ্মা ভড়ালী |
| ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা | মনোৰমা মেধি | অধ্যাপিকা বিদ্যুৎ দাস |
| সাহিত্য বিভাগৰ সম্পাদক | ধনেশ্বৰ বৰুৱা | অধ্যাপিকা উষা বড়া |
| তৰ্ক আৰু আলোচনা বিঃৰ সম্পাদক | হেমন্ত কুমাৰ বৰা | অধ্যাপক হৰিশ চন্দ্ৰ ডেকা |
| আলোচনী সম্পাদক | দুলাল বৰুৱা | অধ্যাপক ভাৰত চন্দ্ৰ শৰ্মা |
| ব্যায়াম শাখাৰ সম্পাদক | শিৱপ্ৰসাদ বৰুৱা | অধ্যাপক যাদৱ নাথ |
| সুকুমাৰ কলাৰ সম্পাদক | দাতুল চলিহা | অধ্যাপক ৰনেন্দু সেন |

ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত অধ্যাপক—শ্ৰীৰাজেন্দ্ৰ বৰুৱা।

| | | |
|---|---|---|
| চন্দ্ৰন কোঁৱৰ (সদস্য) | যোগেশ্বৰ নাথ (সদস্য) | দীপা দেৱী (সদস্যা) |
| মধুস্মিতা দেৱী (সদস্যা) | পৱিত্ৰ ডেকা (সদস্য) | কনক বৰুৱা (সদস্যা) |
| নৱ তামুলী (সদস্য) | | |

# Mangaldai College Magazine

# ENGLISH SECTION

**Annual Publication of**
**Mangaldai College Students' Union**
**1983—84**

Prof. in charge :
B. C. Sarmah, M. A.

Editor :
Dulal Baruah

# Contents :

In the mirror/1
Prof. Mahendra Prasad Barooah
Gift of nature/2
Miss Chandrama Barua
Without a name/3
Miss Meghali Devi
The virginty slaughtered/4
Sadhi Ram Bora
Youth for eco-development/5
Prof. Rajendra Boruah

# IN THE MIRROR

Prof.
Mahendra Prasad Barooah

In the mirror
Reflected are the faces
Of the animals
In the corners of their lips
The birds are imprisoned
In the curves of the birds' bodies
Iron plates are kneaded
Springy people are encaged
In the yellow lakes
In the mirror
Reflected are the faces
Of the animals.*

---

* Translated by the writer from his original poem 'Daponat' published in the poetry issue of "Panthapadap"—a magazine of verse in Assamese.

# GIFT OF NATURE

Miss Chandrama Barua
B. A. 2nd year

Clouds sail across the sky,
Bring water for the thirsty world,
To help the farmers.

Stars are the bright lights of heaven,
Shine like diamonds in the sky
In a dark night.

The moon goes round the earth ;
To make the world rich with Silver beams.
—But it takes light from the Sun.

The leaves swing in the wind ;
Supply purified air for the livings ;
—And, make the world ever green.

The flowers blossom from the bud ;
Made the insects mad, through its beauty.
—But spread sweet smell for all.

# WITHOUT A NAME

Miss Meghali Devi
B. A. 2nd year

'My mother was sweet to me,
'My father was good to me,
'My brother was lov'd by me,
'My sisters were endearing to me.

In moments of deep despair
When sleep overtakes me
A face visits me—
She wants to speak to me
But no words come out of her frozen lips.
She only raises her hand in clear agony
And soon vanishes—
Spring held out a promise
My garden was full of flowers.

But now
It's a dark winter night here,
I can see only withered flowers.
The cold wind is whizzing in my ear,
I must go on my journey alone. ●

# THE VIRGINTY SLAUGHTERED

Sadhi Ram Bora
Accountant i/c

Fair is the star,
Fair is the moon,
Fair is the Landscape.
Peace is there—
In the Sky above,
In the nature below,
Only human life is in agony.
Trees are afraid of man,
Beasts are afraid of man,
Man is afraid of man.
Oh the miserable agony,
Pray : Where is the Heaven ?

# YOUTH FOR ECO-DEVELOPMENT

Prof. Rajendra Baruah
M.A. (Double), B,T.

Ecology :— The term "Ecology" comes from the Greek word, "OIKOS" which means, "HOUSE". It has come to mean the study of "The totality or pattern of relations between organisms and their environment." In other words Ecology is a well-planned system destined to maintain harmony between the living world and its environment. Organisms cannot survive without air, water and soils. Inter-action between non-living environment and population i. e. living organism together form an ECC-SYSTEM. If the harmony is lost between the two, there will be ECO-CRYSIS or Ecological imbalance.

As per our Indian tradition all forms of life-plant, animal and human beings are integral parts of one cosmic whole. Disappearance of the one will produce adverse effect on others too.

To maintain the ecological balance, the developement of human habituation, animal husbandry & wild life preservation and plantation must be equally attended. It is painful to mention that no such ecological balance has been maintained. Rather, the human beings are day by day destroying the natural resources without taking into consideration that such resources are to be recouped for further use.

Air, water and soils are being poluted by man through different means for human welfare programmes forgetting the developement of animal resources and forestry. This eco-crysis is a burning problem in the world as a whole.

The situation is aggravated by ever developing agro-industrial economy. Human can not survive if there is no harmony with nature or environment. It has been felt by the developed as well as developing countries in the world now a days. This problem of ecology however cannot be solved only by government effort. The human society in general and voluntary organisations in particular are to come forward for eco-developement.

Air polution and water polution are far reaching world problems. Every day, fossil-fuelled industries give out thousands of tons of poisonous gasses, dust particles etc. to the air. This air polution, not only damages plants, but also reduces the amount of sun light reaching them. As a result, it may bring about climatic change and adversely affect the ecological balance.

Like that of air, water is also being poluted by human activities. Industrial wastes, the untreated liquid wastes, minerals and

above all the dirt and all other kinds of human wastes are polluting the rivers on which man has been developing their civilization.

Besides air and water the earth or soil is also being poluted or damaged by human beings directly or indirectly. In this connection, we should mention few points.

The initial source of all of the energy used by an ecosystem is the SUN. Green plants capture solar energy during photosynthesis and store it in chemical form for subsequent use by plant. So plants are called "Producers" or autotrophs or self-feeding, where as the organisms are called "Consumers" or heterotrophs or other feeding. Generally there is a four level "food chain" plant-insect-bird-man. In addition to producers and consumers, there must have Decomposers for re-use by the producers. In this way, there is a complexity of eco-system. When this complex system is in dynamic equilibrium, every component functioning normally, there is ecological balance.

This ecological balance may be destroyed either by natural calamity or by man. As we have no control over the nature, human interferance may be discouraged.

## Role of Forest for Ecological Balance :

Forests play an important role in human civilisation. Earth is about 4,500 million year old. Plant in the form of an "ALGAE" is the first so called living creature which came on earth-surface in about 1,600 million years ago. The present form of plants is the result of innumerable process of evolution. These plants are the most important elements of forests, which are most essential comodities for human life. There are four different roles of forests, namely, Productive Role—used for various purposes, Protective Role for water and wind erosion. etc. Aesthenic Role for pleasure of mind and Atmospheric role as a whole.

Human life can not be imagined without forest. Total forest area in the World is 3990.6 millions hectares. In India it is 75.0 millions hectares.

The forest area in the World is 30%. In India it is 22·7% or about 23% against the norm of 33% or ⅓ of the total land as suggested by National Forest Policy of 1952. In Assam total forest area is said 26·21%. But in real, it is not more than 11% of the total area as forest.

The North-East India called the Eastern border land of Indian 'sub-continent' has 1350 kilometre long border with Tibet (now China) in the north, 900 Km. boundary with Bangladesh in the south-west and 1350 Km. boundary with Burma in the east. But boundary with India is only 38 Km. long. Now this region of North-East India consists of seven states. Though this area is fulled of Hills and plants, yet there is no ecological balance as the people are not so alert in this regard.

However, the question of ecological balance and environmental development has come to light. The well known, "CHIPKO MOVEMENT" has opened the eyes of all, where the farmers of Himachal Pradesh were forced for their survival to sacrifice their lives to save the Himalayan forest from the vested interests.

In India the Eco-Developement Board of the Deptt. of Environment under Ministry of Environment have formate policies on protection and preservation of environment in our country. Universities also have their Department of Environmental Science to study the problem and to find our ways and means to solve it.

Scientists irrespective of social, physical or biological are equally conscious in this world problem. World population is increasing rapidly. In 1973, world population was 3860 million, in 2000 A.D. population will be about 6494 million which will automatically affect the ecosystem. Per capita income should be increased through agricultural knowhow. Motivation for future planning of Eco-Developement Programme and eco-awardness campaign also to be undertaken.

From the above discussion, it is clear that environmental developement is necessary for the survival of human beings. Afforestation, soil conservation, water conservation, irrigation work, removal of weeds in ponds, environmental Health activities, world life preservation, animal husbandary, human habitation plantation through social forestry etc. are some of the activities for ecological balance. Proper planning and follow-up measures are necessary for these need-based activities.

## Role of the youths :

The youths, especially the educated youths of Colleges and Universities are to play an important role for ecological developement.

First of all, the youths should be aware of the eco-crysis. They are to know the basic ecological problems and environmental management. Moreover they are to know the root cause of ecological problems related to human activities. They are to be convinced about the depthness of the problem. Lecture, seminar, group discussion, social service camp, site seeing or education excursion etc. are to be arranged.

After proper orientation by compitent authority, govt. or voluntary, different programmes may be taken, where youths will be active participants with the help of concerning developmental departments, namely, Health, Rural Developement, Agricultural extention, P. W. D., Forest and Social forestry, Khadi and Village industries Commission, Archaeology, Rationing, Vaterinary & Animal Husbandry and last but not least, rather vital—the Environment Department. These departments and some other organisations have direct or indirect involvement with ecology. The Department of Environmental Science in Universities can offer proper guidance to the youths.

## Rural Eco-development projects :

Water is being poluted in wells, ponds, rivers, tanks and in the natural resources, everywhere. Entire are is being poluted by cowdung, domestic waste, detergents etc. Soak pit, manure pit, drain etc are to be made.

ii) Soil erosion is one of the most eco-crysis in the villages. Plantation, construction of bund and other arrangements are to be made to prevent it.

iii) Harmful ecological effects of Pesticides, especially D. D. T. Rat-kill, etc. are to be noted carefully.

iv) Plantation in road side, public place, wasteland etc. are to be made.

v) Programmes against dirt and disease are to be taken.

In urban areas, besides water, land and air polution, noise polution is also there. Attempts should be made to prevent such polution in a planned way without further delay.

Eco Development Campaign should be made. An atmosphere is to be created in the community so that every citizen may be aware of the eco-crysis. Public opinion is to be created accordingly. Special attention is to be given on forest eco-system which is part and parcel in the human life.

The students of Science faculty have to take much care in this direction. They can demonstrate the short-term and long-term effects of the activities against nature in the name of development and civilisation.

## International Youth Year, 1985 :

The year, 1985 has been declared by UNO as "International Youth Year". During this year, in different States, in different level, various programmes will be made for alround development of Youths. Through integration camp and other activities, attempts will be made to national integration as well as international peace and harmony. The World problem of ecology should get priority in the youth' programmes, this year.

## Youth force :

It is sure that the youths are the real force to lead the World for solving the burning problem of eco-crysis.

They are free from any vested interest which can prevent them from community service. Youths may create an atmosphere to environmental development taking necessary programmes to prevent Air, Water and Soil polution including noise polution and even fire destruction.

"Live and let live" should be the moto of the youths this year. The society as a whole should offer all possible help to the youths, so that they ( the youths ) can devote their right force to eco-development and environmental protection.

# EDITORS AND PROF-IN-CHARGE OF MANGALDAI COLLEGE MAGAZINE FROM 1958 TO 1983-84

| Session | Editor | Prof-incharge |
|---|---|---|
| 1958—59 | Bodheswar Deka | P. Bora |
| 60—61 | Soneswar Sarma | D. Neog |
| 61—62 | Hara Gauri Adhikari | P. Bora |
| 62—63 | Maheswar kalita | D. Neog |
| 63—64 | Tuwa Ram Deka | D. Neog |
| 64—65 | Fazlul Karim | D. Neog |
| 65—66 | Basab Ch. Sahariah | D. Neog |
| 66—67 | Hem Kanta Deka | J. C. Sarma |
| 68—69 | Naren Hazarika | J. C. Sarma |
| 69—70 | Prabhat Nr. Choudhury | J. C. Sarma |
| 70—71 | Dinabandhu Sarma | J. C. Sarma |
| 71—72 | Mahiuddin Jiaul Hoque | B. Kakati |
| 72—73 | Premananda Nath | B. Kakati |
| 73—74 | Bhabendra Ch. Deka | B. Kakati |
| 74—75 | Juran Ch. Kalita | B. Kakati |
| 75—76 | Debendra Kr. Sarma | B. Kakati |
| 76 - 77 | Bhaba Kt. Hazarika | B, Kakati |
| 77—78 | Paramananda Razbongshi | N. Nesha |
| 78—79 | Sailendra Kr. Sarma Baruah | M. P. Baruah |
| 79—81 | Pankaj Kr. Goswami | B. Goswami |
| 81—82 | Gagendra Baruah | B. C. Sarmah |
| 82—83 | Biswajeet Goswami | B. C. Sarmah |
| 83—84 | Dulal Baruah | B. C. Sarmah |

মঙলদৈ মহাবিদ্যালয় ছাত্র সন্থাৰ হৈ আলোচনী বিভাগৰ সম্পাদক শ্ৰীদুলাল বৰুৱাৰ দ্বাৰা প্ৰকাশিত।